● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in


## দিগ্‌দৰ্শন

আপুনি মদাহী,
এলেহুৱা, ভীৰু,
বিশ্বাসঘাতক আদি
সকলো হ'বলৈ মুক্ত;
কিন্তু নিজা চিন্তা
কৰিবলৈ মুক্ত নহয়।

জৰ্জ অৰৱেল
*ইংৰাজ সাহিত্যিক*




৭ মোদী চৰকাৰৰ নতুন পৰিকল্পনা 'এক দেশ এক আৰক্ষী' ব্যৱস্থা
১৫ আজি চেম্পিয়নছ লীগৰ ফাইনেলত ৰিয়াল-লিভাৰপুল
৪ ভাৰতৰ 'দিল হ্যায় হিন্দুস্তানী' নীতি



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২৭তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৮ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 28 May 2022 মূল্য ঃ ৯.০০ টকা







## বটদ্ৰৱা কাণ্ডৰ মূল অভিযুক্তক দৰঙৰ ধুলাৰ পৰা গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা
নগাঁও, ২৭ মে' ঃ বটদ্ৰৱা আৰক্ষী থানা জ্বলাই ভস্মীভূত কৰা, কৰ্তব্যৰত আৰক্ষীক থানা চৌহদতে গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰা ঘটনাৰ লগত *১০ পৃষ্ঠাত চাওক*

## অসমক আছিয়ান দেশৰ দুৱাৰমুখ কৰাৰ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ঃ শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৭ মে' ঃ 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত ভাৰত চৰকাৰে ৰূপায়ণ কৰা এক্ট ইষ্ট পলিচিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ দিশত এক নতুন দিগন্তৰ সূচনা *১০ পৃষ্ঠাত চাওক*

## ■ হাগ্ৰামাৰ কাৰ্যকালৰ বিত্তীয় হিচাপ পৰীক্ষাত ফাদিল তথ্য

# বিটিচিত ৯০০ কোটিৰ দুৰ্নীতি



*'এক্ট ইষ্ট পলিচি' সন্মিলনত বন্তি প্ৰজ্বলন মুখ্যমন্ত্ৰীৰ, মহানগৰীত শুকুৰবাৰে।*

### ধাৰৰ বোজাত পোত যোৱা বিটিআৰত কি আঁচনি ল'ম? কাৰ্যবাহী সদস্য

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ২৭ মে' ঃ হাগ্ৰামা মহিলাৰীৰ শাসন কালত বিটিচিত কমেও নশ কোটি টকাৰ বিয়াগোম কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। আজি বিটিআৰৰ বিটিচি সচিবালয়ত এক সংবাদমেলত বিটিআৰৰ মুখপাত্ৰদ্বয় তথা কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে আৰু উইলছন হাছদাই এই তথ্য সদৰী কৰে। মহিলাৰীৰ ১৭ বছৰীয়া শাসন কালত এৰি থৈ যোৱা ঋণৰ বোজা সন্দৰ্ভতো কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য আগবঢ়ায় তেওঁলোকে। *১০ পৃষ্ঠাত চাওক*

### চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ কংগ্ৰেছ-অজাপ-ৰাইজৰ দলৰ

## চীনৰ পৰা অনা ১৫ কোটিৰ পিপিই কীট ক'ত হেৰাল?

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৭ মে' ঃ ৰাজ্য চৰকাৰে চীনৰ পৰা ক'ভিড প্ৰতিৰোধৰ নামত কোনো সা-সামগ্ৰী ক্ৰয় কৰা নাই বুলি ইয়াৰ দায়িত্বত থকা ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনে তথ্যজনাৰ অধিকাৰ আইনৰ অধীনত স্পষ্ট কৰি দিয়াৰ পাছতে ক'ভিড প্ৰতিৰোধৰ নামত ৰাজ্যত বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ তুলি ক'ভিডৰ সকলো আয়-ব্যয়ৰ হিচাপ শ্বেতপত্ৰৰ জৰিয়তে প্ৰকাশ কৰিবলৈ কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে দাবী জনাইছে। এই সন্দৰ্ভত আজি ৰাজীৱ ভৱনত কংগ্ৰেছৰ মিডিয়া কোষৰ অধ্যক্ষ মনজিৎ মহন্তই এক সংবাদমেলত কয়, '২০২০ৰ ১৫ এপ্ৰিলৰ মাজনিশা তদানীন্তন *১০ পৃষ্ঠাত চাওক*

### ■ এখন তীক্ষ্ণ, বৰ্ণাঢ্য আৰু শক্তিশালী গ্ৰন্থ

## প্ৰথমবাৰৰ বাবে ভাৰতীয় ভাষাত বুকাৰ বঁটা লাভ গীতাঞ্জলি শ্ৰীৰ

■ নিউজ ব্যুৰ'
লণ্ডন, ২৭ মে' ঃ প্ৰথমবাৰৰ বাবে ভাৰতীয় ভাষাত ৰচিত গ্ৰন্থই লাভ কৰিলে সন্মানজনক আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা। লেখিকা গীতাঞ্জলি শ্ৰীৰ হিন্দী ভাষাত ৰচিত উপন্যাস 'ট'ম্ব অৱ ছেণ্ড' *১০ পৃষ্ঠাত চাওক*



## মহানগৰীৰ হাতীগাঁৱৰ পৰা শিশু ভগ্নী-ভ্ৰাতৃৰ নিৰুদ্দেশক লৈ চাঞ্চল্য



ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৭ মে' ঃ মহানগৰীৰ হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত সিজুবাৰীৰ প্ৰগতিনগৰৰ পৰা পিতৃ আৰু মাহীমাকৰ *১০ পৃষ্ঠাত চাওক*




দৈনিক অগ্ৰদূত
যোৰহাট, ২৮ মে’, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ নামত গুজৰাটী কোম্পানীৰ লুণ্ঠনৰ অভিযোগ

### জল জীৱন আঁচনিৰ পানীৰ পাইপ বহুওৱাৰ নামত চহৰৰ নৱনিৰ্মিত পকী পথ কদৰ্য কৰিলে

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মে’ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহক আঁচনি জলজীৱন মিছনৰ জৰিয়তে দেশৰ প্ৰতিগৰাকী নাগৰিককে বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ প্ৰয়াস চলাইছে। এই আঁচনিখনৰ দ্বাৰা দেশৰ কোটি কোটি জনতাক খোৱা পানী যোগান ধৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অন্যতম সপোনৰ আঁচনি। উক্ত অভিলাষী আঁচনিখনৰ অংশস্বৰূপে অসমৰ অন্যান্য জিলাৰ লগতে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে নগাঁও পৌৰসভাৰ বাসিন্দাসকলৰ বাবে অমৰুট নামৰ আঁচনিখন ৰূপায়ন কৰে। প্ৰায় ২৩৯ *ছয় পৃষ্ঠাত চাওক*

# গোৰেশ্বৰ উন্নয়ন খণ্ডৰ ৬০ লাখটকীয়া বিত্তীয় কেলেংকাৰি ঃ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৭ মে’ ঃ** গোৰেশ্বৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰামসেৱক ইউনিছ আলীক যোৱা নিশা গোৰেশ্বৰ আৰক্ষীয়ে বিত্তীয় কেলেংকাৰিৰ অভিযোগত কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ পৰা গ্ৰেপ্তাৰ কৰে। গোৰেশ্বৰত কৰ্মৰত অৱস্থাত সংঘটিত ৬০ লাখ টকাৰ কেলেংকাৰি সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হয় অৱসৰপ্ৰাপ্ত গ্ৰামসেৱকজনক। ২০১৯ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা *ছয় পৃষ্ঠাত চাওক*

# দেশৰ দ্বিতীয়খন মানসিক ৰোগীৰ স্বাস্থ্য প্ৰতিষ্ঠান ৰূপে গঢ়ি তোলা হ’ব আঞ্চলিক প্ৰতিষ্ঠানক ঃ মহন্ত

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ২৭ মে’ঃ** বাংগালুৰুৰ নিমহাচৰ দৰে দেশৰ দ্বিতীয়খন মানসিক ৰোগীৰ স্বাস্থ্য প্ৰতিষ্ঠানৰূপে গঢ়ি তোলা হ’ব তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানক। উল্লেখ্য যে দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনক ভাৰতীয় ৰাষ্ট্ৰীয় মহত্ত্বপূৰ্ণ প্ৰতিষ্ঠানলৈ উন্নীত কৰিবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আনুষ্ঠানিকভাৱে প্ৰস্তাৱ দাখিল কৰিব। তেজপুৰত এইদৰে মন্তব্য কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰি তেওঁ এই বিষয়ে ঘোষণা কৰে মন্ত্ৰীজনে। আজি তেওঁ মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰ সকলো কাৰ্যক্ৰমণিকা, চিকিৎসা ব্যৱস্থা, মানসিক চিকিৎসাৰ বাবে উপলব্ধ শৈক্ষিক ব্যৱস্থাৰ বুজ লৈ মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰ সঞ্চালক ডাঃ শৈলেন দেউৰী সমন্বিতে জ্যেষ্ঠ চিকিৎসক, প্ৰশাসক আৰু চি পি ডব্লিউৰ জ্যেষ্ঠ অভিযন্তাৰ উপস্থিতিত এক বৈঠকত মিলিত হয়। স্বাস্থ্য মন্ত্ৰী মহন্তই *ছয় পৃষ্ঠাত চাওক*



# জকাই দুই নম্বৰ ভূৰ ভূৰীৰ মৃৎশিল্পী ধৰ্মপ্ৰাণা গোলাপী কলিতাৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৭ মে’ ঃ** ডিব্ৰুগড়ৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ অধীনৰ জকাই গাঁও পঞ্চায়তৰ অন্তৰ্গত জকাই দুই নম্বৰ ভূৰ ভূৰী গাঁৱৰ মৃৎশিল্পী জকাই শৰাইঘাট নামঘৰৰ নামাচাৰ্যা গোপিনী গোলাপী কলিতাৰ (৯১)কালি দিনৰ *ছয় পৃষ্ঠাত চাওক*

# নেতৃত্বৰ বিৰুদ্ধে ব্যৰ্থতাৰ অভিযোগ তুলি অজাপ ত্যাগ চিত্তৰঞ্জনৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ২৭ মে’ ঃ** সংশোধিত নাগৰিকত্ব আইন বিৰোধী আন্দোলনৰ পটভূমিত জন্মলাভ কৰা তথা অসম জাতীয় পৰিষদৰ অন্যতম প্ৰতিষ্ঠাপক, কেন্দ্ৰীয় সম্পাদক (সাংগঠনিক) চিত্তৰঞ্জন বসুমতাৰীয়ে দলত্যাগ কৰা ঘটনাই ৰাজনৈতিক মহলত চৰ্চা লাভ কৰিছে। অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈলৈ আজি বসুমতাৰীয়ে দুই পৃষ্ঠাজোৰা পদত্যাগ পত্ৰ প্ৰেৰণ কৰি দলটোৰ আভ্যন্তৰীণ কেতবোৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য যে সভাপতি গগৈৰ সোঁহাতস্বৰূপ তথা ৰাজ্যৰ বিগত সাধাৰণ নিৰ্বাচনত ধেমাজিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি দলৰ ভিতৰতে সৰ্বাধিক ভোট লাভ কৰিবলৈ সক্ষম হোৱা বসুমতাৰীয়ে শেহতীয়াকৈ মাজুলীৰ উপ-নিৰ্বাচনতো অজাপৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। তেওঁৰ দল *ছয় পৃষ্ঠাত চাওক*

# কচুৱাত বাঢ়নী পানীত পৰি দুই কণমানি শিশুৰ সলিল সমাধি

### ঘৰৰ সন্মুখতে খেলি থাকোতে বানত প্লাৱিত

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ২৭ মে’ ঃ** কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ চানখোলা গাঁৱত আজি বাঢ়নী পানীত পৰি দুটি শিশুৰ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। বানে প্লাৱিত কৰা গাঁওখনৰ ৰছিদুল হকৰ পুত্ৰ জুনায়েদ আলম (তিনি) আৰু চাহাজুদ্দিনৰ কন্যা ছাইমা খাতুন (আঠ)ৰ পানীত পৰি মৃত্যু হয়। দুয়োটা শিশুৱে ঘৰৰ সন্মুখতে খেলি থকা অৱস্থাত ঘৰৰ চাৰিওফালে হোৱা বাঢ়নী পানীত পৰি মৃত্যু হয়। পুৱা খেলি থকা অৱস্থাৰ পৰা বহু সময় ধৰি শিশু দুটিক দেখা *ছয় পৃষ্ঠাত চাওক*

# ৰবৰ উদ্যোগৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ দাবীত মৰনৈত ৰাইজৰ উত্তাল প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৭ মে’ ঃ** গোৱালপাৰা জিলাৰ মৰনৈস্থিত ছাউডাৰ্ন টিএছআৰ এলএলপি নামৰ ৰবৰৰ কোম্পানীৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধই স্থানীয় তিনকোনীয়া পাৰা-কোধালধোৱাবাসী ৰাইজৰ জনজীৱন বিপন্ন কৰি তুলিছে। সেয়েহে ৰবৰ উদ্যোগটোৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধ শীঘ্ৰে বন্ধ কৰাৰ দাবীত আজি বৃহত্তৰ অঞ্চলটোৰ অৰ্ধ শতাধিক লোকে ওলাই *ছয় পৃষ্ঠাত চাওক*

# উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক পৰীক্ষাৰ নতুন সূচী প্ৰকাশ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ২৭ মে’ ঃ** ৰাজ্যৰ ভয়াৱহ বান পৰিস্থিতিৰ বাবে বাতিল কৰা হৈছিল উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ তিনিটা দিনৰ পৰীক্ষা। ১৮-২১ মে’লৈ অনুষ্ঠিত হ’বলগীয়া তিনিটা বিষয়ৰ বাতিল হোৱা পৰীক্ষাসমূহৰ আজি নতুন সময়সূচী প্ৰকাশ কৰে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে। প্ৰকাশ কৰা সূচী অনুসৰি, ১৮ মে’ৰ বাতিল হোৱা পৰীক্ষা অনুষ্ঠিত হ’ব ছয় জুনত। তেনেদৰে ২০ মে’ৰ পৰীক্ষা অনুষ্ঠিত হ’ব সাত জুনত । আনহাতে, আঠ জুনত অনুষ্ঠিত হ’ব ২১ মে’ত বাতিল হোৱা পৰীক্ষা। আগবেলা পুৱা ন বজাৰ পৰা ১২ বজালৈ আৰু পিছবেলা ১-৩০ বজাৰ পৰা ৪-৩০ বজালৈ পৰীক্ষা অনুষ্ঠিত হ’ব। ছয় জুনত আগবেলা পাৰিপাৰ্শ্বিক শিক্ষা (এনভাইৰ’নমেণ্টেল এডুকেছন) *ছয় পৃষ্ঠাত চাওক*

# ভাড়া কৰি অনা বাহনৰ চালকক গহপুৰত প্ৰহাৰ

### দুই যুৱতীসহ চাৰিজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ২৭ মে’ ঃ** গুৱাহাটীৰ পৰা ভাড়া কৰি অনা এখন বাহনৰ চালকক গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মাজানত অপ্ৰৰোচিতভাৱে প্ৰহাৰ কৰাৰ অভিযোগত আজি গহপুৰ আৰক্ষীয়ে দুগৰাকী যুৱতী আৰু দুজন যুৱকক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত ভাৰা কৰি অনা এএছ-০১ কেচি- ০৯০৩ নম্বৰৰ ছুইফট ডিজায়াৰ বাহনখনৰ চালক সুশান্ত দাসে (৪৭) অভিযোগ কৰা মতে, কালি সন্ধিয়া ছয় বজাত গুৱাহাটীৰ পল্টন বজাৰৰ পৰা দুজন যুৱক আৰু দুগৰাকী যুৱতীয়ে গহপুৰলৈ বুলি আঠ হেজাৰ টকাৰ বন্দৱস্তিত তেওঁৰ গাড়ীখন ভাড়া কৰি আনে। যাত্ৰা পথৰ বালিপাৰাৰ ১৮ মাইল আৰু কুঁহিয়াৰ বাৰীৰ সমীপৰ ধাবাত যুৱকদ্বয়ে মদ্যপান কৰে বুলি *ছয় পৃষ্ঠাত চাওক*

নিৰ্দিষ্ট ঠাইৰ পৰিৱৰ্তে নীতি বহিৰ্ভূতভাৱে ঘৰতে সাজিছে ফটকা, জনস্বাস্থ্যৰ প্ৰতি ভাবুকি

# বৰপেটাৰ তিনি থলুৱা আতচবাজী উদ্যোগীলৈ প্ৰশাসনৰ জাননী

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৭ মে’ ঃ** নীতিবহিৰ্ভূত জনবহুল অঞ্চলত আতচবাজী উৎপাদন কৰি থকা বৰপেটাৰ তিনিটা উদ্যোগলৈ জিলা উদ্যোগ বিভাগৰ পৰা জাননী জাৰি কৰা হৈছে। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ নিৰ্দেশ ক্ৰমে বৰপেটাৰ মনি চোনা আতচবাজী, লখিমী আতচবাজী আৰু মনোৰঞ্জন আতচবাজী উদ্যোগলৈ সকীয়নিমূলক জাননী জাৰি কৰা হৈছে। উল্লেখ্য যে বৰপেটা চহৰৰ দাঁতি কাষৰীয়া জনবসতিহীন গণককুছিত ৰাজ্য চৰকাৰে থলুৱা আতচবাজী উদ্যোগীসকলৰ বাবে আধুনিক সা-সুবিধাযুক্ত উদ্যোগিক পাম নিৰ্মাণ কৰি উৎপাদনৰ সুবিধা কৰি দিছিল যদিও উক্ত প্ৰতিষ্ঠানকেইটাই তাত উৎপাদনৰ কাম নকৰি নীতি বহিৰ্ভূতভাৱে নিজৰ থকা ঘৰতে ফটকা নিৰ্মাণৰ কাম কৰি আহিছে। ফলত জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি শংকাৰ সৃষ্টি হোৱাৰ উপৰি বায়ুমণ্ডল প্ৰদূষিত হৈ জনস্বাস্থ্যৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। সেয়ে যোৱা ফেব্ৰুৱাৰীত অনুষ্ঠিত জিলা উন্নয়ন সমিতিৰ সভাত এই বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰি জনতাৰ সুৰক্ষাৰ স্বাৰ্থত এনে কাৰ্য অবিলম্বে বন্ধ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু সেই অনুসৰি জিলা উদ্যোগ *ছয় পৃষ্ঠাত চাওক*

# সন্তানৰ বাবে পদবী হেৰুওৱা পাগলাহাট গাঁও পঞ্চায়তত কাইলৈ সভাপতি পদৰ উপ-নিৰ্বাচন

**তামাৰহাট, ২৭ মে’ ঃ** সন্তানৰ বাবে সভাপতি পদ ত্যাগ কৰিবলগীয়া হয় ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ পাগলাহাট গাঁও পঞ্চায়তত। অহা ২৯ মে’ত উপ-নিৰ্বাচন অনুষ্ঠিত হ’ব। নিৰ্বাচনক কেন্দ্ৰ কৰি বিগত দিনকেইটাত পঞ্চায়তখনত গৰম নিৰ্বাচনী প্ৰচাৰ চলাৰ অন্তত আজি প্ৰচাৰৰ অন্ত পৰে। কেৱল পঞ্চায়তৰ সভাপতি পদৰ বাবে অনুষ্ঠিতব্য নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে শাসক দল বিজেপিৰ ৰমেশ চন্দ্ৰ ৰায়, বিৰোধী দল কংগ্ৰেছৰ এনামুল হক আৰু এআইইউডিএফৰ গোলাম মুস্তাফাই। ৯৭৪৫ জন ভোটাৰ থকা পঞ্চায়তখনৰ সভাপতি পদৰ উপ-নিৰ্বাচনৰ বাবে পহিলা মে’ত অধিসূচনা জাৰি কৰিছিল নিৰ্বাচনী বিষয়াই। শাসক-বিৰোধী উভয়ে পঞ্চায়তৰ সভাপতি পদটো দখলৰ বাবে নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তুলিছে। শাসক-বিৰোধী সকলো প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে উন্নয়নৰ শ্ল’গান লৈ ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰি প্ৰচাৰ অভিযান *ছয় পৃষ্ঠাত চাওক*

# বিহপুৰীয়াত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৭ মে’ ঃ** বিহপুৰীয়াৰ সমীপৰ গন্ধীয়া বঙালী চিটি গাঁৱত আজি সন্ধিয়া এজন যুৱকৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ঘটে। জব্বৰ আলীৰ পুত্ৰ চুলতান আলী (২৮) নামৰ যুৱকজনে অবৈধভাৱে বিদ্যুৎ সংযোগ কৰিবলৈ বিদ্যুতৰ খুঁটাত উঠাৰ পাছতে এই কাণ্ডটো সংঘটিত হয়। পৰিয়াল সূত্ৰে জানিব পৰা মতে, যোৱা ছমাহমানৰ পূৰ্বে চুলতানে *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী শনিবাৰ ১৩ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৮ মে' ২০২২



# ভয়াৱহতাৰ ইংগিত

সদ্য প্ৰকাশিত বিশ্ব বৈষম্য প্ৰতিবেদন ২০২২ত ভাৰতৰ অৰ্থনীতিৰ সন্দৰ্ভত উদ্বেগজনক তথ্য উল্লেখ কৰা হৈছে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি ভাৰত সম্প্ৰতি সবাতোকৈ কঠিন অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। দেশত ক্ৰমশঃ বৃদ্ধি পাইছে দাৰিদ্ৰ্য আৰু নাগৰিকৰ উপাৰ্জন যথেষ্ট হ্ৰাস পাবলৈ ধৰিছে বুলি প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে। বিশ্ব বৈষম্য প্ৰতিবেদনত উল্লেখ কৰা মতে, সম্প্ৰতি ভাৰতৰ ১৫ শতাংশ নাগৰিকে মাহে পাঁচ হেজাৰ টকাতকৈ কম উপাৰ্জনত জীৱন যাপন কৰিছে। ৰাষ্ট্ৰীয় আয়ৰ ২২ শতাংশ দেশৰ মুঠ জনসংখ্যাৰ এক শতাংশৰ দখলত আছে। আৰ্থিক উপাৰ্জনৰ ভিত্তিত দেশৰ শীৰ্ষ ধনাঢ্য ১০ শতাংশ লোকৰ হাতত আছে দেশৰ ৫৭ শতাংশ সম্পদ বা উপাৰ্জন। আনহাতে, দেশৰ মুঠ জনসংখ্যাৰ ৫০ শতাংশৰ হাতত আছে ৰাষ্ট্ৰীয় উপাৰ্জনৰ মাত্ৰ ১৩ শতাংশ। বৰ্তমানে দেশৰ ১৯ কোটি নাগৰিকৰ উপাৰ্জন হৈছে মাহে পাঁচ হেজাৰ টকাৰ তলত। এই প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি, দেশৰ যিসকল ব্যক্তিৰ উপাৰ্জন মাহে ২৫ হেজাৰ টকাৰ সমান বা বাৰ্ষিক উপাৰ্জন তিনি লাখ টকা, তেনে নাগৰিকৰ সংখ্যা জনসংখ্যাৰ মাত্ৰ ১০ শতাংশহে হ'ব। বিশ্ব বৈষম্য প্ৰতিবেদনত উল্লেখ কৰা মতে, ভাৰতত সম্প্ৰতি চাকৰিৰ সংখ্যা আৰু নাগৰিকৰ উপাৰ্জন উভয়ে হ্ৰাস পাইছে। দেশবাসীৰ হাতত উপাৰ্জনৰ পথ সীমিত হ'বলৈ ধৰিছে আৰু ধাৰাবাহিকভাৱে নিবনুৱাৰ সংখ্যা বাঢ়িছে। একে সময়তে কৰ্মত নিয়োজিত সকলৰো হাতত সঞ্চিত ধন নোহোৱা হৈছে, কিয়নো উপাৰ্জন পূৰ্বৰ তুলনাত হ্ৰাস পাইছে।

ভাৰতীয় অৰ্থনীতি আজি যথেষ্ট সবল আৰু দেশত কৰ্মসংস্থাপনৰ তেনে কোনো অভাৱ হোৱা নাই বুলি চৰকাৰে দাবী কৰি অহাৰ সময়তে আন্তৰ্জাতিক প্ৰতিবেদনত দেশৰ আৰ্থিক দুৰৱস্থাৰ এনে কিছু চাঞ্চল্যকৰ তথ্য প্ৰকাশ পালে। এতিয়া প্ৰশ্ন হ'ল— সঁচাকৈয়ে ক্ৰমশঃ আৰ্থিক মন্দাৰ দিশলৈ অগ্ৰসৰ হৈছে নেকি ভাৰত? শ্ৰীলংকা, পাকিস্তান প্ৰভৃতি দেশৰ দৰে ভাৰতীয় অৰ্থনীতিও আগন্তুক সময়ত অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নেকি? চৰকাৰে স্বীকাৰ নকৰিলেও এটা কথা সততে প্ৰত্যক্ষ হৈ আহিছে যে দেশৰ সৰহ সংখ্যক সাধাৰণ নাগৰিকে বৰ্তমানে জীৱিকা আহৰণ অৰ্থাৎ উপাৰ্জনৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ ক'ভিড পৰৱৰ্তী পৰিৱেশত দেশত কৰ্মসংস্থাপন হ্ৰাস পাবলৈ ধৰিছে। এই ক্ষেত্ৰত ব্যক্তিগতখণ্ড সৰ্বাধিক ক্ষতিগ্ৰস্ত আৰু প্ৰভাৱিত হৈছে। এফালে চৰকাৰী চাকৰি হ্ৰাস আৰু আনহাতে ব্যক্তিগত খণ্ডক ক'ভিড সংক্ৰমণ তথা তলাবন্ধই জুৰুলা কৰাত দেশত কৰ্মসংস্থাপন হ্ৰাস পোৱাটো স্বাভাৱিক। বিশ্ব বৈষম্য প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০১৯-২০ বৰ্ষত ভাৰতত কৰ্মক্ষেত্ৰত নিয়োজিত ব্যক্তিসকলৰ ৪৫.৭৮ শতাংশ জড়িত আছিল স্ব-নিৰ্ভৰ বা স্বনিয়োজিত বৃত্তিত। আনহাতে, এই স্বনিয়োজিত কৰ্মীসকলক বাদ দিলে উক্ত বিত্তীয় বৰ্ষত দেশত বেতনভোগী কৰ্মীৰ সংখ্যা আছিল মাত্ৰ ৩৩.৫ শতাংশ। একেদৰে অংশকালীন কৰ্মীৰ সংখ্যা আছিল ২০.৭১ শতাংশ। দেশত উপাৰ্জনৰ ক্ষেত্ৰত সবাতোকৈ পিছপৰি আছে স্বনিয়োজিত কৰ্মীসকল। তদুপৰি ক'ভিড পৰৱৰ্তী কালত এইসকল স্বনিয়োজিত লোকৰ ১০ ভাগৰ এভাগ সম্প্ৰতি নিবনুৱাত পৰিণত হোৱা বুলিও প্ৰতিবেদনখনত উল্লেখ কৰিছে। এফালে দেশত নিবনুৱা আৰু উপাৰ্জন হ্ৰাসৰ সমস্যা ভয়াৱহ হৈছে আৰু আনহাতে দেশৰ শীৰ্ষ ধনাঢ্যৰ সম্পত্তি দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। মাত্ৰ এক শতাংশ লোকৰ হাতত দেশৰ মুঠ আয়ৰ ২২ শতাংশ আৱদ্ধ হোৱাৰ পৰিসংখ্যাৰ পৰাই বুজিব পাৰি ভাৰতত আৰ্থিক বৈষম্য কিমান ভয়াৱহ হ'বলৈ ধৰিছে।

দেশক এনে এক উদ্বেগজনক পৰিস্থিতিৰ পৰা মুক্ত কৰিবলৈ হ'লে প্ৰথমে চৰকাৰে সমস্যাৰ কথা স্বীকাৰ কৰিব লাগিব। ক'ভিডৰ পূৰ্বৰ পৰাই দেশৰ অৰ্থনীতিৰ ভেঁটি দুৰ্বল হোৱা বুলি একাংশ অৰ্থনীতিবিদে কৈ আহিছে। ক'ভিডে অৰ্থনীতিক পুনৰ মাধমাৰ শোধালে। এতিয়া ভগ্ন অৰ্থনীতিৰ সত্যতাক স্বীকাৰ কৰি চৰকাৰে ইয়াৰ নিৰাময়ৰ ব্যৱস্থা লোৱা উচিত। সংস্থাপন বৃদ্ধিৰ বাবে চৰকাৰে তৎপৰতা প্ৰদৰ্শন কৰাটো অত্যন্ত জৰুৰী। চৰকাৰী চাকৰি যিহেতু সীমিত, সেয়েহে নিয়োজন বৃদ্ধি কৰিবলৈ হ'লে ব্যক্তিগত খণ্ডক চৰকাৰে নানা ধৰণৰে উৎসাহিত কৰিব লাগিব; কিন্তু ইয়াৰ পৰিৱৰ্তে কৰ আদি বৃদ্ধিৰে চৰকাৰে ব্যক্তিগত খণ্ডক ক'ভিড পৰৱৰ্তী পৰিস্থিতিত বাধাগ্ৰস্তহে কৰা পৰিলক্ষিত হৈছে। ফলত বহু ব্যৱসায়-প্ৰতিষ্ঠান বন্ধ হৈ সংস্থাপন হ্ৰাস পাইছে। এনে পৰিস্থিতি অব্যাহত থাকিলে আগন্তুক সময়ত দেশত আৰ্থিক বৈষম্যই অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকা আছে।

## খো লা ম ঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বিৱৰ্তনৰ** মাজেৰেই বিহু আহি আজিৰ পৰ্যায় পাইছেহি। মানুহে কৃষিক মূল জীৱিকা কৰি ল'বলৈ শিকাৰ পৰাই খেতি চপোৱাৰ সময়ত আৰু খেতিৰ আৰম্ভণিত আনন্দ উৎসৱ কৰিছিল। তেওঁলোকে ডেকা-গাভৰুৰ নৃত্য-গীতে পৃথিৱীক উৰ্বৰা কৰে বুলি ধাৰণা কৰিছিল। এই আনন্দ উৎসৱ এক ৰীতিলৈ পৰিৱৰ্তিত হ'ল আৰু কালক্ৰমত বিহু উৎসৱত পৰিণত হ'ল। অসমত অষ্ট্ৰ'-এছিয়াটিক আৰু তিব্বতীয়-বৰ্মীয় মোংগলীয়সকলে পোনতে কৃষি প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। কৃষিভিত্তিক বিহুও সেই নৃতাত্ত্বিক গোষ্ঠীৰেই সৃষ্টি। পৰৱৰ্তী কালত বিহুৰ স'তে বিভিন্ন বাদ্যযন্ত্ৰও সংযোজিত হ'ল। তাই আহোম সমাজৰ লোকবিশ্বাস মতে ঢোল মাংগলিক বাদ্য। ঢোলৰ শব্দই প্ৰজনন শক্তি বৃদ্ধি কৰে পৃথিৱীৰ মাটি কোমল আৰু উৰ্বৰা কৰে আৰু উৎপাদন শক্তি বৃদ্ধি কৰে, বুলি আহোম সমাজত জনবিশ্বাস আছে।

পূৰ্বতে চুতীয়া ৰজাৰ দিনত এই বিহু প্ৰধান উৎসৱ হিচাপে গঢ় লৈ উঠিছিল। বৈদিক প্ৰভাৱ পৰাৰ আগতে বিহু ব'হাগৰ প্ৰথম বুধবাৰৰ পৰা আৰম্ভ হৈছিল। শদিয়া অঞ্চলৰ লোকসকলৰ লগতে দেউৰী সম্প্ৰদায়ৰ লোকসকলে আজিও আগৰ দৰেই সেই দিনতেই বিহু আৰম্ভ কৰে। দেউৰী সমাজত ঘৰে ঘৰে গৈ বিহু মৰাৰ প্ৰথা আছিল আৰু তাক হুঁচৰি বুলি কৈছিল। অৱশ্যে বছৰে প্ৰতি হুঁচৰি গোৱা নহৈছিল, দেওধানীৰ নিৰ্দেশ পালেহে হুঁচৰি গোৱা হৈছিল।

**প্ৰদীপ কুমাৰ শৰ্মা**, লেখক

আহোন স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ইচ্ছামতে প্ৰথমতে ৰজা ঘৰত আৰু ক্ৰমে ক্ৰমে ডা-ডাঙৰীয়াৰ ঘৰলৈ গৈ হুঁচৰি গাই আশীৰ্বাদ দিয়া প্ৰথা প্ৰচলন হয়।

ব্ৰিটিছৰ সময়ত অসমৰ বিভিন্ন ঠাইত পশ্চিমীয়া আৰ্হিৰ মঞ্চ তৈয়াৰ হৈছিল আৰু তাত আন আন সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ ধাৰাও প্ৰচলন হ'ল। সেই সময়তে ১৯২৯ত গোলাঘাটৰ বেতিয়নীত পোনপ্ৰথমবাৰৰ বাবে মঞ্চত বিহু প্ৰদৰ্শন হয়। পাছত ১৯৪১ত শিৱসাগৰত আৰু ১৯৫২ত ৰাধা গোবিন্দ বৰুৱাৰ পৃষ্ঠপোষকতাত গুৱাহাটীৰ লতাশিল খেলপথাৰত মঞ্চ বিহুৰ আয়োজন কৰা হয়। এনেবোৰ ঘটনাক্ৰমে বিহুৰ ৰীতি-নীতিলৈ আমূল পৰিৱৰ্তন আনে যদিও বিহুৰ আদিম ধাৰণা আৰু আবেদনৰ ওপৰত বিশেষ প্ৰভাৱ পেলোৱা নাছিল।

অসমীয়াৰ বাপতি সাহোন বিহুটিয়ে যোৱা কেইবছৰমানৰ পৰাহে মঞ্চত ইয়াৰ ঐতিহ্য হেৰুৱাবলৈ আৰম্ভ কৰিছে। মঞ্চবিহু গৈ এতিয়া ই মঞ্চ সংগীতানুষ্ঠানত পৰিণত হৈছে। বিহুনাম, বিহুনাচ এলাগী হৈছে। পাঁচ বছৰ আগতে নগাঁৱৰ বিহু মঞ্চত এগৰাকী গায়কৰ তালে তালে নচা নাচনীৰ গাত উত্তৰ ভাৰতৰ ষ্টাইলত মঞ্চত গৈ টকা দলিওৱাৰে সম্ভৱতঃ এই স্খলন আৰম্ভ হৈছিল। এইবেলি বিহুত হিন্দু বিহু-মুছলমান বিহু জাতীয় অনাকাংক্ষিত বিতৰ্কই মঞ্চ বিহু কলংকিত কৰিলে। ডিব্ৰুগড়ত হনুমান জয়ন্তীৰে স'তে বিহুক সাঙোৱা হ'ল। বিহুৰ কেইদিনত বৰষুণৰ সুবাদত বিভিন্ন বিহুতলীত পানী হোৱাত বোকা ডেন্স, ফায়াৰ ডেন্স জাতীয় বিকৃতিয়ে বিহুমঞ্চ কলংকিত কৰিলে। এই প্ৰসংগত যুৱ প্ৰজন্মৰ 'হাৰ্টথ্ৰব' খ্যাত জুবিন গাৰ্গে উচটনিমূলক মন্তব্য কৰিছে। 'দুবছৰৰ মূৰত বিহু পাতিবলৈ পাইছে, ল'ৰাবিলাকে এইবাৰ অলপ ধেমালি কৰিছে।' ই নিঃসন্দেহে গৰিহণাৰ যোগ্য?

এইবেলি মঞ্চবিহুৰ বিভিন্ন বিতৰ্কই অসমৰ বাপতি সাহোন বিহুটিৰ লগতে জাতি-জনগোষ্ঠীৰ জৈৱিক সাংস্কৃতিক উপাদানৰ সমাহাৰেৰে প্ৰোজ্জ্বলিত অসমীয়া জাতিৰ ঐক্যৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে।

*ফোন : ৯৯৫৪৭৬৭৫৭৫*

## বিশ্বত আকৌ এবাৰ 'শীতল যুদ্ধ'ৰ অৱতাৰণা

# ভাৰতৰ 'দিল হ্যায় হিন্দুস্তানী' নীতি

### বিক্ষিপ্ত চিন্তা



**ড° জয়কান্ত শৰ্মা**

এসপ্তাহৰ ভিতৰতে ইউক্ৰেইন নামৰ ক্ষুদ্ৰ ৰাষ্ট্ৰখন জয় কৰাৰ সপোন দেখা ভ ভ্লাডিমিৰ পুটিন এতিয়া হতাশাগ্ৰস্ত নেতা; যুদ্ধৰ আন্তঃৰাষ্ট্ৰীয় আচৰণবিধি দলিয়াই দি ৰাছিয়াই চুবুৰীয়া ৰাষ্ট্ৰখনক ধ্বংসস্তুপত পৰিণত কৰাৰ কুটিল ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে। প্ৰকাৰান্তৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চত ৰাছিয়া এতিয়া সকলোৰে গৰিহণাৰ পাত্ৰ। ভাৰতে পোনপটীয়া গৰিহণাৰ প্ৰস্তাৱত সমৰ্থন নিদিলেও পৰিস্থিতি দ্বি-পাক্ষিক কূটনৈতিক আলাপ-আলোচনাৰ জৰিয়তে স্বাভাৱিক কৰি তোলাৰ ওপৰত জোৰ দিছে, সেইটো অন্য কথা। পিছে ভাৰতৰ এনে নিৰপেক্ষ স্থিতিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি একাংশ পশ্চিমীয়া দেশক অসন্তুষ্ট নকৰাকৈ থকা নাই।



এনে পটভূমিত ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সুস্থিৰতা সুনিশ্চিত কৰিবলৈ টকিঅ'ত অনুষ্ঠিত হোৱা চাৰি-ৰাষ্ট্ৰীয় 'কোৱাড'ৰ শীৰ্ষ সন্মিলনখনৰ তাৎপৰ্য অপৰিসীম আছিল। উল্লেখযোগ্য যে অঞ্চলটোৰ ৰাষ্ট্ৰবোৰক প্ৰাকৃতিক বিপৰ্যয়ৰ পৰিস্থিতিত সকাহ দিয়াৰ উদ্দেশ্যৰে তিনিটা দশক পূৰ্বে গঠিত এই সংগঠনটোত ভাৰতৰ উপৰি মাথোন আমেৰিকা যুক্তৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া আৰু জাপানৰহে সদস্যতা আছে। বিগত কেইটামান বছৰ ধৰি মহাসাগৰীয় সামুদ্ৰিক পথত কমিউনিষ্ট চীনে চলাই থকা 'দাদাগিৰি' নিয়ন্ত্ৰণ কৰাৰ কৌশলত 'কোৱাড'ৰ সক্ৰিয়তা অৱধাৰিত হৈ পৰিছিল। বৰ্তমানৰ পৰিস্থিতিত ৰাছিয়াই ইউক্ৰেইন দখল কৰিবলৈ আক্ৰমণ চলোৱাৰ দৰেই চীনেও চুবুৰীয়া টাইৱন নামৰ ক্ষুদ্ৰ দেশখন জয় কৰিবলৈ আক্ৰমণ চলাব পাৰে; তেনে আশংকাৰ পৰিপ্ৰেক্ষিতত 'কোৱাড' শীৰ্ষ সন্মিলনৰ যথাৰ্থতা বিচাৰ্য।

'কোৱাড'ৰ শীৰ্ষ নেতাসকলৰ এই আশংকা অমূলক নাছিল। মঙলবাৰে (২৪ মে') 'কোৱাড' বৈঠক আৰম্ভ হোৱাৰ পূৰ্বে চীন আৰু ৰাছিয়াৰ বিমান বাহিনীৰ যুটীয়া অনুশীলনৰ জৰিয়তে জাপানৰ আকাশ পথত এনে সন্ত্ৰাসৰ সৃষ্টি কৰা হ'ল যে জাপানৰ প্ৰতিৰক্ষা বিভাগে পাৰমাণৱিক অস্ত্ৰ ভাণ্ডাৰত 'সেউজীয়া সংকেত'ৰ সূচনা কৰিবলৈ বাধ্য হৈ পৰিল। আকৌ ইয়াৰ পাছতে আন দেশৰ বিষয়ত হস্তক্ষেপ নকৰিবলৈ শুনোৱা সাৱধানবাণীয়ে সুকীয়া তাৎপৰ্য বহন নকৰাকৈ থকা নাই। লক্ষ্যণীয় যে 'কোৱাড' সন্মিলনৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে দিয়া স্পষ্ট বাৰ্তাটো আছিল-চীনে টাইৱন আক্ৰমণ কৰিলে। আমেৰিকাই প্ৰত্যক্ষভাৱে সামৰিক সংঘাতত লিপ্ত হ'ব। অৰ্থাৎ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল হৈ পৰিব বিশ্বৰ অন্যতম ৰণক্ষেত্ৰ।

শেহতীয়া পৰিস্থিতিত কে'বাটাও প্ৰশ্ন অতি প্ৰাসংগিক হৈ পৰিছে। (১) টাইৱন আক্ৰমণত ৰাছিয়া হ'বগৈ নেকি কমিউনিষ্ট চীনৰ সহযোগী? (২) বিশ্বত আকৌ এবাৰ 'গণতন্ত্ৰ বনাম স্বৈৰতন্ত্ৰ'ৰ নামত শীতল যুদ্ধৰ সূচনা হ'ব নেকি? বৰ্তমানৰ ৰাছিয়া নামত কমিউনিষ্ট নহ'লেও কাৰ্যতঃ তাত পূৰ্বৰ ছোভিয়েটৰ চোৰাংচোৰা বিষয়া ভ্লাডিমিৰ পুটিনৰ একনায়কত্ববাদেই চলি আছে। অনেক সমীক্ষকে মন্তব্য দিছে, পুটিনে পূৰ্বৰ ছোভিয়েট ৰাছিয়াখন ঘূৰাই ল'বলৈ বিচাৰে। এনে পৰিস্থিতিত ভাৰতৰ স্থিতি কি হ'ব? ইতিমধ্যে জ' বাইডেনে মৃদু ইংগিত এটা দিছে, ভাৰতে ৰাছিয়াক যিকোনো পৰিস্থিতিতে দিয়া সমৰ্থন অব্যাহত ৰাখিলে ভৱিষ্যতলৈ জটিল সমস্যাৰ সৃষ্টি হ'ব পাৰে।

এনে পটভূমিত ভাৰতে ১৯৬২ৰ চীনা আক্ৰমণৰ কথা স্মৰণ কৰা উচিত হ'ব। প্ৰণিধানযোগ্য যে তথাকথিত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নেতা তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে চীনৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ ৰাছিয়াৰ সহায় বিচাৰিছিল; কিন্তু বন্ধু ৰাষ্ট্ৰ হৈও ৰাছিয়াই সেই অনুৰোধ প্ৰত্যাখ্যান কৰিছিল (কমিউনিষ্ট সদায়েই কমিউনিষ্টৰ বন্ধু?) মূৰকত ভাৰতক অস্ত্ৰ সাহায্য দিবলৈ আগবাঢ়ি আহিছিল আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰেট ব্ৰিটেইন আৰু ইজৰাইল (অথচ ভাৰতে তেতিয়ালৈকে ইজৰাইলক স্বীকৃতিয়েই দিয়া নাছিল।)

সেয়া আছিল শীতল যুদ্ধৰ সময়ৰ কথা। বিশ্বৰ বিভিন্ন দেশত সাম্যবাদ বলপূৰ্বকভাৱে জাপি দিয়াৰ কূট-কৌশল আৰু তাৰে বিৰোধিতা কৰিবলৈ গণতান্ত্ৰিক ব্যৱস্থা প্ৰৱৰ্তনৰ হকে আমেৰিকাৰ সামৰিক হস্তক্ষেপ; সেই পটভূমিতে ভিয়েটনাম যুদ্ধ, কোৰিয়া যুদ্ধ, কিউবা যুদ্ধ ইত্যাদি। বৰ্তমান প্ৰজন্মৰ অনেকেই পূৰ্বৰ 'শীতল যুদ্ধ'ৰ পৰিৱেশৰ কথা নাজানে, হয়তো সাম্প্ৰতিক পৰিস্থিতিয়ে সেই শিক্ষাৰ সুযোগ দিব।

ৰাষ্ট্ৰপতি পুটিনে 'কোৱাড' সন্মিলনক ইউৰোপৰ 'নাটো' সামৰিক জোঁটৰ স'তে তুলনা কৰিছে। 'নাটো' দেশসমূহেই ৰাছিয়াৰ শত্ৰু; তেনেদৰেই কোৱাড হৈ পৰিছে কমিউনিষ্ট চীনৰ শত্ৰু। সাম্প্ৰতিক 'কোৱাড' সন্মিলনৰ উপলক্ষতে ৰাষ্ট্ৰপতি জ' বাইডেনৰ তৎপৰতাত 'সমৃদ্ধিৰ বাবে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অৰ্থনৈতিক গাঁথনি 'আই পি ই এফ' নামৰ ১৪ খন দেশৰ সহযোগিতামূলক সংগঠনটো গঠিত হ'ল। ইয়াৰ অংশগ্ৰহণকাৰী দহখন দেশে বিশ্বৰ ৪০ শতাংশ জি ডি পি নিয়ন্ত্ৰণ কৰে। প্ৰকাৰান্তৰে 'আই পি ই এফ' হ'ল চীনৰ নেতৃত্বাধীন 'আৰ চি ই পি' ৰ প্ৰতিদ্বন্দ্বী সংগঠন, যিটোৰ বিশ্বৰ 'জি ডি পি'লৈ ৩০ শতাংশ অৱদান আছে। আনহাতে, 'কোৱাড'ক বিফল কৰিবলৈ চীনেও দহখন ৰাষ্ট্ৰক লৈ আন এটা আঞ্চলিক মিত্ৰ শক্তিৰ জন্ম দিছে।

এনে গতিবিধিয়ে 'শীতল যুদ্ধ'ৰ পৰিস্থিতিৰে ইংগিত দিয়ে। এটা দশকতকৈও অধিক কাল ধৰি চীনে টাইৱনৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে; আনহাতে, ভাৰতৰ লাডাখ আৰু ছিকিমতো সময়ে সময়ে চীনা সৈন্যই সংঘটিত কৰি আছে সীমা-উলংঘনৰ অপকৰ্ম। নেপাল, বাংলাদেশ আৰু শ্ৰীলংকাত চীনে আৰ্থিক সাহায্য প্ৰদানৰ নামত ভাৰত-বিৰোধী কূট-কৌশল চলাই ৰাখিছে। পাকিস্তান ইতিমধ্যেই চীনৰ আশ্ৰিত ৰাষ্ট্ৰৰ দৰে হৈছেগৈ। অৱশ্যে শেহতীয়াভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চুবুৰীয়া ৰাষ্ট্ৰৰ প্ৰতি বিশেষ সদ্‌ভাৱনামূলক ৰণনীতিয়ে চীনৰ প্ৰভাৱ বহু পৰিমাণে প্ৰশমন ঘটাবলৈ সক্ষম হৈছে, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। এনে পটভূমিত প্ৰধানমন্ত্ৰী মোদীয়ে মঙলবাৰৰ উদ্বোধনী সভাত 'কোৱাড' মিত্ৰজোঁটক বিশ্বৰ 'শুভ শক্তি' (Quad is a Force for Good) বুলি অভিহিত কৰাটো তাৎপৰ্যপূৰ্ণ।

মন কৰিবলগীয়া যে 'কোৱাড'ৰ ৰাষ্ট্ৰ গোটৰ চাৰি শীৰ্ষ নেতাৰ ভিতৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েই জ্যেষ্ঠ আৰু সৰ্বাধিক অভিজ্ঞতাপুষ্ট। ২০১৪ৰ পৰা আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত সক্ৰিয় ভূমিকা পালন কৰি আহিছে নৰেন্দ্ৰ মোদীয়ে; তাৰ বিপৰীতে জ' বাইডেন ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছে ২০২০ত। জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিছিডাও আপেক্ষিক ভাৱে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত নতুন। আকৌ এন্থনী আলবিনাজে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীৰূপে লৰালৰিকৈ শপত গ্ৰহণ কৰাৰ পাছতে টকিঅ'লৈ উৰা মাৰি আহিছিল। এনে পটভূমিত 'কোৱাড' সন্মিলনত ভাৰতীয় প্ৰধানমন্ত্ৰী গৰাকীৰ দৃষ্টিভংগীৰ যথাৰ্থতাৰ বিচাৰ হোৱাটোৱেই স্বাভাৱিক।

**ইউক্ৰেইনৰ প্ৰসংগত মোদীৰ স'তে মনোমালিন্য হোৱা জ' বাইডেনে দ্ব্যৰ্থহীনভাৱে স্বীকাৰ কৰিলে;- 'মোদীৰ সাফল্যই গণতন্ত্ৰৰ সাৰ্থকতাকে প্ৰতিপন্ন কৰিছে আৰু সেয়েহে দুয়োখন দেশে বিশ্বৰ ভিতৰতে ঘনিষ্ঠতম দ্বি-পাক্ষিক সম্বন্ধ অক্ষুণ্ণ ৰাখিব।' নক'লেও হয় যে এই বিবৃতিৰ আঁৰত মূলতঃ অৰ্থনৈতিক সহযোগিতাৰ কথাটোৱেই আছে**

ইউক্ৰেইনৰ প্ৰসংগত মোদীৰ স'তে মনোমালিন্য হোৱা জ' বাইডেনে দ্ব্যৰ্থহীনভাৱে স্বীকাৰ কৰিলে;- 'মোদীৰ সাফল্যই গণতন্ত্ৰৰ সাৰ্থকতাকে প্ৰতিপন্ন কৰিছে আৰু সেয়েহে দুয়োখন দেশে বিশ্বৰ ভিতৰতে ঘনিষ্ঠতম দ্বি-পাক্ষিক সম্বন্ধ অক্ষুণ্ণ ৰাখিব।' নক'লেও হয় যে এই বিবৃতিৰ আঁৰত মূলতঃ অৰ্থনৈতিক সহযোগিতাৰ কথাটোৱেই আছে। এপ্ৰিলত অনুষ্ঠিত ভাৰত-যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষামন্ত্ৰী আৰু বিদেশমন্ত্ৰীৰ(2+2) বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে প্ৰযুক্তিৰ ক্ষেত্ৰত দুয়ো দেশৰ বিনিয়োগৰ মাত্ৰা বৃদ্ধি কৰা হ'ব। এতিয়া টকিঅ' সন্মিলনতো সামৰিক প্ৰযুক্তি আৰু জ্ঞাপন প্ৰযুক্তিৰ বিকাশত দুয়োখন দেশৰ সহযোগিতা সুনিশ্চিত কৰা হ'ল আৰু তাৰ বাবে মোদীয়ে উপস্থাপন কৰিছে 'আত্মনিৰ্ভৰ ভাৰত'ৰ কাৰ্যসূচী।

টাইৱনৰ স'তে মোদী চৰকাৰে দ্বি-পাক্ষিক সম্পৰ্ক স্থাপন কৰিছে, যিটো চীনৰ বাবে নিশ্চয়কৈ যথেষ্ট উদ্বেগজনক। আনহাতে, টাইৱনৰ সাৰ্বভৌমত্ব ৰক্ষাত আমেৰিকা যুক্তৰাষ্ট্ৰ পূৰ্বৰে পৰা দৃঢ়প্ৰতিজ্ঞ; কাৰণ টাইৱনেই বিশ্বৰ 'ছেমিকণ্ডাক্টৰ চিপচ'ৰ ৯২ শতাংশ উৎপাদন কৰে। সেইখন দেশ চীনৰ হাতলৈ যাবলৈ দিলে চীনে বিশ্বৰ যোগান শৃংখল নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ পৰিৱৰ্তে যোগান শৃংখলৰ ব্যৱস্থাত ভাৰতৰ ভূমিকা শক্তিশালী কৰি তুলিলে বিশ্বৰ গণতান্ত্ৰিক দেশসমূহৰ স্বাৰ্থ সুৰক্ষিত থাকিব। এনে পটভূমিতহে জ' বাইডেনে 'আত্মনিৰ্ভৰ ভাৰত' কাৰ্যসূচীলৈ নিঃচৰ্ত সমৰ্থন দিছে।

তাৎপৰ্যপূৰ্ণ যে মোদীৰ উদ্বোধনী ভাষণত ইউক্ৰেইনৰ পৰিস্থিতি সন্দৰ্ভত ঘূণাক্ষৰেও উল্লেখ নাছিল; কিন্তু কোৱাড নেতাসকলে গ্ৰহণ কৰা স্থিতিটো আছিল ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আন এখন ইউক্ৰেইনৰ সৃষ্টি কৰিবলৈ দিয়া নহ'ব। এই স্থিতিলৈ প্ৰধানমন্ত্ৰী মোদীয়ে সমৰ্থন নিদিয়াকৈ থকা নাই।

ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণে বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপট বহু পৰিমাণে সলনি কৰি দিছে। এসপ্তাহৰ ভিতৰতে ইউক্ৰেইন দখল কৰি বিশ্ববাসীক চমক দিব পাৰিলে ইউৰোপত ভ্লাডিমিৰ পুটিনৰ প্ৰভাৱ আগ্ৰাসীৰূপত প্ৰতিষ্ঠিত হ'ব আৰু বিশ্বত যুক্তৰাষ্ট্ৰৰ ভাৱমূৰ্তি ম্লান পৰিব। ফলত নাটো শক্তিও নিষ্প্ৰভ হ'বগৈ। সেই সুযোগ গ্ৰহণ কৰি চীনে হঠাতে টাইৱন অধিকাৰ কৰি ল'ব আৰু তাত ৰাছিয়াই সমৰ্থন দিব। তেনে অৱস্থাত যুক্তৰাষ্ট্ৰ নীৰৱ দৰ্শক হৈ থাকিবলৈ বাধ্য হ'লহেঁতেন; কিন্তু সেই হিচাপ-নিকাচত আউল লাগিল।

ইউক্ৰেইনবাসীৰ গণতান্ত্ৰিক চেতনা, স্বদেশপ্ৰেম আৰু অসীম সাহসিক উদ্যমৰ সমুখত পুটিনৰ দৰ্প চূৰ্ণ হ'ল। তিনি মাহতকৈ অধিক কাল ধৰি নিৰ্বিচাৰ বোমাবৰ্ষণ চলায়ো ৰাছিয়াই ইউক্ৰেইন জয় কৰিব পৰা নাই। ইতিমধ্যে 'নাটো' অধিক শক্তিশালী হ'ল, ৰাছিয়াৰ সীমাৱৰ্তী দেশবোৰে 'নাটো'ৰ আশ্ৰয় বিচাৰিছে; তাৰ বিপৰীতে অৰ্থনৈতিকভাৱেই নহয়, ৰাজনৈতিকভাৱেও ৰাছিয়া দুৰ্বল হ'ল। এই পৰিস্থিতিত কমিউনিষ্ট চীনৰ টাইৱন দখল কৰাৰ ষড়যন্ত্ৰ বাধাগ্ৰস্ত হৈছে। তদুপৰি শীৰ্ষ সন্মিলনত ভাগ লোৱা ভাৰত, অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকাৰ ৰাষ্ট্ৰ মুৰব্বীসকলক বোমাৰু বিমানৰ যুটীয়া অনুশীলনেৰে ভীতিগ্ৰস্ত কৰিবলৈ বিচৰাটোও দুয়োখন দেশৰ বাবে হাস্যকৰ ঘটনাৰূপেহে চিহ্নিত হ'ল। এনে পৰিস্থিতি চীনৰ টাইৱন দখল কৰাৰ আশা সফল হোৱা টান।

প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে, যুক্তৰাষ্ট্ৰৰ স'তে ভাৰতৰ সম্বন্ধ বিশ্বাসৰ ভিত্তিত গঢ়ি উঠা বন্ধুত্ব। আনহাতে, ৰাছিয়াৰ স'তে ভাৰতৰ সম্পৰ্কও বিশ্বাসৰ ভেঁটিত প্ৰতিষ্ঠিত। আকৌ অলপতে ইউৰোপ ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে 'নাটো' দেশসমূহৰ বিশ্বাস অৰ্জন কৰিব পাৰিছে। তেনেহ'লে ভাৰতৰ সংকটকালীন বিদেশ নীতি কি? নতুন দিল্লীত আমেৰিকা দূতাবাসৰ সমুখত ভিক্ষা বিচৰা লোকৰ দীঘলীয়া শাৰীয়ে জনগণৰ গ্ৰহণীয় নীতিৰ ইংগিত দিয়ে; কিন্তু ভাৰত চৰকাৰৰ বাবে বিদেশ নীতি সদায়েই সন্তুলিত; ১৯৫৫ত মুক্তি পোৱা জনপ্ৰিয় কথাছবি এখনৰ এই গীতটোৱেই তাক ফুটাই তুলিব পাৰে— 'মেৰা জুতা হ্যায় জাপানী/য়হ পটলুং ইংলিস্তানী/সৰ পে লাল টুপি ৰুছী/ফিৰ ভী দিল হ্যায় হিন্দুস্তানী।'

*ফোন : ৯৪৩৫৫-৫৪২০৫*

# বটদ্ৰৱা কাণ্ডৰ উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্তৰ প্ৰয়োজন



**দেৱব্ৰত শইকীয়া**
অসম বিধানসভাৰ বিৰোধী দলপতি

**বটদ্ৰৱা** সমষ্টিৰ ছালনাবড়ি গাঁৱৰ ছফিকুল ইছলাম নামৰ এজন লোকৰ আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা আৰু একাংশ দুৰ্বৃত্তই বটদ্ৰৱা আৰক্ষী জ্বলাই দিয়া আৰু তাৰ পৰৱৰ্তী সময়ত আৰক্ষী প্ৰশাসনে ছফিকুল আৰু তেওঁৰ পৰিয়ালৰ ভাই-ককাই সহ মুঠ ৪৭ জন লোকে বসবাস কৰা ছয়-সাতটা ঘৰ বুলডজাৰ লগাই ভাঙি দিয়া ঘটনাৱলীৰ বুজ ল'বৰ বাবে অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি তথা প্ৰদেশ কংগ্ৰেছৰ ৱিধায়িনী দলপতি ৰূপে মই আৰু আমাৰ দলৰ ৰূপহীহাট সমষ্টিৰ বিধায়ক নুৰুল হুদা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, স্থানীয় বিধায়িকা শিৱামনি বৰা, চিপিআই(এম)ৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰা প্ৰমুখ্যে বহু সমাজকৰ্মীক লগত লৈ অঞ্চলসমূহ পৰিভ্ৰমণ কৰো। প্ৰথমে বটদ্ৰৱা থানাত উপস্থিত হৈ তাত হোৱা ঘটনা সম্পৰ্কে বুজ লওঁ । স্থানীয় সাংবাদিকসকলে আমাক জনায় যে আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ছফিকুল ইছলামৰ মৃতদেহ গতাই দিবলৈ বিচৰাৰ পিছত পৰিয়ালৰ লোকসকলে মৃতদেহ ল'বলৈ অস্বীকাৰ কৰে আৰু তাৰ পৰৱৰ্তী সময়ত বহু লোক উক্ত স্থানত জমা হয় আৰু পৰৱৰ্তী সময়ত দুৰ্বৃত্তই আৰক্ষীৰ গৃহ, সা-সম্পত্তি জ্বলাই দিয়াৰ উপৰি আৰক্ষীৰ লগত হতাহতি কৰি আৰক্ষীক আঘাতপ্ৰাপ্ত কৰে। এই সময়ছোৱাত আৰক্ষীৰ লোকসকলে স্থানীয়ভাৱে কিয় ওচৰৰ আৰক্ষী থানাৰ পৰা আৰক্ষী বাহিনী অথবা জিলাৰ পৰা আৰক্ষী বাহিনী নিয়োগ কৰিবলৈ অনুৰোধ নজনালে অথবা আত্মৰক্ষাৰ বাবে ল'বলগীয়া অন্যান্য পন্থা হাতত নল'লে এইটো ৰহস্যজনক ।

মৃত লোকজনৰ ককায়েকৰ কন্যা পূৰ্ণিমা আনছাৰী আৰু মৌচুমী আনছাৰী ক্ৰমে একাদশ শ্ৰেণী আৰু অষ্টম শ্ৰেণীত পঢ়ি থকা ছাত্ৰী দুগৰাকীয়ে জনাইছে যে তেওঁলোকৰ খুড়াকক আৰক্ষীয়ে ধৰাৰ পিছত থানাৰ পৰা ধৃত লোকজনৰ পত্নীলৈ এটা ফোনকল আহে য'ত এটা হাঁহ আৰু ১০ হেজাৰ টকা দাবী কৰা হয় তেওঁৰ মুক্তিৰ বিনিময়ত। পাছদিনা পুৱা ছয়-সাত বজাত মৃত লোকজনৰ পত্নীয়ে থানালৈ এটা হাঁহ লৈ যায়; কিন্তু তেতিয়া তেওঁৰ স্বামীক অতি মুমূৰ্ষু অৱস্থাত পায়। যেতিয়া তেওঁ পানী খাব বিচাৰে তেতিয়া আৰক্ষীৰ লোকসকলে 'ইয়াক পানী দিব নালাগে, পেচাব খুৱাব লাগে' বুলি কয় আৰু টকা ১০ হেজাৰ দিলেহে তেওঁক এৰি দিয়া হ'ব বুলি জনায়। ইয়াৰ পাছত মহিলাগৰাকী খুব সম্ভৱ নিজৰ ঘৰলৈ ঘূৰি আহে আৰু তেওঁৰ সম্বন্ধীয় দুই চাৰিজন লোকক লগত লৈ থানালৈ যায়। ইতিমধ্যে আৰক্ষীৰ জিম্মাত থকা লোকজনৰ স্বাস্থ্যৰ অৱনতি ঘটাত আৰক্ষীয়ে নিজাববীয়াকৈ স্থানীয় চিকিৎসালয়লৈ লৈ যায় কিন্তু তেওঁৰ অৱস্থা বেয়া হোৱা দেখি জিলা চিকিৎসালয়লৈ লৈ যায়। এই কথাটো কোনেও নকয় যে ইতিমধ্যে মৃত্যুবৰণ কৰা লোকজনক এনেকৈ চিকিৎসালয় দুখনলৈ লৈ যোৱা হৈছিল নে অতি মুমূৰ্ষু অৱস্থাত তেওঁক লৈ যোৱা হৈছিল। যি কি নহওঁক ইয়াৰ পৰৱৰ্তী সময়ত যেতিয়া আৰক্ষীয়ে মৃতদেহ গতাই দিব বিচাৰে তেতিয়া উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় আৰু পৰিয়ালৰ লগতে অন্যান্য আৰক্ষীসকলে বিৰুদ্ধে প্ৰতিবাদ কৰে আৰু পৰৱৰ্তী সময়ত উপস্থিত কোনো কোনো লোকে আৰক্ষীৰ ওপৰত আক্ৰমণ আৰু থানা জ্বলাই দিয়াৰ দৰে অপৰাধমূলক কাৰ্য সংঘটিত কৰে।

এই ঘটনা হৈ যোৱাৰ পাছৰ দিনাই বৃহৎ আৰক্ষীৰ দল ছালনাবড়ি গাঁৱলৈ আহি লোকজনৰ সম্বন্ধীয় সকলৰ ঘৰ-দুৱাৰ আদি বুলডজাৰ লগাই ভাঙি তেওঁলোকৰ সা-সম্পত্তি ওচৰত থকা মাছ ধৰা পুখুৰীত পেলাই দিয়ে, যাৰ ভিতৰত কিস্তিত কিনা মটৰ চাইকেল, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বহী-কিতাপ, ৰন্ধন সঁজুলি, ৰন্ধন গেছ, টিভি ছেট আদিও আমি আজি দেখিবলৈ পাওঁ আৰু ঘৰ-দুৱাৰ সমূহ সম্পূৰ্ণৰূপে ভাঙি দিয়া অৱস্থাত তাত দেখিবলৈ পাওঁ।

ইয়াৰ পৰৱৰ্তী সময়ত বাতৰি কাকতত প্ৰকাশ পায় যে এই অঞ্চলৰ আৰক্ষীয়ে দুশজনতকৈ অধিক লোকক জেৰা আৰু অপৰাধী হিচাপে গণ্য কৰি তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান চলাই আছে । এনে হোৱাৰ ফলত স্থানীয় বহু লোকে নিজৰ ঘৰত আজিও থাকিব পৰা নাই আৰু আৰক্ষীৰ জিম্মাত মৃত ছফিকুলৰ পৰিয়ালৰ বহু লোকে এতিয়াও আশ্ৰয়হীন অৱস্থাত আছে। এই ঘটনাটোৰ বাবে আমি ভাবো অসম চৰকাৰে বহুখিনি প্ৰশ্নৰ উত্তৰ দিব লাগে। প্ৰথম কথা মাছৰ পোনা বিক্ৰী কৰা লোকজন যদিহে মাতাল অৱস্থাত আৰক্ষীয়ে থানালৈ লৈ আহিছিল তেওঁক চিকিৎসাৰ ব্যৱস্থা নিশাৰ ভিতৰতেই নকৰালে কিয়? পৰিয়ালক যিহেতু তেওঁলোকে নিশাই ফোন কৰিব পাৰিলে হয়, পৰিয়ালৰ লোকক মাতি আনি তেওঁলোকে ১০৮ যোগে চিকিৎসা ব্যৱস্থা নকৰালে কিয়? দ্বিতীয়তে, যিসকল লোকে ইতিমধ্যে আৰক্ষী থানা আক্ৰমণ কৰিছে, থানা জ্বলাই দিছে সেইসকলক অপৰাধী ঘোষণা কৰিব লাগে। কিন্তু অপৰাধী বিচৰাৰ নামত সমগ্ৰ গাঁওখনতে তালাচী চলোৱাৰ ফলত নিৰ্দোষী লোকসকলো যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছে। এটা কথা আমি ছালনাবড়ি গাঁৱত গম পালো যে আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা লোকজনৰ সম্বন্ধীয় লোকসকলৰ ঘৰ-বাৰী উচ্ছেদ কৰিবলৈ যাওতে আৰক্ষীয়ে তেওঁলোকৰ ঘৰৰ সন্মুখত থকা এজন লোকৰ বাসগৃহত থকা ব্যক্তিগত চিচি টিভি কেমেৰাটো বন্ধ কৰি এই উচ্ছেদ অভিযান চলাইছিল, ই অতি দুৰ্ভাগ্যজনক।



এইখিনিতে আমি উল্লেখ কৰিব বিচাৰো যে যি সাতটা গৃহ অসম আৰক্ষীয়ে বুলডজাৰ লগাই ভাঙি সাতটা পৰিয়ালৰ প্ৰায় ৪৭ জন সদস্যক গৃহহীন কৰিলে তেওঁ লোকৰ প্ৰত্যেকজনে নিজে কিনি লোৱা অথবা উত্তৰাধিকাৰী সূত্ৰে পোৱা ম্যাদী পট্টাৰ মাটিত বসবাস কৰি আছিল বুলি আমাক জনাইছে। স্থানীয় ৰাইজে আমাক জনায় যে এনামূল হক আৰু ৰুবুল ইছলাম, (পিতৃ ইমান আলী) তেওঁলোকৰ এটা পকা গৃহ আছিল আৰু হিবজুৰ ৰহমান, (পিতৃ ইমান আলী)ৰ টিনপাটৰ ঘৰ আছিল আৰু মজিবুৰ ৰহমানৰ এটা কেঁচা ঘৰ আৰু এটা পকা ঘৰ আছিল । এওঁলোকৰ ঘৰসমূহ নিজৰ নিজৰ ম্যাদী মাটি বটদ্ৰৱা মৌজাৰ ছালনাবড়ি গাঁৱত ১৮ নম্বৰ পট্টাৰ ১৭৭ দাগত আৰু এইখিনি তেওঁলোকে ফাইজুদ্দিন নামৰ এজন লোকৰ পৰা কিনিছিল। ঠিক তেনেদৰে ৰফিকুল ইছলাম আৰু আকাশ আলীয়ে পট্টা নম্বৰ ৪৯ ৰ দাগ নম্বৰ ৩৮০ ছালনাবড়ি গাঁৱত নিজৰ পিতৃৰ পৰা পোৱা মাটিত ঘৰ সাজি আছিল। একেধৰণেৰে ছফিকুল ইছলাম, যিজনে আৰক্ষীৰ জিম্মাত মৃত্যুবৰণ কৰিলে তেওঁ ৮১ নম্বৰ পট্টা দাগ নম্বৰ ৩৭৮ মুহিব খান নামৰ লোকৰ ম্যাদীপট্টাৰ মাটি কিনি লৈছিল। আৰক্ষী সঞ্চালক প্ৰধান আৰু শাসকীয় পক্ষৰ বিধায়কসকলে দাবী কৰাৰ দৰে তেওঁলোক কোনো বেদখলকাৰী নহয় । দ্বিতীয়তে, তেওঁলোক কোনেও চৰকাৰী চৰণীয়া ভূমিত যেনে, ভিজিআৰ অথবা পিজিআৰত বেদখল কৰি থকা নাছিল আৰু চৰকাৰী খাচ মাটি অথবা বনাঞ্চলো দখল কৰা নাছিল। তেওঁলোকৰ বিৰুদ্ধে কোনো লোকে মাটি বলপূৰ্বকভাৱে হস্তগত কৰাৰ কোনো গোচৰো স্থানীয় থানা অথবা চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত দাখিল কৰা নাই । সেয়েহে পুলিচৰ দ্বাৰা বুলডজাৰ চলাই এনেধৰণেৰে ভাৰতীয় নাগৰিকৰ জীয়াই থকাৰ অধিকাৰ, জীৱিকা নিৰ্বাহৰ অধিকাৰ আদি মৌলিক অধিকাৰসমূহ খৰ্ব কৰা হৈছে; যিটো অতি অক্ষমণীয় অপৰাধ । এই অপৰাধ অসম আৰক্ষীৰ স্বেচ্ছাচাৰী, দমনমূলক আৰু নিজৰ আৰক্ষী থানা ৰক্ষা কৰিব নোৱাৰা চূড়ান্ত ব্যৰ্থতা ঢাকিবলৈ কৰা এক গুৰুতৰ অপৰাধ।

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে বিভিন্ন সময়ত জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰশাসনে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগক ২৪ ঘণ্টাৰ ভিতৰত এই ঘটনা সন্দৰ্ভত জনাব লাগে, যিটো এতিয়াও কৰা হোৱা নাই বুলি আমাৰ বিশ্বাস হয়। অসম চৰকাৰে এছ আই টিৰ তদন্তৰ ঘোষণা কৰিছে যিটো প্ৰকৃততে এটা বিভাগীয় তদন্ত। কিন্তু মানৱ অধিকাৰ আয়োগৰ নিৰ্দেশনা অনুসৰি আৰক্ষীৰ জিম্মাত মৃত্যু হ'লে ন্যায়িক তদন্ত; ঘোষণা কৰাটো বাধ্যতামূলক।

অসমৰ সাতামপুৰুষীয়া ঐতিহ্যমণ্ডিত মহাপুৰুষ শংকৰদেৱৰ কৰ্মথলী বৰদোৱা থানৰ সমীপত হোৱা ঘটনাৱলীৰ যোগেদি ভাৰতীয় সংবিধানৰ ১৪ নম্বৰ দফাৰ দ্বাৰা জনসাধাৰণৰ বাবে প্ৰদত্ত আইনৰ চকুত সকলো সমান আৰু সকলোৰে বাবে একেই আইন, অনুচ্ছেদ ১৯ৰ দ্বাৰা ভাৰতীয় সংবিধানে দিয়া ব্যক্তিগতভাৱে নিজে বসবাস কৰি থকাৰ অধিকাৰ, অনুচ্ছেদ ২১ৰ যোগেদি প্ৰদান কৰা জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, অনুচ্ছেদ ২১(ক)ৰ যোগেদি দিয়া প্ৰাথমিক শিক্ষাৰ অধিকাৰ আদি খৰ্ব কৰা হৈছে বুলি এটা প্ৰাথমিক ধাৰণা হয়। সেয়েহে গোটেই বিষয়টো নিৰপেক্ষভাৱে তদন্ত হোৱা দৰকাৰ আৰু আমি পূৰ্বতে দাবী কৰাৰ দৰেই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কৰ্মৰত ন্যায়াধীশৰ দ্বাৰা সমগ্ৰ ঘটনাৰ তদন্তৰ দাবী জনাইছো।

*ফোন : ৯৪৩৫১০০০৯৭*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ মে' শনিবাৰ, ২০২২ পৃষ্ঠা ৫

# জ্ঞান অন্বেষণত আমৃত্যু নিয়োজিত মহিলা

## হাইপেচিয়া





**অনিতা গোস্বামী**

**সমগ্ৰ** বিশ্বৰ প্ৰথম মহিলা বিজ্ঞানী, যিগৰাকী মহীয়সী নাৰীৰ দৃঢ় ব্যক্তিত্ব, দুঃসাহস আৰু তেওঁৰ উদ্ভাৱনী শক্তিৰ সমুখত তৎকালীন পুৰুষসমাজ হতবিহ্বল হৈ পৰিছিল, সেই গৰাকী নাৰী হ'ল বৰ্তমানৰ মিচৰৰ আলেকজেণ্ড্ৰিয়া মহানগৰীৰ বিজ্ঞানী আৰু জ্যোতিৰ্বিজ্ঞানী হাইপেচিয়া। তেওঁৰ নাম কিন্তু আজি বহুখিনিয়ে স্মৃতিৰ ধূসৰ প্ৰেক্ষাপটত মলিন। কিন্তু বিজ্ঞানীসকলক স্মৰণ কৰিব বিচাৰিলে এইগৰাকী মহীয়সী নাৰীৰ নাম আমি নিশ্চয় শ্ৰদ্ধাৰে ল'ব লাগিব।

বিজ্ঞানৰ বহু বিচিত্ৰ, অনুসন্ধিৎসু পৰিমণ্ডলত প্ৰতিভাময়ী নাৰী বিজ্ঞানীসকলৰ সংখ্যা নিশ্চয়কৈ আঙুলিমূৰত গণিব পৰা। প্ৰাচীন বৈদিক অপালা, ঘোষা, বিশ্ববাৰা আৰু খনাৰ জৰিয়তেও বৈজ্ঞানিক মেধাৰ বিকিৰণ পৰিচালিত হয়। ৰেডিয়াম আৰু পোটোনিয়াম নামক দুটা তেজস্ক্ৰিয় ধাতুৰ আৱিষ্কাৰক মেৰি কুৰি মাৰিয়া (স্কেলদোভস্কা)ই দুবাৰকৈ পদাৰ্থ বিদ্যা আৰু ৰসায়নত ন'বেল বিজয়ী হোৱাৰ সুবাদত পুৰুষকেন্দ্ৰিক বিজ্ঞানী পৰিসৰত নিজৰ আৰু লগতে সমগ্ৰ নাৰীজাতিৰ স্থান বহুখিনি উজ্জ্বল কৰি তুলিবলৈ সক্ষম হৈছিল। ভাৰতীয় বিজ্ঞানী আন্নামানি, জাৰ্মানীৰ পৰমাণু বিজ্ঞানী লিজা মেইটনাৰ, মাৰ্কিন জীৱ বিজ্ঞানী আৰু ন'বেল বিজয়িনী বাৰবাৰা মাকলিন ষ্টফৰ দৰে প্ৰতিভাশালী নাৰী বিজ্ঞানীসকলে নাৰী বিজ্ঞান জগতক সন্মানিত কৰিছে।

হাইপেচিয়াই কিন্তু কেৱল বিজ্ঞানৰ ক্ষেত্ৰতে নহয়, পিতা থিওনক বিভিন্ন দাৰ্শনিক আৰু সাহিত্যিক তত্ত্বৰ সুস্থতা প্ৰদানতো সাহায্য কৰিছিল। জ্ঞানান্বেষণত আমৃত্যু নিয়োজিত আছিল অসামান্য এইগৰাকী ৰূপৱতী নাৰী। তেওঁৰ জ্ঞানৰ স্পৃহা ইমানেই প্ৰবল আছিল যে বহুতো গুণৱান সুযোগ্য পাণিপ্ৰাৰ্থীকো অকাতৰে প্ৰত্যাখ্যান কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এই স্পৃহাৰ কাৰণেই আজীৱন চিৰকুমাৰী হৈ থাকি গ'ল হাইপেচিয়া।

দশম শকত ৰচিত 'বাইজানাইন মূৰ্জ' নামৰ বিশ্বকোষৰ পৰা হাইপেচিয়ীৰ বিষয়ে বহু কথাই জানিব পৰা যায়। অত্যন্ত সাহসী এইগৰাকী নাৰীয়ে তেওঁৰ ওচৰলৈ সঘনাই আহি থকা পাণিপ্ৰাৰ্থীসকলক তেওঁৰ ৰজঃস্ৰাৱ ৰঞ্জিত বস্ত্ৰখন দেখুৱাই কৈছিল— 'বিবাহ' নামক সামাজিক অনুষ্ঠানৰ জৰিয়তে নৰ নাৰীৰ জান্তৱ আৰু কামজ উত্তেজনাহে কেৱল চৰিতাৰ্থ হয়। লগতে সন্তান উৎপাদন পালন আৰু সংসাৰ যাপনৰ বাধ্যতামূলক দায়িত্বহে পালন হয় মাত্ৰ। তেনে বিবাহ বন্ধনক মই ঘিণ কৰোঁ। হাইপেচিয়াৰ দৃঢ় ধাৰণা আছিল বিবাহ বন্ধনত আবদ্ধ হৈ নিজৰ প্ৰতিভা বিকাশ কোনোমতেই সম্ভৱ নহয়।

কোৱা বাহুল্য যে হাইপেচিয়াৰ এনে সাহসী মন্তব্যত সমগ্ৰ পুৰুষ সমাজ ক্ৰোধিত হৈ উঠে। তেতিয়াৰ ৰোম, গ্ৰীচ আৰু আলেকজেণ্ড্ৰিয়াৰ সমস্ত ৰক্ষণশীল সমাজে নাৰী স্বাধীনতাকামী হাইপেচিয়াক বহুগামিনী, অসতী আৰু বাৰাংগনা বুলি অপদস্থ কৰে।

তেতিয়াও কিন্তু নিজৰ মতত অলৰ হাইপেচিয়া। এনেবোৰ অপবাদেও নিজ কৰ্তব্য আৰু একাগ্ৰতাৰ পৰা তেওঁক সামান্যও আঁতৰাব নোৱাৰিলে। বিপৰীতে একনিষ্ঠভাৱে আৰু দৃঢ়তাৰে নিজৰ কামত মনোনিৱেশ কৰিলে। ইস্পাত কঠিন মানসিকতাৰ হাইপেচিয়াই সকলোকে বিস্মিত কৰি সেই সময়তে বিভিন্ন তৰলৰ আপেক্ষিক ঘনত্ব মাপৰ সকলোতকৈ নিৰ্ভৰযোগ্য যন্ত্ৰ হাইড্ৰোমিটাৰ তৈয়াৰকৰি উলিয়ায়।

সিমানতে কিন্তু ক্ষান্ত নাথাকিল হাইপেচিয়া। এই সফলতাৰ পাছত দুগুণ উৎসাহেৰে তেওঁ নিজৰ কামত নামি যায়। এই সকলোবোৰৰ উপৰি গিয়াৰ যন্ত্ৰ আৰু জলপ্ৰবাহৰ সহায়ত সময় নিৰ্ধাৰণ কৰা ঘড়ী হাইড্ৰোস্কোপিয়াচ উদ্ভাৱন কৰে এইগৰাকী বিদুষী মহিলাই।

অতিবাহিত হৈ গ'ল সময়। পৰৱৰ্তী কালত হাইপেচিয়াই উদ্ভাৱন কৰা পানী ঘড়ীৰেই এটা উন্নতম সংস্কৰণ তৈয়াৰ কৰে মহাচিনৰ বাইফুংফু চহৰৰ বিজ্ঞানী সূৎসূংএই। পৰৱৰ্তী কালত পেণ্ডুলামযুক্ত বা দোলন ঘড়ী উদ্ভাৱন কৰে নেডাৰলেণ্ডৰ ক্ৰিষ্টিয়ান হুইগেনচে আৰু বকাৰ পেণ্ডোমিটাৰ পদ্ধতিত আধুনিক জুয়েলযুক্ত সুন্দৰ হাতঘড়ী উদ্ভাৱন কৰে আব্ৰাহম লুই ব্ৰেগুয়েগে। এই দুয়োজনা বিখ্যাত বিজ্ঞানী হুইগেলচ আৰু ব্ৰেত্তয়েথোৱে কৃতজ্ঞতাৰে স্বীকাৰ কৰে যে হাইপেচিয়াৰ অগ্ৰগামী বিজ্ঞান ভাবনা তেওঁলোকৰ বিশেষ অনুপ্ৰেৰণা।

হাইপেচিয়াৰ এজন প্ৰতিভামান ছাত্ৰ আছিল। তেওঁৰ নাম আছিল চাইনেচিডচ। চাইনেচিডচৰ ৰচনাৰ পৰা জানিব পৰা যায় যে মহাকাশত অৱস্থিত বিভিন্ন নক্ষত্ৰমণ্ডলী, সূৰ্য চন্দ্ৰ আৰু বিৰাজমান বিভিন্ন গ্ৰহৰ পৰা গোলাকৃতি মানচিত্ৰ তৈয়াৰ কৰি উলিয়ায় নিজৰ একক প্ৰচেষ্টাত হাইপেচিয়াই। আচৰিত কথা তেওঁৰ হাতত কিন্তু তেতিয়া পৰৱৰ্তীকালৰ জ্যোতিৰ্বিদ গ্যালিলিও, নিকলাউত কোপাৰ্নিকাচ, জিওদাৰ্ণো ব্ৰুনো আদিৰ হাতত থকা আকাশ দৰ্শনৰ দূৰবীণ যন্ত্ৰ কিন্তু নাছিল। যি যন্ত্ৰৰ সহায় নোলোৱাকৈ এই মানচিত্ৰ তৈয়াৰ কৰি উলিওৱা বিস্ময়কৰ কথা। তথাপি কেৱল অনুমানৰ ওপৰত ভিত্তি কৰিয়েই লঘু সপ্তৰ্ষিমণ্ডল, ক্যাচিওপিয়া কালপুৰুষৰ দৰে নক্ষত্ৰ মণ্ডলী আৰু বিভিন্ন গ্ৰহৰ প্ৰায় নিখুঁত অৱস্থান সেই সময়তে নিৰ্ণয় কৰিবলৈ সক্ষম হৈছিল হাইপেচিয়া।

সেই সময়ত আলেকজেণ্ড্ৰিয়াৰ প্ৰখ্যাত গণিতজ্ঞ জ্যোতিৰ্বিজ্ঞানী আছিল ক্লডিয়াচ টনেমি। টনেমিৰ মহাগ্ৰন্থ হ'ল 'আলমাজেস্তস্ক'। এই গ্ৰন্থত বৰ্ণিত মহাবিশ্বৰ গঠনকেই ধ্ৰুৱসত্য বুলি সেই সময়ৰ বৌদ্ধিক সমাজে মানি লৈছিল। অৱশ্যে ষ্টনেমিৰ সেই ভ্ৰান্ত মহাবিশ্বৰ একেবাৰে কেন্দ্ৰবিন্দুত স্থিৰ হৈ আছে আমাৰ এই পৃথিৱী গ্ৰহটো। আৰু এই পৃথিৱী গ্ৰহক ঘেৰি বিভিন্ন কক্ষপথত পৰিভ্ৰমণ কৰি আছে সূৰ্যসহ অন্যান্য নক্ষত্ৰ আৰু গ্ৰহাদি। কোপাৰ্নিকাচ, ব্ৰুনো আৰু গ্যালিলিওৰ দৰে বিখ্যাত বিজ্ঞানীসকলৰ বহু পূৰ্বেই হাইপেচিয়াই টনেমিৰ এই তত্ত্ব সম্পৰ্কে সন্দেহ প্ৰকাশ কৰে। তেওঁ কৈছিল যে পৃথিৱী গ্ৰহ স্থিৰ হৈ থকা নাই। স্থিৰ হৈ আছে সূৰ্য গ্ৰহহে। হাইপেচিয়াৰ এই মন্তব্য অভিমানী বৌদ্ধিক সমাজে কিন্তু কোনোমতেই মানি ল'ব নিবিচাৰিলে।

আলেকজেণ্ড্ৰিয়াৰ আৰু এজন বিখ্যাত গ্ৰীক বিজ্ঞানী হ'ল ইউক্লিড ইউক্লিড ৰচিত 'এলিকমেণ্ট চ' নামৰ গ্ৰহত ত্ৰিভুজ, চতুস্তলক, সামন্তৰিক, আয়তক্ষেত্ৰ, বৃত্ত প্ৰভৃতি জ্যামিতিক আকাৰ সম্পৰ্কিত বিভিন্ন সূত্ৰৰ ওপৰত টীকা ভাষ্যও ৰচনা কৰে হাইপেচিয়াই। অৱশ্যে ইংৰাজ সাহিত্যিক চাৰ্লছ কিংচনৰ উপন্যাসত হাইপেচিয়াক তীব্ৰ সমালোচনা কৰা হয়। এইখন উপন্যাসত হাইপেচিয়াক অযৌক্তিকভাৱে চিহ্নিত কৰা হয় এক স্বেচ্ছাচাৰী, বহুগামিনী, উৰ্দ্ধত মহিলা হিচাপে। হয়তো হাইপেচিয়াৰ আপোচহীন, নিজৰ মতত অলৰ স্বভাৱৰ বাবেই তেওঁ এনেবোৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। এগৰাকী মহিলাৰ নিৰ্ভীক স্বভাৱ আৰু বিজ্ঞান জগতত দৃঢ়তাৰে আগবঢ়োৱা নিজস্ব সিদ্ধান্ত সমূহ সেই সময়ৰ পুৰুষকেন্দ্ৰিক সমাজে কোনোমতেই মানি ল'ব খোজা নাছিল।

কেৱল ইমানেই নহয়, 'হাইপেচিয়া নিউ ফেজ উইদ অ্যান অ'ল্ড ফেচ' নামৰ উপন্যাসত হাইপেচিয়াক ব্যক্তিগতভাৱেও সমালোচনা কৰা হৈছে। উপন্যাসখনত ৰামায়েল আবেন এজৰা নামৰ এজন ইহুদি খ্ৰীষ্টানৰ লগত তেওঁৰ সম্পৰ্ক থকাৰ কথাও উল্লেখ কৰা হৈছে।

**হাইপেচিয়াৰ শেষ জীৱন ঃ**

হাইপেচিয়াৰ অৰ্থাৎ বিশ্বৰ প্ৰথম নাৰী বিজ্ঞানীৰ শেষ জীৱন অতি কৰুণ আৰু বেদনাদায়ক। সেই সময়ৰ মিচৰৰ মুছলিম বিখ্যাত লেখক ডাঃ ইউচুফ জিয়েজেল আৰু মালয়ালম ভাষাত ৰচিত 'ফ্ৰান্সিচ ইত্তিবোৰা' গ্ৰন্থখনত টি ডি ৰামকৃষ্ণনে যুক্তি দেখুৱাই কৈছে যে হাইপেচিয়াৰ সময়ত আলেকজেণ্ড্ৰিয়াত বিভিন্ন ধৰ্মীয় সংগঠনৰ মাজত তীব্ৰ সংঘাত আৰম্ভ হৈছিল। সম্ভৱত সেই সংঘাতত হাইপেচিয়াও জঁপিয়াই পৰে। মিচৰীয়া পণ্ডিত জন অৱ নিকিডৰ' দ্য ক্ৰনিকল' নামৰ গ্ৰন্থত উল্লেখ আছে যে ধৰ্মীয় সংগঠনত জপিয়াই পৰা বাবেই খ্ৰীষ্টান ৰক্ষণশীল সমাজে তেওঁলোকৰ ৰোষৰ চিকাৰ কৰে হাইপেচিয়াক। লগতে ইয়াৰ সতে যুক্ত হয় পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধে হাইপেচিয়াৰ অকলে আগবাঢ়ি যোৱাৰ মানসিকতা।

ইয়াৰ পাছত পৰিস্থিতি আৰু জটিল আৰু মৰ্মাহত। খ্ৰীষ্টান পুৰোহিতসকলে ভাড়া কৰি অনা দুৰ্বৃত্তৰ হাতত নিহত হয় হাইপেচিয়াৰ পিতৃ থিওন। অপহৰণ কৰা হয় হাইপেচিয়াক। তাৰ পাছত চলে পাশৱিক ধৰ্ষণ। কেৱল সিমানতে ক্ষান্ত নাথাকিল কিন্তু দুষ্কৃতিকাৰীসকল। নগ্ন হাইপেচিয়াক প্ৰকাশ্যে ৰাজপথলৈ আনি গাত পাথৰ মাৰি মাৰি নৃশংসভাৱে হত্যা কৰা হয়। ইমানতো শান্তি নহ'ল নৰপশু দল। হাইপেচিয়াৰ মৃতদেহ খণ্ড খণ্ড কৰি পুৰি পেলোৱা হয়। এনেদৰে মৃত্যুবৰণ কৰিবলগীয়া হয় বিশ্বৰ প্ৰথম নাৰী বিজ্ঞানী হাইপেচিয়া।

আনহাতে হাইপেচিয়াৰ মৃত্যুত ক্ৰোধান্বিত হৈ উঠে আলেকজেণ্ড্ৰিয়াৰ শিক্ষিত যুৱ সমাজ। তেওঁলোকে সাহসেৰে আগবাঢ়ি আহিল। ৰাস্তাই ৰাস্তাই তেওঁলোকৰ লগত খ্ৰীষ্টান ধৰ্মান্ধসকলৰ আৰম্ভ হয় ৰক্তক্ষয়ী খণ্ডযুদ্ধ। এই খণ্ডযুদ্ধ শাম কাটোতে বহুত সময় লাগিছিল।

ইংলণ্ডৰ স্বৈৰাচাৰৰ পৰা পৰৱৰ্তী যুগত ফ্ৰান্সৰ বাৰ্গাস্তি ৰাজ্যৰ পৰিত্ৰাণ ৰূপে এসময়ত যেনেকৈ দেখা দিছিল কৃষক ৰমণী মেইড অৱ অৰ্ণিয়, জোৱান অৱ আৰ্ক, যিগৰাকী দুৰ্ভগীয়া মহিলাক ডাইনী অপবাদত পুৰি মৰা হৈছিল, হাইপেচিয়াৰ ভাগ্যতো আছিল সেই একেই লিখন। দুটা ভিন্ন যুগত দেশপ্ৰেম, নিৰ্বোধ জ্ঞানান্বেষণ, আত্মনিয়ন্ত্ৰণ আৰু নাৰী মুক্তিৰ জয়ধ্বজা বহন কৰি নিৰ্ভীকভাৱে ছহিদ হ'ল দুগৰাকী যশস্বিনী নাৰী। সেইবাবেই জোৱান অৱ আৰ্কৰ দৰে হাইপেচিয়াৰ দৃঢ় ব্যক্তিত্ব, আপোচহীনতা, ৰহস্যময় ধীৰ শক্তিক লৈ কম লিখা লিখি হোৱা নাই।

প্ৰয়াত ইটালীয় উমবেৰ্তো একোৰ উপন্যাস 'বাউদোল্লিনো'ত হাইপেচিয়াৰ বিজ্ঞান আৰু সাম্যময় মানৱতাবাদক সন্মান জনোৱা হৈছে। মাৰ্কিন জ্যোতিৰ্বিজ্ঞানী ডং কাৰ্লমাগানে তেওঁৰ বহু পঠিত 'কচমচ অ্যা পাচৰ্নেল ভয়েচ' কিতাপখনত বিনাদ্বিধাই জনাইছে—'বিজ্ঞান জগতত প্ৰমিলাসকলৰ প্ৰৱেশদ্বাৰটো উন্মুক্ত কৰি দিয়ে হাইপেচিয়াই। এইগৰাকী শ্ৰীময়ী বিজ্ঞানীৰ নামত নাম ৰখা হৈছে 'চন্দ্ৰৰ এফি মৃত আগ্নেয় চহৰ আৰু এটি গ্ৰহাণু।' মহাকাশৰ দৰে ব্যাপ্ত আছিল হাইপেচিয়াৰ জ্ঞানৰাজ্যত নিৰ্ভীক পদচাৰণ্য।

বিশ্বৰ সমগ্ৰ নাৰী জাতিৰ বাবে হাইপেচিয়া এক আদৰ্শ স্বৰূপ। সেই সময়ৰ পুৰুষ প্ৰধান সমাজৰ বিৰুদ্ধে সাহস আৰু দৃঢ়তাৰে থিয় দি নিজৰ দুঃসাহস আৰু উদ্ভাৱনী শক্তিৰ বিকাশেৰে নিজকে বিজ্ঞান জগতত অমৰ কৰি থৈ গ'ল এইগৰাকী বিদুষী মহিলাই।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# শত্ৰু বঢ়াবলৈ সাধাৰণ শব্দই যথেষ্ট; মিত্ৰ গঢ়িবলৈ টান



**ৰীণা বিশ্বাস**

**সংস্কৃত** কাব্য বাগীশসকলে শব্দক ব্ৰহ্ম বুলি অভিহিত কৰিছে। কোনো ধৰণৰ ব্যাকৰণৰ ৰীতি ব্যৱহাৰ নকৰাকৈ সাধাৰণভাৱে ক'বলৈ হ'লে শব্দই বাক্য গঠনৰ আধাৰ হৈ মানুহৰ মনৰ ভাব আৰু অভিব্যক্তিসমূহ এজনৰ পৰা আনজনলৈ প্ৰবাহিত কৰে। শব্দশক্তি সকলো শক্তিতকৈ শক্তিশালী। মানুহৰ বাগিন্দ্ৰীয়ৰ দ্বাৰা সৃষ্ট আৰু প্ৰবাহিত হৈ শব্দশক্তিয়ে যি যাদুকৰী চমৎকাৰিত্বৰে মানুহৰ মন-মগজুত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে সি অতুলনীয়। একাধিক অৰ্থযুক্ত শব্দই পৰিশীলিত ৰূপ লৈ বাক্য গঠনৰ দ্বাৰা ভাষাৰ সৃষ্টি কৰে। ভাষাই মনৰ ভাৱৰ শব্দৰূপ। প্ৰকাশিকা শক্তিয়ে মনৰ ভাবক এজনৰ পৰা আনজনলৈ বোৱাই নি মানুহৰ মাজত মিলাপ্ৰীতিও বঢ়াব পাৰে অথবা শত্ৰুতা বৃদ্ধি কৰি যুদ্ধ-বিগ্ৰহৰো সৃষ্টি কৰিব পাৰে। সেয়ে শব্দৰ যাদুকৰী মহিমাৰ আগত হেজাৰজন উন্মত্ত মানুহ নিমিষতে বশ হৈ যায় আৰু হেজাৰজন নিৰীহ মানুহো চকুৰ পলকতে অমানুহলৈ ৰূপান্তৰিত হৈ অমানুষিক কাৰ্যত লিপ্ত হয়।

শত্ৰু বঢ়াবলৈ সাধাৰণ এটা শব্দই যথেষ্ট। ই দ্ৰুত বেগে কাম কৰি শত্ৰুতাৰ সৃষ্টি কৰিব পাৰে; কিন্তু শত্ৰু তুল্য এজনক মিত্ৰ কৰি গঢ়ি তুলিবলৈ অহোপুৰুষাৰ্থৰ প্ৰয়োজন। জীৱনক যদি কৰ্ম আৰু বন্ধুৰ সংখ্যাৰে জুখিব লগা হয় তেনেহ'লে প্ৰথমেই কিজানি ভাবক নিয়ন্ত্ৰণ কৰি সংযতভাৱে শব্দ প্ৰয়োগ কৰিব লাগে। কাৰণ ভাবেই শব্দৰ মূল। প্ৰথমে ভাব। ভাবে ক্ৰিয়া কৰিলে শব্দৰ উৎপত্তি হয় আৰু শেষত সেই ক্ৰিয়াৰ দ্বাৰাই এজনৰ চৰিত্ৰই ৰূপ লয়। মনৰ ভাবৰ গতি-প্ৰকৃতি যিটো দিশত প্ৰবাহিত হয়, সেইমতেই মানুহ এজনৰ প্ৰতি আন এজনৰ ধাৰণাৰ সৃষ্টি হয়। মনৰ ভাব শুদ্ধ আৰু নিকা হ'লে ধাৰণাই শুদ্ধ ৰূপ লৈ শব্দ আকাৰে প্ৰকাশ পায়। সেই শব্দই মধুৰ হ'লে বন্ধুত্ব আৰু তাৰ বিপৰীত হ'লে শত্ৰুতাৰ বীজ অংকুৰিত কৰে।

আচলতে আমি কেতিয়া আৰু কি পৰিস্থিতিত পৰি কেনেধৰণৰ শব্দ প্ৰয়োগ কৰোঁ, সেই কথা সম্পূৰ্ণ সময়ানুপাতিক। সময় আৰু পৰিস্থিতি সাপেক্ষে এজনে আন জনৰ লগত মত বিনিময় কৰোঁতে দুয়োৰে মনৰ ভাব ভাষাৰ ৰূপত শব্দৰ দ্বাৰা প্ৰকাশ হয়। সেই শব্দই ব্ৰহ্মৰূপ লৈ মধুৰতা বিয়পাব পাৰে অথবা বিষ বিয়পাই ঘোৰ শত্ৰুতাৰো জন্ম দিব পাৰে। আমি যদি অলপ সময় মৌন হৈ কেৱল মনৰ অভিব্যক্তিৰে ভাব বিনিময় কৰোঁ তেতিয়া কিজানি শব্দৰ দ্বাৰা প্ৰকাশ হ'ব পৰা তিক্ততা বা মধুৰতাখিনি ঢাক খাই যাব আৰু শত্ৰুতাই জন্ম ল'বলৈ বাট বিচাৰি নাপাব। সেয়েহে মনোবিজ্ঞানীসকলে মৌনতাক প্ৰাধান্য দি কয় যে এটা শব্দ প্ৰয়োগ নকৰাকৈয়ো যদি আগন্তুকে ব্যৱহাৰ কৰা শব্দৰ প্ৰত্যুত্তৰ দিব পাৰি তেনেহ'লে এখন ডাঙৰ খণ্ডযুদ্ধৰ পৰা হাত সাৰি থাকিব পাৰি। মৌনতাৰো ভাষা আছে বুলি কবিসকলে বিশ্বাস কৰে। সেয়েহে প্ৰেমৰ কবিতাত চিত্ৰকল্প ব্যৱহাৰ কৰোঁতে প্ৰেয়সীয়ে যদি প্ৰেমাস্পদৰ প্ৰেম অন্তঃকৰণেৰে মানি লয়, তেনেহ'লে 'বুকু ফাটিলেও মুখ নেফাটে' এনেকুৱা ভাবত ভৰিৰ বুঢ়া আঙুলিৰে মাটিত আঁক-বাঁক কৰে। প্ৰেমিকে সেই মৌন আঁক-বাঁকৰ ভাষাত প্ৰেয়সীৰ সহমতৰ ভাষা শব্দহীনভাৱেই বুজিবলৈ সক্ষম হয়।

শব্দৰ চাতুৰ্য্য, ভাব আৰু ভাষা - উভয়ৰে ওপৰত বহুত পৰিমাণে নিৰ্ভৰশীল। এজন সৰবৰহী, গুণী আৰু সৰ্বজন-প্ৰিয় ব্যক্তিৰ মুখৰ ভাষাৰ মধুৰতা আৰু তেওঁৰ বিষয় জ্ঞানৰ গভীৰতাৰ দ্বাৰা জনতাৰ সন্মুখত প্ৰকাশ কৰা প্ৰতিটো শব্দই সাধাৰণ মানুহৰ মনত সুন্দৰ প্ৰভাৱ পেলাব পাৰে। উদাহৰণ স্বৰূপে সদ্য প্ৰয়াত স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিৰ কথা উল্লেখ কৰিব পাৰি। তেওঁ যেতিয়া মঞ্চত ভাষণ আৰম্ভ কৰিছিল, তেতিয়া তেওঁৰ বিষয় জ্ঞানৰ লগতে আন সকলো সাধাৰণ মানুহৰ মনত জোৰ পাব পৰাকৈ প্ৰদান কৰা বিভিন্ন উদাহৰণ আৰু অভিজ্ঞতা সম্পন্ন কথা মুকুতা সদৃশ শব্দৰ দ্বাৰা প্ৰকাশ পাইছিল। ফলত যিসকল লোকে প্ৰথমবাৰৰ বাবে তেওঁৰ ভাষণ শুনিছিল বোধহয় সেই দিনটোৰে পৰাই তেওঁক মনৰ মণিকূটত এজন সুহৃদ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হৈছিল। আমাৰ জীৱনতো তেওঁৰ লেখা আৰু ভাষণৰ প্ৰভাৱ ল'ৰালি কালৰে পৰাই পৰিছে। সেয়ে শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত আমি বৰ হিচাপী। হিচাপ কৰি শব্দ ব্যৱহাৰত বিফল হ'লেই যে নিমিষতে এখন বাকযুদ্ধৰ সৃষ্টি হ'ব পাৰে তাৰো অভিজ্ঞতা আমাৰ লগতে সকলোৰে নিশ্চয় আছে। শব্দই যেনেকৈ আমাক মত বিনিময়ত গুৰিৰে পৰাই সহায় কৰে ঠিক তাৰ বিপৰীতে সেই শব্দই যদি উচিতভাৱে, ভাবি গুণি আৰু মাৰ্জিতভাৱে ব্যৱহাৰ কৰিবলৈ অলপ ভুল হয় তেনেহ'লে চকুৰ পলকতেই বন্ধু এজনো সহজে শত্ৰুৰ শাৰীলৈ পৰ্যবসিত হ'বলৈ সৰহ পৰ নালাগে।

ভাব-ভাষা, শব্দ আৰু বাক্য, এই চাৰিটা বিষয় মনৰ অভিব্যক্তি প্ৰকাশৰ মূল আধাৰ যদিও মনৰ ভাবক উচিত শব্দৰ প্ৰয়োগেৰে বাক্য গঠন কৰি ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰোঁতে মনৰ আবেগেও বিশেষভাৱে কাম কৰে। আনন্দ, বিষাদ, খং, ৰাগ, ইচ্ছা-অনিচ্ছা আদিৰ পৰা জন্মা মনৰ আবেগে মূৰকত মনৰ ভাবৰ জন্ম দিয়ে। সেই ভাববোৰেই তাৎক্ষণিকভাৱে মনৰ অভিব্যক্তি হৈ শব্দ চয়ন কৰি বাক্য গঠন কৰে আৰু ভাষাৰ মাজেৰে সেই ভাব প্ৰকাশ পায়। সেয়েহে মনৰ আবেগক সম্বৰণ কৰিব নোৱাৰিলে কেতিয়াবা জানিতে-অজানিতে মুখেৰে এনেকুৱা কটু শব্দও ওলাই আহিব পাৰে, যাৰ দ্বাৰা অতি সহজেই এজন ভাল বন্ধু অথবা নিকট আত্মীয়ও শত্ৰুলৈ ৰূপান্তৰিত হ'ব পাৰে। এবাৰ এজন ব্যক্তি বন্ধু গুচি শত্ৰুলৈ ৰূপান্তৰিত হ'লে হেজাৰ শব্দয়ো তেওঁক আগৰ মধুৰ সম্পৰ্কৰ অৱস্থালৈ ঘূৰাই আনিব নোৱাৰে। গতিকে বুজা গ'ল যে শত্ৰু সৃষ্টি কৰিবলৈ মাত্ৰ এটা শব্দই যথেষ্ট আৰু সেই শত্ৰু হেন বন্ধু বা আত্মীয়ক আগৰ অৱস্থালৈ ঘূৰাই আনিবলৈ বহুত মধুৰ শব্দয়ো কাম নকৰিব পাৰে।

অৱস্থাৰ বশৱৰ্তী হৈ, পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই সহজভাৱে মনৰ ভাব প্ৰকাশ কৰাটো সকলো সময়তে সহজ নহয়। কাৰণ আবেগে আমাক সকলো সময়ত আৱৰি ৰাখে। গতিকে যেতিয়া দুজন বা ততোধিক ব্যক্তিৰ মাজত মনোমালিন্যৰ দৰে পৰিস্থিতি আহি পৰে, অথবা এজনৰ মত আন এজনৰ স'তে নিমিলা হয়, তেতিয়াই জগৰ লগা পৰিস্থিতি এটাৰ সৃষ্টি হয়। এনেকুৱা পৰিস্থিতিত যদি আত্মসন্মানৰ কথা আহি পৰে তেনেহ'লেতো পৰিস্থিতি আৰু বেছি বেয়ালৈ যায়গৈ। সেই সময়ত আবেগক সম্বৰণ নকৰাকৈ শব্দ প্ৰয়োগ কৰিলে সেই শব্দই একোপাট বিষযুক্ত শেল হৈ নিমিষতে একোটা ভাল সম্পৰ্ক বেয়া কৰি পেলায় আৰু হয়তো এজন বন্ধুৰ শাৰীৰ ব্যক্তিক জীৱনলৈ শত্ৰু কৰি পেলায়।

বৰ্তমান আধুনিক যুগত বিজ্ঞান-প্ৰযুক্তিয়ে এহাতে যেনেকৈ যোগাযোগৰ পৰা আদি কৰি বিভিন্ন দিশত মানুহৰ জীৱনশৈলী সহজ কৰি পেলাইছে, ঠিক তাৰ বিপৰীতে আধুনিক মানুহৰ মনবোৰ দিনক দিনে যেন জটিলৰ পৰা জটিলতৰ হৈ গৈ আছে! এসময়ত মানুহৰ সম্পৰ্ক আছিল মাটিৰ স'তে। মাটিতেই চহাই-মৈ দি ভূঁই ৰুই শস্য উৎপাদন কৰি সমাজৰ সৰহ সংখ্যক মানুহে পেট প্ৰবৰ্তাইছিল। বাকৰিয়নি ভাঙি মাটি উলিয়াই ঘৰ-ভেটি সাজি চুবুৰি পাতি বসবাস কৰিছিল। মানুহৰ মনবোৰো আছিল মাটিৰ দৰেই সহজ-সৰল। অনাখৰী আছিল যদিও মনেৰে তেওঁলোক আছিল জ্ঞানী আৰু সহানুভূতিশীল। একেলগে বসবাস কৰোঁতে সৰু-সুৰা কথাত খুট-খাট লাগিলে, অথবা জীৱনলৈ ভাবুকি আহিলে হয়তো ইজনে সিজনৰ লগত বা এটা পৰিয়ালে আন এটা পৰিয়ালৰ লগত দুৰ্বাদল বাকযুদ্ধতো লিপ্ত হৈছিল। মনৰ মাজত লুকাই থকা ক্ষোভ উজাৰি শান্ত নোহোৱালৈকে তেওঁলোকৰ মাজত বাকযুদ্ধ চলিছিল। সেই বাকযুদ্ধও শব্দৰ মাজেৰেই সংঘটিত হৈছিল যদিও এটা সময়ত সকলো দোষ-ত্ৰুটি পাহৰি পুনৰ ইঘৰে সিঘৰৰ স'তে সমিলমিলিৰে বাস কৰিছিল। কোনো কটু বাক্য বা শব্দ এজনেও ভৱিষ্যতলৈ মনত সাঁচি ৰাখি শত্ৰুতা কৰা নাছিল; কিন্তু বৰ্তমান যুগৰ মানুহ আক্ষৰিকভাৱে শিক্ষিত হৈছে। পদবী, ডিগ্ৰী আৰু আত্মসন্মানবোধে মানুহৰ মনবোৰো মাটিৰ পৰা তুলি নি গগনচুম্বী অট্টালিকাৰ উচ্চতালৈ প্ৰেৰণ কৰিছে। সভ্য আৰু শিক্ষিত হোৱাৰ গৰিমা মনত বান্ধিয়েই আজিকালি কোনেও খুব প্ৰয়োজন নহ'লে বাক-বিতণ্ডা অথবা বাকযুদ্ধত লিপ্ত নহয়। বৰঞ্চ এজনে আনজনৰ প্ৰতি মনৰ ভিতৰতেই বিযোদগাৰ পুহি ৰাখে আৰু কোনো কোনো সময়ত সেই ক্ষোভ ইমানেই প্ৰচণ্ড গতিত প্ৰবাহিত হয় যে এজনে আনজনক হত্যা কৰিবলৈকো কুণ্ঠাবোধ নকৰে। বাতৰি কাকতখন উলিয়াই ল'লেই তাৰ চানেকি প্ৰতিদিনে আমাৰ চকুত পৰে। হত্যা, হিংসাৰ দৰে যিমানেই অপৰাধমূলক কাম নিতৌ সংঘটিত হয়, সেইবোৰ বহুত ক্ষেত্ৰত কটু শব্দ প্ৰয়োগৰ মাধ্যমেদি আৰম্ভ হয়। হয়তো মুখামুখিকৈ এজনে আনজনৰ লগত কাজিয়া-পেচালত লিপ্ত নহ'বও পাৰে, কিন্তু বৰ্তমান সামাজিক মাধ্যমসমূহৰ দ্বাৰাও কমেন্ট, ইনবক্সত দিয়া বাৰ্তা আদিৰ জৰিয়তে মানুহৰ মাজত উখনা-উখনি লাগে। কেতিয়াবা বন্ধুভাৱাপন্ন মানুহ শত্ৰুলৈ ৰূপান্তৰিত হয়। এইবোৰ বৰ্তমান জীৱনৰ দৈনিক গাঁথা। তথাপি বন্ধু কোন, শত্ৰু কোন সেই কথা স্পষ্ট কৰিবলৈ এনেবোৰ কথাই বিশেষভাৱে প্ৰভাৱ পেলায়।

বাক্যত আপত্তিজনক অথবা মনত সকলোৱে জীণ নিয়াব নোৱৰা এটা শব্দৰ কাৰণেই কেতিয়াবা প্ৰসিদ্ধ আৰু সৰ্বজনবিদিত মানুহ এজনৰো নিমিষতে হেজাৰৰ ঘৰত শত্ৰুৰ সৃষ্টি হোৱা দেখা যায়। আমাৰ ৰাজনৈতিক পথাৰখনত প্ৰতিনিয়ত এটা দলৰ কৰ্মকৰ্তাই বিৰোধী দলৰ কৰ্মকৰ্তাসকলক উদ্দেশ্য কৰি প্ৰদান কৰা ভাষণত এইদৰে শব্দৰ অপপ্ৰয়োগ কৰাটো তেনেই সাধাৰণ কথা হৈ পৰিছে; যাৰ ফলত দেশসেৱাৰ দৰে একেটা বিষয়তে সেৱা আগবঢ়ায়ো এজনে আনজনৰ স'তে মিত্ৰতা দেখুওৱাৰ বিপৰীতে বাস্তৱ জীৱনৰো শত্ৰুলৈ ৰূপান্তৰিত হোৱাৰ নজিৰ দেখা যায়। কৰ্মক্ষেত্ৰ যদি উদ্দেশ্যৰ একমুখিতা সমৃদ্ধ গুৰুত্বপূৰ্ণ বস্তু তেনেহ'লে তাৰ বাবে বন্ধুত্বপূৰ্ণ মনোভাৱৰো প্ৰয়োজন। কাৰণ যিকোনো কামেই একগোট হৈ কৰিবলৈ হ'লে আৰু স্থিৰ কৰা লক্ষ্যত সুচাৰুৰূপে উপনীত হ'বলৈ হ'লে কৰ্মীসকলৰ মাজত বন্ধুত্বপূৰ্ণ মনোভাৱ থকাটো অতি প্ৰয়োজনীয়। পাৰস্পৰিক মনোমালিন্য আৰু দহোজনৰ দহোটা মত থাকিলে যিকোনো এটা গুৰুত্বপূৰ্ণ কথা বা কাম কেতিয়াও সাফল্যমণ্ডিত নহয়।

বাংলা ভাষাত এষাৰ প্ৰবাদ বাক্য আছে—'কাটিলে না থাকে অস্ত্ৰেৰ বেদন, বাক্য ঘাত নাহি যায় যাবত-জীৱন।' কথাষাৰৰ তাৎপৰ্যয়ো এই কথাকেই বুজায় যে কেতিয়াবা দুৰ্ঘটনাবশতঃ কোনো অস্ত্ৰৰ দ্বাৰা আঘাত পালেও সেই ঘা শুকাই যোৱাৰ পাছত বিষ নাথাকে, কিন্তু কটু বাক্য ব্যৱহাৰ কৰি এজনে আনজনক আঘাত কৰিলে, সেই আঘাত চিৰদিনলৈ মনৰ পৰা গুচি নাযায়। দুপাৰি দাঁতৰ মাজত থকা আমাৰ কোমল জিভাখন দাঁতৰূপী কিমান ভয়ংকৰ অস্ত্ৰৰ মাজতো নিৰাপদ হৈ থাকে। কিন্তু কেতিয়াবা আমি আহাৰ চোবাই খাওঁতে অলপ অন্য মনস্ক হ'লেই জিভাত কামোৰ পৰে, সেই কামোৰ হৈ পৰে বহুত বেদনাদায়ক। নিমিষতে জিভাৰ পৰা তেজ ওলাই আহে; নাকে-মুখে পানী ওলাই আহে আৰু আমাৰ আহাৰ খোৱাৰ আনন্দ নষ্ট কৰি পেলায়। কিন্তু দাঁতে জিভাক কামুৰি সৃষ্টি কৰা সেই বেদনা আমি আকৌ সাধাৰণ ঘৰুৱা উপচাৰেৰে উপশম কৰিব পাৰোঁ। কিন্তু সেই একেই বাগিন্দ্ৰীয়ৰ (জিভা, দাঁত, তালু, ওঁঠ আৰু ঘটিকা) পৰা প্ৰকাশ হোৱা একোটা সাধাৰণ শব্দই যেতিয়া নিমিষতে কাৰোবাৰ মন ভাঙি চূৰমাৰ কৰে, অন্তৰত সহিব নোৱৰাকৈ বেদনাৰ সৃষ্টি কৰে, সেই ঘাঁ কেতিয়াও কোনো ধৰণৰ উপচাৰেৰে উপশম কৰাটো সম্ভৱ নহয়; চিৰদিনলৈ বুকুৰ এচুকত সেই শব্দ বেদনা হৈ খোদিত হৈ ৰৈ যায়। গতিকে শব্দ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আমি অতি সাৱধান হোৱাটো প্ৰয়োজনীয় কথা। বাক-সংযম একপ্ৰকাৰৰ কলায়েই; যাক বাচ্য-কলা বুলিব পৰা যায়।

*ফোন ঃ ৭০০২৭ ৩৪৯৬২*



# ভাৰতীয় মুছলমানৰ নাৰীবাদী আন্দোলনৰ ইতিহাস

**চাহাবুদ্দিন আহমেদ**

**নাৰীবাদ** হ'ল নাৰীৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সম-অধিকাৰ প্ৰতিষ্ঠা আৰু ৰক্ষাৰ আন্দোলন। পুৰুষৰ সমানে নাৰীৰ অধিকাৰ আৰু সুযোগ প্ৰদানৰ দাবীৰে আৰম্ভ হোৱা নাৰীবাদী আন্দোলনক এটা সময়ত সমাজে স্বীকৃতি দিব লগা হ'ল। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীসকল অৱহেলিত, বঞ্চিত আৰু পদলেহিত হৈ থকাৰ সময়ৰ লগে লগে বিশ্বৰ বুকুত আৰম্ভ হয় নাৰীবাদী আন্দোলন। শিক্ষাৰ প্ৰসাৰৰ লগে লগে আৰম্ভ হোৱা এই আন্দোলনে বিশ্বৰ বুকুত নৱজাগৰণৰ সৃষ্টি কৰিলে। সম-অধিকাৰ আৰু সমতাৰ দাবীৰে পশ্চিমীয়া দেশসমূহত ১৮ শতিকাত আৰম্ভ হোৱা এই নাৰীবাদী আন্দোলনৰ মূল হোতা আছিল লেখিকা মেৰী ৱালষ্টোনক্ৰাফটছ। ১৭৯২ত তেওঁৰ 'এ ভিনডিকেশ্চন অৱ দ্য ৰাইটছ অৱ ওমেন' নামৰ গ্ৰন্থখনেৰে নাৰীবাদী আন্দোলন আৰম্ভ কৰিছিল। নাৰীৰ সম-অধিকাৰকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত তেওঁ গ্ৰন্থখনত বহু যুক্তি আগবঢ়াইছিল।

পশ্চিমীয়া দেশত আৰম্ভ হোৱা এই নাৰীবাদী আন্দোলনৰে উদ্ধৃত হৈ ভাৰততো একাংশ সচেতন মহিলাই সেই সময়ত যৌতুক আৰু যৌতুকক কেন্দ্ৰ কৰি সংঘটিত পাৰিবাৰিক হিংসা, যৌনতা, যৌনতাৰ নামত ব্যভিচাৰ, শোষণৰ বিৰোধিতাৰে আৰু শিক্ষা আৰু সম-অধিকাৰৰ দাবীৰে এই আন্দোলন আৰম্ভ কৰে। বিভিন্ন ক্ষেত্ৰত লিংগ সমতা অৰ্জন, সমান পাৰিশ্ৰমিক, স্বাস্থ্য, শিক্ষা আৰু ৰাজনীতিত সমান অধিকাৰ বিচাৰি আৰম্ভ হোৱা এই আন্দোলন তিনি ভাগত ভাগ কৰিব পাৰি। ব্ৰিটিছ শাসন আৰম্ভ হোৱাৰ সময়ত সেই সময়ৰ পিতৃতান্ত্ৰিক দেশখনত প্ৰচলিত সতীদাহ প্ৰথা বন্ধৰে আৰম্ভ হৈছিল প্ৰথম নাৰীবাদী আন্দোলনৰ। ১৯ শতিকাৰ মাজভাগত সংস্কাৰপন্থীসকলে নাৰী শিক্ষাত সংস্কাৰ আৰু বিভিন্ন ক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণৰ দাবীৰে দ্বিতীয় নাৰীবাদী আন্দোলন আৰম্ভ কৰে। ১৯১৫ৰ পৰা দেশ স্বাধীন হোৱা পৰ্যন্ত জাতিৰ পিতা মহাত্মা গান্ধীৰ ভাৰত ত্যাগকে ধৰি অন্যান্য আন্দোলনত মহিলাসকলক চামিল কৰি দেশৰ বিভিন্ন প্ৰান্তত নাৰী সংগঠন গঢ়ি তুলিছিল। আনহাতে, স্বাধীনতাৰ পাছত তৃতীয় পৰ্যায়ত আৰম্ভ হোৱা এই নাৰীবাদী আন্দোলনৰ মূল লক্ষ্য আছিল বিয়াৰ সময়ত, কৰ্মক্ষেত্ৰত আৰু ৰাজনৈতিক ক্ষেত্ৰত সমান অধিকাৰ অক্ষুণ্ণ ৰখা। নাৰীবাদৰ এই আন্দোলনে দেশত ব্যাপক সংস্কাৰ আৰু পৰিৱৰ্তন ঘটালেও অৱশ্যে আজিও নাৰী বঞ্চিত হৈ অহা বুলি অভিযোগ আছে। তদুপৰি নাৰীবাদী আন্দোলন বৈষম্যমূলক বুলিও চৰ্চিত হৈ আহিছে। বিশেষকৈ নিম্ন শ্ৰেণীৰ মহিলাসকলক নাৰীবাদী আন্দোলনে ঢুকি পোৱা নাই বুলি চৰ্চিত হৈ আহিছে।



আনহাতে, ভাৰতত আৰম্ভ হোৱা নাৰীবাদৰ আন্দোলনৰ সমান্তৰালকৈ একাংশ মুছলমান মহিলায়ো আৰম্ভ কৰে। ভাৰতত মুছলমান শাসকসকলৰ দিনত নাৰীৰ শিক্ষা ব্যৱস্থা নিজ গৃহ বা নিৰ্দিষ্ট শিক্ষানুষ্ঠানত সীমাবদ্ধ আছিল বুলি চৰ্চিত হয় যদিও ইতিহাসত বহু কেইগৰাকী মুছলিম মহিলাই দেশ শাসন কৰাৰ নজিৰ আছে। ইয়াৰ সমান্তৰালকৈ সাহিত্য-সংস্কৃতিত বহু মুছলিম মহিলাৰ নাম পোৱা যায়। তথাপি ইছলামত নাৰীৰ অধিকাৰ সন্দৰ্ভত ভিন্ন মত প্ৰকাশ কৰি ভিন্ন ব্যাখ্যা আগবঢ়াই নাৰীসকলক বহু ক্ষেত্ৰত বঞ্চিত কৰা হয়। অথচ ইছলাম ধৰ্মৰ মূল গ্ৰন্থ পৱিত্ৰ কোৰান শ্বৰিফত নাৰীক পুৰুষৰ সমানে অধিকাৰ দিয়া হৈছে। মানুহৰ মুক্তিৰ বাবে, শ্ৰেণীহীন সমাজ স্থাপনৰ উদ্দেশ্যে ইছলামত নাৰীক বহু উচ্চ আসন দিছিল। এই সন্দৰ্ভত স্বয়ং আল্লাহে কৈছে—'নাৰীসকলৰ সমান অধিকাৰ আছে তোমালোকৰ অৰ্থাৎ পুৰুষৰ ওপৰত, যিদৰে তোমালোকৰ আছে তেওঁলোকৰ ওপৰত।' (ছুৰা আল-বাকাৰা ঃ ২-২২৮)

একেদৰে আল্লাহৰ নবী হজৰত মহম্মদ (ছঃ)এ বাৰে বাৰে নাৰীৰ সম-মৰ্যাদা সন্দৰ্ভত কৈ গৈছে; কিন্তু তাৰ পাছতো তদানীন্তন সমাজ ব্যৱস্থাত চলি অহা নাৰীৰ অৱদমনৰ বিৰোধিতাৰে ওলাই আহিছিল একাংশ সচেতন মুছলমান মহিলা। এই ক্ষেত্ৰত প্ৰথমে নাম উল্লেখ কৰিব পাৰি প্ৰসিদ্ধ উৰ্দু লেখিকা ইছমত চুগতাইৰ নাম। ১৯৩০ৰ দশকত নাৰীবাদ, যৌনতা আৰু শ্ৰেণী সংগ্ৰামৰ বিৰুদ্ধে লেখনিৰে নাৰী সমাজক উদ্বুদ্ধ কৰিছিল। মাৰ্ক্সবাদী চিন্তাধাৰাৰে নাৰী-পুৰুষৰ বৈষম্য, বহুবিবাহ, যৌনতা আদি সন্দৰ্ভত লিখা চুগতাইৰ বেছিভাগ কাৰ্য বিতৰ্কিত আছিল। যাৰ বাবে কে'বাখনো গ্ৰন্থত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল; কিন্তু তাৰ পাছতো অকলে লেখনিৰ জৰিয়তে যুঁজি তেওঁ প্ৰমাণ কৰি দিছিল নাৰী শক্তিৰ। ৰক্ষণশীল সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দিয়া চুগতাইৰ এই অৱদান নিশ্চয় শলাগিবলগীয়া। একেদৰে আন এগৰাকী প্ৰখ্যাত মুছলিম নাৰীবাদী লেখিকা কুৰৰাতুলাইন হায়দাৰ। হায়দাৰ আছিল একেধাৰে এগৰাকী প্ৰভাৱশালী ভাৰতীয় উৰ্দু ঔপন্যাসিক, চুটিগল্প লেখক আৰু সাংবাদিক। মহিলা বুদ্ধিজীৱী হায়দাৰে নিজৰ লেখনিৰে তথাকথিত সমাজ ব্যৱস্থাক প্ৰত্যাহ্বান জনাইছিল। এইক্ষেত্ৰত তেওঁ সফলতাও লাভ কৰিছিল। আনহাতে, বৃত্তিত চিকিৎসক ৰছিদ জাহানে সংৰক্ষণশীল মুছলমান সমাজক উৰ্দু ভাষাত লিখা চুটিগল্প, নাটক আদিৰে প্ৰত্যাহ্বান জনাইছিল। ইয়াৰ বিপৰীতে বাঙালী মুছলিম নাৰী জাগৰণৰ অগ্ৰদূত তথা লেখিকা বেগম ৰোকেয়াই মুছলিম নাৰীৰ হকে হাতে-কামে লাগি পৰিছিল। বাঙালী চিন্তাবিদ, প্ৰবন্ধকাৰ, ঔপন্যাসিক, সাহিত্যিক, সমাজ সংস্কাৰক বেগম ৰোকেয়াক ২০০৪ত বিবিচি বাংলাৰ সমীক্ষাত 'সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বাঙালী' ৰূপে ষষ্ঠ স্থান দিয়া হৈছিল। বংগত প্ৰথমবাৰৰ বাবে তেওঁ ছোৱালী বিদ্যালয় খুলি মুছলমান কন্যা শিশুক বিদ্যালয়লৈ উলিয়াই আনিছিল। এইসকল নাৰীবাদী মহিলা লেখিকা-বুদ্ধিজীৱীৰ অৱদানৰ সমান্তৰালকৈ তুলনামূলকভাৱে তেওঁলোকৰ তুলনাত নিৰক্ষৰ শ্বাহবানুৰ কথা উল্লেখ নকৰিলে ভাৰতীয় মুছলমান নাৰীবাদী আন্দোলন আধৰুৱা হৈ থাকিব। কাৰণ ১৯৮৬ত ঐতিহাসিক শ্বাহবানু গোচৰত ন্যায়ালয়ে দিয়া ৰায়ৰে ভাৰতত মুছলমান মহিলাৰ অধিকাৰ সাব্যস্ত কৰি বাট দেখুৱাইছিল শ্বাহবানুৱে। বিনা কাৰণতে স্বামীয়ে তিনি তালাক দিয়া শ্বাহবানুৱে উচ্চতম ন্যায়ালয়ৰ এই গোচৰত স্বামীক ভৰণ-পোষণ দিবলৈ বাধ্য কৰিছিল। মধ্যপ্ৰদেশৰ ইন্দোৰৰ বাসিন্দা শ্বাহবানু বেগম আছিল মহম্মদ আহমেদ খান নামৰ এজন অধিবক্তাৰ পত্নী। স্বামীয়ে দ্বিতীয়বাৰ এগৰাকী কম বয়সীয়া যুৱতীৰে বিবাহপাশত আবদ্ধ হোৱাত তেওঁ আপত্তি দৰ্শাইছিল যদিও একেলগে আছিল; কিন্তু এবছৰ পাছত পাঁচ সন্তানৰ মাতৃ শ্বাহবানুক মাহিলী ভাট্টা দিয়া বন্ধ কৰে ইন্দোৰৰ প্ৰভাৱশালী আৰ্থিকভাৱে সবল তথা প্ৰতিষ্ঠিত অধিবক্তা আহমেদ খানে। ১৪ বছৰীয়া দাম্পত্য জীৱনৰ অৱসান ঘটাই ৬২ বছৰত স্বামীয়ে তাতে ক্ষান্ত নাথাকি তালাক দি মাহিলী দুশ ডলাৰকৈ ভাট্টা দিয়ে; কিন্তু ১৯৭৮ৰ এপ্ৰিলৰ পৰা সেয়াও বন্ধ কৰি দিয়াত তেওঁ প্ৰথমে ইন্দোৰৰ স্থানীয় আদালতত স্বামীৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰে। পৰৱৰ্তী সময়ত ১৯৮৫ত উচ্চতম ন্যায়ালয়ত চলা গোচৰত ঐতিহাসিক ৰায় প্ৰদান কৰি স্বামীক ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণৰ নিৰ্দেশ দিয়ে। এই ঐতিহাসিক ৰায়ক লৈ দেশত জোঁকাৰণিৰ সৃষ্টি হয়। আনকি তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে মুছলমানক তোষামোদ কৰিবলৈ ন্যায়ালয়ৰ এই ৰায়ক প্ৰত্যাহ্বান জনাই মুছলিম মহিলাৰ তালাক সুৰক্ষা অধিকাৰ আইন-১৯৮৬ প্ৰণয়ন কৰে। সেয়া এক সুকীয়া অধ্যায়। শ্বাহবানুৰ লেখীয়া ভাৰতত আন এনে বহুতো কাহিনী আছে, যিবোৰ বিভিন্ন কাৰণত পোহৰলৈ অহা নাই। নিৰক্ষৰ কিন্তু নিজৰ অধিকাৰ ৰক্ষাত সৰৱ মহিলাসকলৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। মুঠৰ ওপৰত নাৰীৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ভাৰতীয় মুছলমান মহিলাসকলো পিছপৰি ৰোৱা নাই।

*ফোন ঃ ৮৪৮৬২৯৯২৫১*

# লাম্পিত পুনৰ দুৰ্বৃত্তই ভাঙি-ছিঙি লণ্ডভণ্ড কৰিলে চৰকাৰী আধাৰশিলাৰ ফলক

## মেঘালয় সমৰ্থনকাৰীৰ চকু অসমৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ ওপৰত ঃ প্ৰথমলানি আলোচনাৰ শান্তিপূৰ্ণ সমাধানৰ পাছতো উত্তেজনা অব্যাহত অসম-মেঘালয় সীমান্ত

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৭ মে' ঃ** অসম-মেঘালয় সীমান্তৰ বকোত অব্যাহত আছে উত্তেজনা। অসম-মেঘালয় চৰকাৰৰ প্ৰথমলানি আলোচনামৰ্মে কেতবোৰ বিষয়ত সমস্যাৰ সমাধান হ'লেও যোৱা নিশা মেঘালয়ৰ সমৰ্থনকাৰী খাচী দুৰ্বৃত্তই অসমৰ চৰকাৰী আঁচনিৰ আধাৰশিলা ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰে। যোৱা ২৫ মে'ত কামৰূপ গ্ৰাম্য জিলাৰ উপায়ুক্ত কৈলাশ এনে লাম্পিত এটা পৰ্যটন বঙলাৰ আধাৰশিলা স্থাপন কৰিছিল। ৰাজ্যিক সীমান্তত সীমান্ত উন্নয়নৰ কাম-কাজত বাৰ্ষিক কাৰ্য পৰিকল্পনা ২০২০-২১ বিত্তীয় বৰ্ষৰ পুঁজিৰে নিৰ্মাণ কৰিবলৈ লোৱা অতিথিশালাৰ আধাৰশিলাৰ ফলকখন নিশা মেঘালয় সমৰ্থনকাৰী খাচী দুৰ্বৃত্তই ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰে। ঘটনা সন্দৰ্ভত আজি লাম্পি গাঁওৰক্ষী বাহিনী আৰু লাম্পিবাসী ৰাইজে লাম্পি আৰক্ষী চকীত এজাহাৰ দাখিল কৰি ঘটনাৰ উচিত তদন্ত দাবী কৰিছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য অৰ্জুন ছেত্ৰীয়ে অসম চৰকাৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানত অনিষ্ট সাধন কৰা মেঘালয় সমৰ্থনকাৰী খাচী দুৰ্বৃত্তক কৰায়ত্ত কৰি উচিত শাস্তি বিহাৰ দাবী জনাইছে। উল্লেখ্য যে বকোৰ চিৰসেউজ লাম্পিত বসবাস কৰা একাংশ মেঘালয় সমৰ্থনকাৰী খাচী দুৰ্বৃত্তই দীৰ্ঘদিন ধৰি একাংশ মেঘালয় সমৰ্থনকাৰী খাচী দুৰ্বৃত্তই অসমৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ পৰা অনিষ্ট সাধন কৰি অহাৰ লগতে অসমৰ সমৰ্থকসকলক ভাবুকি দি আহিছে। মন কৰিবলগীয়া যে গোৰ্খা সম্প্ৰদায়ৰ এইসকল অসমৰ বাসিন্দাক এইদৰে অত্যাচাৰ চলাই আহিছে। ইতিমধ্যে অসম-মেঘালয় সীমান্তৱৰ্তী ১২ টা অঞ্চলৰ দ্বিতীয় পৰ্যায়ত সীমা সমস্যা সমাধানৰ তালিকাত লাম্পিৰ নামো সন্নিবিষ্ট হৈ আছে। ৰাজ্য চৰকাৰৰ সোপাটিলা নীতিৰ বাবে ইতিমধ্যে অসমৰ ১০ কিলোমিটাৰ ভিতৰত প্ৰৱেশ কৰি মেঘালয়ে বিভিন্ন ধৰণে চৰকাৰী আঁচনি ৰূপায়ণ কৰি লাম্পিক তেওঁলোকৰ অন্তৰ্ভুক্ত কৰাত প্ৰচেষ্টা অব্যাহত ৰাখিছে।

## গোৰেশ্বৰ উন্নয়ন খণ্ডৰ ৬০ লাখটকীয়া

*তিনি পৃষ্ঠাৰ পৰা* গ্ৰামসেৱকজনে তদানীন্তন গোৰেশ্বৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ভূপেন দাসৰে মিলি সংঘটিত কৰিছিল এই বিত্তীয় কেলেংকাৰি। তেওঁ সেই বৰ্ষতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল যদিও উক্ত ব্লকৰ কম্পিউটাৰ পাছৱাৰ্ড ব্যৱহাৰ কৰি এই কেলেংকাৰি সংঘটিত কৰিছিল। প্ৰাপ্ত তথ্য মতে, ৬০ লাখ টকাৰ ৪০ লাখ টকা কোষাগাৰৰ চালানযোগে অৱসৰপ্ৰাপ্ত গ্ৰামসেৱক আলীয়ে চৰকাৰক ঘূৰাই দিছিল। অভিযোগ মতে ধৃত আলীয়ে পেঞ্চনৰ ধন অতিৰিক্তভাৱে ৬০ লাখ টকা মুছলপুৰ কোষাগাৰযোগে উলিয়াইছিল। এই বিষয়ে তদানীন্তন কোষাগাৰ বিষয়া তৰণী ডেকাই জানিব পাৰি মুছলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৭৭/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত চলাই কিছুদিন পূৰ্বে তদানীন্তন বিডিঅ' ভূপেন দাসক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। কিন্তু মূল অভিযুক্ত আলীয়ে দীৰ্ঘদিনৰ পৰা পলাতক অৱস্থাত আছিল। যোৱা নিশা মুছলপুৰ আৰক্ষীয়ে বিশেষ সূত্ৰে অৱসৰপ্ৰাপ্ত গ্ৰামসেৱকজনে বাইহাটা চাৰিআলিৰ বেজেৰাৰ নিজৰ গৃহলৈ অহা বুলি অৱগত হয়। লগে লগে কামৰূপ আৰক্ষীৰ সহযোগত মুছলপুৰ আৰক্ষীৰ এটা বৃহৎ দলে তেওঁক গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি ধৃত আলীক মুছলপুৰ আৰক্ষী থানাত জেৰা কৰি থকা হৈছে।

## দেশৰ দ্বিতীয়য়খন মানসিক ৰোগীৰ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰতিষ্ঠানখন পৰিদৰ্শন কৰি ইয়াত চলি থকা মানসিক ৰোগীৰ অত্যাধুনিক চিকিৎসা ব্যৱস্থাৰো বুজ লয়। আনহাতে, তেজপুৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানে মানসিক ৰোগীৰ বাবে কৰি অহা চিকিৎসা ব্যৱস্থাত সন্তোষ প্ৰকাশ কৰি মন্ত্ৰী মহন্তই আগন্তুক গৰম বন্ধত ৰাজ্য চৰকাৰে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়, চৰকাৰী চিকিৎসালয়ত মানসিক ৰোগৰ চিকিৎসাৰ লগত জড়িত চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ বাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত এক কৰ্মশালা অনুষ্ঠিত কৰিব বুলি কয়। উল্লেখ্য যে ১৮৭৬ত তেজপুৰত ব্ৰিটিছ চৰকাৰে মানসিক ৰোগীৰ চিকিৎসাৰ কাৰণে তেজপুৰ লুনাটিক এজাইলাম হিচাপে স্থাপন কৰা উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মানসিক ৰোগীৰ চিকিৎসা প্ৰতিষ্ঠানখন ১৯৪৯ৰ পৰা ১৯৯৮ পৰ্যন্ত ৰাজ্য চৰকাৰৰ অধীনত আৰু ১৯৯৯ত এনইচিৰ অধীনলৈ যোৱাৰ পাছত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰূপে নামাকৰণ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত ২০০৭ৰ পহিলা জুনত দেশৰ কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ অধীনত স্বতন্ত্ৰ সংস্থা হিচাপে পৰিচালিত এই মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনত মানসিক ৰোগৰ স্নাতকোত্তৰ ডিগ্ৰী পাঠ্যক্ৰমৰ ১১ খন আসনৰ উপৰি মানসিক স্বাস্থ্যৰ নাৰ্ছৰ স্নাতকোত্তৰ পাঠ্যক্ৰম, ক্লিনিকেল মানসিক ৰোগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে মানসিক ৰোগৰ ওপৰত এমফিল আৰু মানসিক স্বাস্থ্যৰ ওপৰত গৱেষণা পাঠ্যক্ৰমৰ সুবিধা আছে। ইপিনে, মন্ত্ৰী মহন্তই কয় যে ৰাজ্যৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতৰ সময়ত হোৱা আসোঁৱাহ আৰু এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰৰ স্থিতি স্পষ্ট কৰা বুলি কয়। মন্ত্ৰী মহন্তই এই সন্দৰ্ভত কয়, 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বিষয়টো ৰাজ্য চৰকাৰৰ মজিয়াত আলোচনা কৰা হৈছে। যদি কিবা আসোঁৱাহ ৰৈ গৈছে তেন্তে ইয়াৰ সংশোধন হ'ব লাগে।' তেওঁ লগতে কয় যে প্ৰতীক হাজেলাৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব। কিয়নো তেওঁৰ ওপৰত বহু অভিযোগ উত্থাপিত হৈছে। আইনে যি নিৰ্ণয় কৰে সেয়াই হ'ব বুলি উল্লেখ কৰি মহন্তই আইনৰ ওপৰত আমাৰ বিশ্বাস আছে বুলিও কয়।

## ভাড়া কৰি অনা বাহনৰ চালকক গহপুৰত

*তিনি পৃষ্ঠাৰ পৰা* অভিযোগ উত্থাপন কৰি চালক দাসে সংবাদ মাধ্যমৰ আগত কয় যে তেওঁকো যুৱকদ্বয়ে মদ আৰু শীতল পানীয় পান কৰিবলৈ জোৰ কৰে যদিও তেওঁ অমান্তি হয়। পৰৱৰ্তী সময়ত আজি পুৱা ৪.৩০ বজাত যুৱকদ্বয়ে গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মাজানৰ ১৫ নম্বৰ ঘাইপথত গাড়ীখন ৰখাই গহপুৰৰ পৰিৱৰ্তে ডিমাপুৰলৈ গাড়ীখন লৈ যাব লাগে বুলি দাবী-ধমকি দিয়ে। এই সন্দৰ্ভত চালক দাসে অভিযোগ কৰা মতে, ডিমাপুৰলৈ যাবলৈ অমান্তি হোৱাৰ বাবেই যুৱকদ্বয়ে তেওঁক গাড়ীৰ পৰা নমাই মাৰধৰ কৰে। একাংশ স্থানীয় ৰাইজে ঘটনাটো প্ৰত্যক্ষ কৰি যুৱকদ্বয়ৰ কবলৰ পৰা চালকজনক উদ্ধাৰ কৰি ঘাঁহিগাঁও আৰক্ষী চকীক ঘটনা সন্দৰ্ভত অৱগত কৰে। ঘাঁহিগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেবেন মোছাহাৰীয়ে তৎপৰতাৰে ঘটনাস্থলীত উপস্থিত হৈ চাৰি যুৱক-যুৱতীক আটক কৰে। পৰৱৰ্তী সময়ত চালক আৰু গাড়ীসহ চাৰি যুৱক-যুৱতীক গহপুৰ আৰক্ষী থানালৈ লৈ অহা হয়। বৰ্তমান গহপুৰ আৰক্ষী থানাত ঘটনা সন্দৰ্ভত চালকসহ আটাই কেইজনকে আৰক্ষীয়ে সোধ পোচ অব্যাহত ৰাখিছে। এই সন্দৰ্ভত গহপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তথা পৰিদৰ্শক সুশীল কুমাৰ দত্তৰ পৰা উল্লেখ কৰা মতে, ঘটনা সন্দৰ্ভত চালকজনে দাখিল কৰা এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ড বিধিৰ ১২০/৩২৫/৩৭৯/৫১১/৩৪ ধাৰাৰ অধীনত গহপুৰ আৰক্ষী থানাত ৮৩/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি চাৰি যুৱক-যুৱতীক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা যুৱক-যুৱতী চাৰিজন হ'ল গুৰুবিন্দৰ সিং (৩৫), কালাপাহাৰ, বিৰুবাৰী, শংকৰ কলিতা (৩০), পলাশবাৰী, মিৰ্জা, পিংকি সৰকাৰ (২৮), ফটাশিল, আমবাৰী আৰু যমুনা দাস (২৫) ফটাশিল, আমবাৰী। ইয়াৰে পিংকি সৰকাৰ আৰু শংকৰ কলিতা সম্বন্ধত পতি-পত্নী বুলি জানিবলৈ দিয়ে পিংকি সৰকাৰে। আনহাতে, অভিযুক্ত গুৰুবিন্দৰ সিঙে অভিযোগ কৰা মতে, চালকজনে যুৱতী দুগৰাকীৰ প্ৰতি অভব্য আচৰণ কৰাৰ বাবেই প্ৰহাৰ কৰিবলৈ বাধ্য হৈছিল। ফাৰ্ণিচাৰৰ এক ঠিকা কামৰ সংক্ৰান্তত তেওঁলোক গহপুৰলৈ আহিছিল বুলি জানিবলৈ দি গুৰুবিন্দৰ সিঙে সংবাদ মাধ্যমৰ আগত কয় যে আজি গহপুৰত প্ৰৱেশ কৰাৰ সময়তে ঠিকাদাৰে ফোন কৰি তেওঁলোকক গহপুৰৰ পৰিৱৰ্তে ডিমাপুৰলৈ যাবলৈ কোৱাৰ বাবেই তেওঁলোকে চালকক গাড়ীখন ডিমাপুৰলৈ নিবলৈ কৈছিল। আৰক্ষীৰ তদন্ততহে ঘটনাটোৰ প্ৰকৃত ছবিখন স্পষ্ট হ'ব।

## বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ নামত

*তিনি পৃষ্ঠাৰ পৰা* কোটি টকাৰ ব্যয়ৰে ৰূপায়ণ কৰা আঁচনিখনৰ নিৰ্মাণৰ দায়িত্বত লাভ কৰে সুদুৰ গুজৰাটৰ বি এম কে ইণ্টাৰনেচনেল নামৰ প্ৰতিষ্ঠানটোৱে। সেই অনুসৰি নগাঁও চহৰৰ প্ৰতিটো পথ- উপ-পথৰ বাসিন্দাসকলক খোৱা পানী যোগান ধৰাৰ বাবে আঁচনিখন প্ৰস্তুত কৰি বিশাল ধনৰাশি মুকলি কৰি দিয়ে। আঁচনি অনুসৰি, উক্ত প্ৰতিষ্ঠানটোৱে নগাঁও চহৰৰ ফৌজদাৰীপট্টি, হয়বৰগাঁও লাওখোৱা পথ আৰু ৰামকৃষ্ণ পথৰ পুৰণি পানী যোগান ধৰা বৃহৎ টেংকিকেইটা মেৰামতি তথা অত্যাধুনিক ৰূপে গঢ়ি তোলাৰ উপৰি চহৰখনৰ অধিকসংখ্যক জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি আৰু তিনিটা নতুন টেংকি ক্ৰমে- শিৱনগৰ শ্মশানৰ কাষত, হয়বৰগাঁও শ্মশানৰ কাষত আৰু কছলুখোৱাত স্থাপন কৰাৰ বাবে ধন আবন্টন কৰে। এইখিনিলৈকে সকলো ঠিকেই আছিল যদিও ২৩৯ কোটি টকাৰ ব্যয়েৰে ৰূপায়ণ কৰা আঁচনিখনৰ ঠিকা লাভ কৰা গুজৰাটী কোম্পানীটোৱে অসমৰ কোনো বিষয়া-কৰ্মচাৰী তথা জনপ্ৰতিনিধিকো এক তিলাৰ্ধ কেৰেপ নকৰে। দিশপুৰৰ কেইগৰাকীমান গুজৰাটী আই এছ এছ বিষয়াৰ ছুপাৰিশ মতেহে কামৰ অগ্ৰগতি হয়। নগাঁও পৌৰসভা তথা গড়কাপ্তানী বিভাগক নাকত ধৰি চাকত ঘূৰোৱা বি এম কে ইণ্টাৰনেচনেল নামৰ প্ৰতিষ্ঠানটোৱে নিজ খেয়াল-খুচি মতেই কাম কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। স্বাধীনতাৰ পাছত হয়তো যোৱা পাঁচটা বছৰত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ বলিষ্ঠ কৰ্মতৎপৰতাত নগাঁও চহৰৰ গড়কাপ্তানী বিভাগৰ পথসমূহৰ লগতে পৌৰসভাৰ অন্তৰ্ভূক্ত পথ সমূহ সুন্দৰ ৰূপত গঢ়ি তোলা হৈছিল। আনকি ১৯৮৫ চনত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই এই নগাঁও সদৰ সমষ্টিৰ পৰাই প্ৰতিনিধিত্ব কৰিও এনেদৰে সমষ্টিটোৰ পথ সমূহৰ নিৰ্মাণ কৰাত ব্যৰ্থ হৈছিল। এজন বিধায়ক হৈয়ো ৰূপক শৰ্মাই সমষ্টিটোৰ সকলোবোৰ কাঠৰ দলং পকী কৰাৰ লগতে সকলোবোৰ পথ পকী কৰি যুগান্তকাৰী দলিলৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। তাৎপৰ্যপূৰ্ণ কথা যে অমৰুট পানী যোগান আঁচনিখন ৰূপায়ণৰ নামত নগাঁৱত গুজৰাটী কোম্পানীটোৱে সকলোবোৰ পথ, উপ-পথত পাইপ বহুৱাৰ বাবে খান্দি চূড়ান্ত অনিয়মৰ আশ্ৰয় গ্ৰহণ কৰে। সমগ্ৰ পথবোৰত বিগত সময়খিনিত পাইপ বহুৱাই নিয়ম অনুসৰি মেৰামতি কৰিছে যদিও অতি নিম্ন মানৰ কাম সম্পাদন কৰাত এতিয়া বাৰিষা কালত পথসমূহৰ পাইপ বহুওৱা অংশ তললৈ বহি গৈছে। ফলত পথবোৰ সাধাৰণ জনতাৰ আহ-যাহৰ বাবে অসুবিধাৰ সৃষ্টি হৈছে। তদুপৰি মটৰ চাইকেল একাষে টানি লৈ যোৱাত বহুকেইটা পথ দুৰ্ঘটনা সংঘটিত হৈছে আৰু বহু ব্যক্তি চিৰজীৱনলৈ পংগুত্ব বৰণ কৰিব লগাত পৰিছে। কোটি কোটি টকাৰ অনিয়মেৰে বহিৰাগত কোম্পানীৰ লুণ্ঠন কাৰ্য চৰকাৰ - প্ৰশাসনৰ চকুৰ সন্মুখতেই চলাই যোৱাৰ পাছতো নিৰৱ দৰ্শক নগাঁও পৌৰসভাৰ, নগাঁৱৰ লোক নিৰ্মাণ বিভাগ তথা নগাঁও জিলা প্ৰশাসন। স্মৰ্তব্য যে, উদাহৰণ স্বৰূপে নগাঁও পৌৰসভাৰ অন্তৰ্গত আঠ নম্বৰ মহলাৰ আমোলাপট্টি শ্মশান ঘাটৰ কাষত নিৰ্মীয়মাণ প্ৰকল্পটোলৈ যোৱা পথটোৰ লগতে সন্মুখেৰে শিৱনগৰলৈ যোৱা পথটো দেখিলেই অনুমান হয় কিমান পৰিমাণৰ অনিয়ম আৰু দুৰ্নীতি সংঘটিত কৰিছে উক্ত গুজৰাটী কোম্পানীটোৱে। এই সমগ্ৰ অনিয়ম আৰু দুৰ্নীতি সন্দৰ্ভত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই কি কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে ই নগাঁও বাসীৰ বাবে লক্ষ্যণীয় হ'ব।

## ৰবৰ উদ্যোগৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ দাবীত



*তিনি পৃষ্ঠাৰ পৰা* আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ৰবৰ উদ্যোগটোৰ গেটৰ সন্মুখত সমবেত হৈ বিভিন্ন শ্ল'গান দিয়ে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে বামপন্থী নেতা ননী দাসে কয় আমি উদ্যোগ স্থাপনৰ বিৰোধী নহয়। কিন্তু মানুহৰ জীৱন বিপদাপন্ন কৰি ৰবৰৰ উদ্যোগ স্থাপনৰ বাবেই আজি প্ৰতিবাদী কাৰ্যসূচী ল'বলৈ বাধ্য হৈছো।' দাসে পুনৰ কয় যে গোৱালপাৰা জিলাত ৰবৰ উদ্যোগ স্থাপন হোৱাটো আমি বিচাৰিছো। কিয়নো বৃহৎ সংখ্যক লোক জড়িত থকা জিলাখনত প্ৰতিমাহে ৭০-৮০ কোটি টকাৰ ৰবৰ উৎপাদন হয়। সেয়ে গোৱালপাৰাত ৰবৰ উদ্যোগ স্থাপন হলে জিলাবাসী যথেষ্ট পৰিমাণে উপকৃত হোৱাটো নিশ্চিত। কিন্তু মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰত স্থাপন কৰা ৰবৰৰ উদ্যোগে সম্প্ৰতি মানুহৰ জনজীৱন বিপদাপন্ন কৰি তুলিছে। উদ্যোগটোৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধৰ বাবেই বৃহত্তৰ অঞ্চলটোৰ মানুহে ঘৰত থাকিব নোৱাৰা অৱস্থা হৈছে। মানুহ মৰি উদ্যোগ স্থাপনক আমি কোনো পধ্যেই মানি ল'ব নোৱাৰা। প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে কেনেকৈ এই ধৰণৰ বিপদজনক ৰবৰৰ উদ্যোগ স্থাপনৰ অনুমতি প্ৰদান কৰিলে বুলিও এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে ননী দাসে। ইপিনে, দুৰ্গন্ধময় পৰিৱেশৰ মাজতে উপযুক্ত মজুৰি নিদিয়াকৈ আঠ ঘন্টাৰ পৰিৱৰ্তে ১২ ঘন্টা কাম কৰিব দিয়া বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দাসে। কেৱল ৰবৰৰ উদ্যোগে নহয় বনৰীয়া হাতীৰ আশ্ৰয় স্থলৰ হেজাৰ হেজাৰ শাল গছ কাটি ভাৰত পেট্ৰলিয়াম কৰপৰেচন লিমিটেডৰ উদ্যোগ স্থাপনৰ বিৰোধীতা কৰে বাম পন্থী নেতাজনে। ইপিনে, ছাত্ৰ মুক্তিৰ জিলা সভাপতি জাকিৰ হুছেইনে কয় যে আমি উদ্যোগ স্থাপনৰ বিৰোধী নহয়। কিন্তু ৰবৰৰ উদ্যোগে বিয়পাই দিয়া দুৰ্গন্ধই অঞ্চলবাসী ৰাইজক অতিষ্ঠ কৰি তুলিছে। ৰবৰ উদ্যোগটোৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধৰ ফলত মাত্ৰ ২০০ মিটাৰ দূৰত্বত অৱস্থিত মৰনৈ এলয় একাডেমি, ৩০০ মিটাৰ দূৰত্বত থকা কোধালধোৱা প্ৰাথমিক বিদ্যালয়ৰ লগতে নাতিদূৰৈত থকা মৰনৈ সৈনিক স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। কেৱল ছাত্ৰ-ছাত্ৰীসকলেই নহয় কোধালধোৱাবাসী সৰ্বসাধাৰণ ৰাইজৰ লগতে বিশেষকৈ কণ কণ ল'ৰা-ছোৱালী আৰু গৰ্ভৱতী মহিলাই অসুস্থতাত ভুগি প্ৰায়ে বমি কৰিবলগীয়া হৈ আহিছে। সেয়েহে অতি শীঘ্ৰেই ৰবৰ উদ্যোগটোৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধ বন্ধৰ ব্যৱস্থা নকৰিলে স্থানীয় ৰাইজৰ সহযোগত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি হুংকাৰ দিছে সভাপতিজনে। ইপিনে, স্থানীয় বানী হুছেইন, আহিমুদ্দিন সেখ, জাকিৰ হুছেইন, সহমান আলী আৰু সাহেব আলীয়ে কয় যে সম্প্ৰতি ৰবৰ উদ্যোগটোৰ পৰা দিনে নিশাই ওলোৱা দুৰ্গন্ধত স্থানীয় ৰাইজৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈ পৰিছে। কেৱল ৰবৰৰ উদ্যোগেই নহয় ইথানুল প্ৰস্তুতকাৰী উদ্যোগটো স্থাপনৰ পাছত তিনকোনীয়া পাৰা অঞ্চলত কৃত্ৰিম বানপানীৰ কবলত পৰিবলগীয়া হৈছে। সেয়ে বিজ্ঞান সন্মতভাৱে পানী ওলাই যাব পৰা নলা নিৰ্মাণৰ দাবী জনাইছে ৰাইজে।

## কচুৱাত বাঢ়নী পানীত পৰি দুই

*তিনি পৃষ্ঠাৰ পৰা* নাপাই পৰিয়ালৰ লোকৰ মাজত হুৱাদুৱা লাগে। পাছত চৌদিশৰ বাঢ়নী পানীত শিশু দুটিক বিচাৰি অনুসন্ধান চলাওঁতে কন্যা শিশুটিৰ মৃতদেহ দিনৰ ১২ বজাত উদ্ধাৰ কৰা হয়। ইয়াৰ এঘণ্টা পাছতে ঘৰৰ পিছফালে বৈ যোৱা বাঢ়নী পানীৰ পৰা মৃত অৱস্থাত আনটো শিশুক উদ্ধাৰ কৰা হয়। উল্লেখ্য যে বানে প্লাৱিত কৰাত কচুৱাত এই পৰ্যন্ত পাঁচজন লোকৰ মৃত্যু হৈছে।

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

*তিনি পৃষ্ঠাৰ পৰা* আৰু পিছবেলা এম আই এল আৰু বৈকল্পিক ইংৰাজী (অ'লটাৰনেটিভ ইংলিছ)। সাত জুনৰ আগবেলা স্বদেশ অধ্যয়ন, চেলছমেনশ্বিপ এণ্ড এডভাৰটাইজিং। তেনেদৰে পিছবেলা জীৱ বিজ্ঞান, শিক্ষা আৰু বিজনেছ ষ্টাডিজ বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ন জুনৰ আগবেলা কম্পিউটাৰ ছায়েন্স এণ্ড এপ্লিকেছন বিষয় তথা পিছবেলা পৰিসংখ্যা (ষ্টেটিকটিক্স) আৰু ঐচ্ছিক সংস্কৃত (এডভান্স সংস্কৃত) বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

## সন্তানৰ বাবে পদবী হেৰুওৱা

*তিনি পৃষ্ঠাৰ পৰা* চলায়। উল্লেখ্য যে বিগত পঞ্চায়ত নিৰ্বাচনত পঞ্চায়তখনৰ সভাপতি পদত কংগ্ৰেছৰ প্ৰাৰ্থী ছোৰাফ আলী শ্বেখে নিৰ্বাচনত জয়লাভ কৰিছিল। কিন্তু সভাপতিৰ কাৰ্যকালতে তেওঁ চাৰি সন্তানৰ পিতৃ হোৱা বাবে শেহতীয়াভাৱে সন্তানৰ ক্ষেত্ৰত নতুন পঞ্চায়তী আইন কাৰ্যকৰী কৰাত সভাপতি পদ ত্যাগ কৰিবলগীয়া হয় শ্বেখে। পূৰ্বৰ সভাপতিজনৰ পদ খাৰিজ কৰি পঞ্চায়তখনৰ উপ-সভাপতি মুকুল ৰায়ক ধুবুৰী জিলা প্ৰশাসনে ভাৰপ্ৰাপ্ত সভাপতিৰূপে দায়িত্ব অৰ্পণ কৰে। ইয়াৰ পাছতে কেৱল সভাপতি পদৰ নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে পদক্ষেপ গ্ৰহণ কৰে।

## বৰপেটাৰ তিনি থলুৱা

*তিনি পৃষ্ঠাৰ পৰা* তথা বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধকে মাৰ্চত তিনিওটা ক্ষুদ্ৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ গৰাকী যথাক্ৰমে মৰমী পাঠক, অচিন্ত পাঠক আৰু নলিনী পাঠকলৈ জাননী প্ৰেৰণ কৰে। তৎসত্বেও তেওঁলোকে কোনো সঁহাৰি নিদিয়াত যোৱা ১৮ মে'ত জিলা দণ্ডাধীশ তেজ প্ৰসাদ ভূষলে এক নিৰ্দেশ জাৰি কৰি জনবহুল অঞ্চলত এনে বিপজ্জনক বিস্ফোৰক সামগ্ৰীৰ প্ৰস্তুতি সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰে। এই সম্পৰ্কতে যোৱা ২৬ মে'ত প্ৰতিষ্ঠানকেইটালৈ উদ্যোগ বিভাগৰ পৰা পুনৰ জাননী জাৰি কৰা হৈছে। পূৰ্বেও এনেদৰে নিজৰ ঘৰতে আতচবাজী প্ৰস্তুত কৰাৰ ফলত অঘটন সংঘটিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থতে এই ব্যৱস্থা গ্ৰহণ কৰিছে। অচিৰেই এনে কাৰ্য বন্ধ নহ'লে প্ৰশাসনে তেনে প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে আইনগত ভাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ সকীয়াই দিছে।

## বিহপুৰীয়াত বিদ্যুৎস্পৃষ্ট হৈ

*তিনি পৃষ্ঠাৰ পৰা* বিদ্যুতৰ বিল পৰিশোধ নকৰাৰ বাবে বিভাগৰ কৰ্মচাৰীয়ে বিদ্যুৎ সংযোগ কৰ্তন কৰিছিল। সেই সূত্ৰে আজি চুলতানে দুপৰীয়া বিহপুৰীয়া বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত সমুদায় বিল পৰিশোধ কৰিবৰ বাবে কাৰ্যালয়লৈ গৈ কাইলৈ সমুদায় বিল পৰিশোধ কৰিব বুলি জনাই আহিছিল। আজি সন্ধিয়া প্ৰায় ছয় বজাত চুলতানে নিজে ঘৰৰ কাষতে থকা বিদ্যুতৰ খুঁটাত উঠি ওলমি থকা তাঁৰত বিদ্যুৎ সংযোগ কৰিছিল। সেই মুহূৰ্ততে বিদ্যুতৰ তাঁৰত লাগি ধৰে চুলতান। ক্ষন্তেক সময়ৰ পাছতে চুলতান খুঁটাৰ পৰা তলত থকা পানীত সৰি পৰে। ওচৰ-চুবুৰীয়াই ঘটনাটো প্ৰত্যক্ষ কৰি চুলতানক ততাতৈয়াকৈ বিহপুৰীয়াৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে চুলতানক মৃত বুলি ঘোষণা কৰে। ইতিমধ্যে বিহপুৰীয়া আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

## জকাই দুই নম্বৰ ভূৰ ভূৰীৰ

*তিনি পৃষ্ঠাৰ পৰা* ১১-৪০ বজাত নিজ বাসভৱনত মৃত্যু ঘটে। যোৰহাট জিলাৰ টীয়ক দুনৈমুখত জন্মগ্ৰহণ কৰা গোলাপী কলিতাই যোৰহাটৰ নিমাতি ককিলামুখলৈ বিবাহ হয়। পৰৱৰ্তী সময়ত ডিব্ৰুগড় জিলাৰ পশ্চিম ৰাজহ চক্ৰৰ জকাই দুই নম্বৰ ভূৰ ভূৰীৰ স্বামীৰ স'তে স্থানান্ত হৈ বসবাস কৰি জীৱন আৰু জীৱিকাৰ প্ৰয়াসত গোলাপী কলিতাই ৭০ দশকৰ পৰা মানৱ সভ্যতাৰ প্ৰাচীনতম বৈদিক যুগৰ মৃৎশিল্প চৰ্চাৰে ব্ৰতীৰে জীৱন আৰু জীৱিকা অৰ্জন কৰিছিল। বহু কষ্টৰে মৃৎশিল্প বা কুমাৰ মাটিৰ শিল্প চৰ্চাৰে মাটিৰ বাচন-বৰ্তন কলহ-টেকেলি- চাকি, মলাচৰু আদি আটকধুনীয়াকৈ নিজৰ হাতৰ পৰশত প্ৰাণৱন্ত কৰি শৈল্পিক নৈপুণ্যতাৰে গোলাপী কলিতাই এক অন্যতম পৰিচয় দিবলৈ সক্ষম হৈছিল। জকাই অঞ্চলৰ ভিতৰতে মৃৎশিল্পীৰূপে পৰিচিত গোলাপী কলিতাই একশৰণ বৈষ্ণৱ ধৰ্মৰ আধাৰত ধৰ্মীয় উৎকৰ্ষ সাধন কৰিছিল জকাই শৰাইঘাট নামঘৰৰ নামলগোৱা গোপিনীৰূপে সেৱা আগবঢ়াইছিল। আনহাতে, পুৰণি বিয়ানামৰ শিল্পীৰূপে গোলাপী কলিতা এক অন্যতম পৰিচয়ৰে সমাদৃত। মৃত্যুৰ সময়ত পুত্ৰ- বোৱাৰী, নাতি-নীতিকে ধৰি আত্মীয়-স্বজনক এৰি যায়। মৃৎশিল্পৰ চৰ্চাৰে প্ৰচাৰ বিমুখ মৃৎশিল্পী গোলাপী কলিতাৰ মৃত্যুত জকাই শৰাইঘাট নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মোহোৰাম কলিতা জকাই দুই নম্বৰ ভূৰ ভূৰী নামঘৰ পৰিচালনা সমিতি আদিয়ে শোক প্ৰকাশ কৰিছে।

## নেতৃত্বৰ বিৰুদ্ধে ব্যৰ্থতাৰ

*তিনি পৃষ্ঠাৰ পৰা* ত্যাগক দলে সহজভাৱে গ্ৰহণ নকৰি বসুমতাৰীয়ে এই পত্ৰ উঠাই ল'ব বুলি সভাপতি গগৈয়ে মন্তব্য কৰিছে। ক্ষন্তেকীয়া ক্ষোভৰ বাবেই বসুমতাৰীয়ে এই সিদ্ধান্ত লৈছে বুলি সভাপতি গগৈয়ে সদৰী কৰি কয় যে যিসমূহ বিষয় আছে দলৰ মাজত আলোচনা কৰি মীমাংসা কৰিব পৰা যাব।

ইফালে, পদত্যাগ পত্ৰত বসুমতাৰীয়ে ৰাজনীতিত 'শত্ৰুৰে বন্ধু, বন্ধুৰে শত্ৰু বা শত্ৰু শত্ৰু=বন্ধু' ফৰ্মূলা উল্লেখ কৰি কয়, 'অজাপই চাৰিওফালে সৰ্বস্তৰত কিমান ব্যক্তি বিশেষৰ পৰা ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনলৈকে কিমান শত্ৰু গণ্য কৰি লৈছে তাৰ হিচাপ অসংখ্য। এনে কাৰ্যই তৃণমূল কৰ্মীৰ লগতে ৰাইজৰ মাজত নেতিবাচক প্ৰভাৱ পেলাইছে। মই ভাবো শত্ৰুৰ সমানে প্ৰকৃত বন্ধুও থাকিব লাগে;কিন্তু অজাপক এতিয়া একাংশ ছদ্মবেশী বন্ধুৱে ছানি ধৰিছে যিসকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ হকে ব্যক্তিকেন্দ্ৰিক চিন্তা-চৰ্চাৰে দলটোক পৰিচালিত কৰিব খোজে। ফলত দলৰ নেতৃত্বৰ মাজত সীমাহীন শত্ৰুতাৰ সূত্ৰপাত ঘটিছে।' তেওঁ পত্ৰখনত উল্লেখ কৰিছে যে যি উদ্দেশ্যৰে অজাপৰ জন্ম হৈছিল, বৰ্তমান সময়ত দলটোৰ দৃষ্টিভংগী অস্পষ্ট। লগতে ৰাজনৈতিক পৰিপক্কতা আৰু দূৰদৰ্শিতাৰ অভাৱে দলটোক শক্তিশালী ৰূপত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাধা হৈ পৰিছে। এনে ক্ষেত্ৰত দলটোৰ নেতৃত্বৰ কোনোধৰণৰ ৰণনীতি আৰু কৰ্মসূচী নাই বুলি বসুমতাৰীয়ে কয়। হকে-বিহকে প্ৰতিযোগিতামূলক চিন্তাৰে অপ্ৰয়োজনীয় আৰু অপ্ৰাসংগিক কাম-কাজত পৰীক্ষামূলক কাৰ্যৰে বেছিকৈ সময় অপচয় কৰাটো কিমান গ্ৰহণযোগ্য বুলি বসুমতাৰীয়ে প্ৰশ্ন উত্থাপন কৰি কয়, 'নেতৃত্বৰ মাজত সৃষ্টি হোৱা সন্দেহ আৰু অবিশ্বাসে দলটোৰ সাংগঠনিক ভেটি দুৰ্বল কৰি আহিছে। লগতে দলৰ মজিয়াত চলি থকা নেতিবাচক চিন্তাধাৰাই কৰ্মীসকলৰ মনত আঘাত দিছে। দলৰ শীৰ্ষতম পৰ্যায়ত বিভিন্ন দায়িত্ব অৰ্পণ কৰিছিল যদিও মোক অন্ধকাৰত ৰাখি বহু গুৰুত্বপূৰ্ণ সিদ্ধান্ত আগতীয়াকৈ লোৱা হৈছিল, যিবোৰ সিদ্ধান্তত মই একমত হোৱা নাছিলো।' উল্লেখ্য যে দলৰ এই বিষয়বোৰ সময়ে সময়ে উত্থাপন কৰি অহা হৈছিল যদি অবহেলিত কৰি ৰখাৰ ফলত বসুমতাৰীয়ে অন্তৰ্দ্বন্দ্বত ভুগি আছিল বুলি সদৰী কৰি যাৰ পৰিপ্ৰেক্ষিতত আজি অজাপৰ পৰা পদত্যাগ কৰা বুলি কয়।

## নিমন্ত্ৰণী পত্ৰত ইংৰাজী আৰু বড়ো ভাষা ব্যৱহাৰ কৰাৰ বিপৰীতে অসমীয়া ভাষাৰ প্ৰয়োগ নকৰাত প্ৰতিক্ৰিয়া

# চিৰাঙৰ বিজনীত নৱনিৰ্মিত বিজনী মহকুমা পুথিভঁৰাল উদ্বোধন

**অগ্ৰদূত ব্যুৰ'**
**ৰঙাইগাঁও, ২৭ মে' ঃ** চিৰাং জিলাৰ বিজনী চহৰত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা বিজনী মহকুমা পুথিভঁৰালটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিটিচিৰ লোক নিৰ্মাণ, তথ্য আৰু জনসংযোগ আৰু পুথিভঁৰাল সেৱাৰ কাৰ্যবাহী সদস্য ড° নিলয় স্বৰ্গীয়াৰীয়ে। বিজনী চহৰৰ বিজনী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত স্থাপন কৰা মহকুমা পুথিভঁৰালটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ড° নিলয় স্বৰ্গীয়াৰীয়ে সভাত ব্যক্ত কৰে যে বিটিচি প্ৰশাসনে বিটিচিত গুণগত শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ পদক্ষেপ হিচাপে পুথিভঁৰাল স্থাপনৰ জৰিয়তে এই যাত্ৰাৰ বাবে আগুৱাইছে। বিটিচি প্ৰশাসনে জিলা পুথিভঁৰাল, মহকুমা পুথিভঁৰাল, মডেল পুথিভঁৰাল, গ্ৰাম্য পুথিভঁৰাল নিৰ্মাণৰ বাবে আঁচনি গ্ৰহণ কৰি আগন্তুক তিনি বছৰৰ ভিতৰত পুথিভঁৰাল নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে। তেওঁ প্ৰকাশ কৰা মতে, শিক্ষাৰ্থীৰ বাবে অধ্যয়ন কৰাৰ ব্যৱস্থাৰ লগতে তেওঁলোক পুথিভঁৰালৰ পৰা প্ৰয়োজনীয় কিতাপ পত্ৰ পঢ়িবলৈ নিব পাৰিব। মহকুমা পুথিভঁৰালটোত কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ ৱাইফাইৰ ব্যৱস্থা থাকিব। তেওঁ বিজনীবাসী ৰাইজক পুথিভঁৰালৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিজনী মহকুমা পুথিভঁৰাল মুকলি অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয়, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, বিজনী পৌৰসভাৰ সভাপতি গুণেশ্বৰ গয়াৰী, চিৰাং জিলা বিজেপিৰ সভাপতি ৰিণ্টু কুমাৰ দাস, সুবাইঝাৰ সমষ্টিৰ এমচিএলএ প্ৰভাত বসুমতাৰীসহ অন্যান্য অতিথিবৃন্দ।

ইপিনে, চিৰাং জিলাৰ বিজনী চহৰৰ বিজনী মহকুমা পুথিভঁৰালটো উদ্বোধন সন্দৰ্ভত বিজনী আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছ। পুথিভঁৰাল উদ্বোধনী অনুষ্ঠানৰ নিমন্ত্ৰণী পত্ৰত ইংৰাজী আৰু বড়ো ভাষা ব্যৱহাৰ কৰাৰ বিপৰীতে অসমীয়া ভাষাৰ প্ৰয়োগ নকৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আছুৱে। বিজনী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুদীপ ছন্দই নিমন্ত্ৰণী পত্ৰখনত অসমীয়া ভাষা ব্যৱহাৰ নকৰি বিটিচি প্ৰশাসনে অসমীয়া ভাষাটোক সম্পূৰ্ণৰূপত এলাগী কৰাৰ অভিযোগ উত্থাপন কৰে।

# বিনামূলীয়া পাঠ্যপুথি উদ্ধাৰৰ ঘটনাক লৈ ডেম্পৰ স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**বকো, ২৭ মে' ঃ** বকোৰ ছমৰীয়াত এটা ডেম্পত বিনামূলীয়া চৰকাৰী পাঠ্যপুথি দমে দমে উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা ২৫ মে'ৰ নিশা ছমৰীয়া ৰাইজে অসম চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি কঢ়িওৱা দুখন কণ্টেইনাৰ বাহন জব্দ কৰে। আজি পুনৰ বিনামূলীয়া পাঠ্যপুথিসমূহ নিৰীক্ষণৰ বাবে ছমৰীয়াত উপস্থিত হয় অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ পৰিচালন সঞ্চালক ছাহনাৱাজ চৌধুৰী। পৰিচালন সঞ্চালকজনে ইতিমধ্যে শিক্ষা বৰ্ষত ছপা কৰা পাঠ্যপুথিসমূহ বিদ্যালয়সমূহত বিতৰণ কৰা হৈছে বুলি সদৰী কৰি কণ্টেইনাৰত জব্দ কৰা বিনামূৰীয়া পাঠ্যপুথিসমূহ ব্যৱহাৰ নকৰা চলিত পাঠ্যক্ৰমৰ বুলি সংবাদ মাধ্যমৰ আগত অৱগত কৰে। একেদৰে নিশা ছমৰীয়াত উপস্থিত হয় পাঠ্যপুথি নিগমৰ বাণিজ্যিক প্ৰবন্ধক ৰমেশ শৰ্মাই। বিষয়াজনে সদৰী কৰা মতে, কণ্টেইনাৰ দুখনত কিছু সংখ্যক ব্যৱহৃত পাঠ্যপুথিও আছে। ঘটনা সন্দৰ্ভত আৰক্ষী আৰু বিভাগীয়ভাৱে তদন্ত কৰা হ'ব বুলি তেওঁ সদৰী কৰে। আনহাতে, বকো আৰক্ষী ডেম্পটোৰ স্বত্বাধিকাৰী ছয়গাঁৱৰ কালাতলী চৌধুৰীপামৰ নুৰুল ইছলামক গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। ৰাইজৰ অভিযোগ মতে, দীৰ্ঘদিন ধৰি ডেম্পটোত অবৈধ কাৰ্য চলি আহিছে। আনকি নুৰুল ইছলামে চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি ছিণ্ডিকেট চলাই অহাৰ অভিযোগ কৰে। ইফালে, ঘটনাৰ সন্দৰ্ভত ৰংমন সাংস্কৃতিক গোষ্ঠীৰ হৈ ছমৰীয়া পহৰা চকীত এজাহাৰ দাখিল কৰিছে।

# দুই নম্বৰ গেদাৰবৰী নামঘৰৰ পুনৰ নিৰ্মাণ আৰু গুৰু আসন প্ৰতিষ্ঠাৰ অনুষ্ঠান আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৭ মে' ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ দুই নম্বৰ গেদাৰবৰীৰ ঐতিহ্যমণ্ডিত নামঘৰৰ পুনৰ নিৰ্মাণ আৰু গুৰু আসন প্ৰতিষ্ঠাৰ অনুষ্ঠান ভাগ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত হৰি নামৰ ধ্বনিৰে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। এই অনুষ্ঠান উপলক্ষে আজি পুৱাৰ ভাগত পুৱা প্ৰসংগৰ পাছতে ন বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ শৰণাচাৰ্য উমা হাজৰিকাৰ দ্বাৰা গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। তাৰ পাছতে ১০-৩০ বজাত প্ৰবীণ শিক্ষাবিদ তথা কবি ৰাণা প্ৰকাশ বৰাৰ দ্বাৰা পাঠ প্ৰসংগ আৰু কুৰুৱাবাহীৰ গায়ন-বায়নসকলৰ দ্বাৰা খোল প্ৰসংগ, ৰৰবজাত কুজাৰবৰি অমূল্য বৰুৱাৰ পৰিচালনাত নাম-প্ৰসংগ হয়। সেই অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি জ্যোতিপ্ৰসাদ ভূঞায়ো ভাগ লয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু গন্ধ বাদনৰ পাছতে ৮-১৫ বজাত অবিৰত ভাগৱত পাঠ আৰম্ভ হয়। আনহাতে, দুই নম্বৰ গেদাৰবৰী নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক মিহিৰাম ভূঞাই জানিবলৈ দিয়ামতে কাইলৈ পুৱা ১০-৩০ বজাত অবিৰত ভাগৱত পাঠৰ সামৰণি, ১১ বজাত নাম-প্ৰসংগ আৰু নিশা ৯-৩০ বজাত শেতালিৰ তেজাৰাম শইকীয়াৰ পৰিচালনাত অংকীয়া নাট 'ৰাম বিজয়' পৰিবেশন কৰা হ'ব।

## উপায়ুক্তক অভিযোগ ঃ বিভাগীয় মন্ত্ৰীলৈয়ো প্ৰতিলিপি প্ৰেৰণ

# ৰঙাপৰা উন্নয়ন খণ্ডত দুৰ্নীতি

**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৭ মে' ঃ** শোণিতপুৰৰ ৰঙাপৰা উন্নয়ন খণ্ডত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপনৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ দাবীৰে স্থানীয় একাংশ লোকে শোণিতপুৰৰ উপায়ুক্তৰ ওচৰত এক পত্ৰ দাখিল কৰাৰ লগতে ইয়াৰ প্ৰতিলিপি ৰাজ্য চৰকাৰৰ বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসলৈয়ো প্ৰেৰণ কৰিছে। উল্লেখ্য যে ৰঙাপৰা উন্নয়ন খণ্ডৰে বিভিন্নভাৱে জড়িত ২০ জন লোকৰ দ্বাৰা স্বাক্ষৰিত অভিযোগ পত্ৰখনত এই অনিয়মৰে ভেণ্ডৰৰ সহায়ত ৰঙাপৰাৰ খণ্ড উন্নয়ন বিষয়াজন জড়িত বুলিও প্ৰকাশ কৰা হৈছে। অভিযোগ পত্ৰত প্ৰকাশ অনুসৰি, ৰঙাপৰা খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মাই নিৰ্বাচিত জনপ্ৰতিনিধি, কামৰ যোগান ধৰোতাসকলক একাষৰীয়া কৰি ভেণ্ডৰ সুভাষ তাঁতী আৰু দুই-এজন ভেণ্ডৰৰে মিলি কাম-কাজ চলাই গৈছে। পূৰ্বৰ খণ্ড উন্নয়ন বিষয়াজনে ২০২১ত দুৰ্গা পূজাৰ পূৰ্বে এমজি এনৰেগাৰ সামগ্ৰী বিলৰ প্ৰায় এক কোটি টকা মোকলাই দিছিল বুলি অভিযোগ কৰি উপায়ুক্তক দাখিল কৰা অভিযোগত লগতে কোৱা হয় যে এই ধন স্বজন-তোষণৰ মাজৰে যোগান ধৰোতাসকলক আদায় দিয়া হয়। তদুপৰি এই ধনৰ বিপৰীতে সম্পন্ন হোৱা কামৰ মান উন্নত নহয় বুলি অভিযোগ কৰি পত্ৰখনত উল্লেখ কৰা অনুসৰি খণ্ড উন্নয়ন বিষয়াজনে নিৰ্বাচিত জনপ্ৰতিনিধি তথা সামগ্ৰী যোগান ধৰোতাসকলক গুৰুত্ব নিদি তাঁতীসহ দুজনমান ভেণ্ডৰৰ সহায়তে কাম-কাজ চলাই নিয়াত সম্প্ৰতি ৰঙাপৰা উন্নয়ন খণ্ডত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলিও প্ৰকাশ কৰি কোৱা হৈছে যে ইয়াৰ ফলত সাধাৰণ ৰাইজ বঞ্চিত হ'বলগীয়া হৈছে। এই সমগ্ৰ ঘটনা সন্দৰ্ভত উপায়ুক্তৰ হস্তক্ষেপ দাবী কৰাৰ লগতে বিহিত ব্যৱস্থা গ্ৰহণৰো আহ্বান জনাইছে অভিযোগকাৰীসকলে। আজি তেজপুৰত একাংশ অভিযোগকাৰীয়ে কয় যে শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ত এই অভিযোগপত্ৰ যোৱা ২০ মে'ত দাখিল কৰা হয় যদিও আজি পৰ্যন্ত এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।

দৈনিক অগ্ৰদূত

দেশ-দেশান্তৰ

গুৱাহাটী, ২৮ মে', ২০২২ শনিবাৰ, পৃষ্ঠা ৭

## আমেৰিকাত 'মংকী পক্স'ৰ সংক্ৰমণ বৃদ্ধি, সাত ৰাজ্যত নতুনকৈ নজন আক্ৰান্ত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ মে' ঃ** বিশ্বৰ ২০ খনৰো অধিক দেশত শেহতীয়াভাৱে 'মংকী পক্স'ৰ সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিছে। আমেৰিকাতো এই ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। ইউ এছ চেণ্টাৰ ফৰ ডিজিজ কণ্ট্ৰ'ল এণ্ড প্ৰিভেনচন বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি শেহতীয়াভাৱে আমেৰিকাৰ সাতখন ৰাজ্যত নতুনকৈ নজন 'মংকী পক্স' আক্ৰান্তক চিনাক্ত কৰা হৈছে। কেলিফৰ্ণিয়া, ফ্ল'ৰিডা, মেচাছুচেটছ, নিউ য়ৰ্ক, উটা, ভাৰ্জিনিয়া আৰু ৱাশ্বিংটনত এতিয়ালৈকে নজন লোক 'মংকী পক্স'ত আক্ৰান্ত হৈছে।

## মাদক গোচৰত আৰিয়ান খানক অভিযোগমুক্ত ঘোষণা এন চি বিৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৭ মে' ঃ** বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত অভিযোগমুক্ত ঘোষণা কৰিলে নাৰ্কটিক্স কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)ই। এন চি বিয়ে আজি এই কথা জনোৱা অনুসৰি শ্বাহৰুখ পুত্ৰৰ বিৰুদ্ধে উক্ত গোচৰত কোনো তথ্য প্ৰমাণ লাভ কৰা নহ'ল। আৰিয়ানৰ স'তে মাদক গোচৰত অভিযুক্ত আন পাঁচজনকো এন চি বিয়ে ক্লীনশ্বিট দিলে। স্মৰ্তব্য যে যোৱা বছৰৰ অক্টোবৰত মুম্বাইৰ এখন প্ৰমোদতৰীত এন চি বিয়ে অভিযান চলোৱাৰ সময়ত আৰিয়ানক নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত তদন্তকাৰী সংস্থাটোৱে গ্ৰেপ্তাৰ কৰিছিল। ২৬ দিন কাৰাগাৰত থকাৰ পাছত শ্বাহৰুখ পুত্ৰই জামিনত মুক্তি লাভ কৰিছিল। অৱশেষত আৰিয়ানক এই গোচৰত অভিযোগমুক্ত ঘোষণা কৰিলে এন চি বিয়ে।

## পপ তাৰকা শ্বাকিৰাৰ বিৰুদ্ধে গোচৰ তৰিবলৈ নিৰ্দেশ আদালতৰ

**নিউজ ব্যুৰ', মাদ্ৰিদ, ২৭ মে' ঃ** এইবাৰ আদালতত বিচাৰ কৰা হ'ব কলম্বিয়ান জনপ্ৰিয় পপ তাৰকা শ্বাকিৰাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ। অনেক চেষ্টাৰ পাছতো নিজৰ বিৰুদ্ধে উত্থাপিত কৰ প্ৰতাৰণা বিষয়ক অভিযোগৰ পৰা সকাহ লাভ নকৰিলে শ্বাকিৰাই। কালি স্পেইনৰ এখন আদালতে নিৰ্দেশ দি কয় যে গায়িকাগৰাকীৰ বিৰুদ্ধে উত্থাপিত গোচৰৰ বিচাৰ অব্যাহত আছে। আদালতত প্ৰকাশ কৰা অনুসৰি শ্বাকিৰাৰ বিৰুদ্ধে কৰ প্ৰবঞ্চনাৰ গোচৰত যথেষ্ট প্ৰমাণ মজুত আছে। উল্লেখ্য যে পপ তাৰকাগৰাকীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা ব্যক্তিয়ে দাবী কৰা অনুসৰি ২০১২ৰ পৰা ২০১৪ৰ সময়ছোৱাত শ্বাকিৰাই প্ৰায় ১৫.৫৪ নিযুত মাৰ্কিন ডলাৰৰ কৰ ফাকি দিছিল। অভিযোগকাৰীয়ে লগতে দাবী কৰা অনুসৰি শ্বাকিৰাই সেই সময়ত স্পেইনৰ কাতাল'নিয়ান অঞ্চলত বাস কৰিছিল। অৱশ্যে শ্বাকিৰাৰ অধিবক্তাই দাবী কৰা অনুসৰি ২০১৫ বৰ্ষৰ পূৰ্বে শ্বাকিৰাই স্পেইনত বাস কৰা নাছিল। কালি স্পেইনৰ এখন আদালতে নিৰ্দেশ দি কয় যে পপ তাৰকাগৰাকীৰ বিৰুদ্ধে উত্থাপিত কৰ ফাকিৰ গোচৰৰ বিচাৰ সম্পূৰ্ণ কৰা হ'ব। উল্লেখ্য যে বৰ্তমানে পৰিয়ালসহ শ্বাকিৰাই বাৰ্চিলোনাত বাস কৰে।



## এইবাৰ বাংলা অভিনেত্ৰী মডেল মঞ্জুষাৰ মৃতদেহ উদ্ধাৰ



**নিউজ ব্যুৰ', কলকাতা, ২৭ মে' ঃ** এদিন পূৰ্বে বাংলা অভিনেত্ৰী-মডেল বিদিশা দে মজুমদাৰে আত্মহত্যা কৰিছিল। এই ঘটনাৰ এদিন পাছত আত্মহনন কৰিলে বিদিশাৰ বান্ধৱী তথা অভিনেত্ৰী-মডেল মঞ্জুষা নিয়োগীয়ে। আজি পুৱা পাটুলিৰ নিজ বাসগৃহত অভিনেত্ৰীগৰাকীৰ চিপ ... কৰে। বিদিশা আৰু মঞ্জুষা ঘনিষ্ঠ বন্ধু আছিল বুলি অভিনেত্ৰীগৰাকীৰ পৰিয়ালে জানিবলৈ দিয়ে।

**ৰাজ্যৰ অধিকাৰত পুনৰ কেন্দ্ৰৰ হস্তক্ষেপৰ অভিযোগ ঃ বৰ্তমানলৈকে ১৮ খন ৰাজ্যই এই বিষয়ত সঁহাৰি জনোৱা নাই**

# মোদী চৰকাৰৰ নতুন পৰিকল্পনা 'এক দেশ এক আৰক্ষী' ব্যৱস্থা

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৭ মে' ঃ** 'এক ৰাষ্ট্ৰ, এখন ৰেচন কাৰ্ড', 'এক দেশ, এক নিৰ্বাচন'ৰ পাছত কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰৰ নতুন এক পৰিকল্পনা হৈছে 'এক দেশ এক আৰক্ষী' ব্যৱস্থা দেশত প্ৰৱৰ্তন কৰা। ইতিমধ্যে এই বিষয়ত কাম-কাজ আৰম্ভ কৰিছে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে। দেশৰ সকলো আৰক্ষীৰ বাবে এক নীতি প্ৰৱৰ্তন কৰিব বিচাৰি ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে ইতিমধ্যে সকলো ৰাজ্যৰ আৰক্ষী প্ৰধানলৈ পত্ৰ প্ৰেৰণ কৰিছে। আৰক্ষীৰ বাবে দেশজুৰি কেন্দ্ৰৰ চৰকাৰে একেই ইউনিফৰ্ম, টুপি, এমব্লেম, এখন পতাকাৰ ব্যৱস্থা কৰিব বিচাৰিছে। যোৱা দুই মে'ত ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে এইদৰে দেশৰ প্ৰতিখন ৰাজ্যৰ আৰক্ষী বিভাগলৈ পত্ৰ প্ৰেৰণ কৰি ৰাজ্যৰ আৰক্ষী বিভাগে কেনে ধৰণৰ ইউনিফৰ্ম ব্যৱহাৰ কৰে, তেওঁলোকৰ প্ৰতীক কি, পতাকা কেনে ইত্যাদি তথ্য বিচাৰিছে। একাংশ ৰাজ্যই ইতিমধ্যে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ উক্ত পত্ৰৰ প্ৰতি সঁহাৰি জনাই যাৱতীয় তথ্য প্ৰেৰণ আৰম্ভ কৰিছে যদিও বৰ্তমানলৈকে ১৮ খন ৰাজ্যই এই বিষয়ত সঁহাৰি জনোৱা নাই। অবিজেপি শাসিত ৰাজ্য পশ্চিমবংগ, পঞ্জাৱ, মহাৰাষ্ট্ৰ, তামিলনাডু, অন্ধ্ৰপ্ৰদেশৰ লগতে বিজেপি শাসিত গুজৰাট, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, অসম আৰু গোৱাৰ দৰে ৰাজ্যও বৰ্তমানলৈকে বিষয়টোৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা নাই। অবিজেপি শাসিত ৰাজ্যসমূহৰ অভিযোগ অনুসৰি সংবিধানৰ নীতি অনুসৰি আৰক্ষী আৰু আইন শৃংখলা ৰাজ্যৰ নিয়ন্ত্ৰণাধীন এক বিষয়। এই বিষয়ত কেন্দ্ৰৰ হস্তক্ষেপৰ অৰ্থ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক আঘাত হনা আৰু সংবিধানক উপেক্ষা কৰা। যিসমূহ ৰাজ্যই আৰক্ষী বিষয়ক প্ৰয়োজনীয় তথ্যপাতি এতিয়াও কেন্দ্ৰলৈ প্ৰেৰণ কৰা নাই সেইসমূহ



ৰাজ্যক ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে পুনৰ পত্ৰ প্ৰেৰণৰে তথ্য বিচাৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, কেন্দ্ৰৰ চৰকাৰে 'এক দেশ এক আৰক্ষী' নীতিৰ অচিলাৰে ৰাজ্যৰ নিয়ন্ত্ৰণাধীন আইন-শৃংখলাৰ বিষয়টোত হস্তক্ষেপ কৰিব বিচাৰিছে। অবিজেপি শাসিত ৰাজ্যৰ লগতে বিজেপি শাসিত একাংশ ৰাজ্যয়ো এইদৰে ৰাজ্যৰ নিয়ন্ত্ৰণাধীন আৰক্ষী আৰু আইন শৃংখলা বিষয়ত কেন্দ্ৰৰ চৰকাৰে হস্তক্ষেপ কৰাটো বিচৰা নাই। গৃহ মন্ত্ৰণালয়ৰ অধীনস্থ নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ'য়ে বিভিন্ন ৰাজ্যৰ পৰা আইন-শৃংখলা বিষয়ক তথ্যপাতি আহৰণ কৰাৰ বাহিৰে ৰাজ্যৰ আৰক্ষীৰ ক্ষেত্ৰত কেন্দ্ৰৰ তেনে কোনো ভূমিকা নাথাকে। কিন্তু 'এক দেশ এক আৰক্ষী' ব্যৱস্থা কাৰ্যকৰী হ'লে ৰাজ্যৰ এই অধিকাৰ খৰ্ব হ'ব বুলি অধিকাংশ ৰাজ্যই শংকা প্ৰকাশ কৰিছে। গৃহ মন্ত্ৰণালয়ৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি সমগ্ৰ দেশৰ আৰক্ষী ব্যৱস্থাৰ সংস্কাৰ সাধনক লৈ ২০০৬ত ২২ ছেপ্টেম্বৰত উচ্চতম ন্যায়ালয়ে এক ৰায় দিছিল। এই নিৰ্দেশনাৰ ভিত্তিত তদানীন্তন এটৰ্নি জেনেৰেল ছ'লি ছৰাবজিৰ নেতৃত্বত মডেল আৰক্ষী আইন ২০০৬ প্ৰস্তুত কৰা হৈছিল। কিন্তু বিভিন্ন ৰাজ্যৰ আপত্তিত উক্ত আইন ৰূপায়ণ কৰা নহ'ল। সূত্ৰৰ খবৰ অনুসৰি উক্ত আইনৰ ভিত্তিতে নৰেন্দ্ৰ মোদীৰ চৰকাৰে এতিয়া দেশত 'এক দেশ এক আৰক্ষী বাহিনী' নীতি কাৰ্যকৰী কৰিব বিচাৰিছে।



## জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীৰ অভিযানত চাৰি লস্কৰ সন্ত্ৰাসবাদী নিহত

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২৭ মে' ঃ** নিৰাপত্তা বাহিনীৰ গুলিত ধৰাশায়ী হ'ল কাশ্মীৰৰ চাৰিজন সন্ত্ৰাসবাদী। আজি সেনাৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি যোৱা নিশা জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ আৰু পুলৱামাত সন্ত্ৰাসবাদীৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে অভিযান চলাই চাৰিজন লস্কৰ ই তৈবাৰ সন্ত্ৰাসবাদীক হত্যা কৰে। প্ৰথমটো অভিযান শ্ৰীনগৰত আৰু দ্বিতীয়টো অভিযান পুলৱামাত চলোৱা হৈছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি মৃত সন্ত্ৰাসবাদীৰ এজন কাশ্মীৰৰ টিভি অভিনেত্ৰী আমৰিন ভাটৰ হত্যাকাণ্ডত জড়িত আছিল। তিনি দিনত কাশ্মীৰত ১০ জন সন্ত্ৰাসবাদী সেনাৰ অভিযানত নিহত হ'ল।

## ইণ্ডিয়া গেটৰ পৰা ছহিদ সেনাৰ প্ৰতীক স্থানান্তৰিত এন ডব্লিউ এমলৈ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ মে' ঃ** অৱশেষত স্থানান্তৰিত হ'ল ছহিদ সেনাৰ প্ৰতীক। আজি দিল্লীৰ ইণ্ডিয়া গেটৰ পৰা নেচনেল ৱাৰ মেম'ৰিয়েল (এন ডব্লিউ এম)লৈ স্থানান্তৰিত কৰা হ'ল ঐতিহাসিক সেনাৰ বন্দুক আৰু হেলমেটৰ প্ৰতীক। বহু দশক ধৰি এই প্ৰতীকে ইণ্ডিয়া গেটৰ শোভাবৰ্ধন কৰিছিল। পূৰ্বে প্ৰতি বছৰে গণৰাজ্য দিৱসৰ পেৰেডৰ পূৰ্বে দেশৰ প্ৰধানমন্ত্ৰীয়ে ইণ্ডিয়া গেটলৈ ছহিদ সেনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল। এইবাৰ ইণ্ডিয়া গেটৰ পৰা আঁতৰ কৰা হ'ল ছহিদ সেনাৰ এই প্ৰতীক। স্মৰ্তব্য যে ১৯৭১ বৰ্ষত ভাৰত-পাকিস্তান যুদ্ধত দেশৰ হৈ প্ৰাণ বিসৰ্জন দিয়া সেনা জোৱানৰ স্মৃতিত ইণ্ডিয়া গেটত উক্ত ছহিদ সেনাৰ প্ৰতীক স্থাপন কৰা হৈছিল। এই প্ৰতীক এতিয়াৰে পৰা ৰাষ্ট্ৰীয় যুদ্ধ সংগ্ৰহালয়ত ৰখা হ'ব। আজি সেনা বাহিনীয়ে বিশেষ সন্মান সমাৰোহৰ জৰিয়তে এই প্ৰতীক ইণ্ডিয়া গেটৰ পৰা স্থানান্তৰিত কৰে।




## তামিলক ন্যায়ালয়-কাৰ্যালয়ত চৰকাৰী ভাষাৰ স্বীকৃতি দিয়ক, মোদীক দাবী ষ্টেলিনৰ

**নিউজ ব্যুৰ', চেন্নাই, ২৭ মে' ঃ** তামিল ভাষাক প্ৰশাসনিক ভাষা হিচাপে স্বীকৃতি দানৰ বাবে দীৰ্ঘদিন ধৰি এক দাবী উত্থাপিত হৈ আহিছে। কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এৰ শাসনকালত তামিলক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছিল। এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাষত থিয় হৈ একে দাবী উত্থাপন কৰে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে। হিন্দীৰ দৰেই স্বীকৃতি প্ৰদান কৰা হওক তামিলক। চেন্নাইত এক আধাৰশিলা স্থাপনৰ অনুষ্ঠানত অংশ লোৱাৰ সময়ত ষ্টেলিনৰ উপস্থিতিত ভাষণ দি মোদীয়ে কয় যে তামিল ভাষা শাশ্বত আৰু তামিল সংস্কৃতি বিশ্বজনীন। আনহাতে, ষ্টেলিনে উচ্চ ন্যায়ালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ত তামিলক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বাবে প্ৰধানমন্ত্ৰীক দাবী জনায়।



## ইষ্ট টিমুৰ দ্বীপত শক্তিশালী ভূমিকম্প, ভাৰত মহাসাগৰত ছুনামি সতৰ্কতা জাৰি



**নিউজ ব্যুৰ', জাকাৰ্টা, ২৭ মে' ঃ** ছুনামি সতৰ্কতা জাৰি কৰা হ'ল সমগ্ৰ ভাৰত মহাসাগৰত। আজি পুৱাতে আমেৰিকাৰ জিঅ'লজিকেল ছাৰ্ভেয়ে ছুনামি সতৰ্কতা জাৰি কৰিলে। উল্লেখ্য যে ইণ্ডোনেছিয়াৰ ইষ্ট টিমুৰ দ্বীপৰ উপকূলত ৰিখটাৰ স্কেলত ৬.১ প্ৰাবল্যৰ ভূকম্পন অনুভূত হৈছিল। এই ভূমিকম্পৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাৰ জিঅ'লজিকেল ছাৰ্ভেয়ে ভাৰত মহাসাগৰ অঞ্চলত ছুনামি সতৰ্কতা জাৰি কৰে। স্মৰ্তব্য যে ২০০৪ বৰ্ষৰ ইণ্ডোনেছিয়াৰ সুমাত্ৰা দ্বীপত ৯.১ প্ৰাবল্যৰ ভূকম্পন অনুভূত হোৱাৰ পাছতে ভাৰত মহাসাগৰত ভয়াৱহ ছুনামিৰ সৃষ্টি হৈছিল আৰু এই ঘটনাত দুই লাখ ২০ হেজাৰৰো অধিক লোকৰ মৃত্যু হৈছিল। কেৱল ইণ্ডোনেছিয়াতে প্ৰাণ হেৰুৱাইছিল এক লাখ ৭০ হেজাৰ লোকে।

## দেশত দৈনিক সংক্ৰমণ বৃদ্ধি অব্যাহত, পুনৰ ১৪ জনৰ মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ মে' ঃ** ভাৰতত শেহতীয়াভাৱে ক'ভিডৰ সংক্ৰমণ পুনৰ উৰ্দ্ধমুখী হ'বলৈ ধৰিছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ২,৭১০ জন লোক। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে দৈনিক সংক্ৰমণ পুনৰ বৃদ্ধি পালে। বৰ্তমানে দেশত ১৫,৮১৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে দেশত পুনৰ ১৪ জন লোকৰ প্ৰাণ কাঢ়িলে। কালিৰ তুলনাত আজি অৱশ্যে ক'ভিডত মৃত্যুৰ সংখ্যা সামান্য হ্ৰাস পালে। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ২৪ হেজাৰ ৫৩৯ জন লোকৰ ক'ভিড মৃত্যু হ'ল।



## কোৱাড বৈঠকৰ পাছতে দক্ষিণ চীন সাগৰত পুনৰ শক্তি প্ৰদৰ্শন চীনৰ

**নিউজ ব্যুৰ', বেইজিং, ২৭ মে' ঃ** জাপানত সদ্যসমাপ্ত কোৱাড বৈঠকত চীন বিৰোধী স্থিতি প্ৰদৰ্শন কৰিছিল ভাৰতসহ অংশগ্ৰহণকাৰী দেশকেইখনে। ভাৰতৰ লগতে আমেৰিকা, জাপান আৰু অষ্ট্ৰেলিয়ায়ো চীনৰ আগ্ৰাসনক কোৱাড বৈঠকত কঠোৰভাৱে সমালোচনা কৰিছিল। বিশেষকৈ চীনে টাইৱানত আগ্ৰাসন চলালে ইয়াৰ প্ৰত্যুত্তৰ দিয়া হ'ব বুলি আমেৰিকাই ঘোষণা কৰিছিল। কোৱাড বৈঠকৰ সমাপ্তিৰ পাছতে দক্ষিণ চীন সাগৰত পুনৰ আগ্ৰাসী আচৰণ প্ৰদৰ্শন কৰিলে চীনৰ সেনা বাহিনীয়ে। অহা শনিবাৰৰ পৰা দক্ষিণ চীন সাগৰত নৌসেনাৰ অনুশীলন পুনৰ আৰম্ভ কৰিব চীনে। প্ৰকাশিত বাতৰি অনুসৰি দক্ষিণ চীনৰ হাইনান প্ৰদেশৰ উপকূলৰ পৰা ২৫ কিলোমিটাৰ নিলগত চীনৰ সেনা বাহিনীয়ে সামৰিক অনুশীলন চলাব। এই অনুশীলনৰ বাবে পাঁচ ঘণ্টাৰ বাবে ১০০ বৰ্গকিলোমিটাৰ জলৰাশিত নৌ চলাচল বন্ধ ৰখা হ'ব বুলিও বেইজিঙে এক বিবৃতিত উল্লেখ কৰিছে। উল্লেখ্য যে সমগ্ৰ দক্ষিণ চীন সাগৰ নিজৰ বুলি দাবী কৰি আহিছে চীনে। আমেৰিকা, ভাৰত, ছিংগাপুৰ, মালয়েছিয়া, ফিলিপাইনছ, জাপান আৰু ইণ্ডোনেছিয়াই চীনৰ এই দাবীৰ বিৰোধিতা কৰি আহিছে।



## আয়তকৈ অধিক সম্পত্তিৰ গোচৰত ওম প্ৰকাশক চাৰি বছৰৰ কাৰাদণ্ড

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ মে' ঃ** হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওম প্ৰকাশ চৌতালাক দিল্লীৰ এখন আদালতে চাৰি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। আদালতে চৌতালাক ৫০ লাখ টকাৰ জৰিমনাও আৰোপ কৰিছে। উল্লেখ্য যে আয়ৰ তুলনাত অধিক সম্পত্তি আহৰণৰ গোচৰত দিল্লীৰ আদালতে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনক দোষী সাব্যস্ত কৰি চাৰি বছৰৰ কাৰাদণ্ড বিহিলে। আদালতৰ ৰায়ৰ পাছত চৌতালাৰ পুত্ৰ অভয় চৌতালাই সংবাদ মাধ্যমৰ আগত কয় যে আদালতৰ সিদ্ধান্তত তেওঁলোক সন্তুষ্ট নহয়। এই গোচৰৰ ৰায় দি আজি আদালতে চৌতালাৰ চাৰিটা সম্পত্তি বাজেয়াপ্ত কৰাৰ কথাও ঘোষণা কৰে। চৌতালা পুত্ৰই প্ৰকাশ কৰা অনুসৰি আদালতৰ ৰায়ৰ বিৰুদ্ধে সোমবাৰে তেওঁলোকে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব। বিশেষ ন্যায়াধীশ বিকাশ ধুলে যোৱা ২১ মে'ত দুৰ্নীতি প্ৰতিৰোধ আইনৰ একাধিক ধাৰাত চৌতালাক আয়ৰ তুলনাত অধিক সম্পত্তি আহৰণৰ গোচৰত দোষী সাব্যস্ত কৰিছিল। আদালতে শুনানিৰ সময়ত চৌতালাই আয়ৰ তুলনাত এশ গুণ অধিক সম্পত্তি আহৰণ কৰাৰ তথ্য পেলাইছিল। ২০০৬তে চৌতালাৰ বিৰুদ্ধে অধিক সম্পত্তি আহৰণৰ অভিযোগত গোচৰ তৰা হৈছিল আৰু ১৬ বছৰৰ পাছত আদালতে তেওঁক দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিলে।



## গাড়ীত ৰঙা-নীলা লাইট নলগাব ঃ মন্ত্ৰীক কঠোৰ নিৰ্দেশ মুখ্যমন্ত্ৰী মমতাৰ



**নিউজ ব্যুৰ', কলকাতা, ২৭ মে' ঃ** নিজকে ভি ভি আই পি প্ৰমাণ কৰাৰ বাবে ৰাজপথত ৰঙা-নীলা লাইট লগাই গাড়ীৰে অহা-যোৱা কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ বাৰ্তা প্ৰেৰণ কৰিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। নিজৰ মন্ত্ৰীসকলক কঠোৰ নিৰ্দেশ দি মমতাই সকলোকে গাড়ীত ৰঙা-নীলা লাইট ব্যৱহাৰ নকৰিবলৈ সকীয়নি দিলে। নিৰাপত্তাৰ নামত আড়ম্বৰতা কোনোপধ্যে গ্ৰহণযোগ্য নহ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰি কয় যে মন্ত্ৰীৰ ৰাজপথত বিচৰণৰ ফলত যাতে সাধাৰণ নাগৰিকে হাৰাশাস্তিৰ সন্মুখীন হ'ব নালাগে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে আজি প্ৰকাশ কৰা অনুসৰি ২০১১ বৰ্ষৰ পৰা মমতাই নিজে যাতায়াতৰ ক্ষেত্ৰত এনে আড়ম্বৰতা পৰিহাৰ কৰি আহিছে। কলকাতা আৰক্ষীৰ পদক বিতৰণ অনুষ্ঠানত অংশ লৈ কালি মমতাই কয়, 'মই মন্ত্ৰীসকলক কৈছো যাতে তেওঁলোকে গাড়ীত ৰঙা-নীলা লাইট ব্যৱহাৰ নকৰে। আৰক্ষীৰো বহু লোকে যেতিয়া ৰাজপথেদি যায় তেতিয়া তীব্ৰ গতিত গাড়ী চলায়। ইয়াৰ ফলত কিন্তু বদনাম হয়। আনৰ গাড়ী আবদ্ধ কৰি ৰাখিলে কিয় আবদ্ধ কৰিছে বুলি মই মোৰ লগত থকা লোকসকলক সদায় প্ৰশ্ন কৰো। ৰাজপথ যিমানে সচল হৈ থাকিব, সিমানে ভাল।'

## যুদ্ধ সমাপ্তিৰ বাবে পুটিনৰে আলোচনা কৰিব বিচাৰে জেলেনস্কিয়ে



**নিউজ ব্যুৰ', কীভ, ২৭ মে' ঃ** যুদ্ধ সমাপ্ত কৰাৰ বাবে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ স'তে আলোচনাত অংশ ল'ব বিচাৰিলে। জেলেনস্কিয়ে আজি কয় যে তেওঁ ইতিমধ্যে একাধিকবাৰ ৰুছ ৰাষ্ট্ৰপতিৰ স'তে আলোচনাত মিলিত হ'বলৈ চেষ্টা চলাইছিল যদিও সফল হ'ব পৰা নাই। স্মৰ্তব্য যে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত পুটিনৰ নিৰ্দেশত ৰুছ সেনাই ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰিছিল আৰু বিগত তিনিমাহৰ যুদ্ধত ইউক্ৰেইন একপ্ৰকাৰ বিধ্বস্ত হৈছে। দেশখনৰ যথেষ্ট সংখ্যক নাগৰিকৰ এই যুদ্ধত মৃত্যু হোৱাৰ লগতে ইউক্ৰেইনৰ অৰ্থনীতিৰো ব্যাপক ক্ষতিসাধন হৈছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত জেলেনস্কিয়ে প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনে যুদ্ধৰ সমাপ্তি বিচাৰিছে আৰু এই ক্ষেত্ৰত ৰুছ ৰাষ্ট্ৰপতিৰ স'তে প্ৰত্যক্ষভাৱে আলোচনাত অংশ ল'ব বিচাৰে। কিন্তু ৰাছিয়াই শান্তিৰ বাবে কোনো সঁহাৰি দিয়া নাই বুলি অভিযোগ কৰিলে জেলেনস্কিয়ে।

## ৫,৩০০ কোটিটকীয়া সম্পত্তিৰে দেশৰ সবাতোকৈ ধনাঢ্য সাংসদ হ'ব পাৰ্থ সাৰথি

**নিউজ ব্যুৰ', হায়দৰাবাদ, ২৭ মে' ঃ** তেলেংগানাৰ শাসকীয় দল তেলেংগানা ৰাষ্ট্ৰ সমিতি (টি আৰ এছ)য়ে হেটৰ' গ্ৰুপৰ মুৰব্বী পাৰ্থ সাৰথি ৰেড্ডিক ৰাজ্যসভাৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। টি আৰ এছৰ প্ৰাৰ্থিত্ব লাভৰ পাছত ৰেড্ডি দেশৰ সবাতোকৈ ধনাঢ্য সাংসদ হোৱাৰ বাবে সাজু হৈছে। মনোনয়ন দাখিলৰ সময়ত ৰেড্ডিৰ সম্পত্তিৰ পৰিমাণ ৩,৯০৯ কোটি টকা বুলি শপতনামাত উল্লেখ কৰিছে। অৱশ্যে ৰেড্ডি পৰিয়ালৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৫,৩০০ কোটি টকা। ৰেড্ডিৰ অধিকাংশ সম্পত্তি হেটৰ' গ্ৰুপত শ্বেয়াৰ আৰু বিনিয়োগৰ ৰূপত আছে। ২০২১ বৰ্ষলৈকে ভাৰতৰ সবাতোকৈ ধনাঢ্য সাংসদ হিচাপে পৰিচিত হৈছিল বিহাৰৰ প্ৰয়াত মহেন্দ্ৰ প্ৰসাদ। পত্নী আৰু পৰিয়ালসহ প্ৰসাদৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ৪,০৭০ কোটি টকাৰ। জনতা দল (ইউ)ৰ ৰাজ্যসভাৰ সাংসদ প্ৰসাদৰ যোৱা বছৰত মৃত্যু হৈছিল। ৰেড্ডিৰ দৰে প্ৰসাদেও দৰৱৰ ব্যৱসায়ৰ জৰিয়তে বৃহৎ পৰিমাণৰ সম্পত্তি আহৰণ কৰিছিল। প্ৰসাদৰ মৃত্যুৰ পাছত ৱাই এছ আৰ কংগ্ৰেছৰ অন্ধ্ৰপ্ৰদেশৰ অল্লা অযোধ্যা ৰামি ৰেড্ডি ২,৫৭৭ কোটি টকাৰ সম্পত্তিৰে দেশৰ সবাতোকৈ ধনাঢ্য সাংসদ হিচাপে পৰিচিত হৈছিল। এইবাৰ টি আৰ এছৰ টিকটত ৰাজ্যসভালৈ নিৰ্বাচিত হ'লে ৰেড্ডি দেশৰ সবাতোকৈ ধনী সাংসদ হিচাপে স্বীকৃত হ'ব। প্ৰকাশিত বাতৰি অনুসৰি ৰেড্ডি ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হোৱাটো একপ্ৰকাৰ নিশ্চিত।



# ঘগ্ৰাপাৰত বিদ্যালয়ৰ সন্মুখৰ পৰিত্যক্ত পুখুৰী

## ■ শীঘ্ৰে খালী হৈ থকা পুতিবলৈ চৰকাৰক দাবী-আছু-যুৱ ছাত্ৰ পৰিষদ-ৰাইজৰ



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৭ মে’ ঃ** যি সময়ত ৰাজ্যখনত বেচৰকাৰী শিক্ষানুষ্ঠানৰ আগ্ৰাসনত চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ে ফেৰ মাৰিবলৈ সক্ষম হোৱাটো দূৰৈৰে কথা একাংশ চৰকাৰী প্ৰাথমিক বিদ্যালয় ছাত্ৰ -ছাত্ৰীৰ অভাৱত বন্ধ কৰিবলৈ বাধ্য হৈছে, ঠিক তেনে সময়তে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক উঠাই আনি অভিভাৱক সমাজে সন্তানক চৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তি কৰিছে। তেনে এক শিক্ষানুষ্ঠান হ’ল-নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা খণ্ডৰ চৌহদতে অৱস্থিত অঞ্চলটোৰ সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়। উল্লেখ্য যে এই চৰকাৰী বিদ্যালয়খনত সন্তানক নামভৰ্তি কৰিবৰ বাবে বৃহত্তৰ ঘগ্ৰাপাৰৰ কেঁবাখনো ব্যক্তিগত খণ্ডৰ নাম থকা শিক্ষানুষ্ঠানৰ পৰা নিজ সন্তানক আনি এই শিক্ষানুষ্ঠাখনত নামভৰ্তি কৰে। এইবেলি নতুনকৈ ৪০ গৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তি হোৱাৰ লগে লগে চলিত বৰ্ষত ২১৪ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে পাঠদান কৰি আহিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক স্বপন চক্ৰৱৰ্তীয়ে সংবাদ মাধ্যমৰ আগত কয় যে সম্প্ৰতি বিদ্যালয়খনত শ্ৰেণী কোঠাৰ লগতে পাঠদান কাৰ্যত শিক্ষকৰ বাবে অসুবিধাৰ সন্মুখীন হ’বলগীয়া নাই, যদিহে বিদ্যালয়খনৰ চাৰিবেৰ তথা শিক্ষানুষ্ঠানখনৰ সন্মুখত পৰিত্যক্ত অৱস্থিত থকা প্ৰকাণ্ড পুখুৰীটোৱে সমস্যাত পেলোৱাই নহয় মধ্যাহ্ন ভোজনৰ গৃহটো জৰাজীৰ্ণ হোৱাত নিতৌ ৰন্ধন কাৰ্যত অসুবিধাৰ সন্মুখীন হৈছে বিদ্যালয় কৰ্তৃপক্ষ। উল্লেখ্য যে যি সময়ত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত বিগত দিনত ভালেসংখ্যক প্ৰাথমিক বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈ পৰাৰ সময়ত ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয় যেন এক নতুন আশাৰ বতৰা। শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষক চক্ৰৱৰ্তীসহ সাতগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ গুণগত শিক্ষা বিস্তাৰৰ জৰিয়তে বিদ্যালয়খনে বৃহত্তৰ অঞ্চলটোত ব্যতিক্ৰমীৰূপে প্ৰতিষ্ঠা কৰিব পাৰিছে। এই বিদ্যালয়খনতে প্ৰধান শিক্ষক চক্ৰৱৰ্তী তথা বিদ্যালয় পৰিচালনা সমিতিয়ে সম্পূৰ্ণ জৈৱিক ক্ষুদ্ৰ কৃষিপাম স্থাপন কৰি ইয়াৰ উৎপাদিত শাক-পাচলি প্ৰতিদিনে মধ্যাহ্ন ভোজনত কণ কণ ছাত্ৰ-ছাত্ৰীক খুৱাৰ চেষ্টাই নহয় এই বৰ্ষতো এই ধাৰা ৰাখিব বুলি কয়। উল্লেখ্য যে এই বিদ্যালয়খনে স্বচ্ছতাৰ বাবে ইতিমধ্যে ৰাজ্যিক শিক্ষক বঁটা পাবলৈ সক্ষম হোৱাৰ উপৰি এইবেলি সমগ্ৰ শিক্ষাই বাচনি কৰা শ্ৰেষ্ঠ পৰিচালনা সমিতিৰ বঁটাও লাভ কৰিছে। ইফালে, বিগত বৰ্ষত শিক্ষানুষ্ঠানখনৰ পৰা ১১গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পাবলৈ সক্ষম হৈছে। ইফালে, এই বৰ্ষ ছাত্ৰ-ছাত্ৰীৰ হাতে লিখা জ্ঞানময় উন্মোচন হৈছে। উল্লেখ্য বিদ্যালয়খনত সম্প্ৰতি ছাত্ৰ-ছাত্ৰী অনুপাতে নিতৌ প্ৰাতঃ প্ৰাৰ্থনা কৰাৰ ঠাইৰ অভাৱ হোৱাৰ লগতে খেল-ধেমালি কৰা বাবেও উপযুক্ত ঠাইৰ অভাৱ, জৰাজীৰ্ণ ৰান্ধনী ঘৰ আদিৰ সমস্যাই দেখা দিছে। সেয়েহে বিদ্যালয় কৰ্তৃপক্ষ, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক, নলবাৰী জিলা উপায়ুক্তক বিদ্যালয়খনৰ সন্মূখত থকা পৰিত্যক্ত প্ৰকাণ্ড পুখুৰীটো পুতি ছাত্ৰ-ছাত্ৰীসকলক খেলা ধেমালি, প্ৰাতঃ প্ৰাৰ্থনা আদি কৰাৰ বাবে শীঘ্ৰে সুবিধা কৰি দিবলৈ দাবী জনাইছে।

## বঙাইগাঁও মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত কৃত্ৰিম অংগদান শিবিৰৰ আয়োজন

অগ্ৰদূত ব্যুৰ’

**বঙাইগাঁও, ২৭ মে’ ঃ** মাৰোৱাৰী যুৱ মঞ্চ বঙাইগাঁও শাখাৰ উদ্যোগত অহা তিনি জুনৰ পৰা পাঁচ জুনলৈকে আয়োজন কৰা হৈছে বিনামূলীয়া কৃত্ৰিম অংগদান আৰু কেলিপাৰ শিবিৰৰ। উত্তৰ বঙাইগাঁওস্থিত মাৰোৱাৰী যুৱ মঞ্চ সেৱা ভৱনত আয়োজন কৰা হৈছে এই বিনামূলীয়া শিবিৰৰ। ইতিমধ্যে এই শিবিৰত যোগদানৰ বাবে যোৱা দুই মে’ৰ পৰা পঞ্জীয়ন আৰম্ভ হৈছে আৰু অহা ২৮ মে’লৈকে চলিব এই পঞ্জীয়ন। বৰ্তমানলৈকে এশজনে পঞ্জীয়ন কৰিছে। কিন্তু মাৰোৱাৰী যুৱ মঞ্চৰ লক্ষ্য হৈছে ১৫০ জন ব্যক্তিক এই বিনামূলীয়া কৃত্ৰিম অংগদান কৰা। ইপিনে, মাৰোৱাৰী যুৱ মঞ্চৰ বঙাইগাঁও শাখা কাৰ্যালয়ত কালি এক সংবাদমেলৰো আয়োজন কৰা হয়। যিসকল ব্যক্তিৰ অংগৰ প্ৰয়োজন অথচ এতিয়াও পঞ্জীয়ন কৰা নাই তেওঁলোকক ২৮ মে’ৰ ভিতৰত পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনোৱা হয় সংবাদমেলত। লগতে জনোৱা অনুসৰি, বঙাইগাঁও জিলাৰ বাহিৰেও পাৰ্শ্বৱৰ্তী চিৰাং, কোকৰাঝাৰ, গোৱালপাৰা আৰু বৰপেটা জিলাৰ লোকসকলে এই শিবিৰত পঞ্জীয়ন কৰিব পাৰিব। উল্লেখ্য যে জন্মৰ পৰা অথবা কোনো দুৰ্ঘটনাজনিত কাৰণত হাত-ভৰি অংগ হেৰুওৱা লোকসকলক এই শিবিৰত প্ৰদান কৰা হ’ব বিনামূলীয়া কৃত্ৰিম অংগ। আজিৰ এই সংবাদমেলত এই শিবিৰৰ আহ্বায়ক গোবিন্দ আগৰৱালা আৰু অংকিত বাজাজ, মাৰোৱাৰী যুৱ মঞ্চৰ বঙাইগাঁও শাখাৰ সভাপতি মনীষ লাখোটীয়া আৰু সাধাৰণ সম্পাদক মুকুল জৈনসহ আৰু কে’বাজনো কৰ্মকৰ্তা উপস্থিত থাকে। উল্লেখ্য যে বঙাইগাঁৱৰ উপৰি মাৰোৱাৰী যুৱ মঞ্চৰ যোৰহাট, সোণাৰি, নলবাৰী, বিলাসীপাৰা শাখাৰ উদ্যোগত এই বিনামূলীয়া কৃত্ৰিম অংগদানৰ শিবিৰৰ আয়োজন কৰা বুলি জনোৱা হয় সংবাদমেলত।

## বিশিষ্ট কবি-গীতিকাৰ নলীন কোঁৱৰক অসম সুবাস জেউতি বঁটা, ২০২২ প্ৰদান

অগ্ৰদূত বাৰ্তা

**আঠখেলীয়া, ২৭ মে’ ঃ** বিশিষ্ট কবি, গীতিকাৰ তথা সাংস্কৃতিক কৰ্মী গোলাঘাট পুলিবৰ চেলেঙীৰ নলীন কোঁৱৰক যোৱা ২১ মে’ ২০২২ত যোৰহাটৰ অসম সাহিত্য সভা ভৱনৰ চন্দ্ৰকান্ত সন্দিকৈ প্ৰেক্ষাগৃহত নৰ্থ-ইষ্ট কালচাৰেল সুখ ক্লাব ছ’চাইটি যোৰহাটৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সুবাস জেউতি বঁটা, ২০২২ আনুষ্ঠানিকভাৱে প্ৰদান কৰে সংগঠনটোৱে। কোঁৱৰৰ এই বঁটা প্ৰাপ্তিত গোলাঘাটবাসীয়ে সন্তোষ প্ৰকাষ কৰাৰ লগতে জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শুভেচ্ছা আৰু অভিনন্দন জনাইছে। উল্লেখ্য যে কোঁৱৰৰ বিভিন্ন গীত, কবিতা আদি বিভিন্ন কাকত-আলোচনী আদিত প্ৰকাশ পোৱাৰ উপৰি তেওঁৰ ৰচিত কে’বাটাও গীত ইতিমধ্যে কেছেটৰ মাধ্যমেৰে মুক্তি লাভ কৰিছে। কাব্যিক ভিচিডি- ‘মনত পৰেনে অৰুন্ধতী’ প্ৰযোজনাৰ বাবে ২০১২ত তেওঁক ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ প্ৰযোজক হিচাপে ‘এনাজৰী’ বঁটাৰে সন্মানিত কৰা হৈছিল। তদুপৰি সাহিত্য-সংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ত ড° বি আৰ আম্বেদকাৰ ফিল’শ্চিপ খ্যাত লাভ কৰাই নহয় ২০২০ত তেওঁ মাতৃভূমি বিশেষ বঁটা লাভ কৰাৰ বাবে গোলাঘাটবাসী গৌৰাৱান্বিত।

## ভাৰত চৰকাৰৰ চিচিআৰটি স্কলাৰশ্বিপ জিজ্ঞাসা পি কাশ্যপলৈ



**নলবাৰী, ২৭ মে’ ঃ** নলবাৰী পানীগাঁওস্থিত সমন্বয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী জিজ্ঞাসা পি কাশ্যপে ভাৰত চৰকাৰৰ অধীনৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ চিচিআৰটি স্কলাৰশ্বিপ লাভ কৰি জন্ম গাঁও বালিকৰিয়াৰ লগতে নলবাৰী জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে সমন্বয় নাট্য বিদ্যালয়ত শতদল বৈশ্যৰ তত্ত্বাৱধানত নাট বিভাগত স্কলাৰশ্বিপ লাভ কৰা জিজ্ঞাসা এই বিদ্যালয়ৰ দ্বিতীয়গৰাকী প্ৰশিক্ষাৰ্থী। নৃত্য-গীত আদিত ইতিমধ্যে বহুতো পুৰস্কাৰ লাভ কৰা জিজ্ঞাসা বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী। তেওঁ বালিকৰিয়া নিৱাসী সমাজকৰ্মী আৰু নলবাৰী কমাৰ্চ কলেজৰ কৰ্মচাৰী প্ৰাণেশ্বৰ বৰ্মন আৰু কণ্ঠশিল্পী সবিতা বৰ্মনৰ কনিষ্ঠা কন্যা।

## মানসিক শক্তি-স্মৃতি বৃদ্ধি শীৰ্ষক কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**টীয়ক, ২৭ মে’ ঃ** টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ২৫ মে’ত মানসিক শক্তি আৰু স্মৃতি বৃদ্ধি শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হৈ যায়। যোগ প্ৰশিক্ষক পৰশমণি বৰাই আগবঢ়োৱা প্ৰশিক্ষণ কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কয় যে ছাত্ৰ-ছাত্ৰীসকলে ধ্যান আৰু ইচ্ছা শক্তিৰ জৰিয়তে নিজৰ স্মৃতি শক্তিৰ উৎকৰ্ষ সাধন কৰিব পাৰে লগতে মানসিক শক্তি বৃদ্ধিৰ ক্ৰিয়াকলাপো প্ৰদৰ্শন কৰি দেখুৱায়। পৰশমণি বৰাৰ লগতে উপস্থিত থকা বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ কাৰিকৰী বিষয়া ভুৱন কছাৰীও ছাত্ৰী-ছাত্ৰীসকলক স্বাৱলম্বিতাৰ ওপৰত বিশেষভাৱে বাঁহৰ জৰিয়তে কেনেকৈ বিভিন্ন সামগ্ৰী বনাব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদানেৰে বহু কথা অৱগত কৰে। উল্লেখ্য যে অধ্যক্ষ হেমন্ত ভূঞাৰ বিশেষ উদ্যোগত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক মাজে সময়ে স্বাৱলম্বিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অহা কাৰ্যক অভিভাৱকসকলে সঁহাৰি জনাই আহিছে। কৰ্মশালাৰ শেষত স্থানীয় বেচৰকাৰী সংস্থা আলোক প্ৰয়াসৰ সহযোগত বিদ্যালয়খনৰ একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ২৫ গৰাকীৰ মাজত তিনিমহীয়া এক ৰিটেইল কৰ্চ সমাপ্ত কৰাৰ অন্তত চাৰ্টিফিকেটসমূহ সংস্থাৰ সঞ্চালক বিশ্বজ্যোতি কলিতাৰ উপস্থিতিত প্ৰদান কৰা হয়।

## ধুবুৰীত ৰাসায়নিক সাৰৰ ৰমৰমীয়া বেহা

### ■ গৌৰীপুৰ আৰক্ষীয়ে জব্দ কৰে চোৰাং সাৰভৰ্তি এখন অট’ ভান

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৭ মে’ ঃ** ধুবুৰীত অব্যাহত আছে ৰাসায়নিক সাৰৰ চোৰাং বেহা। একাংশ অসাধু ব্যৱসায়ীয়ে ফাৰ্টিলাইজাৰ দোকানৰ পঞ্জীয়ন অবিহনে স্থানীয় বজাৰ আৰু ভিতৰুৱা গ্ৰামাঞ্চলত দোকান খুলি চলাইছে চোৰাং সাৰৰ ৰমৰমীয়া বেহা। উত্থাপিত অভিযোগ অনুসৰি, ৰাসায়নিক সাৰৰ নাটনিৰ সুযোগত ২৬৬ টকা মূল্যৰ প্ৰতি বস্তা সাৰ দৰিদ্ৰ কৃষকৰ ওচৰত বিক্ৰী কৰিছে এহেজাৰ টকাৰ অধিক মূল্যত। গৌৰীপুৰৰ আলমগঞ্জ-বৰাইবাৰী অঞ্চলৰ একাংশ ব্যৱসায়ীয়ে বিটিআৰৰ কুৰ্শাকাটি অঞ্চলৰ মলানডুবি অঞ্চলৰ পৰা সাৰৰ বস্তাই প্ৰতি ছশ পৰা সাতশ টকাত ক্ৰয় কৰি এহেজাৰ টকাৰ অধিক দামত বিক্ৰী কৰি কৃষকক ৰাম টাঙোন শোধাই আহিছে। এক গোপন তথ্যৰ ভিত্তিত আজি পুৱা অভিযান চলাই গৌৰীপুৰ আৰক্ষীয়ে গৌৰীপুৰ চহৰৰ হাস্পতাল ৰোডৰ পৰা এএছ-১৭ চি-২৬০০ নম্বৰৰ চোৰাং সাৰভৰ্তি এখন অট’ ভান জব্দ কৰে। বিটিআৰৰ কোকৰাঝাৰ জিলাৰ মলানডুবি অঞ্চলৰ পৰা ১৮ বস্তা চোৰাং সাৰ কঢ়িয়াই অট’ ভানখনে গৌৰীপুৰৰ বৰাইবাৰীলৈ যোৱাৰ পথত আৰক্ষীয়ে সাৰভৰ্তি অট’ ভানখন জব্দ কৰে।

## তিতাবৰত অনুষ্ঠিত ভাওনা সমাৰোহ সমাপ্ত

### ■ মণিকূট নাট্যগোষ্ঠীয়ে অৰ্জন কৰিলে শ্ৰেষ্ঠতা

**তিতাবৰ, ২৭ মে’ ঃ** তিতাবৰ বিৰিণাশায়েকত লায়েট ভৰলুৱা গাঁৱৰ আতিথ্যত যোৱা ২৩ মে’ৰ পৰা অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা চেমনীয়া ভাওনা সমাৰোহ কালি পুৱতি নিশা সমাপ্ত হয়। প্ৰতিযোগিতাৰ আৰ্হিত অনুষ্ঠিত হোৱা ভাওনা সমাৰোহত পুৱা বিচাৰকে ঘোষণা কৰা ফলাফল অনুসৰি টীয়কৰ মৰিজাঁজী দগাঁৱৰ মণিকূট নাট্যগোষ্ঠীয়ে অভিনয় কৰা ‘ৰাম পৰাজয়, সীতাৰ পাতাল গমন’ নাটখনৰ জৰিয়তে শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে। দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে যোৰহাট বালিচাপৰিৰ সম্প্ৰীতি নাট্যগোষ্ঠীয়ে। বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ নাটখন অভিনয়ৰ জৰিয়তে দলটোৱে এই খিতাপ, লাভ কৰিবলৈ সমৰ্থ হয়। আনহাতে, শ্ৰেষ্ঠ অভিনেতাৰ খিতাপ লাভ কৰে বিপ্ৰ দামোদৰ আখ্যানৰ সুদামা চৰিত্ৰটোৱে। দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাৰূপে নিৰ্বাচিত হয়। মণিকূট নাট্যগোষ্ঠীয়ে অভিনয় কৰাৰ ৰাম পৰাজয়, নাটকৰ সীতাৰ চৰিত্ৰটোৱে। শ্ৰেষ্ঠ পূবৰংগৰ সন্মান লাভ কৰে মাধপুৰৰ সপ্তৰ্ষি শিল্পী সমাজে। শ্ৰেষ্ঠ দোহাৰ আৰু শ্ৰেষ্ঠ গায়ন বিবেচিত হয় যোৰহাট বালিচাপৰিৰৰ সম্প্ৰীতি নাট্যদল। গোলাঘাট চিনাতলীৰ তৰুণজ্যোতি উদয়াচল শিল্পী সমাজে শ্ৰেষ্ঠ বায়নৰ দলৰ খিতাপ আঁজুৰি নিবলৈ সক্ষম হয়। ইয়াৰ উপৰি কে’বাগৰাকীও শিশু অভিনেতাক বিচাৰকৰ শেষ বঁটাৰ বাবে নিৰ্বাচিত কৰা বুলি আয়োজক সমিতিয়ে অৱগত কৰিছে।

## মঙলদৈত দৰঙী নাগাৰা নামৰ কৰ্মশালা আৰম্ভ

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৭ মে’ ঃ** দৰঙী লোক কলা কৃষ্টিৰ অন্যত সম্পদ দৰঙী নাগাৰা নামৰ তিনিদিনীয়া কৰ্মশালা কালি আৰম্ভ কৰে দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। মঙলদৈ ইউথ ক্লাবৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ স’তে সংগতি ৰাখি ইউথ ক্লাবৰ সভা কক্ষত অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰি উপায়ুক্তই দৰঙী কৃষ্টি-সংস্কৃতি আন জিলাতকৈ সম্পূৰ্ণ পৃথক আৰু এইসমূহ সম্পাদক দৰঙীয়াই গৌৰৱ প্ৰকাশ কৰে। দৰঙীয়াৰ গৌৰৱৰ সম্পদ এই লোক-কৃষ্টিসমূহ শুদ্ধ ৰূপত ধৰি ৰাখিবলৈ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘই যি সাংস্কৃতিক সমন্বয় যাত্ৰা আৰম্ভ কৰিছে সেয়া লোকশিল্পীসকলৰ বাবে ইতিবাচক দিশ বুলি মন্তব্য কৰে উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। শিল্পী প্ৰাঞ্জল শৰ্মাই আঁত ধৰা আৰু কুলেন্দ্ৰ নাথ ডেকা, গোবিন্দ উপাধ্যায়, ড° বুধিন হাজৰিকা, গৱেষক তৰুণ আজাদ ডেকা, নাগাৰা নামৰ শিল্পী বলো বৈশ্য, দুলু ৰাম বড়ো, নিপন দত্ত কলিতা, ভূৱনেশ্বৰ কলিতা, যোগেশ্বৰ নাথ, অৱসৰী অধ্যক্ষ নীলকান্ত চহৰীয়া, অভিযন্তা ভবেন বৰ্মন আদি উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সম্পাদক নৱ কুমাৰ শইকীয়াই সংঘৰ বাৰ্ষিক কৰ্মসূচীৰ ওপৰত বক্তব্য আগবঢ়ায়।

## আজিজপুৰ তাপেশ্বৰা ছোৱালী প্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ

**কলগাছিয়া, ২৭ মে’ ঃ** ৰাজ্যত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত কলগাছিয়াৰ ১১৪২ নম্বৰ আজিজপুৰ তাপেশ্বৰা ছোৱালী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা গুণোৎসৱত কালি অংশগ্ৰহণ কৰে কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চন্দনা বৰুৱাই। বিদ্যালয়খনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ শলাগ লয় চক্ৰ বিষয়াজনে। গুণোৎসৱৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকল ৰিচাৰ্জ হোৱাৰ দৰে হয় বুলি দোহাৰে চক্ৰ বিষয়াগৰাকীয়ে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ অসমীয়া উচ্চাৰণ শুনি আপ্লুত হোৱা বুলিও কয় চক্ৰ বিষয়াগৰাকীয়ে। এইখন বিদ্যালয়ত অধ্যয়নৰত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ এক সুকীয়া ভৱিষ্যত আছে বুলি চক্ৰ বিষয়াজনে দোহাৰে।

## আশ্ৰয়ৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৭ মে’ ঃ** ৰাজ্যৰ আগশাৰীৰ প্ৰকৃতিপ্ৰেমী সংগঠন আশ্ৰয়ৰ উদ্যোগত ইষ্টাৰ্ণ অসম ৱাইল্ডলাইপ ডিভিজন আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সহযোগত অহা পাঁচ জুনত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হ’ব। পুৱা আঠ বজাত আশ্ৰয় কাৰ্যালয়ৰ ভূমিদাতা বিজয় কুমাৰ দত্তই গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব। পুৱা ১০ বজাৰ পৰা আশ্ৰয়ৰ সভাপতি শশী কুমাৰ গোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া মুকলি সভাখন উদ্বোধন কৰিব যোৰহাট ‘নেইষ্ট’ৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়াই। উক্ত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা। ‘এখনেই মাত্ৰ পৃথিৱী, প্ৰকৃতিৰ স’তে বহন ক্ষমতাৰে জীয়াই থকাৰ বাবে আমাৰ কৰণীয়’ শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তাৰূপে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক বিজিত ৰঞ্জন শইকীয়াই বক্তব্য আগবঢ়াব। সভাত বিশিষ্ট অতিথিৰূপে দেৰগাঁৱৰ ৰাজহ চক্ৰ বিষয়া চিৰঞ্জীত দাস উপস্থিত থাকিব। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন সঞ্চালন কৰিব কুইটিভেলৰ সঞ্চালক সঞ্জয় কুমাৰ হাজৰিকাই।

## অবিভক্ত দৰং জিলা লোকশিল্পী কল্যাণ নিধিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ পথৰুঘাটত প্ৰস্তুতি সভা

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ ২৭ মে’ ঃ** কালি পাথৰিঘাটৰ পৰিদৰ্শন বঙলাত পশ্চিম মঙলদৈ যৌগিক হাস্পতালৰ আৰু যোগ মহাবিদ্যালয়ৰ অধ্যক্ষ, যোগাচাৰ্য ড° দণ্ড প্ৰতাপ শৰ্মাৰ সঞ্চালনাত এখন সভা অনুষ্ঠিত হয়। অহা ২০ আৰু ২১ জুনত অবিভক্ত দৰং জিলা লোকশিল্পী কল্যাণ নিধিৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান ঐতিহাসিক পাথৰিঘাটত দুদিনীয়াকৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

উক্ত অনুষ্ঠানৰ স’তে সংগতি ৰাখি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস আৰু পশ্চিম মঙলদৈ যৌগিক হাস্পতালৰ আৰু যোগ মহাবিদ্যালয়ৰ উদ্যোগত বিশ্ব যোগ দিৱস পালন কৰা হ’ব। লোকশিল্পী কল্যাণ নিধিৰ প্ৰতিষ্ঠা দিৱসত বিভিন্ন কাৰ্যসূচীৰ উপৰি বিশেষভাৱে কে’বাগৰাকী দৰঙী শিল্পী-সাধকক অভিনন্দন জনোৱা হ’ব।

উক্ত সভাত উপস্থিত থাকে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা লোকশিল্পী কল্যাণ নিধিৰ অধ্যক্ষ ড° পৰমানন্দ ৰাজবংশী লোকশিল্পী কল্যাণ নিধিৰ মুখ্য সচিব, সচিব, কাৰ্যালয় সম্পাদক ক্ৰমে তৰুণ আজাদ ডেকা, মুকুট হাজৰিকা, মৃণাল কুমাৰ ৰাজবংশী, কালিন্দ্ৰ বৰুৱা দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ সহকাৰী সম্পাদক হৰেন্দ্ৰ নাথ ডেকা পাথৰিঘাট গাঁও পঞ্চায়ত সভানেত্ৰী বিনু ডেকা, শিক্ষক চন্দন শইকীয়া, ভাৰত শইকীয়া, অধিবক্তা হাফিজুল হক, যোগ প্ৰশিক্ষক ক্ৰমে হিমালয় শৰ্মা, ভাস্কৰ বৰুৱা, গোলাপ বেজবৰুৱা, ধ্ৰুৱজ্যোতি গোস্বামী, তপন ডেকা।

## টৰ্চলাইট প্ৰতীকক লৈ খৰ্গহস্ত জিএছপি ঃ তদন্তৰ দাবী

**বৰমা, ২৭ মে’ ঃ** বিটিআৰৰ ২২ নম্বৰ কোকলাবাৰী পৰিষদীয় উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। ইয়াৰ পাছতে অবড়ো সুৰক্ষা সমিতিৰ সমৰ্থিত বুলি নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়াই প্ৰচাৰ কৰি নিৰ্বাচনী প্ৰতীক নিৰ্বাচনী আয়োগে ঘোষণা নকৰাতে টৰ্চলাইটৰ প্ৰতীক বুলি প্ৰচাৰ কৰাত খৰ্গহস্ত হৈছে জিএছপি। গণ সুৰক্ষা পাৰ্টি ৰাজনৈতিক দলটোৰ নিজৰ প্ৰতীক টৰ্চলাইট থকাৰ পাছত নিৰ্দলীয় প্ৰাৰ্থীয়ে কেনেকৈ টৰ্চলাইট প্ৰতীক পোৱা বুলি নিৰ্বাচনী প্ৰচাৰ সামাজিক মাধ্যমযোগে কৰি আছে তাক লৈ প্ৰশ্ন কৰে জিএছপিৰ আৰু অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় নেতৃত্বই। কালি বাগ্‌সা জিলাৰ বৰমাৰ বাগ্‌সা প্ৰেছ ক্লাবত এক সংবাদমেল আয়োজন কৰি জিএছপিৰ উপ-সভাপতি ঘনশ্যাম দাস আৰু অবড়ো সুৰক্ষা সমিতি বাগ্‌সা জিলা সমিতিৰ সাধাৰণ সম্পাদক আক্কেল আলীয়ে কোনো কাৰণতে নিৰ্দলীয় প্ৰাৰ্থীক টৰ্চলাইট প্ৰতীক হিচাপে নিৰ্বাচনী আয়োগে দিব নোৱাৰিব বুলি মন্তব্য কৰে।

যিহেতু বিজেপি জিএছপি আৰু ইউপিপিএলৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী মণ্টু বড়োক প্ৰক্ষেপ কৰিছে তেনে ক্ষেত্ৰত জিএছপিয়ে ব্যৱহাৰ কৰা টৰ্চলাইট মিত্ৰজোঁটৰ উমৈহতীয়া প্ৰাৰ্থী মণ্টু বড়োৰ লগত থাকিব বুলি কয়। যদি নিৰ্দলীয় প্ৰাৰ্থীয়ে টৰ্চলাইট প্ৰতীক হিচাপে ব্যৱহাৰ কৰে তেতিয়াহ’লে ভোটাৰ ৰাইজৰ মাজত এক বিভ্ৰান্তিৰ সৃষ্টি হ’ব বুলি সংবাদমেলযোগে অভিযোগ কৰে জিএছপিৰ উপ-সভাপতি দাস আৰু অবড়ো সুৰক্ষা সমিতিৰ সাধাৰণ সম্পাদক আলীয়ে।

## বিশ্বনাথত কম্পিউটাৰ প্ৰশিক্ষণ প্ৰমাণপত্ৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ মে’ ঃ** কালি বিশ্বনাথ চাৰিআলিৰ অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান তৰুণ চন্দ্ৰ ভট্টাচাৰ্য সোঁৱৰণী ইনষ্টিটিউট অব টেকনল’জী আৰু মেনেজমেন্টত, এবছৰীয়া ডিপ্লমা ইন কম্পিউটাৰ এপ্লিকেচনৰ প্ৰমাণপ্ৰত্ৰ ৬৭ জন ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়। তৰুণ চন্দ্ৰ ভট্টাচাৰ্য সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা কালিৰ সভাত সভাপতিত্ব কৰে অধ্যক্ষ নয়নজ্যোতি খাউণ্ডে। পংকজ পাটৰে আঁত ধৰা কালিৰ অনুষ্ঠনাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পূৰবী ভট্টাচাৰ্য আৰু সৎ-সংগ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিদ্যুৎ শৰ্মা। ভাষণত প্ৰসংগত বিদ্যুৎ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে ভালকৈ পঢ়া-শুনা কৰি সমাজত এজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হ’বলৈ অনুপ্ৰেৰণা যোগায়। লগতে বৰ্তমান সময়ৰ লগত সংগতি ৰাখি তথ্য প্ৰযুক্তিৰ (কম্পিউটাৰ বিজ্ঞানৰ) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ জৰিয়তে পোৱা বিভিন্ন ধৰণৰ চাকৰি বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সভাত উপস্থিত থকা ড° ভট্টাচাৰ্য ঝংকাৰ নামৰ হাতে লিখা বাৰ্ষিক আলোচনীখন উন্মোচন কৰে। উক্ত সভাত উন্মোচক ভট্টাচাৰ্যই বৰ্তমান সময়ত অসমীয়া সাহিত্য জগতৰ বিভিন্ন ধৰণৰ লেখা-মেলা কৰি কেনেদৰে অসমীয়া সাহিত্যক আৰু উন্নত কৰিব পাৰি তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক ব্যাখ্যা কৰে।




*লখিমপুৰত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী, শুকুৰবাৰে।*

## দৌৰ প্ৰতিযোগিতাৰে ২২০ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱসৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৭ মে’ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসন আৰু সদৌ অসম মটক সন্মিলনৰ সহযোগত তিনিচুকীয়া বৰগুৰি হাইস্কুল খেলপথাৰত মাটিবৰ বৰসেনাপতি ক্ষেত্ৰ আৰু পৱন নেওগ সোঁৱৰণি মণ্ডপত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা ২২০ সংখ্যক নটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস আৰু মটক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ কালি সামৰণী পৰে। কালি অন্তিম দিনৰ একমাত্ৰ কাৰ্যসূচী মাৰাথন দৌৰ



প্ৰতিযোগিতাৰ সফল সমাপ্তি ঘটে। তিনিচুকীয়া চহৰৰ তিনিকোণীয়া পুখুৰীৰ পৰা আৰম্ভ হৈ ৰঙাগড়াৰ স্বৰ্গদেউ সৰ্বানন্দ সিংহ মৈদাম থলীত সামৰণি পৰা মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আৰম্ভণি কৰে তিনিচুকীয়া উপ-আৰক্ষী অধীক্ষক হিৰণ্য কুমাৰ বৰাই। অতিথিৰূপে উপস্থিত থাকে তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ এথলেটিকছ বিভাগৰ সম্পাদক কপিধৰ হাজৰিকা, বৰগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি জিতেন গগৈ আৰু সম্পাদক বিনন্দ বৰুৱা। প্ৰায় অৰ্ধশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ল’ৰাৰ শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে গোলাঘাট জিলাৰ তিযেশ্বৰ কুৰ্মীয়ে। তেওঁক নগদ ৫০০১ৰ লগতে মানপত্ৰ আৰু ট্ৰফী আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি সৰোজ গোহাঁইয়ে। দ্বিতীয় স্থানপ্ৰাপ্ত বিকাশ চাউতালক নগদ ৪০০১ টকা আগবঢ়ায় মুখ্য সম্পাদক ধৰণী গোহাঁয়ে আৰু তৃতীয় স্থানপ্ৰাপ্ত গবিন্দা চাউৰকক উজ্জ্বল বৰুৱাই নগদ ৩০০১ টকাসহ ট্ৰফী আৰু মানপত্ৰৰে পুৰস্কৃত কৰে। ছোৱালী শাখাত প্ৰথম স্থান লাভ কৰে লক্ষ্মী ভূমিজে।

## হেমলাই মণ্ডলত প্ৰাক্ গুণোৎসৱ সম্পন্ন

**চেলেংহাট, ২৭ মে’ ঃ** যোৰহাট জিলাৰ পূব-যোৰহাট শিক্ষাখণ্ডৰ অধীনৰ হেমলাই মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত সমূহ চৰকাৰী বিদ্যালয়তে কালি দিনজোৱা কাৰ্যসূচীৰে প্ৰাক্ গুণোৎসৱ সম্পন্ন হয়। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মহেন্দ্ৰ নাথৰ তৎপৰতাত আৰু মণ্ডলটোৰ সমূহ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগিতাত গুণোৎসৱৰ নিয়মাৱলী অনুসৰি এই কাৰ্যসূচী সম্পন্ন হয়। পঠন, লিখন, সাংখ্যিক দক্ষতা, বহু বিকল্প প্ৰশ্ন আৰু বিদ্যালয় মূল্যায়ন আদিৰ দিশত অনুষ্ঠিত এই প্ৰাক্ গুণোৎসৱ কাৰ্যসূচীত বহিঃমূল্যায়ক হিচাপে মণ্ডলটোৰ শৈক্ষিকত সমল গোটৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। তদাৰকী বিষয়া হিচাপে বিদ্যালয়সমূহত এই কাৰ্যসূচী তদাৰক কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে পৱন কুমাৰ গগৈ, গোলাপ চুতীয়া আৰু কামাল ৰাৰিছে।

# হৰিশিঙাত ভূমিপট্টা বিচাৰি অৱস্থান ধৰ্মঘট

## ■ ওদালগুৰি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ ■ বিটিআৰৰ মুখ্য কাৰ্যবাহীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৭ মে' ঃ** আজি দিনৰ ১১ বজাত ভূমিহীন পুৰুষ- মহিলাসকলে ওদালগুৰি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আহ্বানত দলে-বলে ওলাই আহি 'ভোগ দখলী ভূমিৰ ভূমিপট্টা প্ৰদান কৰক, ভূমিৰ অধিকাৰ আমাক লাগিবই, ভূমিৰ অধিকাৰ আমাৰ ন্যায্য দাবী, ভূমিৰ অধিকাৰ আমাৰ জন্মগত অধিকাৰ, ঘৰৰ ভেটি আৰু খেতি মাটিৰ অধিকাৰ, জীয়াই থকাৰ অধিকাৰ' ইত্যাদি বিভিন্ন শ্ল'গানেৰে উত্তাল কৰে টংলাৰ ৰাজপথ। ওদালগুৰি জিলাৰ হৰিশিঙা ৰাজহ চক্ৰৰ অন্তৰ্গত কুকুৰাকাটা, খৈৰাবাৰী, পশ্চিম নলবাৰী, বুঢ়াগোহাঁই থান, দুলিয়াপাৰা, এক নম্বৰ নাচনশালী আদি গাঁৱৰ ৰাইজে স্বাধীনতাৰ পূৰ্বৰে পৰা আৰু স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ পৰা বৃহত্তৰ অঞ্চলটোত স্থায়ীভাৱে বসবাস কৰি আছে। প্ৰধানত কৃষক লগতে শ্ৰমিক হিচাপে জীৱন-নিৰ্বাহ কৰা বড়ো, ৰাভা, গোৰ্খা, চাহ জনগোষ্ঠী আৰু অন্যান্য থলুৱা অসমীয়া লোকসকল অঞ্চলটোৰ পুৰণি বাসিন্দা হৈয়ো আজিকোপতি ভূমিপট্টা লাভ নকৰিলে। নৈনে নদীৰ বানত শস্ত্ৰপাৰা গাঁৱৰ পট্টা থকা ভূমিৰ স'তে ঘৰ-বাৰী হেৰুৱাই ভূমিহীন হোৱা বাসিন্দাসকলেও উক্ত অঞ্চলৰ বাসিন্দা হ'ল, কিন্তু এইসকল লোকো আজিও ভূমি অধিকাৰহীন হৈ থাকিল। তদুপৰি ভূমিহীন পৰিয়ালক কুকুৰাকাটা, পুৰণি টংলা, হাবিগাঁৱত চৰকাৰীভাৱে তিনি বিঘাকৈ মাটি আবণ্টন দি পূৰ্বে স্থাপিত কৰিছিল, কিন্তু আজিলৈকে তেওঁলোককো ভূমিস্বত্ব প্ৰদান নকৰিলে। বৃহত্তৰ অঞ্চলটোৰ গৰিষ্ঠ সংখ্যক লোকেই চৰকাৰীভাৱে ভূমি অধিকাৰৰ পৰা বঞ্চিত। আনহাতে, বিটিচিৰ পৰিসীমাৰ ভিতৰত থকা জনজাতি আৰু অন্যান্য থলুৱালোকৰ সৰ্বাংগীণ বিকাশ আৰু উন্নতিৰ অৰ্থে ২০০৩ৰ ১০ ফেব্ৰুৱাৰীত গঠিত বিটিচিৰ শাসকবৰ্গয়ো ভূমি অধিকাৰ প্ৰদান কৰা বিষয়টো এৰাই চলিব ধৰিছে বুলি কয় প্ৰতিবাদী ৰাইজে। বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে জিলা কৃষক মুক্তিৰ সভাপতি দীপক শৰ্মা আৰু সম্পাদক সংৰাম বড়া স্বাক্ষৰিত থলুৱা লোকসকলৰ ভূমিৰ ভূমি পট্টা প্ৰদানৰ অনতিবিলম্বে ব্যৱস্থা কৰক, পট্টা প্ৰদানৰ লগতে উত্তৰাধিকাৰীৰ অধিকাৰ, ভূমি হস্তান্তৰ অধিকাৰ ক্ষিপ্ৰতাৰে সহজ সৰল প্ৰক্ৰিয়াৰে ব্যৱস্থা গ্ৰহণ কৰা, বিটিআৰৰ বাসিন্দা জনজাতি আৰু অন্যান্য থলুৱা প্ৰতিটো ভূমিহীন, শ্ৰমজীৱী পৰিয়ালকে অনতিবিলম্বে ভূমিস্বত্ব প্ৰদান কৰা, বিটিআৰৰ সমস্ত কৃষিভূমি অন্য ক্ষেত্ৰলৈ যাতে হস্তান্তৰ নহয় আইনগত কঠোৰ সুৰক্ষাৰ ব্যৱস্থা কৰা আৰু বিটিআৰ অঞ্চলৰ সমগ্ৰ ভূমি জৰীপ কৰা আদি পাঁচটা দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে।



# বাগিচাত উচ্চ শিক্ষানুষ্ঠান গঢ় দিয়াটো ঐতিহাসিক পদক্ষেপ ঃ সিংহাল

## ■ ঢেকিয়াজুলি-বৰছলাৰ চাৰিখন আদৰ্শ হাইস্কুলৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৭ মে' ঃ** ৰাজ্যৰ চাহ বাগিচা অঞ্চলত চৰকাৰে স্থাপন কৰা ৯৬ খন আদৰ্শ হাইস্কুলৰ উদ্বোধনৰ বাবে আয়োজন কৰা চাৰিদিনীয়া কাৰ্যসূচীৰ দ্বিতীয় দিনা ঢেকিয়াজুলি সমষ্টি আৰু বৰছলা সমষ্টিত চাৰিখন আদৰ্শ হাইস্কুল আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। জলসিঞ্চন আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহালে কালি বৰছলা সমষ্টিৰ অন্তৰ্গত ঢেকিয়াজুলি চাহ বাগিচা আদৰ্শ হাইস্কুলৰ উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ নিজ সমষ্টিৰ ডিব্ৰু দৰং চাহ বাগিচা আদৰ্শ হাইস্কুল, পাণবাৰী চাহ বাগিচা আদৰ্শ হাইস্কুল আৰু নাৰায়ণপুৰ চাহ বাগিচা আদৰ্শ হাইস্কুল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। চাহ বাগিচা আদৰ্শ হাইস্কুল উদ্বোধন কৰি মন্ত্ৰী সিংহালে কয়, 'চাহ বাগিচা অঞ্চলত হাইস্কুল স্থাপন কৰি অসম চৰকাৰে চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালীক শিক্ষা-দীক্ষাৰে আগুৱাই নিয়াৰ যত্ন কৰিছে।' চাহ বাগিচা অঞ্চলক শিক্ষাৰ পোহৰেৰে আলোকিত কৰিব লাগিব বুলি মন্ত্ৰীজনে ভাষণত উল্লেখ কৰে। চাহ বাগিচা অঞ্চলত হাইস্কুল স্থাপনৰ পদক্ষেপক যুগান্তকাৰী পদক্ষেপ আখ্যা দিয়ে। স্বাধীনতাৰ ৭৫ বছৰৰ পাছত চৰকাৰে শিক্ষাৰ প্ৰভাৱ বিস্তাৰৰ কথা ভাবি হাইস্কুল স্থাপনৰ ঐতিহাসিক পদক্ষেপ লৈছে বুলি তেওঁ নিজৰ বক্তব্যত উল্লেখ কৰে। তেওঁ পুনৰ কয়, 'চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালী কোনো কাৰণতে শিক্ষাৰ ক্ষেত্ৰত পাছপৰি থাকিবলগীয়া পৰিস্থিতি দেখা নাযাব।' এই ক্ষেত্ৰত আমাৰ প্ৰত্যেকৰে দায়িত্ব আছে বুলি মন্ত্ৰী সিংহালে কয়। শিক্ষাৰ জৰিয়তে চাহ জনগোষ্ঠীৰ ৰাইজে মৰ্যাদা সহকাৰে জীয়াই থাকিব আৰু উন্নয়নৰ দিশত আগবাঢ়ি যাব বুলি মন্ত্ৰী সিংহালে আশা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু, শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱপ্ৰসাদ মিশ্ৰ, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উপাধ্যক্ষ তুলসী বৰঠাকুৰ, ঢেকিয়াজুলিৰ ৰাজহ চক্ৰ বিষয়া তন্ময় বৰা, বিজেপিৰ শোণিতপুৰ জিলা কমিটীৰ সভাপতি বাতাচ ওৰাং, ঢেকিয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি শিৱচৰণ চাহু, বৰছলা আঞ্চলিক পঞ্চায়তৰ সভাপতি তিলক পকোৱাল আদিৰ লগতে চাহ বাগিচাৰ অভিভাৱক-ৰাইজ উপস্থিত থাকে।

# ৰোজগাৰৰ পৰিভাষা সলনি অবিহনে নিবনুৱা সমস্যাৰ সমাধান অসম্ভৱ ঃ বিশ্বাত্মা

**বিশেষ সম্বাদদাতা**

**পাঠশালা, ২৭ মে' ঃ** বজালীৰ পাঠশালা আজাদ ভৱনত কালি বিশ্ব পৰিৱৰ্তন মিছন আৰু ভোটাৰ্ছ পাৰ্টি ইন্টাৰনেছনেলৰ যুটীয়া সহযোগত 'সমাজ আৰু ৰাজনীতি শুধাৰকৰ প্ৰশিক্ষণ শিবিৰ' অনুষ্ঠিত হয়। প্ৰশিক্ষণ শিবিৰটো উদ্বোধন কৰে বিশ্বাত্মাই। উদ্বোধন কৰি তেওঁ কয় যে ১৯৯৪ত যি ঐতিহাসিক ঘটনা গ্ৰেট বা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য চুক্তি সম্পন্ন হৈছে, এই চুক্তিৰ পাছত বিশ্বৰ সমগ্ৰ দেশৰ অৰ্থ-ব্যৱস্থা থানবান হৈ গ'ল। আৰু যন্ত্ৰৰ দ্বাৰা ডিঙি চেপা প্ৰতিযোগিতা আৰম্ভ হৈ গ'ল। কম্পিউটাৰে লিখা-পঢ়া জনা শিক্ষিত নিবনুৱাৰ কাম আৰু ট্ৰেক্টৰ, বুলড'জাৰ মেচিন অশিক্ষিত নিবনৱাৰ কাম কাঢ়িবলৈ আৰম্ভ কৰি দিলে। মানুহে কৰিব পৰা কাম নোহোৱা হৈ গ'ল। কিন্তু দেশত জিডিপি আৰু ক্ৰয় ক্ষমতা বাঢ়ি গৈ আছে। এনেস্থলত দেশত আজিও সমাজ সেৱাৰ ক্ষেত্ৰত ৰোজগাৰৰ বহু সুবিধা আছে। কিন্তু সমাজত এনে কোনো ব্যক্তি নাই, যিজনে সামাজিক কাম কৰা লোকক ৰোজ'গাৰ দিব। সেইকাৰণে সমাজৰ কাৰণে চৰকাৰে পাৰিশ্ৰমিক দিব লাগিব। এই পাৰিশ্ৰমিক মেচিনৰ পৰিশ্ৰমৰ দ্বাৰা সৃষ্টি হোৱা ধন পুঁজিপতিৰ পৰা কৰ উঠাই লোৱা হ'ব আৰু সমাজ সেৱা কৰি থকা ব্যক্তিৰ একাউণ্টলৈ পঠিয়াই দিব লাগিব। নিবনুৱা সমস্যা সমাধানৰ ওপৰত তেওঁৰ চেষ্টা, সংগ্ৰাম আৰু সত্যাগ্ৰহ নিৰৱচ্ছিন্নভাৱে ১৯৯৩ৰ পৰাই চলি আছে বুলি ভোটাৰ্ছ পাৰ্টিৰ ৰাজ্যিক সমিতিৰ উপ-সভাপতি শিৱেন দাসে কয়।

# তালাপ কৰ্দৈগুৰিত বিনামূলীয়া চকু চিকিৎসা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**তালাপ, ২৭ মে' ঃ** সদৌ মৰাণ ছাত্ৰ সন্থাৰ তালাপ কৰ্দৈগুৰি আঞ্চলিক সমিতি আৰু সচেতন মহিলা মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ যৌথ উদ্যোগত, হাতীশাল-বৰগড়া শাখা সমিতিৰ সহযোগত কালি কৰ্দৈগুৰিত চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা স্বাস্থ্য বিভাগৰ অন্ধতা নিবাৰণ সমিতিৰ দ্বাৰা আয়োজিত বিনামূলীয়া চকুত ছানিপৰা ৰোগৰ চিনাক্তকৰণ আৰু অস্ত্ৰোপচাৰ শিবিৰ অনুষ্ঠানটো কৰ্দৈগুৰি অঞ্চলৰ বিষ্ণুপুৰ মিলনজ্যোতি যুৱক সংঘৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। শিবিৰটোত প্ৰায় ২০০ গৰাকী চকুৰ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। তাৰে ৩৬ গৰাকী ৰোগীক অস্ত্ৰোপচাৰ কৰাৰ বাবে ৩০ মে'ত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। অনুষ্ঠানত চিকিৎসা অগবঢ়ায় তিনিচুকীয়া জিলা স্বাস্থ্য প্ৰবন্ধক ডাঃ অমূল্য গোহাঁয়ে। ডাটা এন্ট্ৰি বিভাগত উপস্থিত থাকে ৰাজীৱ ভট্টাচাৰ্য। সদৌ মৰাণ ছাত্ৰ সন্থাৰ তথ্য আৰু প্ৰযুক্তি বিভাগৰ সম্পাদক অৰ্জুন মৰাণ, মৰাণ ছাত্ৰ সন্থাৰ তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ সভাপতি পিংকু মৰাণ, সাধাৰণ সম্পাদক হেমন্ত মৰাণ, সচেতন মহিলা মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী ঘনশ্ৰী ডেকা, সহকাৰী সাধাৰণ সম্পাদিকা ৰীণা মৰাণৰ লগতে উদ্যোক্তা, সহযোগী সংগঠন কেইটাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# জটিল ৰোগত আক্ৰান্তক সাহায্য আহ্বান

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৭ মে' ঃ** পাঁচ মাহ ধৰি জটিল ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি ঘৰতে উন্নত চিকিৎসাৰ অভাৱত মূৰে-কপালে হাত দি বহি থাকিব লগা হৈছে মাজুলী থানা সমিতিৰ অন্তৰ্গত নাওঁশালী গাঁও গাঁওৰক্ষী বাহিনীৰ সভাপতি মাখন বৰাই। গুৱাহাটীৰ বি বৰুৱা কৰ্কট ৰোগ চিকিৎসালয়ত প্ৰথম পৰ্যায়ত পৰিয়ালৰ সহায়ত চিকিৎসা গ্ৰহণ কৰা হৈছিল যদিও বৰ্তমান তীব্ৰ অৰ্থ সংকটৰ হেতু ব্যয় বহুল চিকিৎসাৰ অস্ত্ৰোপচাৰৰ পৰা বঞ্চিত হৈ আছে। দুৰ্ভগীয়া পৰিয়ালটোয়ে ৰাজ্যৰ হৃদয়ৱান ব্যক্তি; দল-সংগঠনক আৰ্থিক সহায়ৰ কাতৰ অনুৰোধ জনাইছে। বনগাঁওস্থিত পঞ্জাৱ নেছনেল বেংক শাখাৰ এ/চি নম্বৰ ১৩২০০১০২২৩৩৬, আইএফএছচি- পিইউএনবিঅ'-১৩২০২০ ত কোনো সদাশয় লোকে পোনপটীয়াকৈ আৰ্থিক সাহায্য আগবঢ়াব পাৰে কিম্বা ম'বাইল নম্বৰ ৯৯৫৪৮৯০৫৩৫, ৯৯৫৭১৯৯৪৬৭ সবিশেষ জানিবৰ বাবে যোগাযোগ কৰিব পাৰে।

# জামুগুৰি ইউকো বেংক শাখাৰ বেংক পৰিচালিকাৰ কৰ্মকাণ্ডত অতিষ্ঠ গ্ৰাহক ৰাইজ

**অগ্ৰদূতবাৰ্তা**

**নদুৱাৰ, ২৭ মে' ঃ** কিছুদিন আগলৈকে জামুগুৰিহাটৰ ৰাইজৰ বাবে বিত্তীয় লেনদেনৰ প্ৰতিষ্ঠান জামুগুৰি ইউকো বেংক শাখা কাৰ্যালয়তো গ্ৰাহক ৰাইজৰ বাবে আছিল এটি আপোন যেন প্ৰতিষ্ঠান। বিশেষকৈ বেংকটোৰ শাখা পৰিচালক তথা অন্যান্য কৰ্মচাৰীসকলৰ আচাৰ-ব্যৱহাৰে গ্ৰাহক ৰাইজক আকৃষ্ট কৰিছিল। কিন্তু বৰ্তমান বেংকটোৰ শাখা পৰিচালক আৰু একাংশ কৰ্মচাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে দীৰ্ঘদিনধৰি বেংকটোৰ লগত সম্পৰ্ক ৰাখি ধন জমা কৰা একাংশ গ্ৰাহক ৰাইজ। উত্থাপিত অভিযোগ অনুসৰি বেংকটোৰ শাখা পৰিচালিকাগৰাকীৰ দুৰ্ব্যৱহাৰ আৰু গ্ৰাহক ৰাইজৰ প্ৰতি দেখুওৱা অহংভাৱৰ বাবেই এজনৰ পাছত আন এজন সম্ভ্ৰান্ত প্ৰতিষ্ঠিত ব্যৱসায়ী তথা বহুসংখ্যক গ্ৰাহকে বেংকটোৰ পৰা বহু পুৰণি একাউন্ট বন্ধ কৰি সমুদায় ধন উঠাই অন্যান্য বেংকলৈ ধাৱবান হৈছে। গ্ৰাহকসকলৰ অভিযোগ কোনো বিষয় বা সমস্যা সম্পৰ্কে পৰিচালকগৰাকীৰ ওচৰত বুজিব বিচাৰিলেও তেঁও ব্যৱহাৰ একেবাৰে নিম্নস্তৰৰ। আত্মসহায়ক গোটৰ মহিলাসকলকো পৰিচালিকাগৰাকীয়ে কৰা দূৰ্ব্যৱহাৰৰ অভিযোগো দীৰ্ঘদিনীয়া।

উল্লেখ্য যে জামুগুৰিহাটৰ জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলতেই থকা এই ইউকো বেংকটোৰ পৰা ইতিমধ্যে বহুকেইগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ীয়েও বেংকটোত ৰখা বিপুল পৰিমাণৰ ধনৰাশি উঠাই নিজৰ নিজৰ একাউন্ট বন্ধ কৰাই অন্য বেংক প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰি নতুনকৈ একাউন্ট খুলি ধন জমা ৰখাৰ লগতে আন একাংশইও বেংকটোত একাউন্ট বন্ধ কৰিবলৈ সাজু হৈছে।

# সদৌ অসম ভিত্তিত প্ৰাইজমানি সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২৭ মে' ঃ** কাকজান ব্যৱসায়ী সন্থাৰ সৌজন্যত কাকজান কৃষ্টি কেন্দ্ৰত অহা চাৰি জুনত সদৌ অসম ভিত্তিত প্ৰাইজমানি সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰিছে। প্ৰতিযোগীসকলক ৯৫৩১৪১৭৬৩৮/৯৯৫৪৯৫৩৫৭২ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# পশ্চিম বড়িগোগৰ বিদ্যালয়সমূহৰ গুণোৎসৱৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৭ মে' ঃ** যোৱা ২৩ মে'ৰ পৰা কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ পশ্চিম বড়িগোগ মৌজাৰ সকলো চৰকাৰী শিক্ষানুষ্ঠানতে গুণোৎসৱ কালি সামৰণি পৰে। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলোৱে তৎপৰ হৈ পৰিছিল। গুণোৎসৱক লৈ সকলো কামতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু বিষয়ববীয়াসকলে যৎপৰোনাস্তি সহায় কৰে। এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছিল বিদ্যালয় চৌহদ। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ আৰ্হি প্ৰস্তুত কৰি সজাই তোলে শ্ৰেণী আৰু বিষয় অনুযায়ী প্ৰাচীৰ পত্ৰিকা, বিজ্ঞানাগাৰ, পুথিভঁৰাল আনকি মধ্যাহ্ন ভোজনৰ বাবে পাচলি বাগানো সুন্দৰকৈ সজাই তুলিছিল প্ৰায়বোৰ শিক্ষানুষ্ঠানে। উল্লেখ্য যে উক্ত বিদ্যালয়সমূহত বহিঃমূল্যাংকক হিচাপে অংশগ্ৰহণকাৰীসকলে প্ৰায়বোৰ বিদ্যালয়ৰে বিদ্যায়তনিক দিশত যথেষ্ট আগবাঢ়ি থকা বুলি সাংবাদিকৰ আত মত ব্যক্ত কৰিছে। মাত্ৰ প্ৰয়োজনীয় শিক্ষকৰ অভাৱত সকলো পাঠ নিয়মীয়াকৈ কৰিব পৰা নাই সেইসকল দায়িত্বশীল বিষয়াই মন্তব্য কৰিছে। তেওঁলোকে কয় যে গুণোৎসৱে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত যথেষ্ট বৰঙণি যোগাব।

# বঙাইগাঁৱত ড্ৰাগছসহ আটক এক

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৭ মে' ঃ** বঙাইগাঁও চহৰৰ বিঅ'চি গেট' অঞ্চলত আজি দুপৰীয়া আৰক্ষীৰ দলে এজন ড্ৰাগছ সৰবৰাহকাৰীক ড্ৰাগছসহ আটক কৰে। এখন এ এছ-১৯ জি ১৫৯২ নম্বৰৰ স্কুটীৰে চহৰখনৰ পৰা চাপাগুৰি দিশলৈ যোৱাৰ সময়ত বিঅ' চি গেটৰ কলকাতা হাজাৰৰ সন্মুখত আটক হয় ড্ৰাগছ সৰবৰাহকাৰী সন্তোষ কুমাৰ চৌধুৰী (৪২)। ধৃত যুৱকজনৰ পৰা আৰক্ষীৰ দলে মুঠ ১৩.৬২ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰে। চৌধুৰীৰ ঘৰ নিউ বঙাইগাঁও ৰেল জংছনৰ কাষৰ চাহনীজ মাৰ্কেট অঞ্চলত বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

# মাধপুৰ পঞ্চায়তত ঠেঙাল-কছাৰী পৰিষদৰ বিষয়ববীয়াক সম্বৰ্ধনা জ্ঞাপন



**বিশেষ সংবাদদাতা**

**নগাবাট, ২৭ মে' ঃ** তিতাবৰ মহকুমাৰ ৮৭ নম্বৰ মাধপুৰ গাঁও পঞ্চায়তৰ উদ্যোগত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত কে'বাগৰাকী বিষয়ববীয়াক কালি বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। মাধপুৰ পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী, উপ-মুখ্য কাৰ্যবাহী সদস্য কেশৰাম বড়া, উপাধ্যক্ষ পুলক কছাৰী, কাৰ্যবাহী সদস্য শ্যামল কৃষ্ণ বৰা, সদস্য অচিন্ত্য শইকীয়া, সদস্যা বন্দিতা শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত সন্মানীয় অতিথিৰূপে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, চৰাইপানী গাঁও পঞ্চায়তৰ সভানেত্ৰী বন্তি শইকীয়া, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন সদস্য তথা যুৱ সমাজকৰ্মী পাৰ্থপ্ৰতিম শইকীয়াৰ লগতে এম আই লাইফ ষ্টাইলৰ বিষয়ববীয়া ক্ৰমে ৰিজু বৰঠাকুৰ, দীপিকা বৰা, বিজয় শইকীয়া, মৰমী গগৈ আদিয়ে অংশগ্ৰহণ কৰে। সম্বৰ্ধনা সভাৰ লগত সংগতি ৰাখি স্বাস্থ্য সজাগতা, নিবনুৱা সমস্যাৰ ওপৰতো চমু আলোচনা কৰা হয়। বিধায়ক বৰুৱাই ভাষণ প্ৰসংগত জানিবলৈ দিয়ে যে চৰকাৰৰ উদ্যোগত আৰু এটা এনজিঅ'ৰ সহযোগত শীঘ্ৰে পঞ্চায়তখনৰ একাংশ লোকক ৰন্ধন কাৰ্যৰ সুবিধাৰ্থে উন্নতমানৰ চৌকা প্ৰদানৰ ব্যৱস্থা কৰিব। গ্ৰামাঞ্চলৰ ৰান্ধনীসকলক এই সুবিধাই যথেষ্ট সকাহ দিব। উল্লেখ্য যে এই সভাতে ১০ আৰু ১১ জুনত মাধপুৰ পঞ্চায়তত এক চকু চিকিৎসা শিবিৰ আয়োজন কৰাৰ কথাও পঞ্চায়ত সভানেত্ৰী প্ৰিয়ংকা ফুকনে উপস্থিত ৰাইজক জানিবলৈ দিয়ে। শিবিৰত বিনামূলীয়াকৈ চছমা প্ৰদান কৰিব।

# ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত যোগ-গুণোৎসৱৰ প্ৰস্তুতিমূলক সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৭ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ছোৱালী হাইস্কুল প্ৰাংগণত যোৱা ২৫ মে'ত বিপশ্যনা ধ্যান ন্যাসৰ উদ্যোগত আৰু নলবাৰী আনন্দপুৰম যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ সহযোগত 'ধ্যান আৰু যোগ' শীৰ্ষক এটি কাৰ্যক্ৰম অনুষ্ঠিত হয়। বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰীসকলে অংশগ্ৰহণ কৰা কাৰ্যক্ৰমটোত অসম বিপশ্যনা ন্যাসৰ পৰা অহা যোগগুৰু লীতা হাজৰিকা, শংকৰ হাজৰিকা আৰু নলবাৰী আনন্দপুৰমৰ পৰা অহা ৰীতা বৰুৱাই বিভিন্ন ধ্যান তথা আসনৰ যোগেদি আমি মনটোক কেনেকৈ সুস্থিৰ কৰি ৰাখিব পাৰো সেই বিষয়ে বিভিন্ন ক্ৰিয়া-কলাপৰে দেখুৱাই দিয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনহৰি কলিতাই আঁতধৰা অনুষ্ঠানত ঘগ্ৰাপাৰৰ গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ কাশ্যপেও বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। আনহাতে, একেটা দিনতে বিদ্যালয়খনত আগন্তুক গুণোৎসৱৰ প্ৰস্তুতি সম্পৰ্কত শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সমগ্ৰ শিক্ষা, অসমৰ ৰাজ্যিক সমল ব্যক্তি গিৰীন্দ্ৰ কাশ্যপে। তেওঁ ছাত্ৰীসকলক আগন্তুক গুণোৎসৱত অ'এমআৰৰ ব্যৱহাৰ আৰু প্ৰশ্নৰ ধৰণ কেনে হ'ব সেই বিষয়েও বুজাই দিয়ে।

# নগাঁও কলেজ (অট'নমাছ)ৰ উদ্যোগত বান সাহায্য বিতৰণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মে' ঃ** আগতীয়াকৈ হৈ যোৱা বাৰিষাই সৃষ্টি কৰা কপিলীৰ বানৰ বিভীষিকাই নগাঁৱৰ কামপুৰ, চাপৰমুখ, ৰহা এই অঞ্চলসমূহ বানত আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈছে। এই দুৰ্যোগৰ সময়ত নগাঁও মহাবিদ্যালয় (অট'নমাছ) ইউ এন এ এলৰ উদ্যোগত, ছাত্ৰ একতা সভা আৰু এন এছ এছৰ সহযোগত কালি ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত কামপুৰৰ নিজনাৰিকালি গাঁৱৰ বানপীড়িত লোকসকলৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ লগতে শিশু খাদ্য, চেনিটাৰী পেড, ব্লিচিং পাউদাৰ, চাবোন ইত্যাদি বিতৰণ কৰা হয়। ইউএনএটি সমন্বয়ক ড° লক্ষ্যজ্যোতি বৰঠাকুৰ আৰু এন এছ এছৰ কাৰ্যসূচী বিষয়া ড° ভুবন চন্দ্ৰ চুতীয়া, ছাত্ৰ একতা সভাৰ সভাপতি নিবিড় কাশ্যপ শৰ্মা, সাধাৰণ সম্পাদক অৰিন্দম শৰ্মা, তৰ্ক বিভাগৰ সম্পাদক ৰিছাদ ভূএঞাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰেবাছিশ আলিমান পোদ্দাৰ, অংকুৰজ্যোতি বৰা, তন্ময়ৰাজ বৰাৰ এটি আটজনীয়া দলক অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে বানপীড়িত লোকৰ মাজত সামগ্ৰী বিতৰণৰ কৰাৰ বাবে শুভেচ্ছা জনায় আৰু আনুষ্ঠানিকভাৱে দলটোক আগবঢ়াই দিয়ে। দলটোয়ে নিজনাৰিকলি গাঁৱত উপস্থিত হৈ সাংবাদিক নীলকমল শইকীয়া আৰু স্থানীয় ব্যক্তি বুল লস্কৰৰ সহযোগত গাঁওখনৰ প্ৰায় ৫০ ঘৰ মানুহৰ মাজত সাহায্য সামগ্ৰীৰ লগত শিশু খাদ্য আৰু চেনিটাৰী পেড প্ৰদান কৰা হয়। ঘৰৰ চৌহদ পৰিষ্কাৰ-পৰিচ্ছন্ন ৰখাৰ বাবে অন্যান্য নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ লগতে ব্লিচিং পাউডাৰ বিতৰণ কৰা হয়। দলটোয়ে সেই অঞ্চলৰ নগাঁও মহাবিদ্যালয় (অট'নমাছ)ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰত উপস্থিত হৈ তেওঁলোকৰ সা-সুবিধাৰ বুজ লোৱাৰ লগতে আগন্তুক পৰীক্ষাসমূহত হ'ব পৰা অসুবিধাৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক অনুদানৰ জৰিয়তে বানপীড়িতসকলক সাহায্য প্ৰদান কৰা হয়।

# দীপৰ বিলক ৰক্ষাৰ বাবে আজাৰা কেওটপাৰাবাসী দৃঢ়প্ৰতিজ্ঞাবদ্ধ

## ■ জাতীয় দল-সংগঠনৰ ভূমিকা বিষয়ত আজাৰাত অন্তৰংগ আলাপ, মত বিনিময় অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৭ মে' ঃ** বিশ্বৰ অন্যতম প্ৰাকৃতিক জলাশয় হিচাপে পৰিগণিত হৈ অহা দীপৰ বিলক ৰক্ষা কৰিবলৈ দীপৰ বিলৰ গাতে লাগি থকা অঞ্চল হিচাপে আমি আজাৰা কেওটপাৰা বাসীয়ে সদায় কাম কৰি আহিছো আৰু কৰি যাম। আমাৰ অঞ্চলটোৰ বেছিভাগ লোক অনুসূচিত জাতিৰ আৰু মাছমৰীয়া হোৱা বাবে পুৰুষানুক্ৰমে দীপৰ বিলত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰি আহিছে। কিন্তু বিগত সময়ছোৱাত দীপৰ বিলৰ পানীভাগ অধিক প্ৰদূষিত হোৱা বাবে বহুতো মাছ-কাছ আৰু জলজ উদ্ভিদৰ মৃত্যু হৈছে। এই মন্তব্য দীপৰ বিল সুৰক্ষা মঞ্চৰ কাৰ্যকৰী সভাপতি গোলক দাসৰ। যোৱা ২৫ মে'ৰ সন্ধিয়া দীপৰ বিল সুৰক্ষা মঞ্চৰ উদ্যোগত আজাৰা কেওটপাৰাত আয়োজিত 'ডাম্পিং গ্ৰাউণ্ড স্থাপনৰে পৰিৱেশ বিনষ্ট, পামহী কেনেলেৰে দূষিত পানী পেলোৱা কাৰ্য বন্ধ কৰা, নিৰ্মাণৰত অৱস্থাত থকা ছহিদ উদ্যানৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা বিষয়ত জাতীয় দল-সংগঠনৰ ভূমিকা' বিষয়ত এক অন্তৰংগ আলাপ আৰু মত বিনিময় অনুষ্ঠানত অংশ লৈ এইদৰে মন্তব্য কৰে মঞ্চৰ কাৰ্যকৰী সভাপতি গোলক দাসে। অনুষ্ঠানত দাসে কয় যে কেওটপাৰাকে ধৰি দাঁতি কাষৰীয়া অঞ্চলৰ যিসকল বাসিন্দাই দীপৰ বিলত মাছ মাৰি জীৱন নিৰ্বাহ কৰি আহিছে তেওঁলোকৰ এতিয়া জীৱন জীৱিকাৰ ক্ষেত্ৰত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই অৱস্থাৰ সৃষ্টি হৈছে দীপৰ বিলৰ পানী প্ৰদূষিত হোৱা বাবে। সময়ত সোৱাদ যুক্ত মাছৰ বাবে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সুনাম থকা দীপৰ বিলৰ সেই সুনাম আজি নোহোৱা বাবে চৰকাৰেই দায়ী বুলি আক্ষেপ প্ৰকাশ কৰে দাসে। আনহাতে, মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই আঁতধৰা অনুষ্ঠানটোত অংশ লৈ মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণে আক্ষেপ প্ৰকাশ কৰি কয় যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ (এনজিটি) নিৰ্দেশনা উলংঘা কৰি গুৱাহাটী পৌৰ নিগমে দীপৰ বিলক প্ৰদূষিত কৰাৰ বাবে তলাবন্ধ কৰি দিয়া ১৭ বছৰীয়া ডাম্পিং গ্ৰাউণ্ডৰ পৰা মাত্ৰ ডেৰ কিলোমিটাৰ নিলগৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ অন্তৰ্গত পশ্চিম বৰাগাঁৱৰ বেলৰতলত হাউছফেডৰ ৬০ বিঘা মাটিত ডাম্পিং গ্ৰাউণ্ড নিৰ্মাণ কৰা, এলিফেণ্ট ক'ৰিডৰ হিচাপে পৰিচিত দীপৰ বিলৰ দাঁতিয়েদি থকা পূৰ্বৰ ৰেল লাইনৰ ওচৰৰে বিদ্যুৎ পৰিবাহী দ্বৈত ৰেলপথ নিৰ্মাণ কৰাৰ বাবে ৰেলৰে কৰ্তৃপক্ষই যি কাম আৰম্ভ কৰিছে আমি তাৰ তীব্ৰ বিৰোধিতা কৰিছো আৰু কৰি যাম। তেনেদৰে অসম আন্দোলনৰ ৮৫৫ জন জাতীয় ছহিদৰ ত্যাগৰ স্মৃতি চিৰযুগমীয়া কৰাৰ লক্ষ্যৰে পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনত আৰম্ভ হোৱা ছহিদ উদ্যানখনৰ নিৰ্মাণকাৰ্য বিগত প্ৰায় দুবছৰ আগৰে পৰা চলি আহিছে। ডাম্পিং গ্ৰাউণ্ডটো ছহিদ উদ্যানৰ ওচৰতে আছে আৰু ডাম্পিং গ্ৰাউণ্ডটো স্থাপন হৈছে নমাহ আগতে। ফলত অসমৰ সকলো দল-সংগঠনে ছহিদ উদ্যানখনৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা তথা ছহিদ উদ্যানখন ৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিব লাগে বুলি হেনৰী ডেভিড টেৰণে সদৰী কৰে। আনহাতে, উক্ত অনুষ্ঠানত মঞ্চৰ সহকাৰী সাধাৰণ সম্পাদক সুশীল টেৰণ, পামহী কাৰ্বিপাৰা ৰাইজৰ সভাপতি সনেশ টেৰণ, দীপৰ বিল পাছপাৰা সমবায় সমিতিৰ সম্পাদক গোলক দাস, আজাৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মনোৰঞ্জন ভট্টাচাৰ্যকে ধৰি কে'বাজনো বক্তাই পামহী কেনেলেৰে গুৱাহাটীৰ দূষিত পানীভাগ বিলত অহৰহ পেলাই থকা আৰু বিগত আগষ্টৰ পৰা বিলৰ পৰা কিছু নিলগৰ বেলৰতলত গুৱাহাটী পৌৰ নিগমে ডাম্পিং গ্ৰাউণ্ড স্থাপন কৰি দূষিত গেলাপচা জাবৰ, আৱৰ্জনা পেলাই অহা কাৰ্য কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি ব্যক্ত কৰি ডাম্পিং গ্ৰাউণ্ড বিৰোধী আন্দোলনটো ব্যাপক ৰূপত প্ৰসাৰ হ'ব লাগে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতাই ডাম্পিং গ্ৰাউণ্ড সন্দৰ্ভত গুৱাহাটী পৌৰ নিগমৰ স'তে বিগত সময়ছোৱাত হোৱা আলোচনাৰ অগ্ৰগতিৰ এক খতিয়ান দাঙি ধৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষক-সমাজকৰ্মী লক্ষেশ্বৰ বৰাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৭ মে' ঃ** যোৰহাট গৰখীয়া দৌল অনন্ত কন্দলী বিদ্যাপীঠৰ পৰা ২০০৯ত অৱসৰগ্ৰহণ কৰা সৰ্বাইবন্ধা কৃষ্ণ নগৰ নিবাসী, মইনা পাৰিজাতৰ কৰ্মী, সমাজকৰ্মী লক্ষেশ্বৰ বৰা )৭৪)ৰ যোৱা ২৫ মে'ত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত মৃত্যু হয়। পত্নীসহ দুই পুত্ৰ-বোৱাৰী আৰু একমাত্ৰ কন্যা-জোঁৱাইসহ আত্মীয়ক এৰি যোৱা বৰা জন্মসূত্ৰে বালিগাঁৱৰ বাসিন্দা আছিল। সৰুৰে পৰা সামাজিক কাম-কাজত জড়িত সৰবৰাহী লোকজন অসম সাহিত্য সভা, সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্য আছিল। মইনা পাৰিজাত সৱল আৰু সক্ৰিয় কৰি ৰখাত তেওঁ আজীৱন কাম কৰিছিল।

## বৰষুণ গ'লে জাপি চোৰ গ'লে লাঠি নীতি কৃষি বিভাগৰ

### ■ চতিয়াত ধানৰ বীজ বিচাৰি হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২৭ মে' ঃ** সাধাৰণতে ব'হাগ বিহুৰ পাছতে এপ্ৰিল-মে'ত অসমৰ কৃষক ৰাইজে ধান খেতিৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে। মে'ৰ দ্বিতীয় সপ্তাহৰ পৰা খেতিৰ বাবে শালি, লাহি ধানৰ কঠীয়া কৃষকে সিঁচে। কিন্তু অতি দুখৰ বিষয় যে অসমত কৃষকে সময় মতে কঠীয়াৰ বাবে ধানৰ বীজ পাবলৈ সক্ষম নহয়। অসম চৰকাৰৰ কৃষি বিভাগে বৰষুণ গ'লে জাপি, চোৰ গ'লে লাঠি নীতি অনুসৰণৰে কঠীয়া সিঁচাৰ সময় উকলি যোৱাৰ পাছতহে ধানৰ বীজ বিতৰণ কৰা দেখা যায়। চৰকাৰে দৰিদ্ৰ কৃষকৰ বাবে উন্নত মানৰ ধানৰ বীজ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও কাৰ উদাসীনতা তথা হেমাহিৰ বাবে কৃষকে সময় মতে বীজ পাবলৈ সক্ষম নহয়। বৰ্তমান মে' মাহ। কঠীয়া সিঁচাৰ সময়। সেয়ে চতিয়াত কৃষকে চৰকাৰী বীজলৈ বাট নাচায় নিজে অধিক মূল্য দি বীজ ক্ৰয় কৰি কঠীয়া সিঁচা আৰম্ভ কৰিছে। চতিয়াৰ একাংশ কৃষকে চৰকাৰৰ ওচৰত আহ্বান জনাইছে উপযুক্ত সময়ত ধানৰ বীজ বিতৰণ কৰক অথবা কঠীয়া কিনাৰ বাবে আৰ্থিক অনুদান প্ৰদান কৰক।

# দক্ষতা বিকাশত যোগৰ ভূমিকা গুৰুত্বপূৰ্ণ ঃ ড° মহন্ত

### ■ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বিশেষ অনুষ্ঠান




**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় তথা বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে যাৱতীয় পৰিকল্পনা কৰাৰ বাবে বিশ্ববিদ্যালয়খনৰ গুৱাহাটী চৌহদত কালি 'এ ব্ৰেইন ষ্টৰ্মিং চেচন-এ ৱে ফৰৱাৰ্ড' অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই পৰিচালনা কৰা কাৰ্যসূচীত অসম চৰকাৰৰ শৈক্ষিক উপদেষ্টা ড° ননী গোপাল মহন্তৰ লগতে বিভিন্ন ক্ষেত্ৰৰ অন্যান্য বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে। অধ্যাপক ড° মহন্তই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা, সমগ্ৰ দেশজুৰি শংকৰদেৱৰ ভক্তি আন্দোলনৰ দৃষ্টান্তৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। তেওঁ উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় এন ই পিৰ বিষয়েও উল্লেখ কৰাৰ লগতে চাহিদাৰ ওপৰত ভিত্তি কৰি সমসাময়িক বিষয়সমূহৰ দ্বাৰা অন্তৰ্ভুক্ত কৰি পৰম্পৰাগত পাঠ্যক্ৰমসমূহৰ সলনিৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়খনৰ পৰিকল্পনা আৰু বিত্ত বিভাগৰ সঞ্চালক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই অংশগ্ৰহণকাৰীসকলক আদৰণি জনায় আৰু আশা কৰে যে এই আলোচনাই বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ বাবে অন্যান্য ৰণনীতি তৈয়াৰ কৰাত সহায় কৰিব। অনুষ্ঠানত 'দ্য আছাম ট্ৰিবিউন'ৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰ কথা মনত ৰাখি এই বিশ্ববিদ্যালয়খনৰ বাবে শান্তি নিকেতন মডেলৰ পৰামৰ্শ দিছিল বুলি কৰা অনুষ্ঠানত বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ পৰিচালক ড° অমল চন্দ্ৰ কটকী, প্ৰতিষ্ঠিত লেখক, সমালোচক ময়ূৰ বৰা, *১৩ পৃষ্ঠাত চাওক*

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, সমাজকৰ্মীক সম্বৰ্ধনা



**বিশেষ সংবাদদাতা**

**নগাবাট, ২৭ মে' ঃ** বৰহোলাৰ বৃহত্তৰ ৰজাবাহৰ অঞ্চলৰ উচ্চ শিক্ষাৰ গুৰি ধৰোতা তথা ৰজাবাহৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী হেমলতা ফুকন আৰু তেওঁৰ স্বামী সমাজকৰ্মী তথা বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কেৰাণী সোণাকান্ত ফুকনক সেউজী কানন সাহিত্য সভাই অলপতে সম্বৰ্ধনা জ্ঞাপন কৰে। যোৰহাট জিলাৰ কবি সন্মিলনৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক মহেন্দ্ৰনাথ হাজৰিকা আৰু সেউজ কানন পৰিয়ালবৰ্গই দুয়োগৰাকীক এখন ফুলাম গামোচা-মানপত্ৰৰে নিজা বাসগৃহত সম্বৰ্ধনা জ্ঞাপন কৰি সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। উল্লেখ্য যে সোণাকান্ত ফুকন এসময়ত বৰহোলা অঞ্চলৰ ফুটবল খেলুৱৈৰ উপৰি প্ৰশিক্ষণপ্ৰাপ্ত দক্ষ ফুটবল খেলৰ ৰেফাৰী হিচাপে সুনাম অৰ্জন কৰিছিল।

## মৰিকলঙত মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মে' ঃ** নগাঁও চহৰৰ মৰিকলং বিলত আজি দুপৰীয়া এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। মৰিকলঙত ওপঙি থকা অৱস্থাত মাছ ধৰিবলৈ যোৱা একাংশ ব্যক্তিয়ে মৃতদেহটো প্ৰত্যক্ষ কৰে। পিন্ধনত হাফপেন্ট আৰু টি-ছাট পৰিহিত লোকৰ পৰিচয় বাতৰি লিখা সময়লৈকে উদ্ধাৰ হোৱা নাই। মৃতদেহটো উৰলি যোৱালৈ চাই লোকজনৰ মৃত্যু কে'বাদিনো পূৰ্বেই হোৱা বুলি অনুমান কৰা হৈছে। এই খবৰ লাভ কৰি ঘটনাস্থলীত মৰিকলং আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

## সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৭ মে' ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ৰঙাপৰা আঞ্চলিক সমিতিৰ এটা সঁজাতী দলে ৰঙাপৰাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে যোৱা ২৫ মে'ত ৰঙাপৰাত উপস্থিত হোৱা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক স্মাৰকপত্ৰ প্ৰদান কৰে। সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ৰঙাপৰা আঞ্চলিক সমিতিৰ সম্পাদক সঞ্জয় লম্বু, সদস্য অমৰিত লিম্বু, সন্তুচ লিম্বু সুজিত লিম্বু আৰু কৰণ কুমাৰ গুৰেয়ে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা ৰঙাপৰা আঞ্চলিক সমিতিৰ হৈ অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰে। নাহৰণি গাঁও পঞ্চায়তৰ অন্তৰ্গত কলিবাৰী, ফুলগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত উপৰনেপালী পাম, বৰজলি সোণাজুলি গাঁও পঞ্চায়তৰ অন্তৰ্গত গাভৰু নেপালী বস্তি কেঁচাপথ পকীকৰণ গোৰ্খালোকৰ ভূমি পট্টা, গোৰ্খা সাংস্কৃতিক ভৱন, ৰঙাপৰা অঞ্চলৰ সমগ্ৰ জনগোষ্ঠী নিবনুৱা সমস্যা সমাধান, ৰঙাপৰা অঞ্চলৰ ক্ৰীড়া ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিক উন্নয়ন, ৰঙাপৰা অঞ্চলৰ প্ৰাথমিক শিক্ষা উন্নয়নৰ আৰু গুৰুত্ব প্ৰদানৰ ব্যৱস্থা, ৰঙাপৰা অঞ্চলৰ মহিলা সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান, গোৰ্খা জনজাতিক জিএচি দাবী পূৰণ কৰাৰ বাবে আৰু ৰঙাপৰা অঞ্চলৰ ৰাইজৰ সমস্যাসমূহ সমাধানৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰা হয় বুলি সম্পাদক সঞ্জয় লিম্বুয়ে সংবাদ মাধ্যমক অৱগত কৰিছে।

## যাতায়াতৰ নামত দুৰ্ভোগ ভুগিছে চেঙাৰ কাছুমাৰাবাসীয়ে

### ■ একাঁঠু পানী, বোকা গচকি ছাত্ৰ-ছাত্ৰীৰ যাতায়াত

**আলোপতি, ২৭ মে' ঃ** বানপানী কমিলেও কমা নাই সৰ্বসাধাৰণ লোকৰ দুৰ্ভোগ। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমৰা বজাৰৰ পৰা কাছুমাৰা এন চি গাঁৱলৈ যোৱা পথটো বানে বিধ্বস্ত কৰাত সম্প্ৰতি ব্যাহত হৈ পৰিছে যাতায়াত। বানে পথটো ছিঙি নিয়াত একাঁঠু পানী, বোকা গচকি স্কুল-কলেজলৈ যাবলগীয়া হৈছে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকল। স্থানীয় লোকে জনোৱা মতে, কাছুমাৰা বজাৰ অঞ্চলত থকা কে'বাখন বিদ্যালয়লৈ দৈনিক শতাধিক ছাত্ৰ-ছাত্ৰী অতি বিপজ্জনকভাৱে বিদ্যালয়লৈ আহিবলগীয়া হৈছে। কৃষি প্ৰধান অঞ্চলটোৰ উৎপাদিত ফচল বিক্ৰীৰ



বাবে হাট-বজাৰলৈ নিয়াতো যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে স্থানীয় লোকসকল। পথটো বানে খহাই নিয়াৰ বাবে বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ চৰকাৰী চিকিৎসালয় কাছুমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ ৰোগী অহা-যোৱাৰ ক্ষেত্ৰতো ভীষণ সমস্যাৰ সন্মুখীন হৈছে। শীঘ্ৰে পথটো মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰিবলৈ স্থানীয় বিধায়ক আশ্ৰাফুল হুছেইনক দাবী জনাইছে ৰাইজে।

## ৰূপহীহাটত পিএমএৱাইৰ গৃহ আৱণ্টনৰ নামত জিপিচিৰ দৌৰাত্ম্য

### ■ বিডিঅ'ৰ পত্ৰৰ পাছতো গা নলৰিল মুখ্য কাৰ্যবাহী বিষয়াৰ

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ২৭ মে' ঃ** নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰূপহীহাট উন্নয়ন খণ্ডত দৰিদ্ৰ পৰিয়ালৰ নামত আৱণ্টিত হ'বলগীয়া পিএমএৱাইৰ গৃহ মঞ্জুৰীৰ নামত অবাধ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উন্নয়ন খণ্ডটোৰ জিউমাৰী, কাঞ্চনপুৰ, গড়াজান, হাতীপুখুৰী, উত্তৰ খাটোৱাল, দক্ষিণ খাটোৱাল, হাতীপাৰা, ৰূপহী গাঁও পঞ্চায়তত দৰিদ্ৰ লোকৰ বিপৰীতে আৱণ্টন হ'বলগীয়া পিএমএ ৱাইৰ (কেঁচা গৃহ) পকী গৃহ থকা ধনী পৰিয়ালৰ বিপৰীতে ব্যাপক হাৰত আৱণ্টন দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। পকী গৃহৰ পৰিৱৰ্তে ভঙা-ছিঙা গৃহত বসবাস কৰি অহা বুলি ফটো মাৰি তেনে অযোগ্য হিতাধিকাৰীক যোগ্য সজোৱাই জিঅ'টেগ কৰি আৱণ্টিত পুঁজি মোকলাই দিয়াৰ যো-জা চলিছে। উন্নয়ন খণ্ডটোত পিএমএৱাইৰ গৃহ আৱণ্টনৰ নামত একাংশ জিপিচিয়ে গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনাত ভূ লুণ্ঠিত কৰা সত্ত্বেও নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই কঠোৰ পদক্ষেপ গ্ৰহণ নকৰি চকুমুদা কুলিৰ ভাৱত অৱতীৰ্ণ হোৱা বুলি অভিযোগ উঠিছে। *১৩ পৃষ্ঠাত চাওক*

## মৰাণৰ তিলৈজান চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধন মন্ত্ৰী বৰাৰ



**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৭ মে' ঃ** চাহ বাগিচা অঞ্চলত শিক্ষা প্ৰসাৰৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰিছে এইবাৰ বিশেষ পদক্ষেপ। সেই অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ লগতে চাহ নগৰী ডিব্ৰুগড়ত স্থাপন কৰা হৈছে চাহ বাগিচা আদৰ্শ বিদ্যালয়। আজি ডিব্ৰুগড়ৰ জিলাৰ মৰাণৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তিলৈজান চাহ বাগিচাৰ নৱনিৰ্মিত আদৰ্শ বিদ্যালয় উদ্বোধন কৰিলে মন্ত্ৰী বিমল বৰাই। মন্ত্ৰী বৰাৰ স'তে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, জিলা শিক্ষা বিভাগৰ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী বৰাই আজি আদৰ্শ বিদ্যালয়খন উদ্বোধন কৰা পাছতে কাইলৈৰ পৰা আৰম্ভ হ'ব পাঠদান।

## প্ৰকৃত কৃষকক কেতিয়াও বঞ্চিত কৰিব নালাগে ঃ কমলকৃষ্ণ

### জলসিঞ্চন বিভাগৰ প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা আঁচনিৰ উদ্বোধন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৭ মে' ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ধুলাপাদুং গাঁৱত আজি ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা পৰ্যায় আঁচনিৰ উদ্বোধন কৰে। তেজপুৰ ৰঙাপৰা সংমণ্ডল (জলসিঞ্চন) বিভাগৰ উদ্যোগত অনুষ্ঠিত সভাত বিধায়ক তাঁতীয়ে ছুইচ টিপি সৌৰশক্তি চালিত জলসিঞ্চন আঁচনিৰ উদ্বোধন



কৰে। জলসিঞ্চন বিভাগৰ ৰঙাপৰা সংমণ্ডলৰ শাখা সহায়ক মনজুৰ আহমেদে আঁতধৰা সভাত বিধায়ক তাঁতীয়ে প্ৰকৃত কৃষকক কেতিয়াও আঁচনিৰ পৰা বঞ্চিত কৰিব নালাগে বুলি কয়। তেওঁ চৰকাৰৰ বিভিন্ন আঁচনিৰ সন্দৰ্ভত উল্লেখ কৰে আৰু কয় যে কৃষকসকলক সদায় উৎসাহিত কৰিব লাগে। কৃষকসকলক *১৩ পৃষ্ঠাত চাওক*

## বৰপেটা শিক্ষা খণ্ডৰ নলীগাঁও সমল কেন্দ্ৰৰ ১১খন বিদ্যালয়ত গুণোৎসৱ

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ২৭ মে' ঃ** দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ কালি সমাপ্ত হয়। বৰপেটা জিলাৰ বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত নলীগাঁও সমল কেন্দ্ৰৰ ১১ খন বিদ্যালয়ত কালি সফলতাৰে গুণোৎসৱ অনুষ্ঠিত হয়। এই ১১ খন বিদ্যালয়ৰ বাবে শিক্ষা বিভাগে চাৰিজন বহিঃ মূল্যায়ক, দুজন যোগযোগকাৰী বিষয়া আৰু ১১জন নডেল শিক্ষক নিয়োগ কৰিছিল। ৫৮৪ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছা আৰু দেশভক্ত হাইস্কুলৰ বাবে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক আব্দুল গফুৰ, ১৬৩৪ নম্বৰ উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, নলীগাঁও হাবিবীয়া প্ৰি-ছিনিয়ৰ



মাদ্ৰাছা আৰু পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ বাবে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° হিতেশ চন্দ্ৰ ৰয়, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়, হেলছা গাঁও প্ৰাথমিক বিদ্যালয় আৰু ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ বাবে ভৱানীপুৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তাইজুদ্দিন আহমেদ, দক্ষিণ দেশভক্ত প্ৰি-ছিনিয়ৰ মাদ্ৰাছা আৰু এন কে হাইস্কুলৰ বাবে ভৱানীপুৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° আব্দুছ *১৩ পৃষ্ঠাত চাওক*

## ঘগ্ৰাপাৰত পশুধনক ছিটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৭ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰত আজি পশুধনক বিনামূলীয়াকৈ ছিটা প্ৰদান কৰা হয়। ঘগ্ৰাপাৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ উদ্যোগত গাঁওখনৰ পশুপালকৰ সহযোগত ছিটা প্ৰদান কৰা হয়। আজি প্ৰায় ৭০ টা পশুধনক চৰকা ৰোগৰ প্ৰতিষেধক ছিটা দিয়ে। ঘগ্ৰাপাৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ প্ৰতুল তালুকদাৰৰ তত্ত্বাৱধানত অনুষ্ঠিত এই ছিটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰে ক্ষেত্ৰ সহায়ক ৰুবুল আলী, কমল বেজবৰুৱা আৰু পশুসখী মিত্ৰ অৰ্চনা বৰ্মন আদিয়ে। গাঁওখনত এনেদৰে ছিটা প্ৰদান কৰাত গাঁওবাসীয়ে জিলা পশু চিকিৎসা বিষয়া অশ্বিনী কলিতাক বিশেষ ধন্যবাদ জনাইছে। উল্লেখ্য যে ঘগ্ৰাপাৰ পশু চিকিৎসালয়ৰ অন্তৰ্গত প্ৰায় ৩৩ গাঁৱৰে পশুধনক এফ এম ডি প্ৰতিষেধক দিয়া হ'ব বুলি সদৰী কৰে।

## ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংগঠন এইড এট একছনৰ সমাৱৰ্তন

### ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীক প্ৰমাণপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৭ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংগঠন এইড এট একছনৰ ডিব্ৰুগড় সাহিত্য সভা ভৱনত সমাৱৰ্তন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে আন্তৰ্জাতিক সংগঠনটোৰ মুখ্য কাৰ্যালয় আছে জেনেভাত। ২০০৯ৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়কে ধৰি ভাৰতৰ ২২০ খন ৰাজ্যত নিবনুৱা যুৱক-যুৱতীসকলৰ মাজত উচিত মানৰ শিক্ষা আৰু বহনক্ষম জীৱিকাৰ প্ৰচাৰৰ দিশত কাম কৰি আহিছে। গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ জৰিয়তে ডিব্ৰুগড়, বিশ্বনাথ জিলা আৰু মেঘালয়ৰ পূব খাচী পাহাৰ আৰু ৰিভই জিলাত 'বহনক্ষম উন্নয়নৰ বাবে উদ্যোগ' শীৰ্ষক এক প্ৰকল্প আৰম্ভ কৰি নিম্ন আয়ৰ পৰিয়ালৰ যুৱক-যুৱতীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ বৃত্তিমূলক আৰু প্ৰযুক্তি পৰিচালনা দক্ষতা প্ৰদান কৰি আহিছে। ডিব্ৰুগড়ত ইতিমধ্যে তিনিটা গোট প্ৰশিক্ষণ সম্পূৰ্ণ হৈছে। আজি ডিব্ৰুগড় সাহিত্য সভা লক্ষ্মীনাথ বেজবৰুৱা ভৱনত সৌন্দৰ্য চৰ্চা, ফেশ্বন এণ্ড টেইলৰিং আৰু ইলেকট্ৰিচিয়ানৰ তিনিমহীয়া পাঠদান সমাপ্ত কৰা নিবনুৱা *১৩ পৃষ্ঠাত চাওক*

## কলগাছিয়াৰ শওঁপুৰত বেঁকী নদীৰ খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ



**কলগাছিয়া, ২৭ মে' ঃ** আমিনগাঁৱৰ পৰা বৰপেটা হৈ অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথৰ অৰ্ধেক অংশ বিধ্বংসী খহনীয়াত পৰি খহি গৈছে। যাৰ কাৰণে বৰপেটা জিলা প্ৰশাসন আৰু বৰপেটা গড়কাপ্তানী বিভাগে পথছোৱা বন্ধ কৰি দিবলগীয়া হৈছে। যোৱা ২৪ মে'ত অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই উক্ত খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। মন্ত্ৰীজনে নদীৰ খহনীয়া পৰিদৰ্শনৰ পাছতেই আজিৰে পৰা জিঅ' বেগেৰে খহনীয়া প্ৰতিযোধৰ কাম আৰম্ভ হৈছে। অৱশ্যে বৰ্তমান ৰাজ্যিক ঘাইপথছোৱা খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ অস্থায়ীভাৱে কাম কৰিবলৈ দিয়াৰ বিপৰীতে ডিচেম্বৰৰ পৰা স্থায়ীভাৱে খহনীয়া প্ৰতিৰোধৰ কাম কৰা হ'ব বুলি মন্ত্ৰীজনে সদৰী কৰিছে।

## শিক্ষাবিদ মুকুল চন্দ্ৰ চলিহা সোঁৱৰণী বক্তৃতানুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৭ মে' ঃ** বিশিষ্ট শিক্ষাবিদ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ (স্বতন্ত্ৰ)ৰ প্ৰাক্তন অধ্যক্ষ মুকুল চন্দ্ৰ চলিহাৰ সোঁৱৰণত তেওঁৰ পৰিয়ালবৰ্গৰ উদ্যোগত এলানি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰয়াত চলিহাৰ সহধৰ্মিণী, শিক্ষাবিদ তথা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অঞ্জনা চলিহাৰ ৮০বৰ্ষপূৰ্তি উদ্‌যাপনৰ লগতে সংগতি ৰাখি অহা ২৯ মে'ৰ দিনৰ ১০.৩০ বজাত জগন্নাথ বৰুৱা মহাবিদ্যায়ৰ গুণগোবিন্দ দত্ত প্ৰেক্ষাগৃহত এই বক্তৃতানুষ্ঠানৰ আয়োজন কৰা *১৩ পৃষ্ঠাত চাওক*

## বৰ্ণবাদ বিৰোধিতাতে আছে সংগ্ৰামৰ প্ৰাসংগিকতা

### ■ ৩৬ সংখ্যক ছহিদ দিৱসত ছহিদ সৌৰভ বৰাক সোঁৱৰণ

**যোৰহাট ২৭ মে' ঃ** অসমৰ সংৰক্ষণ আন্দোলনৰ প্ৰথম ছহিদ বিপ্লৱী যুৱক সৌৰভ বৰাৰ ৩৬ সংখ্যক ছহিদ দিৱস আজি মালৌ আলীৰ জাতীয় ভৱনত একলব্যৰ উদ্যোগত আৰু যোৰহাট মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগ তথা অধ্যয়নচক্ৰৰ সহযোগত পালন কৰা হয়। ২৬ বছৰ বয়সতে ছহিদ হোৱা বৰাৰ বিষয়ে সভাখনত দ্বিশতাধিক লোকে ভাগ লয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি বৰাৰ এসময়ৰ সতীৰ্থ দীপক ৰফিক আহমেদে তেওঁৰ ছহিদৰ তাৎপৰ্য বৰ্ণনা কৰে। অসাধাৰণ বিপ্লৱী সৌৰভ বৰাক তেওঁ কোনোদিনে পাহৰিব নোৱাৰে বুলি কয়। উল্লেখ্য যে ১৯৮৬ৰ ২৭ মে'ৰ দিনা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদত উগ্ৰজাতীয়তাবাদী বৰ্ণবাদী হত্যাকাৰীয়ে অনুসূচিত জাতি-জনজাতিৰ বাবে থকা সাংবিধানিক সংৰক্ষণৰ উপৰি মণ্ডল আয়োগৰ



পৰামৰ্শমতে অ'বিচিৰ বাবে ২৭ শতাংশ সংৰক্ষণ দাবী কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ দুৰ্নীতি উদঙাই দিয়াৰ বাবে বৰাক হত্যা কৰিছিল। উক্ত হত্যাকাণ্ডত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, পাছলৈ মুখ্যমন্ত্ৰী হোৱা নেতা আলফা জড়িত থকাৰ অভিযোগ উঠিছিল। উক্ত সভাৰ সভাপতি মণ্ডলী আছিল গোপাল গোস্বামী, পুলিন ফুকন দেৱব্ৰত শৰ্মা আৰু অধ্যাপিকা ৰূপালী বৰা। স্মৃতিচাৰণ সভাখনত সৌৰভ বৰাৰ *১৩ পৃষ্ঠাত চাওক*

### শ্ৰদ্ধাঞ্জলি

## বিজয়া দেৱী



**মা,** তুমি আমাক এৰি গুচি গ'লা অজান মুলুকলৈ। আমি শোক সাগৰত ডুবি থাকিলেও তোমাৰ কৰ্মৰ নিদেৰ্শন সদায়ে মনত ৰাখি আগুৱাই যাম। তোমাৰ সপোনবোৰ বাস্তৱত ৰূপায়ণ কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিম। নিয়তিয়ে তোমাক যোৱা ১৮ মে'ত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰাই নিলেও তোমাৰ অতিথি আপ্যায়নতা, মৰমিয়াল গৃহিণী আৰু মাতৃসুলভ মমতাৰ কথা আটায়ে মন গহনত সাঁচি ৰাখি আমাৰ যাত্ৰাপথত অগ্ৰসৰ হোৱাত অকণো ত্ৰুটি নকৰো। তুমি য'তে আছা কুশলে থাকা আৰু তাৰ পৰা আমাক দি থাকিবা আশীৰ্বাদ। আজি আদ্যশ্ৰাদ্ধৰ দিনা তেমাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি যাচিলো একাঁজলি শ্ৰদ্ধাঞ্জলি।

**প্ৰতীক্ষা চক্ৰৱৰ্তী**

# মঙলদৈত যুৱতীক ধৰ্ষণৰ চেষ্টা

## ■ যুৱকক হাতে-লোটে আটক

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৭ মে’ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী ব্লক চ’কৰ বংলাগড় চাহ বাগানত আজি এগৰাকী যুৱতীক ধৰ্ষণৰ অপচেষ্টা চলোৱাৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, বাগানখনৰ এগৰাকী যুৱতীয়ে আজি নিজ কামৰ পৰা নিজ কৰ্তব্য পালন কৰি উভতি অহাৰ পথত বাগানখনৰেই এজন পুৰুষে যুৱতীগৰাকীক বলপূৰ্বক ধৰ্ষণৰ চেষ্টা চলায়। জনৈক লুধু গোৱালা (৪০) নামৰ যুৱকজনে যুৱতীগৰাকীক বংলাগড় বাগানৰ ঘন জংঘললৈ টানি নি এই জঘন্য ঘটনা সংঘটিত কৰিবলৈ অপচেষ্টা চলায়। অকলশৰীয়া যুৱতীগৰাকীয়ে নিজক বচাবৰ বাবে চিঞৰ-বাখৰ কৰিবলৈ লওঁতেই যুৱকজনে যুৱতীগৰাকীক ডিঙি চেপি হত্যা কৰাৰ বাবে চেষ্টা চলায়। অৱশ্যে স্থানীয় কেইজনমান লোকৰ চেষ্টাত কথমপি ৰক্ষা পৰে যুৱতীগৰাকী। ঘটনাৰ উমান পাই মঙলদৈ সদৰ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গোৱালাক ঘটনাস্থলীৰ পৰা আটক কৰি থানালৈ লৈ যায়। উল্লেখ্য যে লুধুই আগতেও বহুবাৰ এনে কাণ্ড সংঘটিত কৰি কাৰাবাস খাটিবলগীয়া হৈছিল।

# ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী

১২ পৃষ্ঠাৰ পৰা যুৱক-যুৱতীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে এক সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। সমাৱৰ্তনত ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ক্ষেত্ৰ পৰিদৰ্শক মানফ চাৰ্জাড অনম, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনসহ কে’বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# শিক্ষাবিদ মুকুল চন্দ্ৰ চলিহা সোঁৱৰণী

১২ পৃষ্ঠাৰ পৰা হৈছে। আধ্যাত্মিকতা আৰু বিজ্ঞান শীৰ্ষক প্ৰথমলানি বক্তৃতা অনুষ্ঠানত ড° আনন্দ বৰমুদৈৰ দ্বাৰা সম্পাদিত ড° অঞ্জনা চলিহাৰ জীৱন-দৰ্শন বিষয়ক গ্ৰন্থ উন্মোচন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই। উল্লেখ্য যে এই অনুষ্ঠানতে মুকুল চন্দ্ৰ চলিহাৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা পদাৰ্থ বিজ্ঞান আৰু দৰ্শন বিভাগৰ তিনিগৰাকী কৃতী শিক্ষাৰ্থীক বিশেষ এককালীন বঁটা প্ৰদান কৰা হ’ব। আয়োজক সমিতিয়ে সমূহ বিদ্যানুৰাগী ৰাইজৰ উপস্থিতি একান্তই কামনা কৰিছে।

# দক্ষতা বিকাশত যোগৰ ভূমিকা গুৰুত্বপূৰ্ণ

১২ পৃষ্ঠাৰ পৰা গুৱাহাটী বিশ্ববিদ্যলয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকা, অসম দক্ষতা অভিযানৰ পৰিচালন সঞ্চালক অনুৰাজ জৈন, ড° সুৰেশ নাথ, ড° মুকুলেশ বৰুৱা, ড° মৃণাল কুমাৰ বৰাৰ লগতে অন্যান্য জ্যেষ্ঠ অধ্যাপকসকলেও অংশ লয়। অনুষ্ঠানৰ বিষয়ে সংবাদ মাধ্যমক এক বিজ্ঞপ্তিযোগে জনাইছে বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক (প্ৰশাসনিক) ড° শেখৰ কান্তি সৰকাৰে।

# ৰূপহীহাটত পিএমএৱাইৰ গৃহ আৱণ্টনৰ

১২ পৃষ্ঠাৰ পৰা ইপিনে, জিউমাৰী গাঁও পঞ্চায়তত কেঁচা গৃহ থকা পৰিয়ালক পিএমএৱাইৰ গৃহ আৱণ্টনৰ বেলিকা সংঘটিত হোৱা সীমাহীন কেলেংকাৰিয়ে সচেতন মহলৰ চকু কপালত তুলিছে। পঞ্চায়তখনৰ জিপিচি ছাকিল আহমেদে পকী গৃহ থকা বহু পৰিয়ালক গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনা উলংঘা কৰি পিএমএৱাইৰ গৃহ আৱণ্টন দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। পঞ্চায়তটোৰ বিপৰীতে আৱণ্টিত সাতশ কেঁচা গৃহৰ হিতাধিকাৰীৰ এক বুজন পৰিমাণৰ হিতাধিকাৰীৰ পকী গৃহ থকা সত্বেও চল চাতুৰিৰে জি’অটেগ কৰা বুলি গুৰুতৰ অভিযোগ উঠিছে। পঞ্চায়তখনৰ আঠ নম্বৰ আৰু ন নম্বৰ ৱাৰ্ড দুখনৰ সদস্যৰ লগলাগি পকী গৃহ থকা পৰিয়ালক কেঁচা গৃহত বসবাস কৰা বুলি ফটো আপলোড কৰি গৃহ আৱণ্টন দিয়াৰ বুলি গুৰুতৰ অভিযোগ উঠিছে। পঞ্চায়তখনৰ বহু ৰাইজে বি ডি অ’ বিশ্বজিৎ দেৱ ওচৰত দুগৰাকী ৱাৰ্ড সদস্যই ১৫ হেজাৰ টকাকৈ সংগ্ৰহ কৰি কেঁচা গৃহৰ অবাধ কেলেংকাৰি সংঘটিত কৰা বুলি লিখিত অভিযোগ দাখিল কৰিছে। উন্নয়ন খণ্ডটোৰ বি ডি অ’ই কেঁচা গৃহৰ নামত পঞ্চায়তটোত সংঘটিত হোৱা এই বিয়াগোম কেলেংকাৰিৰ ক্ষেত্ৰ ভিত্তিক কেলেংকাৰিৰ তদন্ত কৰিবলৈ যোৱাত ৰাইজে ৱাৰ্ড সদস্য আৰু জিপিচিজনৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছিল। সেই অনুসৰি বি ডি অ’ দেই জিপিচিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ ইংগিত দিয়ে। বিডিঅ’ই নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক সমস্ত ঘটনা অৱগত কৰি জিপিচিক বদলি কৰিবৰ বাবে পত্ৰ প্ৰেৰণ কৰে। কিন্তু নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মাই জিপিচিৰ বিৰুদ্ধে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ নকৰি বিডিঅ’ৰ পত্ৰ গাপ দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে।

# প্ৰকৃত কৃষকক কেতিয়াও বঞ্চিত কৰিব

১২ পৃষ্ঠাৰ পৰা উৎসাহিত কৰিবলৈ এই আঁচনি দিয়া বুলি তেওঁ উল্লেখ কৰে। এনে ধৰণৰ প্ৰকল্পই অনাগত দিনত গ্ৰাম্য অৰ্থনীতি বাৰুকৈয়ে ত্বৰান্বিত কৰিব। প্ৰতিডৰা খেতিত পানী- এই নীতিৰ জৰিয়তে সকলোবোৰ খেতি মাটিত জলসিঞ্চনৰ সমান বিতৰণ আৰু প্ৰতি টোপালত অধিক শস্য নীতিৰ দ্বাৰা সকলো খেতিতে সঠিক পৰিমাণৰ পানীৰ ব্যৱহাৰ হোৱাৰ লক্ষ্য আগত ৰাখি প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অৱতাৰণা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অঞ্চলটোৰ সমাজকৰ্মী মুকুল তাঁতীয়ে সভাপতিত্ব কৰা সভাত জলসিঞ্চন বিভাগৰ তেজপুৰ ৰঙাপৰা সংমণ্ডলৰ অধীক্ষক অভিযন্তা উৎপল নাথ, সহকাৰী অভিযন্তা অভিজিত বৰা, কাৰ্যবাহী অভিযন্তা এবেল নিয়েল পিটাৰ, নামনিগাঁও পঞ্চায়তৰ সভাপতি মাথিয়াছ মুণ্ডা আৰু বহু সচেতন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। চৰকাৰৰ বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি জলসিঞ্চন বিভাগে এই অনুষ্ঠান আয়োজন কৰা বুলি সহকাৰী অভিযন্তা অভিজিত বৰাই উল্লেখ কৰে। তেজপুৰ ৰঙাপৰা সংমণ্ডলৰ অধীক্ষক অভিযন্তা উৎপল নাথে কয় যে অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অন্তৰ্গত ১০০টা টিউবৱেল আঁচনি ৰূপায়ণ কৰা হৈছে আৰু এই আঁচনি সৰ্বত্ৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এনে ধৰণৰ ইতিবাচক প্ৰকল্পই কৃষক ৰাইজৰ মাজত আশাৰ ৰেঙণি কঢ়িয়াই আনিব বুলি তেওঁ উল্লেখ কৰে। সভাত গাঁওখনৰ চৰকাৰী গাঁওবুঢ়া মিন্টু দাস, খেতিয়ক জীতেন কুজুৰৰ, ৰাতুল মুণ্ডা, মহেশ দাস, ৰঞ্জিত তাঁতী, বিভাগটোৰ বিষয়া-কৰ্মচাৰী তথা অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

# বৰপেটা শিক্ষা খণ্ডৰ নলীগাঁও সমল

১২ পৃষ্ঠাৰ পৰা ছালামক শিক্ষা বিভাগে বহী মূল্যায়কৰূপে নিয়োগ কৰে। বহী মূল্যায়কৰ উপস্থিতিত অনুষ্ঠিত পৰীক্ষাত ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ ১৫১ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৫১ জনেই অৰ্থাৎ ১০০ শতাংশ ছাত্ৰ-ছাত্ৰী, দেশভক্ত হাইস্কুলত ৫২ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৫১ জন অৰ্থাৎ ৯৮.৬১ শতাংশ, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ত ৬২ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৫৯ জন অৰ্থাৎ ৯৫.১৬ শতাংশ, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়ত ৪৭ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৪৪ জন অৰ্থাৎ ৯৩.৬১ শতাংশ, ১৬৩৪ নম্বৰ উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ত ৭৭ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৭১ জন অৰ্থাৎ ৯২.২০ শতাংশ, দক্ষিণ দেশভক্ত প্ৰি ছিনিয়ৰ মাদ্ৰাছাত ৭৫ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬৯ জন অৰ্থাৎ ৯২ শতাংশ, এন কে হাইস্কুলত ৩১৬ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২৮৯ অৰ্থাৎ ৯১.৪৫ শতাংশ, নলীগাঁও হাবিবীয়া প্ৰি-ছিনিয়ৰ মাদ্ৰাছাত ৪২ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩৮ জন অৰ্থাৎ ৯০.৪৭ শতাংশ,৫৮৪ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ত ১২৭ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১১২ জন অৰ্থাৎ ৮৮.১৮ শতাংশ, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছাত ৭৩ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬৪ জন অৰ্থাৎ ৮৭.৬৭ শতাংশ আৰু হেলছা গাঁও প্ৰাথমিক বিদ্যালয়ত ৪৩ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩৭ জন অৰ্থাৎ ৮৬.০৪ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হয়। প্ৰতিটো বিদ্যালয়ত বহী মূল্যায়কে ছাত্ৰ-ছাত্ৰীৰ প্ৰাতঃসভা, বিদ্যালয়ৰ তথ্য সংৰক্ষণ, শিকন ফলাফল, ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা, ছাত্ৰ সংসদ, শিক্ষণ-শিকন সামগ্ৰী, উদ্ভাৱনীমূলক অনুশীলন, পুথিভঁৰাল ব্যৱহাৰ, ক’ভিডৰ সময়ত শৈক্ষিক পেকেজৰ ব্যৱহাৰ, বিনামূলীয়া ঐক্য সাজ, বিনামূলীয়া পাঠ্যপুথি, বিদ্যালয়ত শিক্ষকৰ উপস্থিতি, বিদ্যালয় পৰিদৰ্শন, জৈৱ বৈচিত্ৰ্যৰ পঞ্জীয়ন, বিদ্যালয়ৰ বিভিন্ন পুঁজিৰ ব্যৱহাৰ, বিদ্যালয় পৰিচালনা সমিতিৰ বিদ্যালয়ত অংশগ্ৰহণ, বিদ্যালয়ত সমাজ জড়িতকৰণ, বিদ্যালয়ত মধ্যাহ্ন ভোজন, বিদ্যালী, টুইনিং বিদ্যালয় পাঠদান, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, ক’ভিডৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষাৰ্থীৰ লগত যোগাযোগ, স্বাস্থ্যৰ তথ্য, শৌচাগাৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, হাত-ধোৱা ঠাই, ডেস্ক-বেঞ্চ পৰ্যবেক্ষণ, বৈদ্যুতিকৰণ, বিশুদ্ধ খোৱাপানী, বিশেষ প্ৰয়োজনীয় শিশুৰ সুবিধা, ক’ভিড প্ৰতিৰোধী আৰু নিৰাপত্তা ব্যৱস্থা, বিদ্যালয়ৰ কম্পিউটাৰ সুবিধা আদি পৰ্যবেক্ষণ কৰে। তদুপৰি বহী মূল্যায়কে ছাত্ৰ-ছাত্ৰীৰ পঠন, লিখন আৰু সাংখ্যিক জ্ঞানৰ পৰীক্ষা কৰে।

# বৰ্ণবাদ বিৰোধিতাতে আছে সংগ্ৰামৰ

১২ পৃষ্ঠাৰ পৰা সতীৰ্থসকলৰ উপৰি যোৰহাট মহাবিদালয়ৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী তথা নাছা-নিছাৰ সদস্য উপস্থিত থাকে।ৰদকাঁচিয়লিৰ সম্পাদক বিষ্ণুৰাত শৰ্মাই অত্যন্ত মৰমিয়াল, বিশাল হৃদয়ৰ বিপ্লৱী যুৱকজনক শৈশৱতে লগা পোৱা স্মৃতি সুঁৱৰি আবেগিক হৈ উঠে। তেওঁ বৰাৰ মাত্ৰ ২৬ বছৰীয়া ঘটনাবহুল সংগ্ৰামী জীৱনটোৰ আলোকপাত কৰে। বিপ্লৱী মতাদৰ্শত দীক্ষিত বৰাই অসম আন্দোলনৰ যি ক্ষুৰধাৰ বিশ্লেষণ কৰিছিল, সেই তেতিয়াই তেওঁ অসম আন্দোলন সম্পৰ্কে যিখিনি কথা ভৱিষদ্বাণী কৰিছিল সেৱা আজি অকাট্যভাৱে প্ৰমাণিত হৈছে বুলি তেওঁ কয়। সভাপতিমণ্ডলীৰ ফালৰ পৰা যোৰহাট জিলা আহোম সভাৰ সভাপতি তথা বৰাৰ সতীৰ্থ পুলিন ফুকনে সৌৰভ বৰাৰ সান্নিধ্যৰ কথা সোঁৱৰে। তেওঁ বৰাক আজন্ম বিপ্লৱী নিৰ্ভীক বীৰ আখ্যা দিয়ে। বৰাৰ সতীৰ্থ দেৱব্ৰত শৰ্মাই জে বি কলেজত পঢ়াৰ দিনৰ পৰা বিশ্ববিদ্যালয়ৰ দিনলৈ বৰাৰ উমাল, তেজাল বিপ্লৱী সংগ্ৰামী সত্তাৰ সোঁৱৰণ কৰে, তেওঁ কয় যে সৌৰভৰ মৃত্যু নাই। তেওঁ সৌৰভ বৰাক অসমৰ সংৰক্ষণ আন্দোলনৰ ‘মভিং স্পিৰিত’ আৰু ‘ব্ৰেইন’ আখ্যা দিয়ে। তেওঁ সৌৰভ বৰাৰ প্ৰাসংগিকতা আজিও অম্লান হৈ আছে বুলি কয়। বিশ্বায়নী পুঁজিবাদ বিৰোধী, বৰ্ণবাদ বিৰোধিতাতেই আছে সেই সংগ্ৰামৰ প্ৰাসংগিকতা। অধ্যাপিকা ৰূপালী বৰাই বৰাৰ বিপ্লৱী সত্তাক প্ৰণাম জনাই দুষাৰ কয়। সভাৰ অন্যতম সভাপতি সমাজকৰ্মী গোপাল গোস্বামীয়ে তেওঁ একালত ঘনিষ্ঠভাৱে লগ পোৱা বিশাল বিপ্লৱী যুৱকজনৰ কথা যুক্তিনিষ্ঠ আৰু তথ্যপূৰ্ণ ভাষাৰে কয়। সভাত যোৰহাট মহাবিদ্যালয়ৰ অধ্যাপক ড° বিদ্যুৎ বৰাৰ দ্বাৰা অনুদিত ‘মাৰাংগমকে জয়পাল সিং মুণ্ডা’ কিতাপখন উন্মোচন কৰি পুলিন ফুকনে এয়া বিদ্যুৎ বৰাৰ বিৰল কষ্টপ্ৰদ অবদান বুলি কয়। সভাখনত ড° বিদ্যুৎ বৰা, অভিজিত ভৰালী আক চাকলিন মোস্তাক লিখিত ‘বৃটিচ বিৰোধী ছহিদ তেলেংগা খাৰিয়া আৰু ৰত্নী খাৰিয়া কিতাপখনো’ উন্মোচন কৰে শ্ৰেণীসংগ্ৰামৰ ব্যৱস্থাপক গোপাল গোস্বামীয়ে। ড° বিদ্যুৎ বৰাই কিতাপ কেইখনৰ বিষয়ে বহলাই কয়। তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰাম অসমৰ আদিবাসীসকলৰ বিশাল অৱদানৰ কথা অবগত কৰে। তাই আহোম নেতা অমৃত চেতিয়াৰ সম্পাদনাত প্ৰাকাশ পোৱা ‘বিতৰ্কৰ আৱৰ্তত হেমকোষঃঅসমীয়া জাতি গঢ়িছে নে ভাঙিছে’ কিতাপখনো সভাপতি ফুকনে উন্মোচন কৰি কয় যে আকাৰত সৰু হ’লেও কিতাপখনত যথেষ্ট গুৰুত্বপূৰ্ণ। তেওঁ সম্পাদক অমৃত চেতিয়াৰ শলাগ লয়। সভাত বক্তাসকলে সৌৰভ বৰাৰ আদৰ্শৰে এহাতে বিশ্বায়নী পুঁজিবাদ আৰু আনহাতে ব্ৰাহ্মণ্যবাদ-বৰ্ণবাদৰ বিৰুদ্ধে শোষিত-নিপীড়িতৰ সংগ্ৰাম জোৰদাৰ কৰাৰ শপত লয়। ডলু লালবাগৰ সংগ্ৰামী চাহশ্ৰমিকসকললৈ সমৰ্থন আগবঢ়োৱা সভাখনে সম্প্ৰতি সংৰক্ষণৰ ওপৰত নামি অহা বৰ্ণবাদী আক্ৰমণত উদ্বেগ প্ৰকাশ কৰে আৰু তাৰ ঐক্যবদ্ধ প্ৰতিৰোধৰ আহ্বান জনায়। ৰাজহুৱা শিক্ষা আৰু কৰ্মসংস্থান সংকোচনৰ বিৰুদ্ধে, শিক্ষাৰ ব্যক্তিগতকৰণ আৰু সাম্প্ৰদায়িকীকৰণৰ বিৰুদ্ধে, বিনামূলীয়া সাৰ্বজনীন শিক্ষাৰ পক্ষে, গুণোৎসৱৰ নামত বিদ্যালয় চামিল আৰু বিলুপ্তিৰ বিৰুদ্ধে, নেকৰ মূল্যাংকনৰ নামত মহাবিদ্যালয়ৰ পৰিসৰ কৰ্তনৰ বিৰুদ্ধেও সভাই সৰ্বসন্মত স্থিতিত উপনীত হয়। অচিৰেই শিক্ষাৰ অধিকাৰ আৰু কামৰ অধিকাৰৰ উপৰি উক্ত প্ৰশ্নত ৰাজ্যজুৰি এক ছাত্ৰ-যুৱ আন্দোলনৰো পোষকতা কৰে সভাই।

# টুলুঙা নাওৰে বিপদসংকুল যাতায়াত অব্যাহত ৰাইজৰ

## ■ তামাৰহাট-টুমবাগান সংযোগী পথৰ দলং খহনীয়াৰ কবলত



**তামাৰহাট, ২৭ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বানপানী আৰু খহনীয়াৰ ফলত ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ মীমামুৰীয়া অঞ্চল টুমবাগানত থকা তামাৰহাট-টুমবাগান সংযোগী পথৰ বাওনাই নদীৰ ওপৰত থকা বাঁহৰ দলংখন নদীত জাহ গৈছে। ফলত উপায়হীন হৈ টুলুঙা নাৱেৰে বিপদসংকুলভাৱে যাতায়াত অব্যাহত ৰাখিছে যাত্ৰীসকল। উল্লেখ্য যে নেৰানেপেৰা বৰষুণৰ ফলত ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ সীমান্তৰে বৈ যোৱা বাওনাই নদীৰ পানী ফেনে ফোটোকাৰে বাঢ়ি গৈ নৈপৰীয়া অঞ্চলৰ ৰাইজৰ ঘৰ-বাৰী, খেতিপথাৰ বুৰাই পোলোৱাৰ লগতে সৃষ্টি হৈছে তীব্ৰ খহনীয়াৰ। উক্ত খহনীয়াৰ কবলত পৰিছে ধুবুৰী জিলাৰ তামাৰহাট আৰু বিটিচিৰ কোকৰাঝাৰ জিলাৰ টুমবাগান সংযোগী পথছোৱা । গৰা খহনীয়াৰ কবলত পৰি তামাৰহাট-টুমবাগান সংযোগী পথছোৱা নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈ পৰাৰ লগতে যাতায়াতৰ বাবে থকা একমাত্ৰ বাঁহৰ দলংখনো নদীৰ পানীত জাহ গৈছে। উল্লেখ্য যে ইতিমধ্যে খহনীয়াৰ ফলত নদীৰ বুকুত জাহ গৈছে এটা কালী মন্দিৰ আৰু ১০ টা পৰিয়ালৰ ঘৰ-বাৰী। বাওনাই নদীৰ ওপৰত থকা বাঁহৰ দলংখন উটুৱাই নিয়াত টুলুঙা নাৱেৰে বিপদ সংকুলভাৱে পাৰাপাৰ হৈছে দূৰ-দূৰণিৰ পৰা অহা যাত্ৰী, ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু স্থানীয় ৰাইজ। তামাৰহাটৰ পৰা বি টি চিৰ বিভিন্ন অঞ্চল আৰু ৰূপসী বিমানকোঠলৈ যোৱা একমাত্ৰ পথছোৱাই হৈছে তামাৰহাট-টুমবাগান সংযোগী পথ। পথছোৱা আৰু বাঁহৰ দলংখন খহনীয়াৰ কবলত পৰাত দুৰ্ভোগ ভুগি আহিছে ২০ খনৰো অধিক গাঁৱৰ ৰাইজ। অঞ্চলটোৰ গৰাখহনীয়া প্ৰতিৰোধ আৰু বাওনাই নদীৰ ওপৰত এখন স্থায়ী পকী দলং নিৰ্মাণৰ বাবে অঞ্চলটোৰ ভুক্তভোগী ৰাইজে বি টি চি তথা অসম চৰকাৰক ওচৰত দাবী জনাইছে।

# চাৰি ভুৱা পৰীক্ষাৰ্থী গ্ৰেপ্তাৰ যোৰাবাটত

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৭ মে’ ঃ** মহানগৰীৰ সমীপৱৰ্তী নমাইলস্থিত চি আৰ পি এফৰ কেম্পত চাৰিগৰাকীকৈ ভুৱা প্ৰাৰ্থী গ্ৰেপ্তাৰ হয়। জানিব পৰা মতে কিছুদিন পূৰ্বে চি আৰ পি এফৰ চাকৰিৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হৈছিল। আনহাতে, কালি প্ৰাৰ্থীসকলৰ শাৰীৰিক পৰীক্ষা অনুষ্ঠিত হৈছিল। কিন্তু শাৰীৰিক পৰীক্ষাত মূল প্ৰাৰ্থীৰ বিপৰীতে অৱতীৰ্ণ প্ৰাৰ্থীকেইগৰাকীৰ হাতৰ স্বাক্ষৰ, আঙুলিৰ চাপ আদি বিসংগতি ধৰা পৰে। সমগ্ৰ বিষয়টো চি আৰ পি এফৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই নিজাববীয়াকৈ তদন্ত চলাই শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ চাৰিগৰাকীকৈ প্ৰাৰ্থী ভুৱা বুলি নিশ্চিত হয়। এনেস্থলত বাহিনীটোৰ সহ অধিনায়ক আমোচ লানাই যোৰাবাট আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ভুৱা প্ৰাৰ্থীকেইজন হ’ল চিৰাং জিলাৰ বিজনীৰ বুধিৰাম বসুমতাৰী (২৮), লাউগা ব্ৰহ্ম (২৫), চুবুংচৰ দৈমাৰী (২৫) আৰু বাগ্‌সা জিলাৰ ওদালগুৰিৰ বিলিৰ বসুমতাৰী (২৮)।

# টিহু ছোৱালী হাইস্কুলত মহিলাৰ স্বাস্থ্য বিষয়ক সজাগতা সভা




**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৭ মে’ ঃ** নলবাৰীৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সাৰথি আৰু মেটাৰনিটি হাস্পতালৰ উদ্যোগত, টিহু ছোৱালী হাইস্কুলৰ সহযোগত টিহু ছোৱালী হাইস্কুলত আজি কিশোৰীসকলৰ বিভিন্ন শাৰীৰিক সমস্যা শীৰ্ষক এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। অনুষ্ঠানত নলবাৰী সাৰথি আৰু মেটাৰনিটি হাস্পতালৰ স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগৰ চিকিৎসক ডাঃ স্বাগতা বৈশ্যই সমল ব্যক্তিৰূপে উপস্থিত থাকে। টিহু ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী লাৱণ্য ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাত ডাঃ বৈশ্যই মহিলাৰ মাহেকীয়া ঋতুকালীন বিভিন্ন সমস্যাৰ বিষয়ে উনুকিয়াই উক্ত সময়ছোৱাত ল’ব লগা সাৱধানতা আৰু চাফ-চিকুণতাৰ বিষয়ে উল্লেখ কৰে। ভাষণ প্ৰসংগত ডাঃ বৈশ্যই ফাষ্টফুডৰ অপকাৰিতাৰ লগতে জীৱন শৈলীৰ বিষয়ে ছাত্ৰীসকলক অৱগত কৰে। ভাষণ প্ৰসংগত তেওঁ শিক্ষাৰ্থীসকলক শাৰীৰিক ব্যায়াম, খোজকঢ়া আৰু যোগৰ ওপৰত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। টিহু মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা জেউতি তালুকদাৰ, টিহু ছোৱালী হাইস্কুলৰ ইক’ ক্লাবৰ সমন্বয়ক তথা শিক্ষক কিশোৰ কুমাৰ শৰ্মা, শিক্ষয়িত্ৰী নিলীমা দেৱী, নিৰ্মালি দেৱী, নলবাৰী সাৰথি আৰু মেটাৰনিটি হাস্পতালৰ জনসম্পৰ্কৰক্ষী কৰ্মচাৰী চন্দিতা চৌধুৰী আৰু ইনফৰমেছন টেকন’লজীৰ ইনচাৰ্জ জ্যোতিৰ্ময় কলিতা আদিকে ধৰি নলবাৰী সাৰথি আৰু মেটাৰনিটি হাস্পতালৰ কে’বাগৰাকী স্বাস্থ্যকৰ্মী উপস্থিত থাকে। শিক্ষক বিমান কলিতাই আঁত ধৰা অনুষ্ঠানত চিকিৎসকজনে শিক্ষাৰ্থীসকলে উত্থাপন কৰা স্বাস্থ্য বিষয়ক বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

# ডিজু-চিয়াজুলি চাহ বাগিচাৰ দুখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৭ মে’ ঃ** অসম মাধ্যমিক শিক্ষা বিভাগৰ অন্তৰ্গত চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা কৰি ৰাজ্যৰ বিভিন্ন স্থানৰ ৯৭ খন চাহ বাগিচা অঞ্চলত নৱনিৰ্মিত আদৰ্শ হাইস্কুল উদ্বোধনৰ লগতে লখিমপুৰ জিলাতো আজি নাওবৈচা সমষ্টিৰ ডিজু চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু ঢকুৱাখনা সমষ্টিৰ চিয়াজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আজি উদ্বোধন কৰা হয়। দুয়োখন আদৰ্শ বিদ্যালয় উদ্বোধন কৰে শ্ৰম-কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে। উদ্বোধনী ভাষণত মন্ত্ৰী কিষাণে কয়, ‘আমি ভাৰতবৰ্ষ তথা ৰাজ্যৰ লগত সমানে চাহ বাগিচাসমূহৰ শিক্ষাখণ্ডক আগুৱাই নিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ সপোনৰ ভাৰতৰ অংশ হিচাপে চাহ বাগিচাত এই আদৰ্শ বিদ্যালয়সমূহ প্ৰতিষ্ঠা কৰা হৈছে। এই বিদ্যালয়সমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰি একো একোজন সুনাগৰিক হৈ উঠিলে আমাৰ শ্ৰম সাৰ্থক হ’ব।’ তদুপৰি মন্ত্ৰীজনে ভৱিষ্যতে এই আদৰ্শ বিদ্যালয়সমূহ একাদশ-দ্বাদশ পৰ্যায়লৈ উন্নীত কৰি কাৰিকৰী শিক্ষা সংযোজনেৰে বিকাশ কৰা হ’ব বুলি আশ্বাস প্ৰদান কৰে। উক্ত অনুষ্ঠানটোত লখিমপুৰ জিলা চাহ মজদুৰ সংঘৰ সম্পাদক সঞ্জীৱ তাঁতীয়ে চৰকাৰৰ এনে পদক্ষেপক আদৰণি জনোৱাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত চাহ বাগিচাৰ বিভিন্ন অভাৱ-অভিযোগ দাঙি ধৰে। দুয়োখন বিদ্যালয়ৰ চাহ মজদুৰ সংঘ, আটছা আদি সংগঠনৰ প্ৰতিনিধিসকলে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়াই উদ্বোধন হোৱা জিলাখনৰ দুয়োখন বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠান দুটাত ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ দলে, জিলা উপায়ুক্ত সুমিত ছাত্তাৱন, অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি কাকতি প্ৰমুখ্যে দুয়োটা সমষ্টিৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# যোৰহাটত পুনৰ নামঘৰত চুৰিকাণ্ড

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৭ মে’ ঃ** নগৰৰ উপকণ্ঠ ৰাজগুৰু গাঁওবুঢ়া নামঘৰত যোৱা নিশা চোৰে চলালে লুটপাট। পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰাজগুৰু গাঁৱৰ নামঘৰটোৰ মণিকূটৰ লোহাৰ দুৱাৰ ভাঙি মণিকূটৰ ভিতৰৰ গুৰু আসনত থকা সোণ-ৰূপৰ ফুলৰ লগতে নামঘৰটোৰ ৫০ টাৰো অধিক কাঁহৰ বাটি, ৩০ হেজাৰ মূল্যৰ এটা শব্দ যন্ত্ৰ, এটা ইনভাৰটাৰৰ বেটাৰী লৈ যায় চোৰে। আজি পুৱা আন দিনৰ দৰেই নামঘৰীয়াই পুৱা চাকি জ্বলাবলৈ আহি মণিকূটৰ দুৱাৰ খোলা থকা দেখা পায়। দুৱাৰ খোলা দেখি নামঘৰীয়াজনে খৰখেদাকৈ মণিকূটত প্ৰৱেশ কৰাৰ পাছতে পোহৰলৈ আহে সমগ্ৰ ঘটনা। উল্লেখ্য চোৰে গেটৰ তলা ভাঙিব নোৱাৰি গেটখনৰ তলা লগোৱা অংশটো ভাঙি মণিকূটৰ ভিতৰত প্ৰৱেশ কৰে। পুৱা চুৰি ঘটনা পোহৰলৈ অহাৰ পাছত গাঁওখনত হুৱাদুৱা পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, ঘটনা সন্দৰ্ভত পুলিবৰ আৰক্ষীক খবৰ দিয়াৰ পাছতে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে যদিও এই পৰ্যন্ত কোনো তথ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। উল্লেখ্য যে উত্তৰ-পশ্চিম যোৰহাটত কে’বাটাও বৃহৎ চুৰি ঘটনা সংঘটিত হোৱাৰ পাছতো আৰক্ষী বিভাগে গুৰুত্ব নিদিয়া বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে।

# যুৱতী হোষ্টেলৰ আৱাসিক অশ্লীল ইংগিত ঃ যুৱক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ২৭ মে’ ঃ** তেজপুৰৰ এটা ব্যক্তিগত হোষ্টেলত থকা একাংশ যুৱতীক যোৱা প্ৰায় এপষেক দিন বিভিন্ন অশ্লীল ইংগিত দি অহা সম্প্ৰীত দাস নামৰ এক বিকৃত মানসিকতাৰ যুৱকক যোৱা নিশা কৰায়ত্ত কৰি তেজপুৰ আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে তেজপুৰৰ কলিবাৰীত থকা এটা ব্যক্তিগত ছোৱালী হোষ্টেলৰ আৱাসীসকলক যোৱা সময়ছোৱাত নিশা হ’লেই হোষ্টেলৰ তলত বৈ বিভিন্ন অশ্লীল ইংগিত দিয়াৰ লগতে মানসিক নিৰ্যাতন চলাই আহিছিল এই অভিযুক্তই। ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পূৰ্বেই পলায়ন কৰা এই অভিযুক্তই নিতৌ একে ঘটনাৰে পুনৰাবৃত্তি ঘটায়। এনে ঘটনাৰ সন্মুখীন হৈ ভয়-শংকাত ভোগাৰ লগতে ক্ষোভিত হৈ উঠা ছাত্ৰীসকলক যোৱা নিশা আঠ বজাত একেদৰেই অশ্লীল ইংগিত দি থকা অৱস্থাতে হোষ্টেলৰ গৰাকী সেই স্থানত উপস্থিত হয় আৰু অতিষ্ঠ হৈ পৰা যুৱতীসকলেও খেদি অহাত অভিযুক্ত সম্প্ৰীতে পলায়নৰ চেষ্টা চলায়। হোষ্টেলৰ গৰাকী আৰু যুৱতীসকলে পিছে পিছে খেদি যোৱা অভিযুক্তৰ স্কুটীখন অচল হৈ পৰাত আৰু হোষ্টেলৰ গৰাকীয়ে তেওঁৰ বাহনৰে আগচি ধৰাত তেওঁলোকে এই জঘন্য মানসিকতাৰ যুৱকজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে অভিযুক্তক তেজপুৰ সদৰ আৰক্ষী থানাত গতাই দিয়ে। উল্লেখ্য যে ধৃত লোকজনৰ এনে বিকৃত কাণ্ডৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেই আৰক্ষীক অভিযোগ দিয়া হৈছিল বুলি প্ৰকাশ কৰি ক্ষোভিত যুৱতীসকলে কয় যে তেতিয়া আৰক্ষীয়ে তেওঁলোকক অভিযুক্তৰ ফালে নাচাবলৈহে উপদেশ দিছিল। কিন্তু যোৱা নিশা আৰক্ষীক গতাই দিয়াৰ পাছত অভিযুক্ত সম্প্ৰীতক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে আৰু আজি তেজপুৰস্থিত জিলা সত্ৰ ন্যায়াধীশৰ আদালতে অভিযুক্তক ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে অভিযুক্ত সম্প্ৰীতে তেজপুৰৰ মিছন চাৰিআলিত বাস কৰাৰ লগতে ঢেকিয়াজুলিস্থিত বৰোদা বেংকৰ কৰ্মচাৰী বুলি পৰিচয় দিছে।

# টিকট বঞ্চিত প্ৰাৰ্থীক সন্তুষ্ট কৰাত ব্যৰ্থ ৰাজ্যিক বিজেপি নেতৃত্ব

## ডংকামোকামত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ২৭ মে’ ঃ** আগন্তুক কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ সাধাৰণ নিৰ্বাচনত বিৰোধীক ধূলিসাৎ কৰাৰ লক্ষ্যৰে পৰিষদীয় নিৰ্বাচনত ২৬ টা সমষ্টিত উঠি পৰি লাগিছে বিজেপি দল। ইয়াৰে ব্যতিক্ৰম নহয় বিৰোধী দল কংগ্ৰেছ-এএছডিচিৰ যৌথবন্ধন আৰু আঞ্চলিক দল এপিএইছএলচি’ৰ। দুই পাৰ্বত্য জিলাখনলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ধাৰাবাহিক নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই আজি বিয়লি পৰত নিৰ্বাচনী প্ৰচাৰৰ মন্ত্ৰলৈ পশ্চিম কাৰ্বি আংলং জিলাৰ সাতগাঁওস্থিত জিলা বিজেপিৰ কাৰ্যালয়ত উপস্থিত হয়। পশ্চিম কাৰ্বি আংলং জিলাৰ নটা পৰিষদীয় সমষ্টিৰ কে’বাগৰাকী প্ৰাৰ্থী, জিলা বিজেপিৰ নেতৃবৰ্গ আৰু ৰাজ্যিক বিজেপিৰ নেতৃত্বৰে এক ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হয় বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাই। ইপিনে, টিকট বঞ্চিত জিলাখনৰ ছটাকৈ প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ নেতাদ্বয়ৰ উপৰি প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত ২৫৫ গৰাকী দলীয় নেতা-কৰ্মীৰ অসন্তুষ্টি আৰু দুই পাৰ্বত্য জিলাত ক্ষোভৰ জুই উমি উমি জ্বলিছে। তৎসত্বেও বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাই দলীয় টিকট বঞ্চিত আঢ়ৈ শতাধিক ক্ষোভিত প্ৰাৰ্থীক একপ্ৰকাৰৰ সন্তুষ্টি কৰাৰ বিপৰীতে ২৬ গৰাকী দলীয় প্ৰাৰ্থীক জয়ী কৰাক লৈ নিৰ্বাচনী ৰাজনৈতিক মন্ত্ৰণাৰে ধনবল, বাহুবল আৰু চৰকাৰী যন্ত্ৰক ব্যৱহাৰৰ লক্ষ্যৰে দুই পাৰ্বত্য জিলাত নিৰ্বাচনী প্ৰচাৰৰ বৈতৰণী পাৰ কৰাৰ ব্লুপ্ৰিন্ট ৰচিছে। অহা আঠ জুনত নিৰ্বাচন অনুষ্ঠিত হ’ব। ইয়াৰে প্ৰায়বোৰ সমষ্টিত দলীয় টিকট বঞ্চিত প্ৰাৰ্থীয়ে নিৰ্দলীয় প্ৰাৰ্থীৰূপে দলীয় প্ৰাৰ্থীৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। তেনে প্ৰেক্ষাপটত সাংবাদিক ক্ৰমে বীৰেন ছিং ইংহি আৰু দিলীপ চৌহানেও এইবাৰ বিজেপিৰ প্ৰাৰ্থী ক্ৰমে সাত নম্বৰ কপিলী পৰিষদীয় বিজেপি প্ৰাৰ্থী পৱন কুমাৰ ৰায় আৰু ন নম্বৰ আমৰেং পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ৰীণা টেৰাংপীৰ বিৰুদ্ধে থিয় দি প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।



# যোৰহাটৰ জে বি কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ডিমা-হাছাও বানপীড়িতলৈ খাদ্য-সামগ্ৰী প্ৰেৰণ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৭ মে’ ঃ** যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীসকলে নিজৰ গাঁঠিৰ ধনেৰে আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত ডিমা-হাছাওৰ প্ৰাকৃতিক দুৰ্যোগ আৰু বানপীড়িতসকললৈ আজি কেৰ্বাকুইণ্টল খাদ্য সামগ্ৰীৰ লগতে নিত্য ব্যৱহাৰ্য কিছু সামগ্ৰী প্ৰেৰণ কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰীসকলৰ এই মহানুভৱতাক যোৰহাটবাসীয়ে শলাগ লৈছে। উল্লেখ্য যে বিগত কেইদিনত ডিমা হাছাওত হোৱা প্ৰাকৃতিক দুৰ্যোগত বহু লোকে এমুঠি আহাৰৰ বাবে হাহাকাৰ হৈছিল। এনে বিপদৰ সময়ত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যি পদক্ষেপ ল’লে সেই কাৰ্যক সকলোৱে শলাগ লৈছে।

## ৰোগাক্ৰান্ত ফটো সাংবাদিক বিদ্যুৎ মণি কলিতা



বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা
নগাঁও/ধিং, ২৭ মে’ ঃ ৯০ দশকত অসমৰ সংবাদ জগতত দপ্‌দপাই থকা মধ্য অসমৰ এজন ফটো সাংবাদিক, যাৰ নামেই পৰিচয়। যাৰ প্ৰতিখন ফটোৱে তোলপাৰ লগাইছিল আৰক্ষী প্ৰশাসনৰ লগতে প্ৰতিটো সংবাদ গোষ্ঠী। সকলোৱে ফটো বা সংবাদ বিচাৰি নিতৌ ফোন কৰিছিল বিদ্যুতলৈ। কিন্তু সেই বিদ্যুৎ মণি কলিতা আজি শয্যাশায়ী। বিদ্যুতৰ খবৰ ল’বলৈ আজি যেন আহৰি নাই কাৰোৰে। ধিং আঠগাঁওস্থিত নিজৰ উকখা পঁজাৰ বিছনাত পৰি মৃত্যুৰে যুঁজিছে বিদ্যুতে। সেই সময়ত অসম আৰক্ষী, প্ৰশাসন, সংবাদ গোষ্ঠীৰ মধ্যমণি আছিল এই ফটো সাংবাদিকজন। সময় বাগৰিল, তেওঁৰ কৰ্মৰাজি আজি অতীত হ’ল। বৰ্তমান তেওঁ শয্যাগত ৰোগাক্ৰান্ত। এসময়ত এটা চৰত উৰুওৱা পাকিস্তানী পতাকাৰ ফটো সংগ্ৰহ কৰি দিল্লীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো নিজৰ দখল ৰাখিবলৈ সক্ষম হৈছিল। বিদ্যুৎ মণি কলিতা যদিও আছিল প্ৰতিদিনৰ ফটো সাংবাদিক। কিন্তু প্ৰতিটো সংবাদ গোষ্ঠীৰ স্বত্বাধিকাৰী অথবা ডেস্কৰ লগত সু-সম্পৰ্ক। বিদ্যুতে যেতিয়া নিজৰ চাইকেলখন লৈ কান্ধত এছেলাৰ কেমেৰাটো লৈ অঞ্চলত প্ৰৱেশ কৰিছিল তেতিয়া সকলোৱে চকু নিৰন্ধ বিদ্যুতৰ ওপৰত। বিদ্যুতে বা কিয় এই ফালে আহিলে, কিবা ফটো লয় বা কি নিউজ কৰে তাক লৈ সকলোৰে মাজত বু-বু বা-বা চলে। কোনো এটা চৰকাৰী কাৰ্যালয়ত প্ৰৱেশ কৰিলেও বিষয়-কৰ্মচাৰীৰ মাজত চলে চৰ্চা শংকিত তথা দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী। পিতৃ আৰু ভ্ৰাতৃয়ে সামৰ্থ্য অনুযায়ী যিমানখিনি পাৰিছে চিকিৎসা আগবঢ়াইছে যদিও সেয়া পৰ্যাপ্ত নহয়। সেয়ে পৰিয়ালে চৰকাৰ তথা ৰাইজলৈ আহ্বান-সহায় আগবঢ়াওক, যাতে সুস্থ হৈ উঠি পুনৰ সংবাদ জগতলৈ ঘূৰি আহক বিদ্যুৎ।

## বিহদিয়া-জয়ন্তীপুৰ গ্ৰাম্য গড়কাপ্তানী পথৰ জৰাজীৰ্ণ অৱস্থা



অগ্ৰদূত বাৰ্তা
দুমুনিচকী, ২৭ মে’ ঃ কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ শিঙাৰপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত বিহদিয়া জয়ন্তীপুৰ গ্ৰাম্য গড়কাপ্তানী পথৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে দৈনিক পথটোৰে অহা-যোৱা কৰা সহস্ৰাধিক পথচাৰী আহুকালৰ সন্মুখীন হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি পথছোৱাত বিদ্যাভাৰতী মহাবিদ্যালয়, অংকুৰ শান্তি নিকেতনকে ধৰি কে’বাখনো শিক্ষানুষ্ঠান আৰু অনুষ্ঠান-প্ৰতিষ্ঠান অৱস্থিত। পঞ্চায়তখনৰ কে’বাখনো গাঁৱৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ পথ হিচাপে বিবেচিত বিহদিয়া-জয়ন্তীপুৰ গ্ৰাম্য গড়প্তানী পথটো এজাক বৰষুণ পৰিলেই কে’বাদিনলৈ যাতায়াতৰ অনুপযোগী হৈ থাকে। পথটোৰে অহা-যোৱা কৰা বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বোকা-পানী গচকি বিদ্যালয়লৈ যাব লগা হয়। পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে চিকিৎসা লাভৰ বাবে চিকিৎসালয়লৈ যাব লগা হ’লে প্ৰসূতিৰোগীৰ লগতে অন্যান্য ৰোগীসকলেও সাতবাৰ ভাবিব লগা হয়। সেয়েহে ভুক্তভোগী ৰাইজে এই পথছোৱা শীঘ্ৰে মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰি দিবলৈ স্থানীয় বিধায়ক দিগন্ত কলিতাক আহ্বান জনাইছে।

## ৰহা চাৰিআলিত নিশা দুষ্কৃতিকাৰীয়ে জ্বলালে ব্যৱসায়িক প্ৰতিষ্ঠান

অগ্ৰদূত বাৰ্তা
ৰহা, ২৭ মে’ ঃ সদাব্যস্ত, সন্ধিয়াৰ পৰাই পোহৰ হৈ থকা তথা নিশা হ’লেই টহলদাৰী আৰক্ষী উপস্থিত থকা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৰহা নতুন চাৰিআলিত যোৱা নিশা দুষ্কৃতিকাৰীয়ে দুখন ফল-মূলৰ দোকানত অগ্নিসংযোগ কৰি ভস্মীভূত কৰি তোলা ঘটনাই সকলোকে ভবাই তোলাৰ লগতে আৰক্ষীৰ ফোপোলা স্বৰূপটো জনতাৰ ওচৰত নিৰ্লজ্জভাৱে ওলাই পৰিছে। তথ্য মতে, প্ৰতিদিনৰ দৰে যোৱা শিও বুলু দাস আৰু বিশ্ব বণিয়া নামৰ ফল-মূলৰ দোকানী দুজনে ১০ বজাৰ আগে আগে দোকান বন্ধ কৰি ঘৰত সোমায় কিন্তু প্ৰায় এঘন্টা মানৰ পাছতেই বুলু দাসৰ দোকানখনত জুইৰ লেলিহান শিখাই আৱৰি ধৰে। জুই লগাৰ বিষয়ে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী অৱগত হৈ ঘটনাস্থলীত উপস্থিত হয় যদিও তেতিয়ালৈকে বুলু দাসৰ দোকানখন প্ৰায় জুইত ভস্মীভূত হয়। সমীপতে থকা বিশ্ব বণিয়াৰ দোকান জুয়ে স্পৰ্শ কৰিছিল যদিও অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত বেছি ক্ষয়-ক্ষতিৰ পৰা ৰক্ষা পৰে। বৃহত্তৰ ৰহাৰ সবাতোকৈ ব্যস্ত আৰু অনবৰতে ৰাষ্ট্ৰীয় পথেৰে গাড়ী চলাচলৰ উপৰি আৰক্ষী নিয়োজিত হৈ থকা ঠাইডোখৰত দুষ্কৃতিকাৰীয়ে কেনেকৈ অগ্নি সংযোগ কৰাৰ সুবিধা ল’লে যি এক ৰহস্যৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে অগ্নিকাণ্ডৰ ফলত প্ৰায় দুই লাখৰো অধিক সামগ্ৰী নষ্ট হয়। অগ্নিকাণ্ডৰ এক উচিত তদন্তৰ দাবী জনাইছে সচেতন ৰাইজে। অতি আচৰিত দোকান দুখনত বিদ্যুতৰ ব্যৱস্থাও নাই।

## ভৱানীপুৰৰ মাহতলীহাটীত পালনাম মহোৎসৱৰ আয়োজন

বিশেষ সংবাদদাতা
পাঠশালা, ২৭ মে’ ঃ ভৱানীপুৰৰ মাহতলীহাটী নামঘৰস্থলীত অহা ১০ জুনৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ২২ সংখ্যক পালনাম মহোৎসৱৰ আয়োজন কৰা হৈছে। মাহতলীহাটীৰ গঞা ৰাইজৰ উদ্যোগত উদ্‌যাপন হ’বলগীয়া তিনিদিনীয়া পালনাম মহোৎসৱৰ ১০ জুনত পুৱা ন বজাৰ পৰা মাহতলীহাটী গাঁৱৰ ৰাইজৰ দ্বাৰা পৰিৱেশ নিকাকৰণ কৰা হ’ব। আনহাতে, সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলন আৰু সাত বজাৰ পৰা গৰখীয়া নাম কাৰ্যসূচী ৰূপায়িত হ’ব। তদুপৰি ১১ জুনত পুৱা চাৰি বজাৰ পৰা প্ৰভাত ফেৰী, ছয় বজাৰ পৰা ভৱানীপুৰ অঞ্চলত ভাগৱত ভ্ৰমণ কৰা হ’ব। ইপিনে, পুৱা ন বজাত ১২ ঘণ্টীয়া অখণ্ড পালনাম স্থাপন কৰিব বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে।

## টংলাত পানীৰ মটৰসহ চোৰ গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা
টংলা, ২৭ মে’ ঃ ওদালগুৰি জিলাৰ টংলা নগৰৰ তিনি নম্বৰ ৱাৰ্ডৰ বাবুপাৰাত এক বিশেষ সূত্ৰৰ পম খেদি এজন মটৰ চোৰক গ্ৰেপ্তাৰ কৰে টংলা আৰক্ষীয়ে। যোৱা নিশা এক বিশেষ খবৰৰ অনুসন্ধান লাভ কৰি আৰক্ষীয়ে টংলা বাবুপাৰাৰ বিজয় কৰৰ পুত্ৰ বিশ্বজিৎ কৰ (২৫)ক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে চোৰৰ পৰা নটা পানীৰ মটৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। টংলা আৰক্ষীয়ে ইতিমধ্যে ২৩-২২ নম্বৰৰ গোচৰ ৰুজু কৰি আজি চোৰ বিশ্বজিতক ওদালগুৰি জেললৈ প্ৰেৰণ কৰিছে। বিগত কিছুদিন ধৰি টংলা নগৰৰ এক, দুই, তিনি আৰু চাৰি নম্বৰ ৱাৰ্ডৰ ব্যক্তিগত ঘৰত বা ৰাজহুৱা অনুষ্ঠান--প্ৰতিষ্ঠানত পানী মটৰ চুৰি কৰি চোৰে উপদ্ৰৱ চলাই আহিছিল যদিও চোৰৰ শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাছিল যদিও যোৱা নিশা এজন চোৰক নটা মটৰসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত ৰাইজে আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰিছে।

## আৱদ্ধ পানীৰ মাজত কদৰ্য ৰূপত ঢাপকটা প্ৰাথমিক বিদ্যালয়



ষ্টাফ ৰিপ’ৰ্টাৰ
যোৰহাট, ২৭ মে’ ঃ যোৰহাট জিলাত পহিলা জুনৰ পৰা গুণোৎসৱ অনুষ্ঠিত হ’ব। তাৰ বাবে বিদ্যালয়সমূহ সজাই-পৰাই তোলাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি তোলা হৈছে। শিক্ষাৰ্থীসকলকো গুণোৎসৱৰ বাবে সাজু কৰি তোলা হৈছে। তাৰ বিপৰীতে যোৰহাট শিক্ষা খণ্ডৰ পুলিবৰ হেজাৰী মণ্ডলৰ ৪৩৯ নম্বৰ ঢাপকটা প্ৰাথমিক বিদ্যালয়ত আৱদ্ধ পানীত শিক্ষাৰ্থীসকলে গ্ৰহণ কৰিবলগীয়া হৈছে জ্ঞান। উল্লেখ্য যে ৰাষ্ট্ৰীয় পথটো চাৰিলেন কৰাৰ বাবে বিদ্যালয়খনৰ একাংশ ভূমি অধিগ্ৰহণ কৰি লোৱাৰ পাছত পানী বৈ যোৱাৰ বাবে উপযুক্ত নলা খান্দি নিদিয়াত আৱদ্ধ পানীত শিক্ষাৰ্থীসকলে শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে। বিদ্যালয়খনৰ সমীপৰ পৰা পশ্চিমে ৰৈয়া জানলৈকে ৰাষ্ট্ৰীয় পথটোৰ কাষত থকা নলাটোৰে পূৰ্বতে পানী জানটোলৈ বৈ গৈছিল; কিন্তু ৰাষ্ট্ৰীয় পথটো বহলকৰণৰ বাবদ পূৰ্বৰ নলাটো পুতি পেলোৱা হ’ল। বৰ্তমানলৈকে ৰাষ্ট্ৰীয় পথ নিৰ্মাণ গোষ্ঠীয়ে পানী বৈ যাবৰ বাবে উপযুক্তকৈ ৰৈয়া জানটোলৈ নলাটো খান্দি নিদিয়াত আৱদ্ধ পানীৰ মাজত বিদ্যালয়খন পৰিচালিত কৰি থাকিবলগীয়া হৈছে। এই বিদ্যালয়ৰ সমীপতে আছে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় সংবাদ ভৱন, অংগনৱাড়ী কেন্দ্ৰ, ঢাপকটা তৰুণ সংঘ। আৱদ্ধ পানীৰ বাবে এইকেইটা অনুষ্ঠানলৈও যাতায়াত কৰা বৰ্তমান সময়ত সম্ভৱ নহয়। গতিকে আৱদ্ধ পানী উলিয়াই নিদিলে পহিলা জুনৰ পৰা হ’বলগীয়া গুণোৎসৱত বিদ্যালয়খন বঞ্চিত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তৰ প্ৰতি গোহাৰি জনাইছে বিদ্যালয়খনত অধ্যয়নৰত শতাধিক অভিভাৱকো।









# আজি চেম্পিয়নছ লীগৰ ফাইনেলত ৰিয়াল-লিভাৰপুল

## অভিলেখসংখ্যক চতুৰ্দশ খিতাপৰ লক্ষ্য স্পেনিছ ক্লাবৰ ঃ ফেভাৰিট দেখা নাই ম’ড্ৰিচে

**নিউজ ব্যুৰ’**
**পেৰিছ, ২৭ মে’ ঃ** ইউৰোপৰ সবাতোকৈ সন্মানীয় ফুটবল প্ৰতিযোগিতা চেম্পিয়নছ লীগৰ ফাইনেলত কাইলৈ মুখামুখি হ’ব ৰিয়াল মাদ্ৰিদ আৰু লিভাৰপুল। চলিত ছিজনত দুৰ্দান্ত ফৰ্মত থকা দল দুটাৰ খেলখন আকৰ্ষণীয় হৈ উঠাৰে আশা কৰা হৈছে। পৰিসংখ্যাৰ দিশৰ পৰা স্পেইনৰ ক্লাব ৰিয়াল বহুখিনি আগবাঢ়ি আছে। যদিও ইংলণ্ডৰ ক্লাব লিভাৰপুলৰ সাম্প্ৰতিক ফৰ্মৰ ভিত্তিতে দলটোক সহজভাৱে লোৱা নাই ৰিয়ালে।

কাইলৈৰ ফাইনেল সম্পৰ্কে ৰিয়ালৰ অভিজ্ঞ মিডফিল্ডাৰ লুকা ম’ড্ৰিচে কয় যে খেলখনত কোনো দলেই স্পষ্টভাৱে ফেভাৰিট নহয়। চেম্পিয়নছ লীগত নিজৰ দলৰ অভিজ্ঞতা বেছি বুলি ক’লেও ম’ড্ৰিচে কয় যে লিভাৰপুলো এটা দুৰ্দান্ত দল আৰু চলিত ছিজনত অসাধাৰণ প্ৰদৰ্শন আগবঢ়াইছে। সেয়ে কোন দলে জয়ী হ’ব সেয়া এতিয়া ক’ব নোৱাৰি বুলিও তাৰকা খেলুৱৈজনে কয়। উল্লেখ্য যে চলিত ছিজনত লিভাৰপুলে দুটা খিতাপ জয় কৰিছে। সেইদৰে ইংলিছ প্ৰিমিয়াৰ লীগৰ খিতাপ জয়ৰ বাবে লিভাৰপুলে চেম্পিয়ন মানচেষ্টাৰ চিটীক অন্তিম খেললৈকে প্ৰত্যাহ্বান জনাইছিল। ইফালে, সন্মানীয় প্ৰতিযোগিতাখনত সৰ্বাধিক খিতাপ জয়ৰ অভিলেখ আছে ৰিয়ালৰ দখলত। সেই অভিলেখৰ ধাৰা অব্যাহত ৰাখি দলটোৱে এইবাৰ চতুৰ্দশ খিতাপ জয়ৰ চেষ্টা চলাব। উল্লেখ্য যে ২০১৪ৰ পৰা ৰিয়ালে পঞ্চমবাৰলৈ চেম্পিনছ লীগৰ ফাইনেল খেলিব। ২০১৮ত দলটোৱে লিভাৰপুলকে ৩-১ গ’লত পৰাজিত কৰি অন্তিমবাৰলৈ খিতাপ জয় কৰিছিল। লক্ষ্যণীয়ভাৱে ১৯৯৮ৰ পৰাই ৰিয়ালে সাতবাৰ প্ৰতিযোগিতাখনৰ ফাইনেলত প্ৰৱেশ কৰিছে, প্ৰতিবাৰেই খিতাপ জয় কৰিছে। অৱশ্যে এই প্ৰতিযোগিতাৰ ফাইনেলত অন্তিমবাৰলৈ ৰিয়াল লিভাৰপুলৰ বিপক্ষেই পৰাজিত হৈছিল। ১৯৮১ত লিভাৰপুলে চেম্পিয়নছ লীগৰ ফাইনেলত ৰিয়ালক ১-০ গ’লত পৰাজিত কৰিছিল।


sin
DENIM
#GAME CHANGER


## পৰাজয়ৰ আশংকাত ফ্ৰেন্স অপেনত ‘পেনিক এটেক’ৰ সন্মুখীন ছিম’না



**নিউজ ব্যুৰ’**
**পেৰিছ, ২৭ মে’ ঃ** ক্ৰমাগতভাৱে পইণ্ট সংগ্ৰহ কৰিছিল প্ৰতিপক্ষই। প্ৰতিযোগিতাৰ প্ৰাক্তন চেম্পিয়ন হোৱা সত্বেও খেলখনত প্ৰত্যাৱৰ্তন ঘটাব পৰা নাছিল। এনে অৱস্থাতে ‘পেনিক এটেক’ৰ চিকাৰ হ’ল মহিলা টেনিছৰ প্ৰাক্তন এক নম্বৰ খেলুৱৈ ছিম’না হালেপ। ৰোমানিয়াৰ তাৰকাগৰাকী ইমানেই অসুস্থ হৈ পৰিল যে টেনিছ ক’ৰ্টলৈ চিকিৎসকক মাতি আনিবলগীয়া হয়। যাৰ ফলত শেষ পৰ্যন্ত চলিত ফ্ৰেন্স অপেনৰ দ্বিতীয় ৰাউণ্ডৰ খেলত পৰাজিত হ’ল ২০১৮ৰ চেম্পিয়ন হালেপ। তাৰকা খেলুৱৈগৰাকীৰ এই অসুস্থতাই সম্প্ৰতি বিশেষ চৰ্চা লাভ কৰিছে।

উল্লেখ্য যে কালি অনুষ্ঠিত খেলখনৰ প্ৰথম ছেটত হালেপে দুৰ্দান্তভাৱে জয়লাভ কৰিছিল। যদিও দ্বিতীয় ছেটত দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটাই চীনা প্ৰতিদ্বন্দ্বী ঝেং কুইনয়েনে একেৰাহে ১১টা পইণ্ট জয় কৰি হালেপৰ ওপৰত চাপ সৃষ্টি কৰে। তাতেই বিপত্তি ঘটে। খেলখনত জয়ী হ’ব নোৱাৰাৰ আশংকাই গ্ৰাস কৰে হালেপক। অত্যধিক মানসিক চাপৰ ফলতে তেওঁ ক’ৰ্টতে অসুস্থ হৈ পৰাত চিকিৎসকক মাতিবলগীয়া হয়। চিকিৎসা গ্ৰহণৰ পাছতো তেওঁ সম্পূৰ্ণৰূপে সুস্থ হ’ব নোৱাৰিলে আৰু ১৯ বছৰীয়া প্ৰতিদ্বন্দ্বীৰ হাতত ৰোমানিয়াৰ তাৰকাগৰাকীয়ে ২-৬, ৬-২, ৬-১ ছেটত পৰাজয় স্বীকাৰ কৰে। খেলৰ অন্তত হালেপে কয় যে ইয়াৰ পূৰ্বে কোনোদিনেই তেওঁ এনে সমস্যাৰ সন্মুখীন হোৱা নাছিল। ‘মই নিজৰ ওপৰতে অত্যধিক চাপ লৈছিলো। বৰ বেছি ভাল প্ৰদৰ্শন কৰিব বিচাৰিছিলো।’ অত্যধিক পৰিশ্ৰম কৰাৰ পাছতো হলেপে খেলখনত মনোমত প্ৰদৰ্শন কৰিব পৰা নাছিল আৰু সেই বাবেই নিজৰ ওপৰতে বিৰক্ত হৈছিল। মাত্ৰাধিক চিন্তা কৰিয়ে তেওঁ নিজৰ বিপদ মাতি আনে।

## কাৰ্তিকক সতৰ্ক

**নিউজ ব্যুৰ’**
**মুম্বাই, ২৭ মে’ ঃ** চলিত আইপিএলত নিয়ম ভংগৰ অভিযোগত মেচ ৰেফাৰীয়ে সতৰ্ক কৰিলে দীনেশ কাৰ্তিকক। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ উইকেট কীপাৰ-বেটাৰজনে অৱশ্যে অভিযোগ অধিক গুৰুতৰ নোহোৱাৰ বাবে জৰিমনাৰ পৰা ৰেহাই পায়। যোৱা বুধবাৰে লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছৰ বিপক্ষে প্লে-অফ মেচখনত কাৰ্তিকে আইপিএলৰ নিয়ম ভংগ কৰা বুলি আয়োজকে সদৰী কৰিছে। অৱশ্যে কাৰ্তিকৰ বিৰুদ্ধে উঠা অভিযোগ সদৰী কৰা নাই আইপিএল কৰ্তৃপক্ষই। উল্লেখ্য যে বুধবাৰৰ খেলখনত বাংগালুৰুৰ জয়ৰ নায়ক ৰজত পাটিদাৰৰ শতৰাণৰ বিপৰীতে কাৰ্তিকে ইনিংছৰ অন্তিমভাগত ২৩টা বলত ৩৭ ৰাণৰ এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। চলিত আইপিএলত দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়োৱাৰ সূত্ৰে তেওঁ ইতিমধ্যে ভাৰতৰ টি-২০ দলত স্থান পাইছে।

## আইচিচি টেষ্ট ৰেংকিঙত স্থান ধৰি ৰাখিছে ভাৰতৰ ক্ৰিকেটাৰে




**নিউজ ব্যুৰ’**
**ডুবাই, ২৭ মে’ ঃ** বিগত দুমাহ ধৰি কোনো টেষ্ট খেলা নাই ভাৰতে। তৎসত্বেও আইচিচিৰ টেষ্ট ৰেংকিঙত নিজস্ব স্থান ধৰি ৰাখিবলৈ সক্ষম হ’ল ভাৰতীয় ক্ৰিকেটাৰসকলে। বিগত দুমাহ ধৰি ভাৰতীয় খেলুৱৈসকল আইপিএলত ব্যস্ত হৈ আছে। প্ৰতিযোগিতা শেষ হোৱাৰ কিছুদিনৰ পাছতে টেষ্ট দলে ইংলণ্ডলৈ যাব। ফলত ৰেংকিঙৰ স্থানে খেলুৱৈসকলক কিছু পৰিমাণে হ’লেও উৎসাহিত কৰিব।

আইচিচিৰ তৰফৰ পৰা প্ৰকাশ কৰা শেহতীয়া ৰেংকিঙৰ বেটিঙৰ তালিকাত ভাৰতৰ অধিনায়ক অষ্টম স্থানত আছে। ইয়াৰ বিপৰীতে বিৰাট কোহলি আছে দশম স্থানত। তেওঁলোকৰ ৰেংকিঙত পৰিৱৰ্তন ঘটা নাই। বেটাৰৰ তালিকাৰ শীৰ্ষত আছে অষ্ট্ৰেলিয়াৰ মাৰ্ণাছ লাবুচেন। আনহাতে, টেষ্টৰ বলিঙৰ তালিকাত দ্বিতীয় স্থান অক্ষুণ্ণ ৰাখিছে স্পীনাৰ ৰবিচন্দ্ৰন অশ্বিনে। সেইদৰে তৃতীয় স্থানত আছে যশপ্ৰীত বুমৰাহ। শীৰ্ষস্থানত আছে অষ্ট্ৰেলিয়াৰ অধিনায়ক পেট কামিন্স। উল্লেখ্য যে অশ্বিনে অলৰাউণ্ডাৰৰ তালিকাতো দ্বিতীয় স্থান অধিকাৰ কৰি আছে। এই তালিকাৰ এক নম্বৰ স্থানত আছে অশ্বিনৰ যুটি ৰবীন্দ্ৰ জাদেজা।



## আৰচিবিক উদ্ধাৰ কৰিলে ৰজতে

**নিউজ ব্যুৰ’**
**মুম্বাই, ২৭ মে’ ঃ** আইপিএলৰ প্ৰথম কোৱালিফায়াৰত দুৰ্দান্ত শতৰাণ অৰ্জন কৰা ৰজত পাটিদাৰে পুনৰ দলক উদ্ধাৰ কৰিলে। আজি ৰাজস্থান ৰয়েল্‌ছৰ বিপক্ষে দ্বিতীয়খন কোৱালিফায়াৰত বাংগালুৰু ৰয়েল চেলেঞ্জাৰ্ছে প্ৰথমে বেটিং কৰি আঠ উইকেটৰ বিনিময়ত ১৫৭ ৰাণ সংগ্ৰহ কৰিছে। পাটিদাৰে ৪২টা বলত ৫৮ ৰাণ কৰে। ইয়াৰ উপৰি অধিনায়ক ফাফ ডু প্লেছিয়ে ২৫ আৰু গ্লেন মেক্সৱেলে ২৪ ৰাণ কৰে।

## দুই গ্ৰেণ্ড শ্লাম চেম্পিয়নক হৰুৱালে ছেছন’ভিচে

### ফ্ৰেন্স অপেনৰ পৰা বিদায় ল’লে অলিম্পিক স্বৰ্ণজয়ী বেনচিচে

**নিউজ ব্যুৰ’**
**পেৰিছ, ২৭ মে’ ঃ** চলিত ফ্ৰেন্স অপেনত চাঞ্চল্যৰ সৃষ্টি কৰিছে বেলাৰুছৰ নৱাগতা খেলুৱৈ আলিয়াকজেন্দ্ৰা ছেছন’ভিচে। বিশ্বৰ ৪৭ ৰেংকিঙৰ খেলুৱৈগৰাকীয়ে একেৰাহে দুখন মেচত গ্ৰেণ্ড শ্লাম চেম্পিয়নক পৰাজিত কৰি মহিলা ছিংগল্‌ছৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজিৰ তৃতীয় ৰাউণ্ডৰ খেলত ছেছন’ভিচে তিনিবাৰৰ গ্ৰেণ্ড শ্লাম চেম্পিয়ন এঞ্জেলিকা কাৰ্বাৰক ৬-৪, ৭-৬ (৭/৫) ছেটত পৰাজিত কৰে। ইয়াৰ পূৰ্বে দ্বিতীয় ৰাউণ্ডৰ খেলত তেওঁ বৰ্তমানৰ ইউ এছ অপেন চেম্পিয়ন এম্মা ৰাডুকানুক পৰাজিত কৰিছিল। ইফালে, প্ৰতিযোগিতাৰ পৰা বিদায় ল’লে টকিঅ’ অলিম্পিকৰ স্বৰ্ণপদক বিজয়ী বেলিণ্ডা বেনচিচে। আজি কানাডাৰ ১৯ বছৰীয়া খেলুৱৈ তথা ইউ এছ অপেনৰ ৰাণাৰ-আপ লেইলা ফাৰ্ণাণ্ডেজে বেনচিচক তুমুল যুঁজৰ অন্তত ৭-৫, ৩-৬, ৭-৫ ছেটত পৰাজিত কৰে। আমেৰিকাৰ কিশোৰী ক’ক’ গউফেও কায়া কানেপিক ৬-৩, ৬-৪ ছেটত পৰাজিত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰে। আনহাতে, কেৰ’লিনা মুচ’ভাই আঘাতৰ বাবে খেলৰ মাজতে নাম প্ৰত্যাহাৰ কৰাত চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে আমেৰিকাৰ আন এগৰাকী খেলুৱৈ আমাণ্ডা এনিছিম’ভা।


ফ্ৰেন্স অপেনৰ তৃতীয় ৰাউণ্ডৰ খেলত ইগা ছুৱাইটেগ।

## চতুৰ্থ ৰাউণ্ডত ডক’ভিচ

**নিউজ ব্যুৰ’**
**পেৰিছ, ২৭ মে’ ঃ** চলিত ফ্ৰেন্স অপেনৰ পুৰুষ ছিংগল্‌ছৰ চতুৰ্থ ৰাউণ্ডত উপনীত হ’ল বিশ্বৰ এক নম্বৰ খেলুৱৈ ন’ভাক ডক’ভিচ। ছাৰ্বিয়ান তাৰকাজনে আজিৰ তৃতীয় ৰাউণ্ডৰ খেলত আলজাজ বেদেনেক ৬-৩, ৬-৩, ৬-২ ছেটত পৰাজিত কৰে।

## দ্বিতীয় টেষ্টত ১০ উইকেটৰ জয় শ্ৰীলংকাৰ

**নিউজ ব্যুৰ’**
**মীৰপুৰ, ২৭ মে’ ঃ** পেচবলাৰ আছিতা ফাৰ্ণাণ্ডোৰ বিধ্বংসী বলিঙৰ সহায়েৰে বাংলাদেশৰ বিপক্ষে দ্বিতীয় টেষ্টত ১০ উইকেটৰ বিজয় অৰ্জন কৰিলে শ্ৰীলংকাই। ইয়াৰ দ্বাৰা ভ্ৰমণকাৰী দলটোৱে দুখনীয়া টেষ্টৰ শৃংখলাটো ১-০ ব্যৱধানত দখল কৰে। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰা ফাৰ্ণাণ্ডোৱে টেষ্টখনত মুঠ ১০টা উইকেট দখল কৰে। তেওঁ প্ৰথম ইনিংছত চাৰিটা আৰু দ্বিতীয় ইনিংছত ছটা উইকেট পায়। উল্লেখ্য যে প্ৰথমে বেটিং কৰি ঘৰুৱা দল বাংলাদেশে ৩৬৫ ৰাণ সংগ্ৰহ কৰে। প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ পাছত দলটোক উদ্ধাৰ কৰা মুছফিকুৰ ৰহিমে অপৰাজিতভাৱে ১৭৫ আৰু লিটন দাসে ১৪১ ৰাণৰ অৱদান যোগায়। প্ৰত্যুত্তৰত শ্ৰীলংকাই এঞ্জেল’ মেথিউজ (১৪৫ অপঃ), দীনেশ চণ্ডিমল (১২৪)ৰ শতৰাণ আৰু ধনঞ্জয় ডি ছিলভাৰ ৫৮ ৰাণৰ সহায়ত ৫০৬ ৰাণ কৰে। ইফালে, দ্বিতীয় ইনিংছত বাংলাদেশ পুনৰ বেটিং বিপৰ্যয়ৰ মুখত পৰে আৰু দলটোৱে ১৬৯ ৰাণতে ইনিংছ সামৰে। লিটনে ৫২ আৰু ছকিব অল হাছানে ৫৮ ৰাণ কৰি কিছু প্ৰতিৰোধ গঢ়ি তোলাৰ চেষ্টা কৰিছিল যদিও সফল নহ’ল।

## এছিয়া-ৱৰ্ল্ড বডী বিল্ডিঙলৈ তেজপুৰৰ ছায়া বৰুৱা

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ২৭ মে’ ঃ** অহা ১৫ জুলাইত মালদ্বীপত অনুষ্ঠিত হ’বলগীয়া আন্তঃৰাষ্ট্ৰীয় শৰীৰৰ চৰ্চাৰ এক বিশেষ প্ৰতিযোগিতাত তেজপুৰ-ললনা ছায়া বৰুৱাই দেশক প্ৰতিনিধিত্ব কৰিব। তদুপৰি অক্টোবৰত অনুষ্ঠিত হ’বলগীয়া শৰীৰ চৰ্চাৰ বিশ্ব চেম্পিয়নশ্বিপতো ছায়াই প্ৰতিনিধিত্ব কৰিব দেশক। উল্লেখ্য যে দীৰ্ঘদিন ধৰি শৰীৰ চৰ্চা অব্যাহত ৰাখি বহুবাৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হোৱা তেজপুৰৰ ছায়াই যোৱা ২২ মে’ত হিমাচল প্ৰদেশৰ পাৰন্টা চাহিবত অনুষ্ঠিত হোৱা বডী বিল্ডিং এণ্ড ফিটনেছৰ মিষ্টাৰ এণ্ড মিছ এছিয়া এণ্ড ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ বাছনি শিবিৰত বিশ্বৰ বিভিন্ন দেশৰ দুহেজাৰ প্ৰতিযোগীৰ ভিতৰত এছিয়া আৰু বিশ্ব প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হয়। এই বাছনি শিবিৰতে গুৱাহাটীৰ বৰ্ণালী বসুমতাৰীও এছিয়া চেম্পিয়নশ্বিপলৈ ছায়াৰ লগতে নিৰ্বাচিত হৈছে যদিও বিশ্ব চেম্পিয়নশ্বিপলৈ একমাত্ৰ ছায়া নিৰ্বাচিত হৈছে। মন কৰিবলগীয়া যে ছায়া হ’ল একমাত্ৰ অসম-ললনা, বডী বিল্ডিঙত যিয়ে প্ৰথমবাৰৰ কাৰণে ভাৰত আৰু এছিয়া মহাদেশক প্ৰতিনিধিত্ব কৰিব। অহা জুলাইত মালদ্বীপত অনুষ্ঠিত হ’ব এছিয়া চেম্পিয়নশ্বিপ আৰু অক্টোবৰত হ’ব বিশ্ব চেম্পিয়নশ্বিপ। বৰ্তমানলৈকে বিশ্ব চেম্পিয়নশ্বিপৰ স্থান নিৰ্ধাৰণ হোৱা নাই। উল্লেখ্য যে তেজপুৰ চহৰত ‘কিংখাপ’ নামৰ মহিলা সাজপাৰৰ বিপণীৰে আৰ্থিক স্বাৱলম্বিতাৰ নিদৰ্শন দেখুৱাই অহা ছায়াই যোগাসনৰ জৰিয়তেও কৃতিত্বৰ পৰিচয় দি আহিছে। বিবাহিত তথা মাতৃ ছায়াৰ এই সাফল্যক লৈ স্বাভাৱিকতে তেজপুৰবাসীও উৎফুল্লিত হৈ পৰিছে।




### নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট

## ৰোমাঞ্চকৰ স্থিতিত দুই ছেমিফাইনেল



**গুৱাহাটী, ২৭ মে’ ঃ** গুৱাহাটীৰ পৃথক ষ্টেডিয়ামত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেটৰ ছেমিফাইনেল দুখন আকৰ্ষণীয় স্থিতিত উপনীত হৈছে। অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আয়োজিত তিনিদিনীয়া মেচ দুখনৰ আজি দ্বিতীয় দিনাৰ খেল সম্পন্ন হয়। বৰ্ষাপাৰা ষ্টেডিয়ামত আজি দ্বিতীয় দিনাৰ খেলত শিলচৰে ২২৮ ৰাণত প্ৰথম ইনিংছ সামৰে। কালি তেজপুৰে ১৬৩ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। ফলত শিলচৰে ৬৫ ৰাণৰ প্ৰথম ইনিংছৰ অগ্ৰগতি অৰ্জন কৰে। আজি দ্বিতীয় ইনিংছ মুকলি কৰি তেজপুৰে দিনান্তলৈ চাৰি উইকেটৰ বিনিময়ত ১১০ ৰাণ কৰে। হাতত ছয় উইকেট বাকী থকা অৱস্থাত তেজপুৰে ৫৫ ৰাণৰ অগ্ৰগতি অৰ্জন কৰি আছে। দিনান্তলৈ তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই ৩২ ৰাণত অপৰাজিত হৈ থাকে। দীপ্তেশ সাহায়ো ৩২ ৰাণ কৰে। ইয়াৰ পূৰ্বে শিলচৰে কালিৰ দুই উইকেটত ৮৪ ৰাণৰ পৰা খেল আৰম্ভ কৰিছিল। কালিয়ে অৰ্ধশতক সম্পূৰ্ণ কৰা শুভম মণ্ডলে ৮৪ ৰাণত আউট হয়। অমিত যাদৱে ৪৩ ৰাণৰ বৰঙণি যোগায়। তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই পাঁচ উইকেট দখল কৰে।

ইফালে, নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ছেমিফাইনেলত ডিব্ৰুগড় বিশ্বনাথ চাৰিআলিৰ বিপক্ষে বিপদত পৰিছে। আজি ১৫১ ৰাণৰ লক্ষ্য আগত লৈ ডিব্ৰুগড়ে দিনান্তলৈ ৫৪ ৰাণতে চাৰি উইকেট হেৰুৱায়। গুণজ্যোতি ডেকাই ৩৬ ৰাণ কৰি খেলি আছে। উল্লেখ্য যে বিশ্বনাথ চাৰিআলিয়ে কালি ১৪০ ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। তৎসত্বেও ডিব্ৰুগড়ে সেই সুযোগ ল’ব নোৱাৰিলে আৰু ৰোহিত ৰাউনিয়াৰৰ বিধ্বংসী বলিঙত তিষ্ঠিব নোৱাৰি ১২১ ৰাণতে ইনিংছ সামৰে। ডিব্ৰুগড়ে কালিৰ খেল সমাপ্তিলৈ ছয় উইকেটত ১০৪ ৰাণ সংগ্ৰহ কৰিছিল। আজি ১৭ ৰাণতে বাকী চাৰিটা উইকেটৰ পতন ঘটে। ডিব্ৰুগড়ৰ হৈ ঈশান আহমেদে ৬৪ আৰু নিশান্ত সিংহানিয়াই ৩৩ ৰাণ কৰে। বিশ্বনাথৰ ৰোহিতে ৩২ ৰাণৰ বিনিময়ত ছটা উইকেট দখল কৰে। ইফালে, আজি দ্বিতীয় ইনিংছ মুকলি কৰি বিশ্বনাথ চাৰিআলি ১৩১ ৰাণতে অলআউট হয়। ফলত দলটোৰ সামগ্ৰিক অগ্ৰগতি হয় ১৫০ ৰাণৰ। দ্বিতীয় ইনিংছত বিশ্বনাথৰ দিৰস হাজৰিকাই সৰ্বাধিক ২৮ আৰু ৰোহিত ৰাউনিয়াৰে ২১ ৰাণ কৰে। ডিব্ৰুগড়ৰ মুকতাৰ হুছেইনে তিনিটা উইকেট দখল কৰে। কাইলৈ খেলৰ অন্তিম দিন।

## ফ্ৰেন্স অপেনত ছানিয়া-ৰোহনৰ অগ্ৰগতি

**নিউজ ব্যুৰ’**
**পেৰিছ, ২৭ মে’ ঃ** চলিত ফ্ৰেন্স অপেনৰ নিজা বিভাগত অগ্ৰগতি অৰ্জন কৰিছে ভাৰতীয় তাৰকা ছানিয়া মিৰ্জা আৰু ৰোহন ব’পান্নাই। চেক গণৰাজ্যৰ ু চি ৰাডেকাৰ স’তে যুটি বান্ধি ছানিয়াই মহিলাৰ ডাবল্‌ছৰ দ্বিতীয় ৰাউণ্ডত উপনীত হয়। যোৱা নিশাৰ খেলখনত ছানিয়া-ৰাডেকাই ইটালীৰ যুটি জেছমিন পাওলিনি আৰু মাৰ্টিনা ট্ৰেভিছনক ৪-৬, ৬-২, ৬-১ ছেটত পৰাজিত কৰে। আনহাতে, নেদাৰলেণ্ডৰ মেটউই মিডেলকুপৰ স’তে যুটি বান্ধি ব’পান্নাই পুৰুষ ছিংগল্‌ছৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। দ্বিতীয় ৰাউণ্ডৰ খেলত তেওঁলোকে আন্দ্ৰেই গলুবেভ আৰু ফেব্ৰিক মাৰ্টিনক সহজে ৬-৩, ৬-৪ ছেটত পৰাজিত কৰে। অৱশ্যে ভাৰতৰ আন এজন খেলুৱৈ ৰামকুমাৰ ৰামানাথনে পুৰুষ ডাবল্‌ছৰ পৰা বিদায় লৈছে।

## ৰাষ্ট্ৰীয় পাঞ্জাত দুটাকৈ সোণৰ পদক ডিব্ৰুগড়ৰ কৰবী সোণোৱালৰ



**বিশেষ সংবাদদাতা,**
**ডিব্ৰুগড়, ২৭ মে’ ঃ** গোৱাত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি দুটাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয় ডিব্ৰুগড়ৰ অতি ভিতৰুৱা অঞ্চল নতুন বলাইৰ কৰবী সোণোৱালে। সম্প্ৰতি কৰ্মসূত্ৰে যোৰহাট বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ কৰ্মচাৰী তথা যোৰহাট ন-আলি নাচনীচুকৰ নিৰ্বাসী চিত্ৰকমল সোণোৱালৰ পত্নী কৰবীয়ে জ্যেষ্ঠ শাখাত অসমৰ হৈ অংশগ্ৰহণ কৰি সফলতাৰে প্ৰথম স্থান লাভ কৰাৰ লগতে মুকলি শাখাতো প্ৰথম স্থান লাভ কৰি দুটাকৈ সোণৰ পদক জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কৰবীয়ে অহা ১৬ৰ পৰা ২০ জুনলৈ মালয়েছিয়াত অনুষ্ঠিত হ’বলগীয়া এছিয়ান পাঞ্জা চেম্পিয়নশ্বিপত দেশৰ হৈ অংশগ্ৰহণ কৰাৰ বাবে নিৰ্বাচিত হৈছে। গোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত দেশৰ ১৮খন ৰাজ্যৰ বহুসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। কৰবীৰ সাফল্যত ডিব্ৰুগড়ৰ লগতে স্বামীৰ কৰ্মসংস্থান যোৰহাটতো আনন্দৰ জোৱাৰ উঠিছে।

## বিশ্ব পাঞ্জালৈ দুলীয়াজানৰ ইফৰাজ

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ২৭ মে’ ঃ** যোৱা ১৯ আৰু ২০ মে’ত গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত দুলীয়াজানৰ যুৱক ইফৰাজ নৱাজ হুছেইনে ৰূপৰ পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বাঁওহতীয়া ইফৰাজে ৭৮ কেজি জুনিয়ৰ শাখাত এই সফলতা লাভ কৰিবলৈ সক্ষম হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ পৰা বাণিজ্য বিভাগত স্নাতক ডিগ্ৰী লাভ কৰা ইফৰাজে সম্প্ৰতি এমবিএত নামভৰ্তি কৰিছে। ইফৰাজ দুলীয়াজানৰ অইল ইণ্ডিয়াৰ পুৰণা ছেটেলমেণ্ট আবাসিক অঞ্চলত বাস কৰা মনোৱাৰ হুছেইন আৰু মফিদা হুছেইনৰ পুত্ৰ। উল্লেখ্য যে ইফৰাজে চলিত বৰ্ষত ভাৰতৰ হৈ ফ্ৰান্স আৰু মালয়েছিয়াত অনুষ্ঠিত হ’বলগীয়া বিশ্ব চেম্পিয়নশ্বিপ আৰু এছিয়ান চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ সুযোগ পাইছে। ইফৰাজৰ এই সফলতাত দুলীয়াজানৰ এথলেটিক্‌ছ ক্লাবকে ধৰি সকলোৱে উষ্ম অভিনন্দন জ্ঞাপন কৰিছে।



দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৮ মে’, ২০২২ শনিবাৰ পৃষ্ঠা ১৬

## বিল্যাসনন্দন চ’ৰা



# দোষোৎসৱ

**স্কুলে** স্কুলে গুণোৎসৱ চলি থকাৰ সময়তে আমাৰ ৰজাঘৰতো চৰ্চা চলিল। এনেহেন এটা উৎসৱৰ বৰ দৰকাৰ হৈছে আমাৰ ৰজাঘৰীয়া এল জে এমসকলক। এল জে এম মানে গম পাইছে নহয়! লগত যোৱা মিনিষ্টাৰ আকৌ! ৰজাঘৰৰ প্ৰত্যেকজনেই এল জে এম। ৰজা-মহাৰজাৰ লগত যোৱাৰ বাহিৰে তেওঁলোকৰ বেলেগ কাম বৰ্তমানলৈকে নাই। ৰজা-মহাৰজাই কৈছে যে ছাত্ৰ-ছাত্ৰী আৰু মাষ্টৰৰ গুণাগুণ বৃদ্ধি কৰিবলৈ যিদৰে গুণোৎসৱ পালন কৰা হয়, একেদৰে আমাৰ ৰজাঘৰৰ এল জে এমসকলৰ বাবেও দোষোৎসৱ পালিব লাগে। ৰজাঘৰীয়াৰ গাত যাতে দোষৰ কোনো চেকা নাথাকে, তাৰ বাবে দোষোৎসৱ পালনৰ দিহা কৰা হ’ল। দিল্লীৰ দৰবাৰৰ পৰা এক্সপাৰ্ট আহি গ’ল এই দোষোৎসৱৰ তদাৰক কৰিবলৈ। উৎসৱৰ ফিটা কাটি মহাৰাজে ক’লে যে ৰজাঘৰ সম্পূৰ্ণ দোষমুক্ত হৈ থাকিব লাগিব। কোনেও ৰজাঘৰলৈ আঙুলিয়াই ক’ব নোৱাৰিব যে অমুকটো দোষ হৈছে, তমুকটো দোষ হৈছে। কোনেও যাতে এনেকৈ দোষবোৰ খুঁচৰি খুঁচৰি উলিয়াব নোৱাৰে, তাৰ বাবে এই দোষোৎসৱৰ আয়োজন কৰা হৈছে। আটাইকে নিজৰ নিজৰ দোষবোৰ কৈ সেইবোৰক চিৰকাললৈ বিদায় দিবলৈ মহাৰাজে আহ্বান জনাই, উৎসৱৰ ফিটাডাল তিনিডোখৰকৈ কাটি গুচি গ’ল।

আটাইবোৰ ৰজাঘৰীয়াকে লাইন পাতিবলৈ দি দিল্লীৰ দৰবাৰৰ পৰা অহা এক্সপাৰ্টে ক’লে— ‘এই দোষোৎসৱত ভাগ লোৱা আটাইকে স্বাগতম জনাইছো।’

ঃ ধন্যবাদ ছাৰ।
ঃ মই এতিয়া আটাইকে কিছুমান প্ৰশ্ন সুধিম।
ঃ হ’ব ছাৰ।
ঃ তোমালোকে উত্তৰ দি যাবা।
ঃ হ’ব ছাৰ।
ঃ কোনেও যাতে মিছা নামাতে।
ঃ হ’ব ছাৰ।
ঃ আটায়ে যেন সঁচা কথা কয়।
ঃ হ’ব ছাৰ!
ঃ তোমালোকে ঘোচ খোৱানে?
ঃ নাখাওঁ ছাৰ।
ঃ চাকৰি দিম বুলি পইচা খোৱানে?
ঃ নাখাওঁ ছাৰ।
ঃ ঠিকাদাৰৰ পৰা পাৰ্চেণ্টেজ লোৱানে?
ঃ নলওঁ ছাৰ।
ঃ ৰাস্তা-ঘাট ভাঙিলে চাবলৈ যোৱানে?
যাওঁ ছাৰ।
ঃ দলং ভাঙিলে?
ঃ যাওঁ ছাৰ।
ঃ ৰাইজক তোমালোকে লগ দিয়ানে?
ঃ দিওঁ ছাৰ।
ঃ ৰাইজৰ দুখ-কষ্টৰ বুজ লোৱানে?
ঃ লওঁ ছাৰ।
ঃ ৰাজকোষৰ টকাৰে ফৰেইন যোৱানে?
ঃ নাযাওঁ ছাৰ।
ঃ ফেমিলীৰ মানুহক চাকৰি দিয়ানে?
ঃ নিদিওঁ ছাৰ।
ঃ সঁচাই কৈছানে?
ঃ কৈছো ছাৰ।
ঃ একেবাৰে সঁচা?
ঃ একেবাৰে সঁচা কৈছো ছাৰ।




ৰজাঘৰীয়াৰ উত্তৰবোৰ শুনি এক্সপাৰ্টজন অলপ চিন্তাত পৰিল। দুবাৰমান বাহিৰলৈ ওলাই গৈ ফোনত কথাও পাতিলে। ৰজাঘৰীয়াবোৰে পেটে পেটে বৰ স্ফূৰ্তি পালে! দোষোৎসৱৰ ইমানতে অন্ত পৰিল বুলি ভাবিলে। দোষ নায়েই যেতিয়া দোষোৎসৱৰ কি অৰ্থ থাকিল! এক্সপাৰ্টজনে জেপত ফোনটো সুমুৱাই থৈ ৰজাঘৰীয়াবোৰৰ মুখলৈ চাই ক’লে— ‘দোষোৎসৱ এদিনীয়া হোৱাৰ কথা আছিল। মই আলোচনা কৰি তিনিদিনীয়া কৰিলো। তোমালোকৰ বহু দোষ আছে। সেইবোৰ আঁতৰাব লাগিব।’

ৰজাঘৰীয়াবোৰে আচৰিত হৈ সুধিলে— ‘কিন্তু ছাৰ, আমিতো ঘোচ নাখাওঁ, পাৰ্চেণ্টেজ নাখাওঁ, ফৰেইন ট্যুৰ নকৰো বুলিহে কৈছিলো।’ এক্সপাৰ্টে বুজাই দিলে— ‘ৰাজনীতিত থাকিলে সেইবোৰেইতো ডাঙৰ ডাঙৰ দোষ।’

বহু বিজ্ঞানীয়েই ধাৰণা কৰে যে পৰৱৰ্তী এশ বছৰে নিৰ্ধাৰণ কৰিব আধুনিক বিজ্ঞানে মানুহক ধ্বংস কৰিব নে আৰু উন্নত কৰিব। অথবা সভ্যতাৰ যি স্তৰত আমি আছো তাতেই থাকিম নে আৰু আগুৱাই যাম। তথা আমি এই নক্ষত্ৰমণ্ডলৰ পৰা আন সৌৰজগতত প্ৰৱেশ কৰিব পাৰিম নে নাই? বিশেষজ্ঞই দাবী কৰে যে এটা সভ্যতা যিমানেই ডাঙৰ হয়, সিমানেই উন্নত হয়। বৃদ্ধি পায় জনসংখ্যাও। বিজ্ঞানৰ উন্নতি হ’লে প্ৰাকৃতিক শক্তিৰ চাহিদাও দ্ৰুতগতিৰে বৃদ্ধি পায়।



# আগন্তুক দিনত কৃষ্ণগহ্বৰতো বাস কৰিব মানুহে!

## পৰৱৰ্তী এশ বছৰে নিৰ্ধাৰণ কৰিব মানৱকুলৰ ভৱিষ্যৎ

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২৭ মে’ ঃ** বহু বিজ্ঞানীয়েই ধাৰণা কৰে যে পৰৱৰ্তী এশ বছৰে নিৰ্ধাৰণ কৰিব আধুনিক বিজ্ঞানে মানুহক ধ্বংস কৰিব নে আৰু উন্নত কৰিব। অথবা সভ্যতাৰ যি স্তৰত আমি আছো তাতেই থাকিম নে আৰু আগুৱাই যাম। তথা আমি এই নক্ষত্ৰমণ্ডলৰ পৰা আন সৌৰজগতত প্ৰৱেশ কৰিব পাৰিম নে নাই? বিশেষজ্ঞই দাবী কৰে যে এটা সভ্যতা যিমানেই ডাঙৰ হয়, সিমানেই উন্নত হয়। বৃদ্ধি পায় জনসংখ্যাও। বিজ্ঞানৰ উন্নতি হ’লে প্ৰাকৃতিক শক্তিৰ চাহিদাও দ্ৰুতগতিৰে বৃদ্ধি পায়।

এই সভ্যতাৰ কথা মনত ৰাখিয়েই সৃষ্টি কৰা হৈছিল ‘কাৰ্দাচেভ স্কেল’। এই স্কেল সভ্যতাৰ প্ৰযুক্তিগত অগ্ৰগতিৰ মাপকাঠিৰূপে সৃষ্টি কৰা হৈছিল। এটা সভ্যতাৰ ওচৰত কিমান ব্যৱহাৰযোগ্য শক্তি আছে তাৰ ওপৰত ভিত্তি কৰিয়ে তৈয়াৰ হৈছে এই স্কেল। ১৯৬৪ত ৰাছিয়াৰ জ্যোতিৰ্পদাৰ্থবিদ নিকোলাই কাৰ্দাচেভে এই স্কেল তৈয়াৰ কৰে। কাৰ্দাচেভে মহাজাগতিক সংকেতৰ সাহায্যত পৃথিৱীৰ বাহিৰত প্ৰাণ বা ভিন্নগ্ৰহী আছে নে নাই, তাৰ সন্ধান কৰিছিল। এই স্কেলত সভ্যতাৰ তিনিটা মাপকাঠি আছে। প্ৰতিটো মাপকাঠিতে এটা শক্তি নিষ্পত্তি স্তৰ আছে। এই তিনিটা সভ্যতা হৈছে টাইপ-১, টাইপ-২ আৰু টাইপ-৩। অন্যান্য জ্যোতিৰ্বিজ্ঞানীসকলে এই স্কেলত সভ্যতাৰ আৰু দুটা মাপকাঠি যোগ কৰিছে, টাইপ-৪ আৰু টাইপ-৫।

টাইপ-৪ আৰু টাইপ-৫ সভ্যতাৰ অৰ্থ হৈছে এই ধৰণৰ সভ্যতাত উপলব্ধ শক্তি কেৱল আমাৰ সৌৰজগততে নহয়, সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড আৰু সকলো সময়-ৰেখাত উপলব্ধ সমস্ত শক্তিৰ সমান। উল্লেখ্য যে মানৱ সভ্যতাই এতিয়াও সেই স্কেলত স্থান পোৱা নাই। কাৰণ মানুহে এতিয়াও মৃত গছ-গছনি তথা প্ৰাণীৰ পৰা প্ৰাপ্ত ইন্ধন (জীৱাশ্ম ইন্ধন)ৰ পৰাই শক্তিৰ চাহিদা পূৰণ কৰে। সেয়ে মানৱজাতি এতিয়াও পৰে টাইপ-০ সভ্যতাত। তাত্ত্বিক পদাৰ্থবিদ মিছিঅ’ কাকুৰ মতে, আমাৰ সভ্যতা সম্প্ৰতি এক বিশেষ মোৰত আহি উপস্থিত হৈছে। কাকুৱে বিশ্বাস কৰে যে অতি শীঘ্ৰেই মানৱ সভ্যতাৰ মানৰ উন্নয়ন হ’ব। আগন্তুক এশ-দুশ বছৰত মানৱ সভ্যতা টাইপ-১ সভ্যতাত উপস্থিত হ’ব।

এই স্কেল অনুসৰি এটা টাইপ-১ সভ্যতাক সেই সভ্যতাত ধৰা হয়, যিসকলে শক্তিৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণ কৰিবলৈ আন নক্ষত্ৰৰ পৰা শক্তি সংগ্ৰহ আৰু সঞ্চয় কৰিবলৈ সক্ষম। পৃথিৱীয়ে টাইপ-১ সভ্যতাত উপনীত হ’বলৈ বৰ্তমানৰ তুলনাত এক লক্ষ গুণ অধিক শক্তি উৎপাদন কৰিব লাগিব। অৰ্থাৎ মানুহে তেতিয়া আগ্নেয়গিৰি, ভূমিকম্প আৰু বতৰৰ পৰাও শক্তিক নিয়ন্ত্ৰণ আৰু সংগ্ৰহ কৰিব পাৰিব। পৰৱৰ্তী স্তৰত অৰ্থাৎ টাইপ-২ সভ্যতাৰ প্ৰাণীসমূহে নিজৰ নক্ষত্ৰৰ সমস্ত শক্তিক কামত লগাব পাৰে। এই সভ্যতাৰ মানুহে নক্ষত্ৰৰ পোহৰক শক্তিলৈ ৰূপান্তৰিত কৰাৰ সমান্তৰালকৈ সকলো নক্ষত্ৰকে নিয়ন্ত্ৰণ কৰিব পাৰে। এই সভ্যতাৰ ইমানেই ক্ষমতা থাকিব যি সহজেই গ্ৰহৰ ফালে দ্ৰুতগতিত আগবাঢ়ি অহা কোনো গ্ৰহাণুক নিমিষতে ধ্বংস কৰিব পাৰিব। টাইপ-৩ সভ্যতাৰ মানুহৰ সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ শক্তি সম্পৰ্কে ধাৰণা থাকে। ইয়াৰ উপৰি এই সভ্যতাত বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত শক্তিকেই নিয়ন্ত্ৰণ কৰাটো সম্ভৱ। এই সভ্যতাৰ প্ৰাণীসমূহ জৈৱিক আৰু যান্ত্ৰিক সংমিশ্ৰণত তৈয়াৰী, যাক কোৱা হয় ‘ছাইবৰ্গ’। এই সভ্যতাৰ মানুহে এটা নক্ষত্ৰমণ্ডলৰ পৰা আন এটা নক্ষত্ৰমণ্ডললৈ সহজে যাতায়াত কৰিব পাৰে। ইয়াৰ লগতে এই সভ্যতাৰ প্ৰাণীসমূহ চিন্তা-ভাৱনাযুক্ত ৰবট নিৰ্মাণতো সক্ষম।

কাৰ্দাচেভে বিশ্বাস কৰিছিল যে টাইপ-৪ সভ্যতা অতি বেছি উন্নত। তেওঁ ধাৰণা কৰিছিল যে এই সভ্যতাৰ প্ৰজাতিসকলৰ ক্ষমতা হ’ব অপৰিসীম। টাইপ-৪ সভ্যতাৰ মানুহ মহাবিশ্বৰ সমস্ত শক্তি ব্যৱহাৰ কৰাত সক্ষম আৰু এই সভ্যতাৰ মানুহে কৃষ্ণগহ্বৰতো অনায়াসে বসবাস কৰিব পাৰিব। কাৰ্দাচেভে ধাৰণা নকৰিলেও আৰু কিছু জ্যোতিৰ্বিজ্ঞানীয়ে ধাৰণা কৰে যে টাইপ-৪ সভ্যতাৰ পাছতো আৰু এটা সভ্যতাৰো অস্তিত্ব থাকিব পাৰে। কল্পনাতীতভাৱে উন্নত এই সভ্যতা হৈছে টাইপ-৫ সভ্যতা। এই সভ্যতাৰ মানুহবোৰ অসীম ক্ষমতাৰ অধিকাৰী হ’ব। ইচ্ছামতে মহাবিশ্বক পৰিচালনা কৰাৰ ক্ষমতা থাকিব টাইপ-৫ সভ্যতাৰ মানুহৰ। এই সভ্যতাত মানুহে নিমিষতে এটা স্থানৰ পৰা আন এক স্থানত উপস্থিত হ’ব পাৰিব। অৱশ্যে জ্যোতিৰ্বিজ্ঞানীসকলে ধাৰণা কৰে যে সাম্প্ৰতিক সভ্যতাৰ মানুহৰ বাবে উন্নত সভ্যতালৈ যোৱাটো বৰ সহজ কাম নহয়। তাৰ বাবে নিশ্চিতভাৱে পৃথিৱী তথা পৰিৱেশৰ যত্ন ল’ব লাগিব। যত্ন ল’ব লাগিব প্ৰকৃতিৰ পৰা পোৱা ক্ষমতাৰ উৎসসমূহৰো।

# অসমৰ বাগিচা অঞ্চলত আৰু দুশখন নতুন বিদ্যালয় স্থাপন কৰা হ’ব

## খুমটাইৰ চাহ বাগিচাত তিনিখন বিদ্যালয় উদ্বোধন মন্ত্ৰী পীযুষৰ



**বিশেষ সংবাদদাতা**
**গোলাঘাট/খুমটাই, ২৭ মে’ ঃ** ‘বিদ্যালয় আধাতে এৰা ল’ৰা-ছোৱালী যিমান হ’ব সিমানে সমাজখন অন্ধকাৰ হৈ গৈ থাকিব। শিক্ষাৰ অবিহনে আমি একো কৰিব নোৱাৰো। ছাইনব’ৰ্ড এখন পঢ়িব নজনা মানুহে শুদ্ধ পথ কেনেকৈ উলিয়াব? পঢ়া-শুনা নাজানিলে খেতিয়ক এজনে কোনটো বীজ ভাল সেয়া কেনেকৈ নিৰ্ধাৰণ কৰিব, উপযুক্ত প্ৰশিক্ষণ নহ’লে দক্ষতাৰে কাম কৰিব কেনেকৈ? শিক্ষাই সন্মান কঢ়িয়াই আনে। ঘৰ চলাবলৈ, সন্মান আৰ্জিবলৈ, সমাজত আগবাঢ়ি যাবলৈ শিক্ষা লাগে।’ এই মন্তব্য অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাৰ। আজি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ চাহ বাগিচা অঞ্চলত স্থাপন কৰা তিনিখন বিদ্যালয় ক্ৰমে দক্ষিণ হেংগেৰা, ভূলুকিটিং আৰু শালমাৰী চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি কৰে মন্ত্ৰী হাজৰিকাই। দক্ষিণ হেংগেৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি কৰি মন্ত্ৰীজনে কয়, ‘আজিৰ পৰা প্ৰায় দুবছৰ আগতে বিজেপি চৰকাৰৰ দিনতে অসমৰ চাহ বাগিচা অঞ্চলত ১১৯ খন বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হৈছিল। ইয়াৰে ৯৬খনৰ উদ্বোধন সম্পূৰ্ণ হ’ল আৰু ১৭খন স্কুলৰ কাম সোনকালে শেষ হ’ব। অৱশ্যে তিনিখনৰ ভূমিকেন্দ্ৰিক কিছু প্ৰক্ৰিয়া চলি আছে।’ আধাৰশিলা স্থাপন কৰিবলৈ ভাল লাগে, কিন্তু নিজে আধাৰশিলা স্থাপন কৰা অনুষ্ঠান যদি উদ্বোধন কৰাৰ সুযোগ পোৱা যায়, তাতকৈ সুখৰ কথা আন একোৱে নাই বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই বাগানৰ ল’ৰা-ছোৱালীয়ে সদায় পাত তুলিয়েই থাকিব নেকি বুলি মন্তব্য কৰে। তেওঁ কয়, ‘চাহ বাগিচাৰ লোকে এনে ভাবে শিক্ষা ল’ব লাগিব যাতে প্ৰতিখন বাগানৰ পৰিচালক, সহকাৰী পৰিচালক বাগানখনৰ লোকেই হয়। চৰকাৰে চাহ বাগিচা অঞ্চল আৰু চাহ জনগোষ্ঠীৰ লোকসকলক আগবঢ়াই নিয়াৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত বহু আঁচনি গ্ৰহণ কৰিছে। অসমৰ চাহ বাগিচাত বিদ্যালয় আধাতে এৰা ল’ৰা-ছোৱালী নথকাটো সুনিশ্চিত কৰা হ’ব। তদুপৰি অসমৰ বাগিচা অঞ্চলত আৰু দুহেজাৰখন নতুন বিদ্যালয় স্থাপন কৰা হ’ব।’ আনহাতে, তিনিওটা অনুষ্ঠানত মন্ত্ৰীজনৰ স’তে উপস্থিত থকা সাংসদ কামাখ্যা প্ৰসাদ তাছাই কয় যে এইসমূহ বিদ্যালয় কেৱল চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই নহয়, সকলো ল’ৰা-ছোৱালীৰ বাবেই মুকলি আছে। ব্ৰিটিছৰ সময়ৰ পৰা চাহ বাগিচা অঞ্চলত কোনো হাইস্কুল নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এইসমূহ বিদ্যালয়ে অঞ্চলটোৰ ল’ৰা-ছোৱালীক মানুহ কৰাৰ গুৰুদায়িত্ব পালন কৰিব। চাহ বাগিচা অঞ্চলত প্ৰাথমিক বিদ্যালয়লৈ যোৱাৰ পাছত ল’ৰা-ছোৱালীয়ে স্কুল বাদ দিয়ে বুলি তেওঁ খেদ প্ৰকাশ কৰি কয় যে চৰকাৰে এই সমস্যা সম্পূৰ্ণৰূপে নোহোৱা কৰাৰ প্ৰয়াস চলাইছে। চাহ বাগিচাৰ লোকে কেৱল চাহপাত তুলিব নালাগে চাহ বাগিচাৰ পৰা ভাল ল’ৰা-ছোৱালী ওলাব লাগে বুলি মন্তব্য কৰি তেওঁ অভিভাৱকসকলক নিজৰ ল’ৰা-ছোৱালীক নিয়মীয়াকৈ বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। তেওঁ লগতে চাহ বাগিচা অঞ্চলৰ কাষৰীয়া প্ৰাথমিক বিদ্যালয়সমূহ যাতে ভালকৈ চলে সেয়া সুনিশ্চিত কৰাৰ বাবে ৰাইজক চকু দিবলৈ আহ্বান জনায়। পূজা, বিহুত যাতে ল’ৰা-ছোৱালীয়ে স্কুল খতি নকৰে, সেয়া সুনিশ্চিত কৰিবলৈও অভিভাৱকসকলক আহ্বান জনায়। সাংসদজনে আনৰ ঘৰত সন্তানক বন কৰিবলৈ পঠিওৱাৰ পৰিৱৰ্তে বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়।

অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই কয় যে আজিৰ দিনটো খুমটাই সমষ্টিবাসীৰ বাবে অতি গুৰুত্বপূৰ্ণ। তিনিওখন বিদ্যালয়তে অতি উচ্চমানৰ শিক্ষা দিব পৰা শিক্ষকক ইয়াত নিযুক্তি দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। এই বিদ্যালয়সমূহ হোৱাৰে পৰা বিদ্যালয় আধাতে এৰি যোৱা ছাত্ৰ-ছাত্ৰী এতিয়া আকৌ উভতি আহিছে বুলি তেওঁ কয়। অনুষ্ঠানত গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বিদ্যালয়সমূহৰ পৰিদৰ্শক ডº সমীৰণ বৰা প্ৰমুখ্যে বিশিষ্ট লোকসকলৰ লগতে বিদ্যালয় প্ৰধান, স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আদি উপস্থিত থাকে।



*সীমান্ত অঞ্চলত ভাৰতীয় সেনা জোৱান কঢ়িয়াই নিয়া এখন বাহন লাডাখ নদীত পৰি যোৱাৰ ফলত কমেও সাতজন জোৱানৰ মৃত্যু ঘটে, শুকুৰবাৰে।*

# সোণাপুৰত ট্ৰাকসহ ২৫ টাকৈ গৰু জব্দ



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৭ মে’ ঃ** ৰাজ্যত গোসুৰক্ষা আইন বলবৎ হ’লেও বন্ধ হোৱা নাই পশুধনৰ চোৰাং বেহা। সোণাপুৰ আৰক্ষীয়ে আজি বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত অভিযান চলাই আমিনপুৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত ৰৈ থকা এখন ১২ চকীয়া ট্ৰাকত অভিযান চলাই ২৫ টাকৈ চোৰাং গৰু জব্দ কৰে। ইউ কে-০৭ চি বি-৯০৪৪ নম্বৰৰ ট্ৰাকখনত উজনিৰ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰা গৰুকেইটা মেঘালয়লৈ নি থকাৰ পথত এইদৰে জব্দ কৰে আৰক্ষীয়ে। অৱশ্যে আৰক্ষী অহাৰ উমান পাই ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনে পলায়ন কৰে।

# বটদ্ৰৱাৰ শ্ৰীশ্ৰী নৰোৱা কুঁজি সত্ৰত পুনৰ উদ্ধাৰ ৯০০ শতিকাৰ পাটনাদ



**অগ্ৰদূত বাৰ্তা**
**বটদ্ৰৱা, ২৭ মে’ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানাৰ পৰা নাতিদূৰৈত অৱস্থিত এখন সত্ৰ হ’ল শ্ৰীশ্ৰীনৰোৱা কুঁজি সত্ৰ। সৰু অথচ ঐতিহ্যপূৰ্ণ এই সত্ৰৰ সমীপত পুনৰ উদ্ধাৰ হৈ এটি পাটনাদ। কালি সত্ৰৰ কাষৰে মহেশ্বৰ বৰুৱা নাম লোকজনৰ ঘৰত পুখুৰী খান্দি থকা অৱস্থাতে পাঁচ ফুট দ’ত উদ্ধাৰ হয় এই পাটনাদটো। উল্লেখ্য যে যোৱা পহিলা মে’তো একেটা অঞ্চলতে মাটি খান্দোতে উদ্ধাৰ হৈছিল ৯০০ শতিকাৰ কে’বাটাও ৰূপ আৰু ব্ৰঞ্জৰ মুদ্ৰা। সেয়ে স্থানীয় লোকে এই পাটনাদটিও নশ শতিকাৰ বা সেই সভ্যতাৰেই বুলি ধাৰণা কৰিছে। এই পাটনাদটো চাবলৈ ইতিমধ্যে যথেষ্ট লোকৰ ভিৰ হৈছে। পুৰাতত্ত্ব বিভাগে এই অঞ্চলটোত খনন কাৰ্য চলালে হয়তো আৰু বহু সমল উদ্ধাৰ হ’ব বুলি ধাৰণা কৰিছে। লগতে গৱেষণাৰো স্থল আছে বুলি মন্তব্য কৰিছে।

# সোণাৰিৰ নাফুক চাহ বাগিচাত দুৰ্বৃত্তৰ তাণ্ডৱ

### নিশা ব্ৰিটিছ মহিলাৰ সমাধিস্থলী ভাঙি চূৰমাৰ দুৰ্বৃত্তৰ ঃ পৰ্যটকৰ আগমনৰ স্থলী ভাঙি পেলোৱাত চেপা উত্তেজনা

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ২৭ মে’ ঃ** ব্ৰিটিছ শাসন কালৰ এটা সমাধিস্থল দুৰ্বৃত্তই নিশা ভাঙি পেলোৱাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সোণাৰি নগৰৰ সমীপৰৱৰ্তী নাফুক চাহ বাগিচাত। নাফুক চাহ বাগিচাত মুখ্য পৰিচালকৰ বাংলো আৰু পল’ ফিল্ডৰ কাষতে ব্ৰিটিছ শাসন কালৰ সমাধিটো নিশা দুৰ্বৃত্তই ভাঙি চূৰমাৰ কৰে। উল্লেখ্য যে দুৰ্বৃত্তই ভাঙি চূৰমাৰ কৰা সমাধিটো ব্ৰিটিছ মহিলা লিলিয়ান কেথ’লিন ইমৰেইৰ। তথ্য মতে, চিংল’ টি কোম্পানীৰ অন্তৰ্গত নাফুক চাহ বাগিচাৰ কোনো ব্ৰিটিছ পৰিচালকৰ পত্নী আছিল কেথ’লিন। ১৯০৯ৰ ২০ জুলাইত দেহাৱসান হোৱা ব্ৰিটিছ মহিলা কেথ’লিনক বাগিচাৰ পৰিচালকৰ বাংলোৰ প্ৰায় কাষতে সমাধিৰ কৰা হয়। পৰৱৰ্তী সময়ত প্ৰধানতঃ বাগিচাৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী শ্ৰমিক আৰু আন সাধাৰণ লোকে উক্ত সমাধিস্থলীত প্ৰতি বছৰে শ্ৰদ্ধাঞ্জলি জনাই আহিছে। মন কৰিবলগীয়া যে ব্ৰিটিছ যুগৰ স্মৃতি বিজড়িত এই সমাধিস্থল পৰিদৰ্শন তথা স্মৃতি অধ্যয়ন কৰিবলৈ দেশ-বিদেশৰ বিভিন্ন পৰ্যটকৰ নাফুক চাহ বাগিচালৈ আগমন ঘটে। কিন্তু শেহতীয়াকৈ বাগিচাখনৰ মালিকীস্বত্ব চিংল’ টি কোম্পানী (এপিজে-সুৰিন্দ্ৰ)ৰ পৰা আনলৈ হস্তান্তৰ হয়। তাৰ মাজতে ব্ৰিটিছ মহিলা কেথ’লিনৰ সমাধিস্থল দুৰ্বৃত্তই মৰিয়াই মৰিয়াই ভাঙি পেলোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে সমাধিস্থলীৰ ফলক, ইটাৰ গাঁথনি সম্পূৰ্ণৰূপে দুৰ্বৃত্তই ভাঙি পেলায়। ইফালে, ব্ৰিটিছ ঔপনিৱেশিক শাসন কালৰ এক অংশ হিচাপে বিবেচিত এই সমাধিস্থল দুৰ্বৃত্তই এইদৰে ভাঙি পেলোৱাত চাহ বাগিচা কৰ্তৃপক্ষই আজি চফ্ৰাই আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। ইতিমধ্যে চফ্ৰাই আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান অব্যাহত ৰাখিছে যদিও দুৰ্বৃত্তক চিনাক্ত কৰিব পৰা নাই।

# চেলফি জোনত পৰিণত গোৱালপাৰা মাকৰিৰ উদ্যান

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৭ মে’ ঃ** গোৱালপাৰাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাকৰিত ভাস্কৰ্য্য শিল্পী শিৱনাথ বৰ্মণে স্থাপন কৰা বাঢ়ৈ উদ্যানখন সম্প্ৰতি অন্যতম চেলফি জোনত পৰিণত হৈছে। উদ্যানখনৰ অপৰূপ দৃশ্য চাবলৈ নিতৌ পথচাৰীৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা বহু লোকৰ সমাগম হয়। বাঢ়ৈ উদ্যানখনৰ স্বত্বাধিকাৰী শিৱনাথে নিজে হাতে সজা বৃহৎ আকাৰৰ ডাইনোচৰ, হাতী, জিৰাফ, হৰিণ আদিৰ লগতে উন্নত জাতৰ দেশী-বিদেশী ফল-মূলৰ গছ পুলিৰে পৰিপূৰ্ণ উদ্যানখন যেন পথচাৰীক হাত বাউলি মাতে। পঞ্চৰত্ন-শোলমাৰী ১৭ নম্বৰ ঘাইপথেৰে অহা-যোৱা কৰা লোকসকলে খন্তেকৰ বাবে হ’লেও গাড়ীখন ৰখাই উদ্যানখনৰ দৃশ্য উপভোগ কৰে। উদ্যানখনত বিদেশী ফল-মূলৰ গছ আৰু গছপুলি ৰাখি ৰাইজৰ দৰ্শনৰ বাবে ৰখাৰ উপৰি বিক্ৰীও কৰে। উদ্যানখনত জাপানীজ পাৰ্ছীমন, জাপানীজ ডুৰিণ ফল, ইণ্ডোনেছিয়াৰ ৰামবুটান, চীনা বানানা মেংগো, থাইলেণ্ডৰ



মিছৰীয় ডুমুৰ, বগা জাম, লংগান, এভাকেডো, আমেৰিকান এপ্ৰিকট, ৰেড জামৰুল, কাতিমন মেংগো, থাই বেল, ৰেড বানানা, কলা জাম, কলা আঙুৰ, লেছু, ভিয়েটনাম মৌচুমী, থাই মাল্টা, চীনা কমলা, দাৰ্জিলিং লেবু, কমলা, থাই অল টাইম কঠাল, মুজাফৰপুৰ লেছু, থাই ছুইট তেতেলী, কেলিফৰ্ণিয়া কুঁহিয়াৰ, মালেছিয়া ফল, ৰেড জামৰুল, বৰাইপুৰ মধুৰী আমকে ধৰি দুই শতাধিক ফল-মূলৰ গছ আৰু পুলি আছে। শিৱনাথে সদৰী কৰা মতে, তেওঁৰ উদ্যানখনত ১৩ গৰাকী শ্ৰমিকে গছপুলিৰ যতন লৈ থাকে। শিৱনাথে ভাস্কৰ্য্য শিল্পী হিচাপে দেশ-বিদেশত সমাদৰ লাভ কৰি অহাৰ পিছত মাকৰিত বিশাল অঞ্চল জুৰি এখন উদ্যান সজোৱাৰ পৰিকল্পনা কৰিছে। তেওঁৰ মুখ্য কাৰ্যালয় কলকতা আৰু শিলিগুৰি, গুৱাহাটীত কৰ্মশালা আছে। গোৱালপাৰাত ১৯৬৫ত গোৱালপাৰাত জন্ম গ্ৰহণ কৰা শিৱনাথে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ১৯৯১ত ভিজুয়েল আৰ্টচ ডিগ্ৰী লাভ কৰে। তেওঁ অয়েল পেন্টিং, ফাইবাৰ গ্লাছ মডেলিং, ডিজাইন এণ্ড ফেব্ৰিকেচন অফ গেলাৰীচ ইত্যাদি বিষয়ৰ ওপৰত কাম কৰে। ইতিমধ্যে তেওঁ কলকাতা বিৰালা ইণ্ডাষ্ট্ৰিয়াল এণ্ড টেকনলজিকাল মিউজিয়াম, নেপালৰ এভাৰেষ্ট চায়েঞ্চ চেন্টাৰ, গুজৰাট চায়েঞ্চ চিটি, দিল্লী ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰ, সংসদ ভৱন, লক্ষ্ণৌ চায়েঞ্চ চিটি, কেৰেলা চায়েঞ্চ চিটি, শিলিগুৰী চায়েঞ্চ চিটি আদিকে ধৰি বিভিন্ন ঠাইত ভাস্কৰ্য্য তৈয়াৰ কৰি সমাদৰ লাভ কৰিছিল।


## শ্ৰদ্ধাঞ্জলি আৰু নিমন্ত্ৰণ



**স্বৰ্গীয় উমেশ লহকৰ**

যোৱা ১৯ মে’, ২০২২ তাৰিখে গোলাঘাট চহৰৰ ‘মধুৰম হোটেল’ৰ স্বত্বাধিকাৰী তথা স্বেচ্ছাসেৱী অনুষ্ঠান গোলাঘাট ফাউণ্ডেছনৰ প্ৰাক্তন সভাপতি আমাৰ মৰমৰ জ্যেষ্ঠ ভ্ৰাতৃ উমেশ লহকৰৰ বিয়োগ ঘটে। তেওঁক সকলোৱে ‘বাবুল’ বুলিয়েই জানে। তেওঁৰ অন্তিম যাত্ৰাত শ্ৰদ্ধাঞ্জলি জনোৱা সকলোলৈ আমি পৰিয়ালৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। হঠাতে হোৱা ঘটনাটোৰ বিষয়ে এতিয়াও তেওঁৰ বহু শুভাকাংক্ষীয়ে জানিব পৰা নাই। তেখেত সকলকো ইয়াৰ মাধ্যমেৰে অৱগত কৰিলো। অহা ২৯ মে’ আৰু ৩১ মে’ ২০২২ত ক্ৰমে আদ্যশ্ৰাদ্ধ আৰু এমুঠি সিদ্ধান্নৰ আয়োজন কৰা হৈছে। এই দুয়োটা দিনলৈ আমি সকলোকে কৰপুটে নিমন্ত্ৰণ জনালো।

ভুল ত্ৰুটি সকলো মাৰ্জনা কৰিব।

**ভৱদীয়**
**লহকৰ পৰিয়ালবৰ্গৰ হৈ**
**পৰাগ লহকৰ**
**গোলাঘাট**


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com